মহামানৱ মহাত্মা গান্ধী

(সংক্ষিপ্ত আত্মকথাৰ সৈতে)

মূল লেখক
মোহনদাস কৰমচান্দ গান্ধী
ইংৰাজী সম্পাদনা
ড° ভাৰতন কুমাৰাপ্পা
অনুবাদক
ড°পৰেশ চন্দ্ৰ দেৱ শৰ্মা

প্ৰকাশক
অসম গান্ধী স্মাৰক নিধি
গান্ধীনগৰ

MAHAMANAV MAHATMA GANDHI :
A concise autobiography of Mahatma Gandhi, Orginal English Script of Dr Bharatan kumarappa and translated by Dr Paresh Chandra Deva Sarma, Chairman, Assam Gandhi Smarak Nidhi, (and added the life sketch by him) and published by Assam Gandhi Smarak Nidhi
Price Delux edition Rs 40 00 and
Popular edition Rs 20 00

প্ৰকাশক ঃ
অসম গান্ধী স্মাৰক নিধি
গান্ধীনগৰ

প্ৰথম প্ৰকাশ
গান্ধী জয়ন্তী ১৯৯৫

সুলভ সংস্কৰণ কুৰি টকা
শোভন সংস্কৰণ চল্লিশ টকা

মুদ্ৰক ঃ
শ্ৰীঅনুপম দত্ত
গ্ৰাফিকম্প
পানবজাৰ
গুৱাহাটী - ৭৮১০০১

আগলিকা

অসম গান্ধী স্মাৰক নিধি মহাত্মা গান্ধীজীৰ আদৰ্শ আৰু নীতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গঢ় দিয়া এখনি পুৰণি স্বয়ংসেবী অনুষ্ঠান। পঞ্চাশৰ দশকৰ পৰা এতিয়ালৈ বিভিন্ন মহান ব্যক্তিৰ নিৰ্দেশত এই সংস্থাটোৱে গুৱাহাটীৰ পৰা কেইমাইলমান আঁতৰত গঢ়ি তুলিলে—গান্ধীনগৰ। অসম-প্ৰাণ ৺ মহেন্দ্ৰ মোহন চৌধুৰীৰ অবদান এই ক্ষেত্ৰত শ্ৰদ্ধাৰে লেখত লব লাগিব। এই সময়তে গান্ধী দৰ্শন পত্ৰিকা আৰু কেইবাখনো গান্ধী সাহিত্য প্ৰকাশিত হৈছিল।

এই বছৰটো মহামানবৰ ১২৫ বছৰীয়া জন্ম-জয়ন্তীৰ বছৰ। অতীত পৰম্পৰা অনুসৰণ কৰি এই সুযোগতে বাবা বিনোবা আৰু মহামানবৰ জীৱনী দুখন প্ৰকাশ কৰিবলৈ আঁচনি কৰা হ'ল। বাটত বাধা আছিল-অৰ্থ যোগানৰ পৰা। আমাৰ এই আঁচনিত সৰ্বান্তঃ কৰণে সমৰ্থন জনালে গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধিৰ সচিব শ্ৰী শৈলেশ চন্দ্ৰ বন্দোপাধ্যায় দেৱে। নিধিৰ পৰা এককালীন সাহায্য দি এই আঁচনি সম্পূৰ্ণ কৰিবলৈ আমাক উদগণি জনালে।

আমি ইতিমধ্যে 'নীৰৱ সাধক-বাবা বিনোবা'ৰ প্ৰকাশন ১১ চেপ্তেম্বৰ ১৯৯৫ ৰ দিনা মণি-মাণিক প্ৰকাশৰ সহযোগত প্ৰকাশ কৰি উলিয়াইছো। মহামানব মহাত্মা গান্ধীৰ জীৱনী খনক দুই খণ্ডত ভাগ কৰি প্ৰকাশ কৰিবলৈ যোজনা কৰা হ'ল। প্ৰথম খণ্ডত বাপুৰ সংক্ষিপ্ত আত্ম কথাৰ অনুবাদ আৰু দ্বিতীয় খণ্ডত আত্মকথাৰ সময়ৰ পৰা শেষ মুহূৰ্ত্তলৈ জীৱনৰ কালছোৱাৰ বৰ্ণনা দিবলৈ বিচৰা হৈছে। প্ৰথম খণ্ডৰ মূল কথা শ্ৰীযুত শৈলেশ বন্দোপধ্যায়ৰ পৰামৰ্শ আনুসৰি ড° ভাৰতন কুমাৰপ্পা ৰ দ্বাৰা সম্পাদিত গ্ৰন্থৰ পৰা লোৱা হৈছে। এই গ্ৰন্থখনৰ বংগানুবাদ কৰিছিল। শ্ৰী শৈলেশ চন্দ্ৰ বন্দোপধ্যায় দেৱে। অসমীয়া অনুবাদ কৰোঁতে এই গ্ৰন্থৰ সহায় লোৱা হৈছে। দ্বিতীয় খণ্ডত ১৯২১ চনৰ পৰা মহাপ্ৰয়াণলৈ বাপুৰ জীৱন গাথাৰ সামান্য পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে। কেইবাখনো কিতাপৰ সহায় লৈ এই খিনি কথা যুগুতাবলৈ চেষ্টা কৰা হৈছে। এই কাম যে তেনেই উজু নহয় সেই কথা সহজে অনুমেয়। আবেগক শাসন কৰি বিবেক বুদ্ধিৰে লিখাৰ প্ৰচেষ্টা যে সম্পূৰ্ণ ভাৱে

ফলবতী হোৱা নাই সেই বিষয়ে আমি সম্পূৰ্ণ সজাগ ।

এই গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত অত্যন্ত আগ্ৰহী আৰু উৎসাহী হৈ আমাক কৃতজ্ঞতা পাশত আবদ্ধ কৰিছে নিধিৰ বিশিষ্ট সদস্য, বিশিষ্ট সৰ্ব্বোদয়ী সেৱক শ্ৰী দ্বাৰিক বৰুৱা দেৱে । তদুপৰি নিধিৰ সকলো সদস্যৰ সহানুভূতি, শ্ৰীযুত বন্দোপাধ্যায় দেৱৰ আৰ্থিক সহায় আৰু উদগণি, গ্ৰাফিকম্পৰ স্বত্বাধিকাৰী শ্ৰীঅনুপম দত্তৰ ছপা কাৰ্য্যৰ নিষ্ঠাৰ বাবে আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

গান্ধীজীৰ আদৰ্শ আমাৰ দেশৰ পৰা লাহে লাহে তিৰোহিত হোৱাৰ অৱস্থা । বৌদ্ধ ধৰ্মৰ দৰে গান্ধীবাদী আদৰ্শ আৰু নীতিয়ে বিশ্বৰ অন্য দেশত সমাদৰ লাভ কৰা অৱস্থাত আমাৰ দেশত ইয়াৰ বাবে হোৱা অনীহাৰ বাবে আমাৰ নেতৃত্বই জগৰীয়া। উত্তৰ পুৰুষৰ সমুখত আমি গান্ধীজীৰ কৰ্মৰাজিক হাতে কামে দেখুৱালৈ পৰাঙ্মুখ হোৱা আৰু নিষ্ঠাৰে তেখেতক অনুগমন নকৰা বাবে আজিৰ যুৱ সমাজে অহিংসা, সাম্য, মৈত্ৰীৰ পথ ত্যাগ কৰি সন্ত্ৰাস, হিংসা আৰু ঈৰ্ষাৰ পন্থা গ্ৰহণ কৰিছে। গান্ধীজীৰ এই জীৱনী খনিয়ে এই ক্ষেত্ৰত আমাৰ যুৱ-সমাজলৈ সামান্য আলোক পাত কৰিলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম । ‘সবকো সম্মতি দে ভগবান ।’

এই গ্ৰন্থখনৰ বড়ো অনুবাদো প্ৰকাশ কৰিবলৈ আমি মনস্থ কৰিছোঁ । ৰাইজৰ সহায়, সহযোগ আৰু পৰামৰ্শ এই ক্ষেত্ৰত আমি কামনা কৰিলোঁ । এই পুণ্য বছৰত গান্ধী আদৰ্শই প্ৰচাৰ-প্ৰসাৰ লাভ কৰক , শান্তি-সম্প্ৰীতিৰ ‘সুৰাজ’ প্ৰতিস্থা হওক । সেই আশাৰে জয় জগৎ ।

গান্ধী নগৰ, তেতেলীয়া
২ অক্টোবৰ ১৯৯৫

শ্ৰীপৰেশ চন্দ্ৰ দেৱ শৰ্মা
অধ্যক্ষ
অসম গান্ধী স্মাৰক নিধি

আত্ম কথা খণ্ড

মোৰ আত্ম কথা

ভূমিকা

সঁচা আত্মজীৱনী বা জীৱনী লেখাৰ চেষ্টা কৰাতো মোৰ উদ্দেশ্য নহয়। জীৱনত সত্যক লৈ যি অসংখ্য প্ৰয়োগ আৰু পৰীক্ষা-নিৰীক্ষা মই কৰিছোঁ – তাৰ সম্যক বিৱৰণ ডাঙি ধৰাতোৱেই মোৰ লক্ষ্য। মোৰ জীৱনত এই সকলো সত্যৰ প্ৰয়োগৰ বাহিৰে অন্য একোৱেই নাই বুলি এই বৰ্ণনাই স্বাভাৱিকতে আত্মজীৱনীৰ ৰূপ গ্ৰহণ কৰিব। ৰাজনীতিৰ ক্ষেত্ৰত মই যি পৰীক্ষা-নিৰীক্ষা চলাইছোঁ – সেয়া এতিয়া সৰ্বজন বিদিত। সেয়ে আধ্যাত্মিক ক্ষেত্ৰত কৰা প্ৰয়োগসমূহৰ বৰ্ণনাহে ইয়াত দিবলৈ ইচ্ছা কৰিছোঁ। কাৰণ ইয়াৰ কথা মোত বাদে আন কোনোৱে নাজানে। ৰাজনীতিৰ ক্ষেত্ৰত কাম কৰিবলৈ মই যি শক্তি পাইছোঁ – সেই সকলো আধ্যাত্মিক ক্ষেত্ৰৰ প্ৰয়োগত পৰীক্ষিত। মই যিবোৰ প্ৰয়োগৰ কথা কব খুজিছোঁ – সেই সকলো আধ্যাত্মিক – হয়তো সিবোৰক নৈতিক বুলি কোৱাটোৱে বেছি যুক্তিসংগত। কাৰণ নীতিয়েই ধৰ্মৰ সাৰ।

ধৰ্মৰ যিবোৰ কথা বয়সস্থ সকলৰ দৰে, শিশুসকলেও বুজা সহজ, সেইবোৰকহে এই কাহিনীত সন্নিবিষ্ট কৰিম। নিৰাসক্ত হৈ আৰু বিনম্ৰভাৱে এই কাহিনী বৰ্ণাব পাৰিলে আৰু বহুতেই ইয়াৰ পথেৰে যাত্ৰা কৰিবলৈ সহায়তা পাব।

আশ্ৰম, সাবৰমতী
২৬ নবেম্বৰ ১৯২৫ চন

মো. ক. গান্ধী

মোৰ আত্ম কথা

জন্ম আৰু পিতৃ-মাতৃ

মোৰ দেউতা কৰমচাঁদ গান্ধী পোৰবন্দৰৰ দেৱান আছিল। তেওঁ স্বজাতিপ্ৰেমী, সত্যাশ্ৰয়ী, সাহসী আৰু উদাৰ স্বভাৱৰ আছিল। অৱশ্যে সৰু সৰু কথাতেই তেওঁ ক্ৰোধান্বিত হৈ পৰিছিল।

বিত্তৰ বিত্ত সঞ্চয়ৰ আগ্ৰহ তেওঁৰ কেতিয়াও নাছিল আৰু আমাৰ কাৰণে খুব বেছি সম্পত্তি তেওঁ এৰি থৈ যোৱাও নাই।

তেওঁ কোনো প্ৰকাৰৰ স্কুল বা কলেজত শিক্ষণ পোৱা নাছিল। খুব বেছি গুজৰাটীত পঞ্চম শ্ৰেণীলৈ পঢ়া বুলি ক'ব পাৰি। ইতিহাস আৰু ভূগোল সম্বন্ধে তেওঁৰ বিশেষ জ্ঞান নাছিল। কিন্তু বাস্তৱ জগতখনৰ বিষয়ে প্ৰচুৰ অভিজ্ঞতা থকাৰ ফলত জটিল সমস্যাৰ সমাধান আৰু অসংখ্য ব্যক্তিৰ লগত কাম কাজ পৰিচালনাৰ ক্ষেত্ৰত তেওঁ কোনো কষ্ট নাপাইছিল। তেওঁ কোনো ধাৰ্মিক শিক্ষা পোৱা নাছিল, কিন্তু তথাপি অধিকাংশ হিন্দুৰ দৰে মন্দিৰলৈ অহা-যোৱা কৰিছিল আৰু ধৰ্মশাস্ত্ৰ ইত্যাদিৰ চৰ্চা শুনি শুনি তেওঁ এক ধৰ্মীয় সংস্কৃতিৰ উত্তৰাধিকাৰী হৈছিল।

মোৰ স্মৃতিপটত মাৰ ছবি এগৰাকী একান্ত সাধ্বী ৰূপে চিত্ৰিত। তেওঁ অত্যন্ত ধৰ্মপৰায়ণা আছিল। দৈনন্দিন পূজা-অৰ্চনা নকৰাকৈ আহাৰ গ্ৰহণ কৰাৰ কথা তেওঁ চিন্তাই নকৰিছিল। বিষ্ণু মন্দিৰলৈ যোৱাটো তেওঁৰ নিত্য কৰ্ত্তব্য আছিল। মোৰ মনত পৰালৈকে তেওঁ কোনো বাৰেই চতুৰ্মাস ব্ৰত বাদ দিয়া নাছিল। তেওঁ বৰ কঠোৰ ব্ৰত পালন কৰিছিল আৰু যিয়েই নঘটক ব্ৰত পূৰ্ণ নকৰাকৈ তেওঁ নেৰিছিল। অসুস্থতাৰ বাবেও তেওঁ কোনো ব্ৰত পালনত শিথিলতা দেখুৱা নাছিল। মোৰ মনত আছে – এবাৰ চতুৰ্মাস ব্ৰতৰ সময়ত তেওঁ অসুস্থ হৈ পৰিল, কিন্তু ব্ৰতৰ আচাৰ - নিয়ম পালনত এই অসুস্থতাই কোনো বাধা দিব নোৱাৰিলে। এক এক দিনৰ পাছে পাছে দুই দিনকৈ উপবাসে থকা তেওঁৰ বাবে একোৱেই নাছিল। চতুৰ্মাস পালনৰ

সময়ত একবেলা খোৱাটো তেওঁৰ অভ্যাসতে পৰিণত হৈছিল। ইয়াতো সন্তুষ্ট নহৈ তেওঁ সেই সময়ত এদিন এৰি এদিন একেবাৰে উপবাস দিছিল। আৰু এবাৰ চতুৰ্মাসৰ ব্ৰতৰ সময়ত তেওঁ সূৰ্য নেদেখাকৈ একো নাখাবলৈ স্থিৰ কৰিলে। তেতিয়া আমি ল'ৰা ছোৱালীৰ দলে মাক সূৰ্য্যৰ আবিৰ্ভাবৰ খবৰ দিবলৈ গোটেই দিনটো আকাশৰ ফালে চাই থাকোঁ। সকলোৱে জানে ঘোৰ বাৰিষা কালত কেবা দিনো ধৰি সূৰ্য্য নোলায়েই। মোৰ আজিও মনত আছে — এনেও বহু দিন গৈছে যেতিয়া সূৰ্য্যৰ আবিৰ্ভাব দেখি আমি মাক খবৰ দিবলৈ দৌৰি গৈছোঁ। আমাৰ মুখত খবৰ পাই তেওঁ স্বচক্ষে সূৰ্য্য দৰ্শনৰ বাবে বাহিৰ ওলাই চাইছে -ইতিমধ্যে সূৰ্য্যদেৱ অদৃশ্য হৈ পৰিছে আৰু লগতে মাক সিদিনা খোৱাৰ পৰাও বঞ্চিত কৰিছে। মাই কিন্তু আনন্দমনেৰেই কৈছে — "তাতে কি হ'ল ? আজি মই ভাত খোৱাটো ভগৱানৰ অভিপ্ৰেত নহয়েই।" এই বুলি সংসাৰৰ যুৱলী কান্ধত লবলৈ ঘৰৰ ভিতৰ সোমাল।

মাৰ সাধাৰণ বুদ্ধি বৰ প্ৰখৰ আছিল। দেশী ৰাজ্যখনৰ যাবতীয় সকলো কথাৰ বিষয়ে তেওঁৰ সম্যক জ্ঞান আছিল।

এনে পিতা মাতাৰ ঘৰত ১৮৬৯ চনৰ ২ অক্টোবৰৰ দিনা পোৰবন্দৰ বা সুদামাপুৰীত মোৰ জন্ম হয়।

বিদ্যালয়

পোৰবন্দৰত মোৰ শৈশৱ অতিবাহিত হয়। স্কুললৈ যোৱাৰ কথা মোৰ মনত পৰে। মোৰ নামটো মুখস্থ কৰোঁতেই মোৰ বৰ কষ্ট হৈছিল। অন্য ল'ৰাবোৰৰ সংগত পৰি গুৰুজনৰ বিষয়ে কেতিয়াবা কটু বাক্য হয়তো কৈছোঁ — ইয়াত বাদে সেই সময়ৰ কথা মোৰ একো বিশেষ মনত নপৰে।

দেউতাই যেতিয়া পোৰবন্দৰ এৰি ৰাজকোটলৈ যায়, তেতিয়া মোৰ বয়স বোধহয় ৭ বছৰ। তাতেঁ এখন প্ৰাথমিক বিদ্যালয়ত মোক ভৰ্ত্তি কৰি দিয়ে আৰু তেতিয়াৰ জীৱনৰ কথা মোৰ ভালকৈ মনত পৰে। পোৰবন্দৰৰ দৰে ইয়াতো পঢ়া- শুনাৰ বিষয়ে উল্লেখযোগ্য একো নাই। ইয়াৰ পৰা মই মাধ্যমিক বিদ্যালয়লৈ যাওঁ আৰু তাৰ পৰা উচ্চ বিদ্যালয়। মোৰ বয়স তেতিয়া ১২ বছৰ। এই কম সময়ৰ ভিতৰতে

মই মোৰ শিক্ষকসকলক বা সহপাঠি সকলক এটাও মিছা কথা কোৱা বুলি মোৰ মনত নপৰে। মই বৰ লাজকুৰীয়া স্বভাৱৰ আছিলোঁ আৰু সকলো লগ লগৰীয়া এৰাই চলিছিলোঁ। কিতাপ আৰু স্কুলৰ পঢ়া-শুনাই মোৰ একমাত্ৰ সংগী আছিল। ঘণ্টা পৰাৰ লগে লগে শ্ৰেণীত হাজিৰ হোৱা আৰু ছুটী হোৱাৰ লগে লগে উৰ্দ্ধশ্বাসে ঘৰলৈ ফিৰিছিলোঁ। কাৰণ বাটত কাৰো লগত কথাবতৰা পতাৰ ভয়তে কম্পিত হৈছিলোঁ। কোনোবাই যদি মোক ঠাট্টা কৰে সেই ভয়তে মই ব্যাকুল হৈছিলোঁ।

উচ্চ বিদ্যালয়ৰ প্ৰথম বছৰৰ বছৰেকীয়া পৰীক্ষাৰ সময়ত এটা উল্লেখযোগ্য ঘটনা ঘটে। শিক্ষা বিভাগৰ পৰিদৰ্শক গিলেস চাহাবে বিদ্যালয় পৰিদৰ্শনৰ বাবে আহিছিল। আমি কিমান ভালকৈ ইংৰাজী শব্দৰ বানান শিকিছোঁ তাকে পৰীক্ষা কৰিবলৈ আমাক ৫টা ইংৰাজী শব্দ লিখিবলৈ দিছিল। ইয়াৰে এটা শব্দ আছিল kettle। মই বানানটো ভুলকৈ লিখিলোঁ। শিক্ষক গৰাকীয়ে নানা ভাবে মোক বানানটো শুধৰাবলৈ সংকেত দিলে। মই কিন্তু তেওঁৰ কথা বুজি নাপালোঁ। ফলত সকলোৱে শুদ্ধকৈ লিখিলে – মোৰহে ভুল হ'ল। নকল কৰাৰ বিদ্যা শিকাটো মোৰ পক্ষে একেবাৰে অসম্ভব। অৱশ্যে এই ঘটনাই শিক্ষক জনাৰ প্ৰতি বিন্দুমানো শ্ৰদ্ধা কমা নাছিল। মই কেৱল গুৰুজনৰ নিৰ্দ্দেশ পালন কৰিবলৈহে শিকিছিলোঁ। তেখেত সকলৰ কাৰ্য্যকলাপৰ সমালোচনা কৰা মোৰ স্বভাব বিৰুদ্ধ আছিল।

এই সময়ৰ আৰু দুটা ঘটনাৰ কথা মোৰ মনত চিৰজাগ্ৰত হৈ আছে। সাধাৰণতে পাঠ্যপুথিৰ বাহিৰে বিশেষ একো পঢ়িব খোজা নাছিলো। মই শাস্তি পাবলৈ বিচৰা নাছিলোঁ আৰু শিক্ষকক ফাকি দিয়াৰ ইচ্ছা নথকা বাবে দিনৰ পঢ়াখিনি দৈনিকে পঢ়িছিলোঁ। অৱশ্যে মাজে মাজে তাত মন নবহিছিল। গতিকে ভালভাবে স্কুলৰ পঢ়াই যেতিয়া শেষ নহয় তেতিয়া বাহিৰা কিতাপ পঢ়াৰ প্ৰশ্নই নুঠে। কিন্তু ঘটনাচক্ৰত দেউতাই কিনা এখন কিতাপত মোৰ চকু পৰিল। কিতাপখনৰ নাম আছিল "শ্ৰৱণৰ পিতৃ ভক্তি নাটক" (অন্ধ মাতা-পিতাৰ প্ৰতি অত্যন্ত ভক্তি পৰায়ণ তৰুণ মুনি শ্ৰৱণকুমাৰে মাক দেউতাকক তীৰ্থদৰ্শন কৰিবলৈ কান্ধত ভাৰ কৰি নিছিল। বাটত শ্ৰীৰামচন্দ্ৰৰ পিতা ৰজা দশৰথে তেওঁক ভুলক্ৰমে হত্যা কৰে।) বৰ আগ্ৰহেৰে এইখন কিতাপ পঢ়িলোঁ। সেই সময়তে আমাৰ ইয়ালৈ ভ্ৰাম্যমান চিনেমাৰ দল এটি আহে। তাতে এটা ছবি দেখিলোঁ যে বাওঁ কান্ধত অন্ধ মাতা-পিতাক দুটা পাচিত ওলোমাই লৈ তীৰ্থ যাত্ৰালৈ ওলাইছে। সেই নাটক আৰু ছবিখনে মোৰ মনত এটা স্থায়ী ছাপ এৰি থৈ গ'ল। মনে মনে কলোঁ – "ইমান দিনে অন্ততঃ এটা অনুকৰণীয় উদাহৰণ

পালোঁ ।”

প্ৰায় এই সময়তে ‘হৰিশ্চন্দ্ৰ’ নাটক খন চাবলৈ পিতাৰ পৰা অনুমতি পাওঁ । এই নাটক খনে মোৰ মন জয় কৰিলে । এই অভিনয় যিমান বাৰেই নাচাওঁ কিয় মোৰ বিৰক্তি নালাগে বা ভাগৰ নালাগে। কিন্তু অভিনয় চাবলৈ কিমান বাৰেই বা দেউতাই অনুমতি দিব ? সদাই কিন্তু মই এই অভিনয়ৰ কথাই ভাবোঁ । মনে মনে কিমানবাৰ যে হৰিশ্চন্দ্ৰৰ মই অভিনয় কৰিছোঁ তাৰ হিচাব নাই । দিনে ৰাতি মোৰ মনত প্ৰশ্ন জাগে “সকলোৱে হৰিশ্চন্দ্ৰৰ দৰে সত্যবাদী কিয় নহয় ।’ সত্য পথ অবলম্বন কৰি হৰিশ্চন্দ্ৰৰ দৰে অগ্নিপৰীক্ষা দিয়াৰ আদৰ্শই মোক উদ্বুদ্ধ কৰি তোলে । হৰিশ্চন্দ্ৰৰ কাহিনীটো মই আখৰে আখৰে বিশ্বাস কৰিছিলোঁ । কেতিয়াবা তেওঁৰ কথা ভাবি ভাবি চকুলো টুকিছিলোঁ ।

হাইস্কুলত মোক বৰ বেয়া ছাত্ৰ বুলি ভবা নাছিল । সদায় শিক্ষক সকলৰ পৰা মই মৰম চেনেহ লাভ কৰিছোঁ । প্ৰতি বছৰে অভিভাবক সকলৈলৈ ছাত্ৰৰ উন্নতি আৰু চৰিত্ৰ সম্বন্ধে ৰেকৰ্ড পঠিওৱা হৈছিল । মই কেতিয়াও নিন্দাযুক্ত প্ৰমাণ-পত্ৰ পোৱা নাই । আচলতে দ্বিতীয় মানলৈ উত্তীৰ্ণ হবৰ সময়ত মই পুৰস্কাৰো পাইছিলোঁ । পঞ্চম আৰু ষষ্ঠমানত উত্তীৰ্ণ হোৱা সময়ত মই ক্ৰমে চাৰি টকা আৰু দহ টকাৰ ছাত্ৰবৃত্তি ও লাভ কৰিছিলোঁ । অৱশ্যে কৃতিত্বৰ বাবে মোৰ প্ৰতিভাতকৈ মোৰ ভাগ্যহে বেছি বলবান আছিল । কাৰণ এই ছাত্ৰবৃত্তি সকলোৰে বাবে নাছিল । কঠিয়াৱৰ সোৰাঠ বিভাগৰ পৰা অহা ছাত্ৰসকলৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ ছাত্ৰজনৰ বাবেই এই ছাত্ৰবৃত্তি সুৰক্ষিত আছিল । সেই সময়ত ৪০।৫০ জন ছাত্ৰৰ শ্ৰেণীত কেইজনেই বা সোৰাঠৰ ছাত্ৰ থাকিব ?

মোৰ মনত আছে যে মোৰ নিজৰ যোগ্যতা সম্বন্ধে খুব ভাল ধাৰণা নাছিল । পুৰস্কাৰ বা ছাত্ৰবৃত্তি পালে মই আচৰিত হওঁ । অৱশ্যে চৰিত্ৰৰ পবিত্ৰতা সম্বন্ধে মই খুব সাবধান আছিলোঁ । এই বিষয়ে সামান্য ক্ৰটি-বিচ্যুতি হলে মোৰ দুচকুৰে চকুলো বৰলৈ ধৰে । মই যদি কিবা ভুল কৰোঁ বা যদি মই ভুল কৰা বুলি শিক্ষক মহাশয়ে ভাবে আৰু তাৰ বাবে মোক ককৰ্থনা কৰে, তেতিয়াতো মোৰ অসহ্য হৈ পৰে । এবাৰ মাৰ (বেতৰ কোব) খোৱাৰ কথা মোৰ মনত পৰে । শাস্তিৰ বাবে মোৰ মনত সিমান দুঃখ নাছিল, দুঃখ হৈছিল এই কথা ভাবি যে মোকো শাস্তি পোৱাৰ উপযুক্ত বুলি ভবা হ'ল । মই খুব কান্দিছিলোঁ । ই সম্ভবতঃ মই প্ৰথম বা দ্বিতীয় শ্ৰেণীত থকা সময়ৰ ঘটনা। সপ্তম মানত এনে ধৰণৰ আন এটা ঘটনা ঘটে। তেতিয়া দোৱাবজী

এডুলজী জিমি আমাৰ প্ৰধান শিক্ষক আছিল। তেখেত অত্যন্ত শৃংখলাপৰায়ণ, কুশল পৰিচালক আৰু খুব ভাল শিক্ষক হোৱা বাবে ছাত্ৰ সমাজত খুব শ্ৰদ্ধাৰ পাত্ৰ আছিল। ওপৰ শ্ৰেণীৰ ছাত্ৰসকলৰ বাবে তেখেতে কছৰৎ আৰু ক্ৰিকেট খেলা বাধ্যতামূলক কৰিছিল। এই দুয়োটাই মোৰ পছন্দ নাছিল। বাধ্যতামূলক কৰাৰ আগতে মই কেতিয়াও কোনো প্ৰকাৰৰ ব্যায়াম, ক্ৰিকেট বা ফুটবল আদি খেলা নাছিলোঁ। মোৰ লাজকুৰীয়া স্বভাৱ এনে নিঃসংগ বৃত্তিৰ বাবে বহু পৰিমাণে দায়ী আৰু এতিয়া মই তেনে স্বভাবৰ ক্ৰুটিৰ কথা উপলব্ধি কৰোঁ। মোৰ মনত সেই সময়ত এটা ভুল ধাৰণা আছিল যে শিক্ষাৰ লগত ব্যায়ামৰ কোনো সম্বন্ধ নাই। অৱশ্যে এই কথা মই কম যে ব্যায়াম নকৰা স্বত্ত্বেও মোৰ স্বাস্থ্য তেনে কোনো বেয়া নাছিল। ইয়াৰ কাৰণ হৈছে – যে মুকলি বতাহত ফুৰাৰ উপকাৰিতাৰ কথা মই কোনো কিতাপত পঢ়িছিলোঁ আৰু আজি পৰ্য্যন্ত সেই অভ্যাস চলি আছে। এনে ধৰণে খোজ কঢ়াৰ কাৰণে মোৰ শৰীৰ বেছ সুগঠিত আছিল।

পিতাৰ সেৱা-শুশ্ৰুষা কৰাৰ তীব্ৰ ইচ্ছা থকাত মই ব্যায়ামৰ কাৰণে সময় দিবলৈ অনিচ্ছুক আছিলোঁ। বিদ্যালয়ৰ ছুটী হোৱাৰ লগে লগে মই ঘৰলৈ আহি দেউতাৰ সেৱা আৰম্ভ কৰোঁ। বাধ্যতামূলক ব্যায়ামৰ নিৰ্দেশ প্ৰত্যক্ষ ভাবে পিতাৰ সেৱা কাৰ্য্যত বাধক হ'ল। শ্ৰীযুত জিমি দেৱক অনুৰোধ কৰিলোঁ পিতাৰ শুশ্ৰুষাৰ বাবে মোক ব্যায়ামৰ পৰা অব্যাহতি দিবলৈ। কিন্তু তেখেতে মোৰ কথালৈ কাণষাৰকৈ নকৰিলে। ৰাতিপুৱা স্কুলৰ সময়ত আৰু শনিবাৰে আবেলি ৪ টা বজাত ব্যায়াম কৰিবলৈ আমি স্কুললৈ যাব লাগিছিল। মোৰ ঘড়ী নাছিল আৰু আকাশত মেঘ থকা বাবে সময়ৰ ঠিক অনুমান কৰিব নোৱাৰিলোঁ। মই বিদ্যালয়ত উপস্থিত হোৱাৰ আগতে অইন ছাত্ৰবোৰ ঘৰাঘৰি গুছি গৈছিল। পিছদিনাখন শ্ৰীযুত জিমিদেৱে হাজিৰা খাতা পৰিদৰ্শন কৰাৰ সময়ত দেখিলে যে আগৰ দিনা মই অনুপস্থিত আছিলোঁ। তেখেতে অনুপস্থিতিৰ কাৰণ মোক সোধাত আচলতে যি ঘটিছিল তাকে কলোঁ। তেখেতে মোৰ কথাত বিশ্বাস কৰিব নুখুজিলে আৰু মোৰ ঠিক মনত নাই এক অনা বা দুই অনা জৰিমনা দিবলৈ মোক আদেশ দিলে।

মিছা কথা কোৱাৰ বাবে আমাক অপৰাধী সাব্যস্ত কৰা হৈছে – এই কথা ভাবি মই বৰ আঘাত পালোঁ। কি কৰি মোৰ নিৰ্দোষিতা প্ৰমাণ কৰিম ? একো-উপায় পোৱা নাছিলোঁ। দুঃখতে মই কান্দি পেলালোঁ। মই বুজিলোঁ সত্যবাদী সাবধানো হ'ব লাগে। বিদ্যালয়ৰ সময়ৰ এয়াই প্ৰথম আৰু শেষ গাফিলতিৰ নিদৰ্শন। মোৰ অলপ

অলপ এতিয়া মনত পৰে যে সেই জৰিমনাৰ পইচা মই ঘূৰাই পাইছিলোঁ। কাৰণ দেউতাই নিজে প্ৰধান শিক্ষক মহাশয়লৈ লিখিছিল যে স্কুল ছুটীৰ পাছত তেওঁ মোক ঘৰত থকাটো বিচাৰে।

কছৰৎ কৰাৰ প্ৰতি উদাসীন হোৱাৰ বাবে ক্ষতিগ্ৰস্ত নহ'লেও আৰু এটি বিষয় উপেক্ষা কৰাৰ ফল মই আজিও ভুগি আছোঁ। কেতিয়াৰ পৰা নাজানো মোৰ মনত এটা ভুল ধাৰণা সোমাল যে ভাল হাতৰ আখৰ শিক্ষাৰ অপৰিহাৰ্য অংগ নহয়।

স্কুলীয়া জীৱনৰ আৰু দুটা ঘটনা উল্লেখযোগ্য। বিয়াৰ বাবে মোৰ এবছৰ সময় নষ্ট হয় আৰু আমাৰ শিক্ষক মহাশয়ে সেই ক্লাছটো চেৰাই গৈ সেই লোকচান পূৰাবৰ বাবে কয়। সাধাৰণতে কঠিন পৰিশ্ৰমী ছাত্ৰসকলক এই সুযোগ দিয়া হয়। সেয়ে তৃতীয় শ্ৰেণীত মাত্ৰ ছয় মাহহে পঢ়িছিলোঁ আৰু গৰমৰ বন্ধৰ আগতে হোৱা পৰীক্ষাৰ পিছত মোক চতুৰ্থ শ্ৰেণীলৈ প্ৰমোচন দিয়ে। চতুৰ্থমানৰ পৰা বেছি ভাগ বিষয়েই ইংৰাজী মাধ্যমেৰে শিকোৱা হৈছিল। মোৰ বাবে ই ডাঙৰ বোজা হৈ পৰিল। জ্যামিতি এটা নতুন বিষয় হ'ল – প্ৰথমতে মই সেইটো একো বুজাই নাছিলোঁ। তাৰ ওপৰতো ইংৰাজী মাধ্যমে তাক আৰু জটিল কৰি তুলিলে। শিক্ষক মহাশয়ে খুব যত্ন কৰিয়েই পঢ়াইছিল। কিন্তু তেখেতৰ শিকনি বুজিব পৰা নাছিলোঁ। হতাশ হৈ মাজে মাজে তৃতীয় শ্ৰেণীলৈ ঘূৰি যোৱাৰ কথাই ভাবিছিলোঁ। মনত ভাব হৈছিল – দুই বছৰৰ পাঠ এবছৰতে সামৰা বৰ টান। কিন্তু এই ক্ষেত্ৰত কেৱল মোৰেই অপমান নহব ; মই যি গৰাকী শিক্ষকৰ অনুগ্ৰহত এই সুযোগ পাইছিলোঁ তেখেতৰো বদনাম হ'ব। কাৰণ তেখেতে মোৰ যোগ্যতাক ভৰষা কৰিহে এই প্ৰমোচনৰ বাবে লিখিছিল। এই দুয়োটা অপযশৰ ভয়ে মোক বান্ধি ৰাখিলে। অৱশ্যে বৰ কষ্ট কৰি ইউক্লিডৰ ত্ৰয়োদশ উপপাদ্য পালোঁ। জ্যামিতিৰ সকলো কথা মোৰ বাবে সহজ হৈ পৰিল। যি বিষয়ত মানুহৰ সাধাৰণ যুক্তি বিদ্যাৰ প্ৰয়োজন সি কেতিয়াও কঠিন হ'ব নোৱাৰে। তেতিয়াৰ পৰা জ্যামিতি মোৰ কাৰণে সহজ আৰু মনোগ্ৰাহী যেন লগা হ'ল।

সংস্কৃত অৱশ্যে তাতকৈও টান লাগিল। জ্যামিতিত মুখস্থ কৰিবলৈ একো নাছিল। বিপৰীত ভাবে মোৰ ভাব হৈছিল যে সংস্কৃতত সকলো জ্ঞানেই মুখস্থ বিদ্যাৰ ওপৰত নিৰ্ভৰশীল। এই বিষয়টোও চতুৰ্থ শ্ৰেণীৰ পৰাই আৰম্ভ হৈছিল। ষষ্ঠমানলৈ উত্তীৰ্ণ হোৱাত মোৰ অৱস্থা বেয়া হৈ পৰিল। শিক্ষক মহাশয় খুব কাঢ়া আছিল আৰু মোৰ ভাব হৈছিল যে তেওঁ যেন বিদ্যাৰ্থী সকলক বেছি হেচা দিবলৈ চেষ্টা কৰে। তাত বাদেও সংস্কৃত আৰু পাৰ্চী শিক্ষক সকলৰ মাজত এক প্ৰকাৰ প্ৰতিদ্বন্দ্বিতা চলিছিল। পাৰ্চী শিক্ষক

জন অলপ নৰম প্ৰকৃতিৰ ব্যক্তি। ছাত্ৰবোৰে নিজৰ ভিতৰতে আলোচনা কৰে যে পাৰ্চী ভাষা শিকাটো সহজ, পাৰ্চী শিক্ষক মহাশয় খুব ভাল আৰু ছাত্ৰৰ প্ৰতিও সহানুভূতিশীল। এই 'সহজ'ৰ প্ৰলোভনতে মই এদিন গৈ পাৰ্চী ক্লাছত বহিলোগে। সংস্কৃত পণ্ডিত গৰাকীয়ে এই কথাত খুব বেজাৰ পালে। তেখেতে মোক ওচৰলৈ মাতি নি কলে - "তুমি যে বৈষ্ণৱ পিতাৰ সন্তান – এই কথা তুমি কেনেকৈ পাহৰি পেলাইছা। তোমাৰ কুলধৰ্মৰ ভাষা তুমি নিশিকিবা ? কিবা অসুবিধা পালে তুমি মোৰ ইয়ালৈ নাহা কিয় ? মোৰ যি ক্ষমতা তাক নিঃশেষ কৰি তোমাক সংস্কৃত শিকাব খোজোঁ। ক্ৰমে ইয়াত গভীৰ চিন্তাকৰ্ষক বিষয় সমূহ পাবা। নিৰাশ হোৱাৰ কোনো কাৰণ নাই। আজিৰ পৰা তুমি পুনৰ সংস্কৃত ক্লাছত বহিবা।"

তেখেতৰ এই বিনম্ৰ ব্যৱহাৰত মই খুব লাজ পালোঁ। শিক্ষক মহাশয়ৰ মৰম মই উপেক্ষা কৰিব নোৱাৰিলোঁ। তেতিয়া যিখিনি সংস্কৃত শিকিছিলোঁ সেইখিনি নিশিকিলে মোৰ বাবে আমাৰ ধৰ্মগ্ৰন্থ সমূহৰ ৰস পোৱা কঠিন হ'লেহেতেন। আচলতে সংস্কৃতত আৰু বেছি পাৰ্গত হ'ব নোৱাৰা কাৰণে আজিও মোৰ মনত দুঃখ। কাৰণ মই পাছত বুজিব পাৰিছোঁ যে প্ৰতিজন হিন্দু বালক-বালিকাই সংস্কৃতৰ যথেষ্ট জ্ঞান আহৰণ কৰিব লাগে।

বিবাহ

খুব দুঃখেৰে মই এই কথা স্বীকাৰ কৰিবলগীয়া হৈছে যে তেৰ বছৰ বয়সতে মোৰ বিয়া হৈছিল। মোৰ তত্ত্বাৱধানত যিখিনি ল'ৰা ছোৱালী আছে তেওঁলোকৰ পিনে চাই মই মোৰ বিয়াৰ কথা যেতিয়া ভাবোঁ, তেতিয়া মোৰ ওপৰত দয়া আহে। এনে ধৰণৰ বাল্য বিবাহৰ পক্ষত মই কোনো নৈতিক যুক্তি বিচাৰি পোৱা নাই।

মোৰ বাবে বিয়াৰ অৰ্থ ভাল ভাল পোছাক পৰিচ্ছদ, বাদ্য-সম্ভাৰ, ধুনীয়া শোভাযাত্ৰা, খাবলৈ স্বাদিষ্ট ব্যঞ্জন, খেলাৰ সংগী এজনী অপৰিচিত বালিকাৰ বাহিৰে আন একো নাছিল। লাহে লাহে আমি পৰস্পৰক জানিব ধৰিলোঁ আৰু স্বাভাৱিক ভাৱে কথাবতৰা কব ধৰিলোঁ। আমি দুয়ো সমবয়সী। কিন্তু স্বামীত্বৰ মৰ্য্যাদাত প্ৰতিষ্ঠিত হওঁতে মোৰ বেছি সময় নালাগিল।

মোৰ অনুমতি নোলোৱাকৈ শ্ৰীমতীক কʼলৈও যাব দিয়াতো মই ভাল নাপাইছিলোঁ। কল্পনাৰা কিন্তু এনে ধৰণৰ বাধা নিষেধ মনা বিধৰ ছোৱালী নাছিল। ইচ্ছামতে যʼলৈ তʼলৈ যোৱাতো তেওঁৰ অভ্যাস হৈ পৰিল। মই যিমানেই লেকাম ধৰিব খোজোঁ, তেওঁ সিমানেই স্বাধীন হব খোজেঁ, ফলত মোৰ সিমানেই খং উঠে। এইবাবে আমাৰ দুয়োৰে মাজত কথা - বতৰা বন্ধ হোৱাতো নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিল। এতিয়া মোৰ ভাব হয় যে কল্পনাৰাই মোৰ দ্বাৰা আৰোপিত বাধা-নিষেধ নামানি একো দোষ কৰা নাছিল। কোনো নির্দ্দোষী ছোৱালী এজনী মন্দিৰলৈ যোৱা, বন্ধু-বান্ধবৰ লগত দেখা কৰাতো কেনেকৈ বন্ধ কৰিব ? মোৰ যদি তেওঁক বাধা দিয়াৰ অধিকাৰ থাকে, তেনে তেওঁৰো জানো তেনে অধিকাৰ নাই ? আজি সেই সকলো কথা বুজিব পাৰিছোঁ। তেতিয়া কিন্তু মই পূর্ণোদ্যমে মোৰ স্বামীত্বৰ অধিকাৰ চলাইছিলোঁ।

অৱশ্যে পাঠকে এই কথা ভাবিব নালাগে যে – আমাৰ জীৱন সদায় বিবাদপূর্ণই আছিল। তেওঁ লেখা-পঢ়া নাজানিছিল। স্বভাবতে তেওঁ আড়ম্বৰহীন, স্বাধীন চিটীয়া, গম্ভীৰ আৰু অন্ততঃ মোৰ সৈতে আচৰণ কৰোঁতে লাজুকীয়া স্বভাবৰ আছিল। নিজৰ অজ্ঞতাৰ বাবে তেওঁৰ অন্তৰত অধৈর্য্য ভাব নাছিল আৰু মোৰ পঢ়া-শুনা দেখি তেওঁৰো পঢ়া-শুনা কৰাৰ ইচ্ছা হোৱা বুলি মোৰ মনত নপৰে।

মাৰাত্মক বন্ধুত্ব

হাইস্কুলত পঢ়ি থকা সময়ত মই যি সকল বন্ধুক লগ পাইছিলোঁ তেওঁলোকৰ ভিতৰত দুজনৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। মই যদিও বন্ধুসকলক সংগ দিছিলোঁ – তথাপি এজনৰ সৈতে মোৰ বন্ধুত্ব স্থায়ী হোৱা নাছিল। মই দ্বিতীয় জনৰ লগত অন্তৰংগতা কৰা বাবে প্ৰথমজনে মোৰ লগত সম্পর্ক ছিন্ন কৰে।এই দ্বিতীয় জনৰ বন্ধুত্বক মোৰ জীৱন-নাটকৰ এটা দুঃখজনক অধ্যায় বুলি ভাবোঁ। এই বন্ধুত্ব দীর্ঘকাল ধৰি চলিছিল। মই সংস্কাৰৰ মনোবৃত্তিৰ দ্বাৰা পৰিচালিত হৈ এই বন্ধুত্বৰ বান্ধোন গঢ়ি তুলিছিলোঁ।

এই বন্ধুজন প্ৰথমতে মোৰ ককাইদেউৰ বন্ধু আছিল। তেওঁলোক সহপাঠীও আছিল। মই তেওঁৰ দুর্বলতাৰ কথা জানিছিলোঁ, কিন্তু তথাপি এজনা বিশ্বস্ত বন্ধু বুলি ভাবিছিলোঁ। মোৰ

মা, ককাইদেউ আৰু মোৰ পত্নীয়ে মোক অসৎ সংগত পৰা বুলি সকিয়াই দিছিল। তথাপি মই তলত দিয়া যুক্তি আদি দি তেওঁলোকক কলোঁ - মই তেওঁৰ বহু দুৰ্বলতা থকা কথা জানোঁ। কিন্তু আপোনালোকে তেওঁৰ সদ্‌গুণবোৰৰ কথা নাজানে। তেওঁ মোক কু-পথে নিব নোৱাৰিব, কাৰণ তেওঁক সংশোধন কৰিবলৈহে মই লগ লাগিছোঁ। মোৰ দৃঢ় বিশ্বাস যে তেওঁ নিজা ব্যৱহাৰ যদি পৰিবৰ্ত্তন কৰে তেওঁ অত্যন্ত ভদ্ৰলোক হ'ব। আপোনালোকক মোৰ বাবে দুশ্চিন্তা নকৰিবলৈ অনুৰোধ কৰিছোঁ।" মোৰ কথাত তেওঁলোক আশ্বস্ত হোৱা বুলি মোৰ ভাব হোৱা নাছিল। অৱশ্যে মোৰ কৈফিয়ৎ স্বীকাৰ কৰি মোক নিজৰ মতে চলিবলৈ এৰি দিছিল।

এই বন্ধুজনৰ লগত প্ৰথম পৰিচয় হোৱাৰ সময়ত সমগ্ৰ ৰাজকোটতে সমাজ-সংস্কাৰৰ ব্যাপক আন্দোলন প্ৰবাহিত। আমাৰ বহু শিক্ষকে গোপনে মদ আৰু মাংস খাই বুলি বন্ধুজনে মোক খবৰ দিলে। তেওঁলোকৰ বাদেও ৰাজকোটৰ কেইবাজনো প্ৰসিদ্ধ ব্যক্তি এই দলত থকা বুলি জনালে। তাত বাদে হাইস্কুলৰ বহু ছাত্ৰ এওঁলোকৰ ভিতৰত থকা বুলি শুনিলোঁ।

মই আচৰিত আৰু ব্যথিত হলোঁ। বন্ধুজনক ইয়াৰ কাৰণ সুধিলোঁ। তেওঁ মোক কাৰণ ব্যাখ্যা কৰি কলে - "মাংস নোখোৱা বাবে আমাৰ জাতিটো দুৰ্ব্বল। ইংৰাজবোৰে মাংস খায় বুলিয়েই আমাৰ মালিক। মই কিমান শক্তিশালী আৰু কেনেকৈ দৌৰিব পাৰোঁ তাকতো দেখিছা। ইয়াৰ কাৰণ হ'ল - মই মাংসাহাৰী। মাংসাহাৰীবোৰৰ বেমাৰ আদি নহয় আৰু কেতিয়াবা হলেও সহজেই ভাল হৈ উঠে। আমাৰ যি সকল শিক্ষকে আৰু বিশিষ্ট ভদ্ৰলোকে মাংস খাই – তেওঁলোকতো মূৰ্খ নহয়। তেওঁলোকে নিশ্চয় ইয়াৰ গুণদোষ ভালকৈ জানে। তুমিও তেওঁলোকৰ পদানুসৰণ কৰা উচিত। চেষ্টাৰ সমান সাধনা নাই। চেষ্টা কৰি চোৱা– কি শক্তি পোৱা ?"

মাংস খোৱাৰ পক্ষত এই তৰ্ক যুক্তি একেবাৰতে মোৰ ওপৰত বৰ্ষিত হোৱা নাছিল। মোক দীক্ষিত কৰিবলৈ মোৰ লগত থাকি দীঘলীয়া আৰু বিস্তৃত আলোচনা কৰে – ওপৰৰ কথাখিনি তাৰেই সংক্ষিপ্ত সাৰাংশ। মোৰ অগ্ৰজ ইতিমধ্যে ধৰাশায়ী হৈছে। সেয়ে তেওঁ বন্ধুজনাৰ যুক্তি সমৰ্থন কৰে। মোৰ অগ্ৰজ আৰু বন্ধুজনৰ কাষত মোক সচাঁকৈয়ে বেমাৰী বেমাৰী দেখায়। তেওঁলোক দুয়ো মোৰ তুলনাত সবল, মজবুত, সুন্দৰ আৰু সাহসী। বন্ধুজনৰ বীৰত্বব্যঞ্জক কাৰ্য্যবোৰে মোক অভিভূত কৰি পেলাইছিল। তেওঁ বেগাই বহুদূৰ দৌৰিব পাৰে, হাইজাম্প আৰু লং জাম্পত তেওঁ ওস্তাদ। তেওঁক যিমানে দৈহিক নিৰ্য্যাতন কৰা হওক সকলোকে তেওঁ অম্লান বদনে সহ্য কৰে।

বন্ধুজনে প্ৰায়েই তাৰ জীৱনৰ কীৰ্ত্তি-কলাপ আমাৰ সমুখত প্ৰদৰ্শন কৰে। নিজৰ ভিতৰত যিবোৰ গুণৰ অভাৱ – অন্যত তাৰ উদাহৰণ দেখিলে মানুহ সম্মোহিত হয়। ময়ো সেইদৰে তেওঁৰ গুণ দেখি মোহিত হলোঁ। মোৰো তেওঁৰ দৰে হ'বলৈ তীব্ৰ বাসনা জাগিল। মই দৌৰিবলৈ বা জপিয়াবলৈ নোৱাৰো বুলিলেই চলে। ভাবিলোঁ – তেনেহলে ময়ো তাৰ দৰে শক্তিশালী কিয় নহম ?

মই অলপ ভীৰু স্বভাৱৰ আছিলোঁ। চোৰ,ভূত আৰু সাপৰ ভয়ত মই সদায় সন্ত্ৰস্ত। ৰাতি ঘৰৰ বাহিৰলৈ যোৱাৰ সাহস মোৰ নাছিল। অন্ধকাৰ দেখিলে মোৰ গা শিঁঞৰি উঠে। অন্ধকাৰত থকাতো মোৰ পক্ষে একেবাৰে অসম্ভৱ আছিল। কাৰণ, অন্ধকাৰ হলেই মোৰ ভাব হয় যে – এফালৰ পৰা ভূত, আনফালৰ পৰা চোৰ আৰু সাপ আহি মোক আক্ৰমণ কৰিছেহি। সেয়ে ঘৰত চাকি জ্বলাই নৰখাকৈ শোৱাতো মোৰ পক্ষে অসম্ভৱ আছিল। মোৰ বন্ধুজনে মোৰ এই দুৰ্বলতাৰ কথাবোৰৰ বিষয়ে জানিছিল। তেওঁ গৰ্ব কৰি মোক কৈছিল – যে তেওঁ জীয়া সাপ ধৰিব পাৰে, চোৰৰ লগত সমানে যুঁজিব পাৰে আৰু ভূত প্ৰেত তেওঁ বিশ্বাস নকৰে।

এইবোৰৰ প্ৰভাৱ মোৰ জীৱনত অৱশ্যেই পৰিছিল। নিজকে মই পৰাজিত বুলি অনুভৱ কৰিছিলোঁ। মই লাহে লাহে বিশ্বাস কৰিবলৈ ধৰিলোঁ যে মাংস খোৱাতো ভাল, আৰু ইয়াৰ ফলত মই বলবান আৰু সাহসী হম আৰু গোটেই দেশখন মাংসাহাৰী হলেই ইংৰাজ সকলক খেদিব পৰাতো সম্ভৱ হব।

গতিকে এই নবীন তত্ত্ব অনুসন্ধানৰ কাৰণে এটা দিন স্থিৰ কৰা হ'ল। এই কাৰ্য্য গোপনে কৰিব লাগিব ; আমাৰ মা-দেউতা গোড়া বৈষ্ণৱ আছিল আৰু আমিও তেওঁলোকৰ একান্ত অনুগত আছিলোঁ। মই অৱশ্যে এই কথা নকওঁ যে মাংসাহাৰ কৰাৰ ফলত মা-দেউতাক প্ৰতাৰণা কৰা হব সেই কথা তেতিয়া মই জনা নাছিলোঁ। কিন্তু সংস্কাৰ সাধনৰ বাবে মোৰ মনত দৃঢ় সংকল্প উদিত হৈছিল। ৰুচিকৰ খোৱা বস্তুৰ পশ্ন আমাৰ নাছিল। মাংসৰ যে এটা বিশেষ সোৱাদ আছে সেই কথা মই আগতে জনা নাছিলোঁ। মই বলবান আৰু সাহসী হবলৈ ব্যাকুল হৈ পৰিছিলোঁ আৰু সমগ্ৰ দেশবাসীও তেনে হওক – তাকেই কামনা কৰিছিলোঁ। 'সংস্কাৰ সাধন' কৰাৰ উদগ্ৰ বাসনাই মোক অন্ধ কৰি পেলাইছিল। গোপনে কামটো কৰা সম্বন্ধে সুনিশ্চিত হোৱাৰ পাছত মোৰ মনটোক সান্ত্বনা দিলোঁ এই বুলি যে কেৱল মা-দেউতাক নোকোৱা কাৰণেই এই ৰাষ্ট্ৰীয় মহান কাৰ্য্যক সত্যৰ বিচ্যুতি বুলি কব নোৱাৰি।

নিৰ্দ্ধাৰিত দিন আহিল। নিৰ্জন স্থান বিচাৰি আমি নদীৰ পাৰলৈ গলোঁ। জীৱনত সেয়া প্ৰথম মাংস দেখিলোঁ। লগত পাউৰুটীও আছিল। দুয়োটাৰ কোনোটিয়ে মোৰ ভাল নালাগিল

। পঠাৰ মঙহ মোৰ চামৰাৰ দৰে লাগিছিল । এক কথাত মই মুখতে দিব নোৱাৰিলোঁ । মোৰ গা ঘামি আহিল আৰু সিদিনালৈ আমাৰ আহাৰ পৰ্ব তাতেই শেষ কৰিলোঁ ।

বৰ কষ্টেৰে সিদিনাৰ ৰাতিটো পাৰ হ'ল । ভীষণ এটা বেয়া স্বপ্ন দেখি মই বাৰে বাৰে শিঙৰি উঠিলোঁ । চকু দুটা মুদিলেই একোটা জীয়া পঠাই মোৰ পেটত চিৎকাৰ কৰা যেন শুনো । ভয়ত মই জাপ মাৰি উঠিলোঁ আৰু কৃতকৰ্মৰ বাবে ভীষণ অনুশোচনা মনলৈ আহিল । কিন্তু তাৰ পাছত মই আকৌ নিজকে আশ্বাস দিলোঁ যে – মাংস খোৱাতো আমাৰ একান্ত কৰ্ত্তব্য আৰু সেয়ে আকৌ উৎফুল্ল হলোঁ ।

বন্ধুজনে সহজে এৰি দিয়া বিধৰ লোক নাছিল । তেওঁ আকৌ এবাৰ নানা সুস্বাদু পদ্ধতিৰে মাংস ৰন্ধা আৰম্ভ কৰিলে । খোৱাৰ কাৰণে নদীৰ পাৰৰ নিৰ্জন স্থানৰ অনুসন্ধান কৰাৰ প্ৰয়োজন নাথাকিল । বন্ধুজনে ৰাজ্য চৰকাৰৰ এটা ঘৰৰ মূল ৰান্ধনিজনৰ ব্যৱস্থা কৰি তাৰে ভোজনালয়ৰ ডাইনিং টেবিলত খোৱাৰ বন্দোবস্ত হ'ল ।

লাহে লাহে পাউৰুটীৰ বিষয়ে বিতৃষ্ণা নাইকিয়া হ'ল আৰু পঠাৰ বাবে কৰুণাও মনৰ পৰা লোপ পালে । মাংসৰ আনুসংগিক আহাৰ আৰু আনকি মাংসও মোৰ ভাল লাগিবলৈ ধৰিলে । প্ৰায় এবছৰ কাল এনেকৈয়ে চলিল । অৱশ্যে সকলো মিলি ছয়বাৰতকৈ বেছি বাৰ মই মাংস খোৱা নাছিলোঁ । "এই সংস্কাৰৰ" ব্যয় নিৰ্বাহ কৰাৰ আৰ্থিক সংগতি আমাৰ নাছিল । সেয়ে মোৰ বন্ধুজনেই প্ৰত্যেক বাৰেই অৰ্থ সংগ্ৰহ কৰিবলগীয়া হৈছিল । ক'ৰ পৰা তেওঁ অৰ্থ সংগ্ৰহ কৰিছিল তাৰ খবৰ আমি ৰখা নাছিলোঁ । অৱশ্যে তেওঁ টকা গোটাইছিলেই কাৰণ আমাক মাংসাহাৰী কৰিবলৈ তেওঁ উঠি পৰি লাগিছিল । তাৰ সামৰ্থ্য নিশ্চয় সীমিত আছিল আৰু সেই কাৰণে আমাৰ ভোজৰ সংখ্যা আছিল কম । বহু দিনৰ মূৰতহে ই অনুষ্ঠিত হৈছিল ।

এই গোপন ভোজত খালে মই ঘৰত খাব নোৱাৰিছিলোঁ । মাই অভ্যাসতেই খাব মাতে । মই খাবলৈ অনিচ্ছা প্ৰকাশ কৰিলে, তাৰ কাৰণ সুধিছিল । উত্তৰ দি মই কৈছিলোঁ – "আজি মোৰ ভোক নাই; বোধহয় হজমৰ কিবা গোলমাল হৈছে ।" মই জানিছিলোঁ যে মা-দেউতাই যদি ঘুণাক্ষৰেও আমি মাংসাহাৰী হোৱা বুলি গম পাই, তেনেহলে মাৰাত্মক দুঃখ পাব । এই কথা মনত পৰিলেই মাজে মাজে খুব অস্বস্তি বোধ হয় ।

সেই বাবে মই মনে মনে স্থিৰ কৰিলোঁ – "মাংস খোৱা আৰু দেশবাসীৰ

আহাৰ্য্য বস্তুৰ সংস্কাৰ সাধন কৰা অপৰিহাৰ্য্য হলেও মা-দেউতাক প্ৰতাৰণা কৰা আৰু তেওঁলোকক মিছা কোৱা মাংস নোখোৱাতকৈ ভয়ংকৰ অন্যায়। সেয়ে তেওঁলোকৰ জীৱদ্দশাত মাংসাহাৰ বৰ্জন কৰা উচিত। তেওঁলোকৰ অবৰ্ত্তমানত পূৰ্ণ স্বাধীনতা পালে খোলা খুলি ভাবে মই মাংস খাম। কিন্তু সেই সময় নহা পৰ্য্যন্ত মাংস খোৱা এৰি দিম।"

মোৰ এই সিদ্ধান্তৰ কথা বন্ধুজনক জনাই দিলোঁ আৰু তাৰ পাছত মই আৰু কোনো দিনে মাংস খোৱা নাই।

চুৰি

এই মাংসাহাৰ পৰ্ব্বৰ সময়ৰ মোৰ মনৰ সকলো কথা খুলি কোৱা হোৱা নাই। মোৰ বিয়াৰ কিছুদিন আগতে বা কেইদিন মান পাছৰ পৰাই ইয়াৰ সূত্ৰপাত হৈছিল।

আমাৰ কেইজনমান আত্মীয় আৰু মই ধূমপানৰ অভ্যাসো কৰিলোঁ। ধূমপানৰ কিবা মহত্বপূৰ্ণ পৃষ্ঠভূমি আছে বা বিড়িৰ গোন্ধ মোৰ ভাল লাগে বুলি আমি এই অভ্যাস আৰম্ভ কৰা নাই। মুখেৰে ধোঁৱা উৰুৱাই কুণ্ডলী পকোৱা কাৰ্য্যত বৰ গৌৰবান্বিত তৃপ্তি অনুভৱ কৰিছিলোঁ। আমাৰ খুড়া ধূম্ৰপায়ী আছিল। আমি যেতিয়া তেওঁক হোকা খোৱা দেখিছিলো, তেতিয়াই তেওঁক অনুকৰণ কৰাৰ ইচ্ছা মোৰ হৈছিল। কিন্তু আমাৰ হাতত পয়চা নাথাকে। আমি সেই কাৰণে খুড়া মহাশয়ে খাই পেলাই দিয়া বিড়িৰ অৱশিষ্ট অংশ চুৰি কৰি খাব ধৰিলোঁ।

অৱশ্যে সদায় বিড়িৰ টুকুৰা পোৱা নগৈছিল আৰু তাৰ পৰা তেনেকৈ ধোঁৱাও নোলাইছিল। সেয়ে আমাৰ চাকৰবোৰৰ মোনাৰ পৰা পইচা চুৰি কৰি বিড়ি কিনিব ধৰিলোঁ। চুৰি মাল ৰখা সম্পৰ্কে সমস্যা আছিল। বয়োজ্যেষ্ঠ সকলৰ সমুখত বিড়ি খাব নোৱাৰি। কেবা সপ্তাহো চুৰি কৰা পইচাৰে আমি কাম চলালোঁ। ইতিমধ্যে আমি গম পালোঁ যে একবিধ ফুলৰ বৃন্তও বিড়িৰ দৰে খোৱা যায়। সেইবোৰ সংগ্ৰহ কৰি আমি ধূমপান আৰম্ভ কৰিলোঁ।

কিন্তু এইবোৰ কৰি আমি সম্পূৰ্ণ তৃপ্তি পোৱা নাছিলোঁ। খুব কৰুণভাবে আমি

স্বাধীনতাৰ অভাব অনুভৱ কৰিছিলোঁ। গুৰুজনৰ অনুমতি অবিহনে আমি একোৱেই কৰিব নোৱাৰোঁ – এই কথা ভাবিয়েই অসহ্য লাগিছিল। শেষত জীৱনলৈ বিতৃষ্ণা আহিল আৰু আত্মহত্যা কৰিবলৈ স্থিৰ কৰিলোঁ।

কিন্তু আত্মহত্যা কৰোঁ কেনেকৈ ? বিষ ক'ত পাম ? ধতুৰা ফুল মাৰাত্মক বিষ বুলি শুনিছিলোঁ। হাবিলৈ গৈ তাৰ গুটি সংগ্ৰহ কৰি আনিলোঁ। সন্ধিয়াই আত্মহত্যাৰ কাৰণে প্ৰশস্ত সময় বুলি বিবেচনা কৰা হ'ল। আমি কেদাৰনাথৰ মন্দিৰলৈ ঘিউৰ চাকি জ্বলালোঁ, বিগ্ৰহ দৰ্শন কৰিলোঁ। তাৰ পিছত এটুকুৰা নিৰ্জন ঠাই বিচাৰি উলিয়ালোঁ। কিন্তু আচল সময়ত সাহস নহ'ল। যদি সোনকালে নমৰো ? তাত বাদেও আত্মহত্যা কৰি কি লাভ ? তাতোকৈ বাধাগ্ৰস্ত স্বাধীনতা স্বীকাৰ কৰাই ভাল। অৱশ্যে আমি ইতিমধ্যে দুই তিনিটা গুটি গিলিছিলোঁৱেই। আৰু অধিক খোৱাৰ সাহস আমাৰ নহ'ল। আমাৰ কাৰো মৰিবলৈ ইচ্ছা নোহোৱা হ'ল। আমি সেয়ে মনটোক শান্তি দিবলৈ আৰু আত্মহত্যাৰ চিন্তা বিসৰ্জন দিয়াৰ নিমিত্তে শ্ৰীৰাম মন্দিৰলৈ যোৱাতো স্থিৰ কৰিলোঁ।

আত্মহত্যা কৰা সহজ নহয় বুলি গম পালোঁ। আত্মহত্যাৰ পৰিকল্পনাই শেষ পৰ্য্যন্ত আমাক দুজনৰ ধূমপান আৰু তাৰ বাবে চাকৰৰ পকেটৰ পৰা পইচা চুৰি কৰা অভ্যাসটো এৰুৱালে।

ডাঙৰ হোৱাত মই কোনো দিনে ধূমপান কৰাৰ ইচ্ছা অনুভৱ কৰা নাই আৰু এই অভ্যাসক সদায় বৰ্বৰ, লেতেৰা আৰু ক্ষতিকাৰক বুলি বিবেচনা কৰিছোঁ। সমগ্ৰ বিশ্বৰ মানুহে ধূমপান যে কিয় কৰে – সেই কথা মই নুবুজোঁ। ধূমপান কৰা যাত্ৰী থকা ৰেলৰ ডবাত মই যাত্ৰা কৰিব নোৱাৰো। মোৰ উশাহ বন্ধ হৈ আহে।

এনে চুৰি কাৰ্য্যতকৈও ভীষণ এক চুৰি অপৰাধ মই এবাৰ কৰিবলগীয়া হৈছিল। বাৰ তেৰ বছৰ সম্ভৱতঃ তাতকৈ কম বয়সতে মই পইচা চুৰি কৰিছিলোঁ। দ্বিতীয় বাৰ পোন্ধৰ বছৰ বয়সত পইচা চুৰি কৰিছিলোঁ। এবাৰ মোৰ মাংসাহাৰী ভাইটোৰ হাতত থকা সোণৰ বালাৰ পৰা সোণ চুৰি কৰিছিলোঁ। ভাইটোৱে মাংস, বিড়ি খাওঁতে প্ৰায় পচিশ টকা মান ধাৰ লগালে। তাৰ হাতত সোণৰ এপাত বালা আছিল। তাৰ পৰা অলপ সোণ কাটি নিয়াতো বৰ টান কাম নহ'ল।

যিয়ে হওক, এই দৰে ধাৰ পৰিশোধ হ'ল অৱশ্যে। কিন্তু এই ঘটনাই মোৰ সহ্যৰ সীমা চেৰাই গ'ল। ভৱিষ্যতে আৰু চুৰি নকৰিবলৈ মই প্ৰতিজ্ঞা কৰিলোঁ। তদুপৰি দেউতাৰ আগতে মোৰ সকলো দোষ স্বীকাৰ কৰিবলৈও স্থিৰ কৰিলোঁ। কিন্তু তেখেতৰ

সমুখলৈ গৈ মুখ ফুটাই কিবা কোৱাৰ সাহস মোৰ নাছিল। দেউতাই মাৰিব বুলি মই ভয় কৰা নাছিলোঁ। তেখেতে যে কষ্ট পাব – সেই কথা ভাবিহে মোৰ ভয় লাগিছিল। কিন্তু মই আশ্বস্ত হৈছিলোঁ যে এই পদক্ষেপ মই লবই লাগিব। সকলো কথা খোলোচাকৈ স্বীকাৰ নকৰিলে মোৰ মনে শান্তি নাপাব।

শেষত দেউতালৈ লিখিতভাবে স্বীকাৰোক্তি কৰি ক্ষমা খুজিবলৈ মন স্থিৰ কৰিলোঁ। এখন কাগজত সকলো কথা লিখি মই নিজ হাতে তেখেতক দিলোঁ। মোৰ স্বীকাৰোক্তিত কেৱল মোৰ দোষ স্বীকাৰ কৰিয়েই এৰা নাই। কৃতকৰ্মৰ বাবে যথোচিত শাস্তি ভিক্ষা কৰিলোঁ আৰু শেষত মোৰ দোষৰ বাবে তেখেতে নিজে যেন শাস্তি ভোগ নকৰে তাৰ বাবেও অনুৰোধ জনালোঁ। ভবিষ্যতে আৰু কেতিয়াও চুৰি নকৰিবলৈ কৰা প্ৰতিজ্ঞাৰ কথাও মই জনালোঁ। স্বীকাৰোক্তিৰ কাগজখন দেউতাৰ হাতত দিওঁতে মোৰ হাতখন কঁপি উঠিছিল। তেখেতে তেতিয়া শয্যাশায়ী। এখন খাটত তেখেত শুই আছিল। স্বীকাৰোক্তি খন তেখেতৰ হাতত দি মই খাটখনৰ বিপৰীত দিশত বহিলোঁ।

তেখেতে চিঠিখনৰ আদ্যোপান্ত পঢ়িলে আৰু পঢ়ি পঢ়ি চকুলো বোৱাই কাগজখন তিয়াই পেলালে। চিন্তা কৰিবলৈ এক মুহূৰ্ত্ত তেখেতে চকু হাল মুদিলে আৰু তাৰ পাছত কাগজখন টুকুৰা টুকুৰ কৰি ফালি পেলালে। পঢ়িবলৈ তেখেতে বিছনাত উঠি বহিছিল। আকৌ শুই পৰিল। ময়ো কান্দি আছিলোঁ। মই দেউতাৰ মানসিক কষ্টৰ কথা বুজিছিলোঁ। মই যদি শিল্পী হলোহেতেন, তেনে সেই সমগ্ৰ ঘটনাটো চিত্ৰিত কৰিব পাৰিলোহেতেন। আজিও মোৰ মানস পটত সেই দৃশ্য উজ্বল হৈ জিলিকি আছে।

প্ৰেমৰ সেই অশ্ৰুধাৰাই মোৰ হৃদয় পবিত্ৰ কৰিলে আৰু তাৰ প্ৰবাহত মোৰ সকলো পাপ-তাপ ধোৱা গ'ল। এনে ধৰণৰ প্ৰেমৰ সোৱাদ যিয়ে পাইছে – তেৱেঁইহে এই কথা অনুভৱ কৰিব পাৰিব।

এনে ভাবে ক্ষমা কৰা আমাৰ দেউতাৰ স্বভাব বিৰুদ্ধ কথা। মই ভাবিছিলোঁ যে তেখেতে খং কৰি মোক ককৰ্থনা কৰিব আৰু নিজৰ মূৰ আফলিয়াব। কিন্তু তেখেত অদ্ভুত ধৰণে শান্ত হৈ ৰল। মোৰ স্পষ্ট স্বীকাৰোক্তিয়েই ইয়াৰ মূল কাৰণ বুলি মোৰ বিশ্বাস। যোগ্য ব্যক্তিৰ আগত স্পষ্ট ভাষাত অন্যায় স্বীকাৰ কৰিলে আৰু কেতিয়াও তেনে নকৰাৰ প্ৰতিশ্ৰুতি দিলে – তেনেহলে সেই কাম অনুতাপ-অভিব্যক্তিৰ শুদ্ধ ৰূপ বুলি আখ্যা দিব পাৰি। মোৰ স্বীকাৰোক্তিয়ে দেউতাক মোৰ বিষয়ে নিশ্চিন্ত কৰিছে বুলি মই জানিছিলোঁ আৰু ইয়াৰ ফলত মোৰ প্ৰতি তেখেতৰ মৰম আৰু বাঢ়ি গৈছিল।

পিতাৰ অসুখ আৰু মৃত্যু

এইবাৰ মই যি সময়ৰ কথা কৈছোঁ, তেতিয়া মোৰ বয়স ১৫ বছৰ। আগতেই কৈছোঁ পিতা শয্যাশায়ী হৈ আছিল। মাই, ঘৰৰ এজনা পুৰণা চাকৰ আৰু ময়ে তেখেতৰ শুশ্ৰুষা কৰিছিলোঁ। মোৰ কাম হস্পিটালৰ নাৰ্চৰ দৰে আছিল। আমি তেখেতৰ ঘা বোৰ ধুই দিছিলোঁ আৰু ঔষধ খুৱাইছিলোঁ। সদায় ৰাতি মই তেখেতৰ ভৰি টিপি দিছিলোঁ আৰু তেখেতে কলে বা তেখেত শুই পৰিলেহে মই শুবলৈ গৈছিলোঁ। এনে সেৱা-শুশ্ৰুষা কৰি মই ভাল পাইছিলোঁ। কেতিয়াবা এই কামত হেলা কৰা বুলি মোৰ মনত নপৰে। শৌচ আৰু খোৱা সময় বাদে যি সময় মোৰ আছিল সেয়া স্কুললৈ যোৱা আৰু পিতাৰ সেৱাতেই কটাইছিলোঁ। দেউতাই আজ্ঞা দিলে বা তেখেতৰ শৰীৰ ভালে থাকিলে সন্ধিয়া মই অলপ ফুৰিবলৈ গৈছিলোঁ।

শেষত সেই ভয়ঙ্কৰ ৰাতিটো আহিল। তেতিয়া ৰাতি চাৰে দহ বা এঘাৰ বাজিছে। মই দেউতাৰ ভৰি টিপি আছিলোঁ। খুৰাই আহি মোৰ পৰা সেই ভাৰ নিজৰ হাতত ললে। মই দুখী হৈ শুবলৈ গলোঁ। ইয়াৰ ৫।৬ মিনিট পাছতেই চাকৰটোৱে মোৰ শোৱনী কোঠাৰ দুৱাৰত ঢকিয়াব ধৰিলে। মই আচৰিত হৈ উঠি বহিলোঁ। সি কলে – "উঠা, দেউতাৰ গা বৰ বেয়া।" মই জানিছিলোঁ যে তেখেত খুব অসুস্থ। সেই কাৰণে এই অৱস্থাত "গা বৰ বেয়া" বোলা কথাষাৰৰ অৰ্থ মই বুজিছিলোঁ। মই জাপ মাৰি বিছনাৰ পৰা নামিলোঁ। "কি হৈছে ? মোক খুলি ক !"

"দেউতা আৰু নাই।"

তাৰ মানে সকলো শেষ। দেউতাৰ শেষ সময়ত মই তেওঁৰ কাষত থাকিব নোৱাৰাৰ দুঃখ মোৰ আজীৱন থাকিল।

ধৰ্মৰ অস্পষ্ট উপলব্ধি

মই আগতেই কৈছোঁ যে ভুত-প্ৰেতলৈ মই খুব ভয় কৰিছিলোঁ। সেই ভয় দূৰ কৰিবলৈ আমাৰ ঘৰৰ ধাই ৰম্ভাই এটা উপায় দিলে। তাই মোক 'ৰাম' নাম জপ কৰিবলৈ

কলে। অৱশ্যে ৰস্তাৰ ঔষধতকৈ ৰস্তাৰ ওপৰতে মোৰ বেছি বিশ্বাস আছিল। সেয়ে খুব কম বয়সৰ পৰাই ভুত প্ৰেতৰ ভয় এৰাবলৈ মই ৰাম নাম জপ কৰিবলৈ লৈছিলোঁ। অৱশ্যে এই জপ খুব স্থায়ী হোৱা নাছিল।

সেই বাল্য কালতে যি বীজ অংকুৰিত হ'ল – সি এনেয়ে যোৱা নাছিল। মই ভাবোঁ ৰম্ভাৰ দৰে এগৰাকী মহিয়সী মহিলাৰ পৰা পোৱা বাবেই 'ৰাম নাম' মোৰ বাবে অব্যৰ্থ ঔষধ হৈ পৰিছিল।

দেউতা অসুস্থ হৈ থকা অৱস্থাত কিছুদিন পোৰবন্দৰত আছিল। তাত সন্ধিয়া সদায় তেখেতে ৰামায়ণ পাঠ শুনিছিল। কথাবাচক (ৰামৰ) জন খুব ৰামভক্ত আছিল। তেওঁৰ কণ্ঠ আছিল সুললিত। ৰামায়ণৰ 'চৌপাঈ' বোৰ আবৃত্তি কৰি তেওঁ সেইবোৰৰ ব্যাখ্যা কৰিছিল। তেনে স্থিতিত তেওঁ আপোনপাহৰা হৈ গৈছিল আৰু বিমুগ্ধ শ্ৰোতা সকলকো ৰাম-কথা প্ৰবাহত প্ৰবাহিত কৰিছিল। মোৰ বয়স তেতিয়া ১৩ বছৰৰ বেছি নাছিল। অৱশ্যে সেই ৰামকথা শুনি মন্ত্ৰমুগ্ধ হৈ যোৱা কথা মোৰ আজিও মনত পৰে। ইয়াৰ পৰাই ৰামায়ণলৈ গভীৰ ভক্তি জন্মে। আজি মই তুলসীদাসৰ ৰামায়ণক পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ বুলি ভাবোঁ।

ৰাজকোটত মই হিন্দুধৰ্মৰ বিভিন্ন শাখা আৰু তাৰ লগত সম্বন্ধীয় অন্যান্য ধৰ্মমতৰ প্ৰতি মৈত্ৰী ভাব স্থাপন কৰিবলৈ শিকিলোঁ। কাৰণ আমাৰ মা-পিতা বিষ্ণুমন্দিৰলৈ যোৱাৰ লগতে শিৱ আৰু ৰাম মন্দিৰলৈ গৈছিল আৰু আমাৰ দৰে সৰু সৰু ল'ৰা ছোৱালীবোৰো এই মন্দিৰবোৰলৈ গৈছিলোঁ। প্ৰায়েই জৈন সাধুসকল দেউতাক দেখা কৰিবলৈ আহিছিল আৰু প্ৰচলিত প্ৰথাৰ উল্লংঘন কৰি জৈন সমাজ বহিৰ্ভুত হলেও আমাৰ ঘৰত অন্ন গ্ৰহণ কৰিছিল। তেওঁলোকে দেউতাৰ লগত ধৰ্ম আৰু অন্যান্য বিষয়ে আলোচনা কৰিছিল।

এওঁলোকৰ বাদেও তেখেতৰ মুছলমান আৰু পাৰ্চী বন্ধুও আছিল। তেওঁলোকে তেওঁলোকৰ ধৰ্মমতৰ বিষয়ে আলোচনা কৰিছিল আৰু দেউতাইও খুব গভীৰ শ্ৰদ্ধা আৰু আগ্ৰহেৰে তেওঁলোকৰ কথা শুনিছিল। দেউতাৰ শুশ্ৰুষাত লাগি থকা বাবে মাজে মাজে আলোচনা শুনাৰ সৌভাগ্য মোৰ হৈছিল। এনেবোৰ কাৰণতে মই সকলো ধৰ্মৰ প্ৰতি উদাৰ হবলৈ শিক্ষা পাইছিলোঁ।

এই সময়ত কেৱল খ্ৰীষ্টধৰ্মৰ বিষয়ে জনাৰ সুযোগ মই পোৱা নাছিলোঁ। মনে মনে এই ধৰ্মলৈ মোৰ বিৰাগ জন্মিছিল। অৱশ্যে ইয়াৰ এটা কাৰণো আছিল। খৃষ্টিয়ান পাদুৰী সকলে সেই সময়ত হাইস্কুলৰ ওচৰৰ এটা কেকুৰীত থিয় দি হিন্দুধৰ্ম আৰু

হিন্দু দেৱতা-দেৱীৰ বিৰুদ্ধে প্ৰচাৰ কৰিছিল। মই এই কাৰ্য্য সহ্য কৰিব নোৱাৰিছিলোঁ। প্ৰায় সেই সময়তে এজন বিখ্যাত হিন্দু ব্যক্তি খ্ৰীষ্ট ধৰ্মত দীক্ষিত হোৱাৰ খবৰ শুনিছিলোঁ। চহৰৰ সকলোৱে মুখে মুখে মানুহে আলোচনা কৰিছিল যে – দীক্ষিত কৰিবৰ সময়ত তেওঁ গো-মাংস আৰু মদ খাবলগীয়া হৈছিল। আৰু নিজা দেশী পোছাক এৰি হেট, কোট আদি ইউৰোপীয় ভেশ লবলগীয়া হৈছিল। আমি এই কথা শুনিলোঁ যে – নব দীক্ষিত ব্যক্তিয়ে ইতিমধ্যে তেওঁৰ পূৰ্বপুৰুষৰ ধৰ্ম আৰু স্বদেশবাসীৰ আচাৰ ব্যৱহাৰৰ নিন্দা কৰা আৰম্ভ কৰিছিলেই। এই বিলাক কাৰণতেই মই খ্ৰীষ্ট ধৰ্মৰ বিৰোধী হৈছিলোঁ।

অৱশ্যে মই পৰধৰ্মসহিষ্ণু হলোঁ বুলি কোৱাৰ অৰ্থ এইটো নহয় যে – ঈশ্বৰত মোৰ জীৱন্ত বিশ্বাস আছিল। অৱশ্যে এটা কথাই মোৰ অন্তৰত গভীৰ প্ৰভাব বিস্তাৰ কৰিছিল। মই দৃঢ়ভাবে বিশ্বাস কৰিছিলোঁ যে –সকলো ধৰ্মৰ মূলত আছে নৈতিকতা আৰু সকলো নীতিৰ সাৰ হৈছে সত্য।

ইয়াত বাদে এটা গুজৰাটী কবিতাই মোৰ হৃদয় আলোড়িত কৰি আছিল। কবিতাটোৰ মূল বক্তব্য আছিল – পূণ্য কৰ্মৰ দ্বাৰাই পাপৰ প্ৰতিৰোধ কৰা। এই নীতি মোৰ জীৱনৰ ধ্ৰুবতৰা হ'ল। এই ভাবধাৰা মোৰ জীৱনত এনে দৃঢ় হ'ল যে – ইয়াকে লৈ মই বিভিন্ন প্ৰয়োগ আৰম্ভ কৰিলোঁ। তলত সেই কবিতাটিৰ লাইন কেইটামান উদ্ধৃত কৰিলোঁ।

যিয়ে তোমাক দিছে তৃষ্ণাৰ জল।
ক্ষুধা নিবাৰণৰ বাবে দিয়া মিঠা ফল ॥
মৰমী কথাৰে তোমাক সম্ভাষে যি জন।
তেওঁক প্ৰণাম কৰি দিয়া প্ৰাণ-মন ॥
যিয়ে দিলে তোমাক মাত্ৰ এক কণা কড়ি।
দিয়া তেওঁক সোণা দুয়ো হাত ভৰি।
তোমাৰ জীৱনত যদি কোনোৱে কৰে ত্ৰাণ।
তুমি বধ কৰিব নোৱাৰা আনৰ প্ৰাণ।
সুবিজ্ঞ জনৰ সদায়ে এয়েই বিচাৰ।
সামান্য সেৱাৰ বাবে দিয়ে বহু পুৰস্কাৰ।
যথাৰ্থ পুণ্যাত্মাই জানে এইবোৰ কথা।
মানুহ মানুহৰ মাজত নাই কোনো বিৰসতা।
অতএব সাধুজনে প্ৰসন্ন অন্তৰে।
অন্যায়ৰ সলনি সদা সদাচাৰ কৰে।

ইংলণ্ডলৈ যোৱাৰ প্ৰস্তুতি

আমাৰ বয়সস্থ সকলৰ ইচ্ছা আছিল মই স্কুলৰ পঢ়া শিক্ষা শেষ কৰি কলেজত ভৰ্ত্তি হওঁ। ভৱনগৰ আৰু বোম্বাই দুয়ো ঠাইতে কলেজ আছিল। ভৱনগৰত খৰছ কম হব বুলি ভাবি মই তাৰে শ্যামলদাস কলেজত ভৰ্ত্তি হবলৈ সিদ্ধান্ত কৰিলোঁ। ভৰ্ত্তি হৈ তাৰ পঢ়া-শুনা বৰ টান টান লাগিল। সেয়ে প্ৰথম কেইমাহ মান পঢ়াৰ পাছত মই ঘৰলৈ ফিৰি আহিলোঁ।

মাভেজী দবে নামৰ এজন বিচক্ষণ বিদ্বান ব্ৰাহ্মণ আমাৰ পৰিয়ালৰ পুৰণি বন্ধু আৰু উপদেষ্টাৰ দৰে আছিল। দেউতাৰ মৃত্যুৰ পিছতো আমাৰ পৰিয়ালৰ লগত তেওঁৰ সম্বন্ধ অক্ষুণ্ণ আছিল। বন্ধৰ দিনা প্ৰায়েই তেওঁ আমাৰ ঘৰলৈ আহে। মা আৰু ককাইদেউৰ লগত আলোচনা কৰোঁতে তেওঁ মোৰ পঢ়া-শুনাৰ বিষয়ে জানিব খুজিলে। মই শ্যামলদাস কলেজত থকা বুলি জানিয়ে তেওঁ কলে – "আজিকালি সময়ৰ সলনি হৈছে। উপযুক্ত শিক্ষা নাপালে তোমালোকৰ ভিতৰত কোনোৱে দেউতাৰাৰ চাকৰি পাব নোৱাৰা। এই ল'ৰাটো এতিয়াও পঢ়াশুনা কৰিছে বাবে – ইয়ে যাতে দেউতাৰাৰ পদটো পাব পাৰে, তাৰ কাৰণে তোমালোক সকলোৱে চেষ্টা কৰা উচিত। বি. এ. পাছ কৰোঁতে তাৰ চাৰি বছৰ লাগিব আৰু তাৰ পাছত খুব বেছি ৬০.০০ (ষাঠি টকা) মানৰ চাকৰি এটা পাব। দেৱান হোৱাৰ যোগ্যতা এই পথেৰে নাহিবা আৰু মোৰ ল'ৰাটোৰ দৰে যদি আইন পঢ়ে – তেতিয়া আৰু বেছি সময় লাগিব আৰু আইনৰ পৰীক্ষা পাছ কৰাৰ পাছত দেখা যাব – দেৱান পদৰ বাবে ইতিমধ্যে বহুতো প্ৰাৰ্থী গোট খাইছে। তাতোকৈ ইয়াক ইংলণ্ডলৈ পঠিয়াই দিয়া। সেই যে বেৰিষ্টাৰ জন – সিদিনা যে বিলাতৰ পৰা আহিল, তাৰ কথা এবাৰ ভাবি চোৱাছোন। তাৰ চাল-চলন কেনে উন্নত বিধৰ! এবাৰ মুখৰ কথা খুলিলেই সি দেৱান হৈ যাব। মোহনদাসক তোমালোকে এই বছৰতে ইংলণ্ডলৈ পঠিওৱা। কেৱলৰাজৰ ইংলণ্ডত বহু বন্ধু-বান্ধৱ আছে। তেওঁ মোহনদাসৰ পৰিচয় পত্ৰ দিব আৰু তেতিয়া মোহনদাসৰ তাত কোনো অসুবিধা নহব।

যোশীজী (আমি সকলোৱে দবেজীক সেই নামেৰেই মাতিছিলোঁ) যে মোৰ পিনে চাই সুধিলে - "ইয়াত পঢ়াতকৈ ইংলণ্ডত পঢ়াতো বেছি ভাল পাৱনে নাই " ইয়াতকৈ বেছি আনন্দৰ কথা মোৰ বাবে কি হব পাৰে ? ইয়াৰ পঢ়া-শুনা মোৰ এনেয়ে টান টান লাগিছিল । সেয়ে এই প্ৰস্তাব শুনিয়েই মই একপ্ৰকাৰ জাপ মাৰি উঠিয়েই কলোঁ – যিমান সোনকালে মোক পঠিয়াব পাৰে, সিমানেই ভাল ।"

ককাইদেউ মনে মনে খুব বিচলিত হৈছিল । বিলাতলৈ পঠিয়াবৰ কাৰণে টকা ক'ৰ পৰা সংগ্ৰহ কৰিব আৰু মোৰ দৰে কম বয়সীয়া অপৰিণত ল'ৰা এটাক বিদেশলৈ অকলে কি ভৰষা কৰি পঠিয়াব ? মাৰো বৰ চিন্তা হ'ল । মোক এৰি থকাৰ কল্পনাও বৰ সুখকৰ নাছিল । তেওঁ খুচৰি খুচৰি সকলো খবৰ লবলৈ লাগিল । কোনোবাই যেন তেওঁক কৈছিল – ইংলণ্ডলৈ গলে প্ৰায় লৰাই হেৰায় । এজনে খবৰ দিলে যে সেই দেশলৈ গলেই সকলোৱে মাংস খাবলৈ ধৰে । এজনে আকৌ এখোপ ওপৰলৈ গৈ তেওঁক কলে যে – সেই দেশত মদ নোখোৱাকৈ থাকিব নোৱাৰি । তেওঁ মোক সুধিলে –"এইবোৰৰ কি ব্যৱস্থা হব ?" মই কলোঁ – "তুমি মোক বিশ্বাস নকৰা জানো ? মই তোমাক মিছা নকওঁ, মিথ্যাবাদী নহও । মই প্ৰতিজ্ঞা কৰিছোঁ যে সিবোৰ বস্তু মই স্পৰ্শই নকৰোঁ । এনে ধৰণৰ বিপদৰ সম্ভাবনা কিবা থাকিলে যোশীজীয়ে মোক তালৈ যোৱাৰ পৰামৰ্শ দিলেহেতেন নে?"

তেওঁ কলে - "তোমাকতো মই বিশ্বাস কৰোঁৱেই । কিন্তু ইমান দূৰদেশ লৈ গলে কি ভৰষা কৰা যায় । মোৰ চব গোলমাল হৈ গৈছে । কি যে কৰোঁ মই একো বুজিবই পৰা নাই । মই বৰং বেচাৰজী স্বামীকে কথাটো সোধোঁ ।"

বেচাৰজী স্বামী গাৰ্হস্থ্য জীৱনতে জটা বান্ধিছিল । পাছত তেওঁ জৈন সাধু হৈছিল । তেখেতে যোশীজীৰ দৰে আমাৰ পৰিয়ালৰ পৰামৰ্শদাতা আছিল । তেখেতে মোক সহায় কৰিলে, তেখেতে কলে – 'ল'ৰাটোৱে তিনিটা প্ৰতিজ্ঞা কৰক । তাৰ পাছত তাক যাব দিব পাৰে ।' মই মদ, মাংস আৰু নাৰী সংস্পৰ্শৰ পৰা দূৰৈত থাকিম বুলি প্ৰতিজ্ঞা কৰিলোঁ । ইয়াৰ পিছত মাই ইংলণ্ডলৈ যাবলৈ অনুমতি দিলে ।

আমাৰ হাইস্কুলৰ ফালৰ পৰা মোক বিদায় অভিনন্দন জনোৱা হ'ল । ৰাজকোটৰ কোনো যুবকৰ পক্ষে ইংলণ্ডলৈ যোৱা খুব স্বাভাৱিক ঘটনা নহয় । মই ধন্যবাদসূচক কেইটামান বাক্য লিখি লৈ গৈছিলোঁ । মই কিন্তু সেই খিনি পঢ়িব নোৱাৰিলোঁ । পঢ়িবলৈ উঠাৰ লগে লগে মোৰ মূৰটো ঘূৰাব ধৰিলে । গোটেই শৰীৰটো কঁপিব ধৰিলে ।

মাৰ অনুমতি আৰু আশীৰ্বাদ শিৰত লৈ আনন্দমনে বোম্বাইলৈ যাত্ৰা কৰিলোঁ ।

পত্নী আৰু কেইমাহ মানৰ এটি কেচুৱা ঘৰত থাকিল। বোম্বাই পোৱাৰ পিছত আমাৰ ককাইদেউৰ বন্ধু সকলে তেওঁক জনালে যে জুন জুলাই মাহত ভাৰত মহাসাগৰ খুব তৰংগ বিক্ষুব্ধ হয় আৰু ই মোৰ বাবে প্ৰথম যাত্ৰা বুলি নবেম্বৰৰ আগত যাব দিয়া উচিত নহব বুলি জনায়।

ইতিমধ্যে আমাৰ জ্ঞাতিসকলে মোৰ বিলাত যাত্ৰাক লৈ আন্দোলন আৰম্ভ কৰিলে। আমাৰ সমাজৰ এখন সাধাৰণ ৰাজহুৱা সভা আহ্বান কৰিলে আৰু মোক সেই সভাত উপস্থিত থাকিবলৈ নিৰ্দ্দেশ দিয়া হ'ল। হঠাতে মোৰ কেনেকৈ সাহস আহিল কব নোৱাৰোঁ। সম্পূৰ্ণ নিৰ্ভীক আৰু সংকোচবিহীন হৈ মই সভাৰ সমুখীন হলোঁ। আমাৰ সমাজৰ মুখীয়া জনক শেঠ বোলা যায়। তেওঁ আমাৰ দূৰণিবটীয়া কুটুম্বও আছিল। দেউতাৰ লগত তেওঁৰ খুব ভাল ভাব আছিল। তেওঁ মোক কলে – "সমাজৰ মতে তোমাৰ বিলাত যাত্ৰাৰ প্ৰস্তাৱ উচিত হোৱা নাই। আমাৰ ধৰ্মমতে সমুদ্ৰ যাত্ৰা নিষিদ্ধ। তাত বাদেও মই শুনিছোঁ যে সেই দেশত আমাৰ ধৰ্মমতে চলা বা ধৰ্ম ৰক্ষা কৰা সম্ভৱ নহয়। চাহাবহঁতৰ লগতো খোৱা-লোৱা কৰিবলগীয়া হয়।

তাৰ উত্তৰত মই কলোঁ – বিলাতলৈ যোৱাতো আমাৰ ধৰ্ম বিৰুদ্ধ বুলি আজি মই নাভাবোঁ। উচ্চ শিক্ষাৰ কাৰণে মই সেই দেশলৈ ওলাইছোঁ। ইতিমধ্যে মই মাৰ চৰণত শপত খাইছোঁ যে – আপোনালোকে যি তিনিটা বস্তুক সকলোতকৈ বেছি ভয় কৰে তাৰ পৰা মই দূৰৈত থাকিম। এই শপতে মোক নিৰাপদে ৰাখিব বুলি মোৰ বিশ্বাস।"

শেঠে ইয়াৰ উত্তৰত কলে – "কিন্তু আমি কৈছোঁ যে – সেই দেশত আমাৰ ধৰ্ম ৰক্ষা নহয়। তোমাৰ দেউতাৰাৰ সৈতে মোৰ কি সম্বন্ধ আছিল সেই কথা তুমি জানা। সেয়ে তুমি আমাৰ কথা শুনা উচিত।"

মই কলোঁ – "সেই সম্বন্ধৰ কথা মই জানো। আপুনি মোৰ গুৰুস্থানীয় ব্যক্তি। কিন্তু এই বিষয়ত মই নিৰুপায়। মই মোৰ বিলাত যাত্ৰাৰ সিদ্ধান্ত পৰিবৰ্ত্তন কৰিব নোৱাৰোঁ। মোৰ দেউতাৰ বন্ধু আৰু পৰামৰ্শদাতা ব্ৰাহ্মণ এগৰাকীয়ে মোৰ ইংলণ্ড যাত্ৰাত একো অন্যায় দেখা নাই। ইয়াত বাদে মা আৰু ককাইদেৱেও মোক অনুমতি দিছে।"

"কিন্তু তুমি সমাজৰ নিৰ্দেশ অমান্য কৰিবা ?"

"মই সচাঁকৈয়ে নিৰুপায়। সমাজে এই ক্ষেত্ৰত হস্তক্ষেপ কৰা উচিত নহয় বুলি মই ভাবোঁ।"

শেঠ এই কথাত ক্রোধান্বিত হ'ল । তেওঁ মোক ককৰ্থনা কৰিবলৈ ধৰিলে । মই মৌন হৈ বহি ৰলোঁ । শেষত শেঠে হুকুম দিলে - "আজিৰ পৰা এই লৰাটি আমাৰ জাতিচ্যুৎ বুলি ধৰা হ'ব । এওঁক যিয়ে সহায় কৰিব বা বিদায় দিবলৈ জাহাজ ঘাটলৈ যাব – তেৱেঁই পাচসিকি জৰিমণা দিব লাগিব ।"

এই হুকুমে মোৰ মনত কোনো প্ৰভাব পেলাব নোৱাৰিলে । সেয়ে মই শেঠৰ পৰা বিদায় ললোঁ । অৱশ্যে ককাইদেৱে এই নিৰ্দ্দেশ কি ভাবে লয় সেই বিষয়ে মোৰ চিন্তা লাগি আছিল । সৌভাগ্যবশতঃ তেওঁ দৃঢ় হৈ ৰ'ল আৰু মোক আশ্বাস দি লিখিলে যে –"শেঠৰ হুকুম স্বত্বেও বিলাত যাত্ৰাত তেওঁৰ অনুমতি আছে ।"

মোৰ বন্ধুসকলে মোৰ বাবে জুনাগড়ৰ ব্যৱসায়ী শ্ৰীত্ৰ্যম্বকৰি মজুমদাৰৰ কেবিনতে মোৰ বাবে এটা চিট ৰিজাৰ্ভ কৰি থৈছিল । তাত বাদেও মোক আৱশ্যক মতে সহায় কৰিবলৈও তেওঁলোকে অনুৰোধ কৰি গৈছিল । তেওঁ প্ৰবীণ আৰু দূৰদৰ্শী আছিল । মই তেতিয়া মাত্ৰ ওঠৰ বছৰীয়া যুবক আৰু দুনিয়াৰ কোনো অভিজ্ঞতাই মোৰ নাছিল । মজুমদাৰ দেৱে মোৰ কাৰণে বন্ধুসকলক চিন্তা কৰিবলৈ মানা কৰিলে ।

শেষত ৪ চেপ্তেম্বৰৰ দিনা মই বোম্বাইৰ পৰা জাহাজেৰে যাত্ৰা আৰম্ভ কৰিলোঁ ।

সমুদ্ৰ বুকত

ইংৰাজীতে কথা-বতৰা পতাত মই পাকৈত নাছিলোঁ আৰু দ্বিতীয় শ্ৰেণীত মজুমদাৰজীৰ বাদে সকলো যাত্ৰী ইংৰাজ আছিল । মই তেওঁলোকৰ লগত কথা পাতিব নোৱাৰিছিলোঁ । কাৰণ তেওঁ কথা পাতিবলৈ আগুৱাই আহিলেও মই তেওঁলোকৰ বক্তব্য বুজা নাছিলোঁ । আৰু কেতিয়াবা বুজিলে তাৰ উত্তৰ ইংৰাজীতে দিব নোৱাৰিছিলোঁ । কিবা এটা কোৱাৰ আগতে মনে মনে শব্দ কেইটা বাচি বাক্য ৰচনা কৰি লবলগীয়া হৈছিল । চুৰি কাটা ব্যৱহাৰ কৰিবলৈ নাজানিছিলোঁ আৰু খোৱা তালিকাখনৰ কি কি খাদ্য মাংসবৰ্জিত, – সেই বিষয়ে প্ৰশ্ন কৰাৰ সাহস মোৰ নাছিল । সেয়ে সকলোৰে লগত বহি মই নাখাইছিলোঁ । সদায় মোৰ খোৱাৰ বস্তু কেবিনলৈ লৈ আহিছিলোঁ আৰু ঘৰৰ পৰা অনা মিঠাই আৰু ফলমূল খায়েই ক্ষুধা নিবৃত্তি কৰিছিলোঁ । মজুমদাৰজীৰ একো অসুবিধা নাছিল । তেওঁ সকলোৰে লগত মিলা মিচা কৰিছিল । অবাধে তেওঁ ডেকত ঘূৰি ফুৰিছিল আৰু মই গোটেই দিনটো কেবিনতে সোমাই থাকিছিলোঁ । ডেকত মানুহৰ ভিৰ কমিলে কেতিয়াবা অলপ ফুৰি আহিছিলোঁ । অন্য যাত্ৰীৰ লগত মিলা

মিচা কৰি তেওঁলোকৰ সৈতে কথা বতৰা পাতিবলৈ মজুমদাৰে সদায় মোক তাগিদ কৰিছিল। তেওঁ মোক কৈছিল আইন ব্যৱসায়ী সকল কথা-বাৰ্ত্তাত সদায় সজাগ থাকিব লাগে। তেওঁ মোক আদালত জীৱনৰ বহু অভিজ্ঞতা শুনাইছিল আৰু মোক ইংৰাজীতে কথা-বতৰা পতাৰ সুযোগ সদ্ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিছিল। তেওঁ কৈছিল – কথা বতৰা কওঁতে ভুল-ক্ৰুটী বাবে লাজ পাব নালাগে। বিদেশী ভাষাত কথা কলে তেনে অলপ চলপ ভুল হবই। কিন্তু একোৱেই মোৰ লাজৰ হেঙাৰ ভাঙিব নোৱাৰিলে।

এজন ইংৰাজ যাত্ৰীয়ে মোৰ সৈতে সদ্ব্ৱহাৰ কৰাৰ বাবে মোক কথা-বতৰাত প্ৰবৃত্ত কৰালে। বয়সত তেওঁ মোতকৈ অলপ ডাঙৰেই আছিল। মই কি খাওঁ, কি কৰোঁ, ক'লৈ যাম, কিয় ইমান লাজকুৰীয়া আদি বহু প্ৰশ্নই তেওঁ মোক সুধিছিল। তেওঁ মোক খোৱাৰ মেজত বহিবলৈও কৈছিল। মই মাংস নোখোৱাৰ কথাত জোৰ দিয়াত তেওঁ মোক ঠাট্টা কৰিছিল। আমি যেতিয়া লোহিত সাগৰৰ ওপৰেদি গৈ আছো, তেতিয়া তেওঁ মোক এদিন বন্ধুভাবে কলে – " এই পৰ্য্যন্ত যিয়ে হওক তোমাৰ চলি গৈছে, কিন্তু বিস্কে উপসাগৰ পালে তোমাৰ সিদ্ধান্ত সলনি কৰিব লাগিব। আৰু ইংলণ্ডত ইমান জাৰ যে সেই দেশত মাংস নাখালে বোধহয় জীয়াই থকাই টান।"

মই কলো – "কিন্তু মই শুনিছোঁ তাতো মাংস নাখাই জীয়াই থকা লোক আছে।" তেওঁ কলে – "সেইবোৰ বাজে কথা – এই বিষয়ে নিশ্চিত থাকা। সেই দেশত নিৰামীষহাৰী থকা বুলি মইতো নাজানো। মই সদায় মদ পান কৰাতো তুমি দেখিছা, কিন্তু তোমাক মদ খাবলৈতো মই কোৱা নাই। কিন্তু মোৰ দৃঢ় ধাৰণা যে তুমি মাংস খোৱা উচিত। কাৰণ মাংস বিনে তুমি তাত জীয়াই থাকিব নোৱাৰিবা।"

"আপোনাৰ আন্তৰিক উপদেশৰ বাবে ধন্যবাদ। মই মাইৰ ওচৰত প্ৰতিজ্ঞা কৰি আহিছোঁ যে মই মাংস স্পৰ্শই নকৰোঁ। সেই কাৰণে মাংসাহাৰ কৰাৰ কথা মই ভাবিবই নোৱাৰোঁ। মাংস নাখালে যদি তাত থাকিব নোৱাৰি,তেনেহলে তাত মাংস খোৱাতকৈ মই ভাৰতলৈ ফিৰি অহাটোৱেই পছন্দ কৰিম।"

আমি বিস্কে উপসাগৰত প্ৰৱেশ কৰিলোঁ। কিন্তু মাংস বা মদ খোৱাৰ প্ৰয়োজনীয়তা মই অনুভব নকৰিলোঁ। মোৰ যিমান দূৰ মনত পৰে যিদিনা আমি চাউথম্পটন পাইছিলোঁ – সেই দিনা আছিল শনিবাৰ। জাহাজত পিন্ধিবলৈ মোৰ এজোৰ কলা চ্যুট আছিল। মোৰ বন্ধু সকলে বগা বঙৰ ফ্লানেলৰ যি জোৰ চ্যুট তৈয়াৰ কৰি দিছিল, জাহাজৰ পৰা নামিবৰ সময়ত পিন্ধিবলৈ থৈ দিছিলোঁ। মই ভাবিছিলোঁ জাহাজৰ পৰা

নামিবৰ সময়ত মোক ভাল দেখাব আৰু সেইবাবে ফ্লানেলৰ চ্যুট পিন্ধি নামিলোঁ। চেপ্তেম্বৰ মাহ শেষ হৈ আহিছিল আৰু দেখিলোঁ একমাত্র ময়েই বগা পোছাক পিন্ধিছো। গ্রীণলেণ্ড এণ্ড কোম্পানী নামৰ এটা এজেন্টৰ কর্মচাৰীৰ তাত আমাৰ যাবতীয় মালপত্র আৰু তাৰ চাবিও জমা থলোঁ। কাৰণ বহুতেই তেনে কৰিছিল দেখি ময়ো তেওঁলোকক অনুসৰণ কৰা উচিত বুলি ভাবিলোঁ।

জাহাজত এজনে মোক লণ্ডনৰ ভিক্টোৰিয়া হোটেলত থকাৰ পৰামর্শ দিছিল। মই আৰু শ্রীযুত মজুমদাৰ সেইমতেই তালৈ গলোঁ। একমাত্র ময়েই বগা পোছাক পিন্ধা বাবে লাজতেই মৰো মৰো অৱস্থা। তাতে পিছৰ দিনটো ৰবিবাৰ হোৱা বাবে আমাৰ বস্তু বাহানি খিনি কোম্পানিৰ পৰা পোৱা নাযাব বুলি শুনি মোৰ অৱস্থা শোচনীয় হৈ পৰিল।

ডা° মেহ্‌তাক মই চাউথম্পটনৰ পৰাই টেলিগ্রাম কৰিছিলোঁ। তেওঁ সিদিনাই ৰাতি প্রায় ৮টাৰ সময়ত আহি মোক সাদৰ অভ্যর্থনা জনালে। মোৰ বগা ফ্লানেলৰ পোছাক দেখি তেওঁৰ মুখত হাঁহি ওলাল। কথাবতৰা হৈ থাকোতে খেলাৰ ছলতে মই তেওঁ পিন্ধি থকা টুপিটো হাতত ললোঁ আৰু সেইটো কিমান কোমল তাকে চাবলৈ তলৰ পিনে টুপিটোৰ গাত থকা নোমবোৰ খেলিমেলি কৰি দিলোঁ। ডা° মেহ্‌তাই অলপ খং কৰি মোৰ কার্য্যকলাপ চাই আছিল। এবাৰ তেওঁ মোক বধাই কলে – অৱশ্যে ক্ষতি যি হবলগীয়া আছিল সিটো হলেই। ঘটনাটোৱে মোক ভৱিষ্যৰ বাবে শিকনি দিলে আৰু ইউৰোপীয় আচাৰ ব্যৱহাৰৰ বিষয়ে ডা° মেহ্‌তাই প্রথম পাঠ পঢ়ালে। তেওঁ কলে - "অন্য কাৰো বস্তু বাহানি নুচুবা। ভাৰতত প্রথম লগ পালেই যেনেকৈ আমি বহু প্রশ্ন কৰোঁ, তেনেকৈ ইয়াত কৰিব নাপাই। ভাৰতত চাহাবৰ লগত কথা কওঁতে যেনেকৈ 'চাৰ' শব্দ প্রয়োগ কৰোঁ – ইয়াত তেনে কৰিব নালাগে। কাৰণ ইয়াত কেৱল পৰিচাৰক আৰু তলতীয়া ব্যক্তিয়েই তেনে ভাবে সম্বোধন কৰে।" এনে আৰু বহু কথাই মোক কলে। তেওঁ মোক আৰু জনালে যে - "হোটেলৰ খৰছ খুব বেছি, গতিকে কোনো পৰিয়ালৰ লগত থকা ভাল।"

হোটেলৰ আদব-কায়দা মোৰ আৰু মজুমদাৰ দুয়োৰে বাবে দুর্বহ হৈ পৰিল। তাত বাদে অত্যন্ত খৰছৰ কথাটো আছিলেই। মাল্টাৰ পৰা আমাৰ লগত এজন সিন্ধী যাত্রী আহিছিল আৰু মজুমদাৰৰ লগত তেওঁৰ আন্তৰিকতা গঢ়ি উঠিছিল। তেওঁ লণ্ডনত নবাগত্ নাছিল। তেওঁ আমাৰ বাবে থকা ঠাই বিচাৰি দিম বুলি কলে। আমি মান্তি হলোঁ আৰু সোমবাৰে আমাৰ মালপত্র আহি পোৱাৰ লগে লগেই হোটেলৰ দেনা

আদায় দি সেই সিন্ধী বন্ধুই খবৰ দিয়া ঘৰলৈ গুচি গলোঁ। মোৰ মনত আছে যে হোটেলৰ প্ৰাপ্য হিচাবে মই তিনি পাউণ্ড দিবলগীয়া হৈছিল। ইমান বেছি দিব লগীয়া হোৱা বাবে মই আচৰিত হৈ গৈছিলোঁ। ইমান পইচা খৰছ কৰিও মই এক প্ৰকাৰ উপবাসেই আছিলোঁ। কাৰণ হোটেলৰ কোনো খাদ্যই মোৰ ভাল লগা নাছিল। এটা বস্তু ভাল নালাগিলে, মই অন্য এটা অনাইছিলো ফলত দুয়োটাৰে দাম দিবলগীয়া হয়। আচল কথা হৈছে এই পৰ্য্যন্ত মই বোম্বাইৰ পৰা অনা খোৱা বস্তুতেই নিৰ্ভৰ কৰি চলিছিলোঁ।

নতুন ঘৰলৈ আহিও মোৰ অস্বস্তি নগল। সকলো সময়তে ঘৰৰ কথা, ভাৰতৰ কথা মনত পৰে। মোৰ ঘৰৰ কথা স্মৃতি পটত ভাহি উঠে। ৰাতি চকুৰ পানীৰে গাল তিতি যায় আৰু ঘৰৰ সৰু সৰু কথাৰ স্মৃতিয়ে মোৰ চকুৰ পৰা টোপনি কাঢ়ি নিছিল। এই দুঃখৰ ভাগ মই কাকো দিব নোৱাৰিছিলোঁ। তাৰ উপায় থাকিলেও তাত লাভ কি ? কিহেৰে যে সান্ত্বনা পাব পাৰি সেই কথা মই জনা নাছিলোঁ। ইয়াৰ মানুহ, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আনকি তেওঁলোকৰ ঘৰ-দুৱাৰ সকলোবোৰেই মোৰ মনত অদ্ভুত অদ্ভুত লাগিছিল। ইংৰাজী আদব-কায়দা মোৰ কাৰণে নতুন। সেয়ে সদায় মই সন্ত্ৰস্ত হৈ থাকিব লাগিছিল। নিৰামিষ খোৱাৰ সংকল্পই আৰু অসুবিধাৰ সৃষ্টি কৰিছিল। মই খাব পৰা যি কিবা অলপ পাইছিলোঁ– সেইবোৰত মই একো সোৱাদ পোৱা নাছিল। এনেকৈ মই উভয় সংকটতে পৰিলোঁ। ইংলণ্ড মোৰ সহ্য হোৱা নাছিল আৰু ভাৰতবৰ্ষলৈ ঘূৰি যোৱাতো চিন্তাৰ বাহিৰৰ কথা। মনতে ভাবোঁ আহিলোঁৱেই যেতিয়া ইয়ালৈ, যি কোনো উপায়ে তিনি বছৰ কটাই দিব লাগিব।

ইংলণ্ডৰ ছাত্ৰজীৱন

আমাক লগ পাব বুলি ভাবি ডা° মেহতা সোমবাৰে ভিক্টোৰিয়া হোটেললৈ গ'ল। হোটেলৰ পৰা মোৰ নতুন ঠিকনা লৈ মোক দেখা কৰিলেহি। ডা° মেহতাই মোৰ কোঠালীটো আৰু বস্তু বাহানি খিনি ঘূৰি পকি চাই শেষত মূৰ জোকাৰি অসন্তুষ্টি প্ৰকাশ কৰিলে। তেওঁ কলে – "ইয়াত থাকিব নোৱাৰিবা। মুখ্যতঃ পঢ়া-শুনা কৰিবলৈয়ে আমি বিলাতলৈ অহা নাই। তাতকৈ গুৰুত্বপূৰ্ণ হৈছে ইংৰাজ সকলৰ জীৱন-যাত্ৰা আৰু আদব-কায়দা সম্বন্ধে অভিজ্ঞতা লাভ কৰা। ইয়াৰ কাৰণে তুমি কোনোবা ইংৰাজ পৰিয়ালৰ লগত থকা উচিত। ময়েই তোমাক তালৈ লৈ যাম।"

কৃতজ্ঞভাবে মই এই প্ৰস্তাৱ মানি ললোঁ আৰু ডা° মেহতাৰ বন্ধুৰ ঘৰলৈ যাত্ৰা কৰিলোঁ। তেওঁ আছিল সহানুভূতি আৰু সহৃদয়তাৰ মূৰ্ত্ত প্ৰতীক। তেওঁ মোক আপোন ভাইৰ দৰে ব্যৱহাৰ কৰিছিল। মোক তেওঁ ইংৰাজী আদব-কায়দা আৰু ইংৰাজী ভাষা কবলৈ শিকালে। কিন্তু খোৱাৰ সমস্যাটো মোৰ প্ৰবল হৈ উঠিল। নিমখ আৰু মছলাবিহীন সিদ্ধ শাক-সব্জী মোৰ মুঠেও ভাল নালাগিছিল। ঘৰৰ মালিকনীয়ে বুজিবই পৰা নাই মোৰ বাবে কি ৰান্ধিব! পুৱা মই ওটৰ দলিয়া খাওঁ আৰু তাৰে বেছ পেট ভৰে। কিন্তু দুপৰীয়া আৰু ৰাতি প্ৰায়ে উপবাসে থাকিবলগীয়া হয়। বন্ধুজনে মোক মাংস খোৱাৰ পক্ষত যুক্তি দেখুৱাবলৈ ধৰিলে, মই কেৱল মোৰ প্ৰতিজ্ঞাৰ কথা কৈ নীৰৱে থাকোঁ। দুপৰীয়া আৰু ৰাতি - দুয়ো সময়তে মই ৰুটী আৰু তৰকাৰী খাওঁ লগতে জাম থাকে। মই খুব ভালেই খাব পাৰিছিলোঁ, ভোকো লাগিছিল। কিন্তু দুই তিনি টুকুৰাতকৈ বেছি ৰুটী খুজিব নোৱাৰিছিলোঁ। কাৰণ তেনে কৰা উচিত হব নে নহয় তাৰ বাবে মোৰ ভয় হৈছিল। তাৰোপৰি দুপৰীয়া বা ৰাতি গাখীৰ পোৱা নগৈছিল। এই সকলোবোৰ দেখি বন্ধুজনে বিৰক্ত হৈ এদিন কলে – "তুমি মোৰ নিজা ভাই হোৱা হলে, ইমানদিনে তোমাক দেশলৈ ফিৰাই পঠিয়ালোহেঁতেন। ইয়াৰ অৱস্থা – পৰিস্থিতিৰ কথা নাজানি মাৰাৰ ওচৰত দিয়া প্ৰতিশ্ৰুতিৰ কি মূল্য? ইয়াক শপত বুলি কোৱা নাযায়। আইনেও ইয়াক প্ৰতিজ্ঞাৰ মৰ্য্যদা নিদিয়ে। এনে পৰি স্থিতিত ধৰি থকাতো গোড়ামীৰ বাহিৰে আন একো নহয়। আৰু তোমাক মই কথা কৈ থৈছোঁ যে এই প্ৰতিশ্ৰুতিৰে ইয়াত তোমাৰ একো লাভ নহব। তুমি স্বীকাৰ কৰিছা যে

এটা সময়ত তুমি মাংস খাইছিলা আৰু সি তোমাৰ ভালো লাগিছিল। য'ত ইয়াৰ কোনো প্ৰয়োজন নাছিল — তাত তুমি মাংস খাইছা আৰু য'ত মাংস খোৱাৰ নিতান্ত প্ৰয়োজন তাত খাবলৈ তুমি অসম্মত। মই কি যে আৰু কম ?

মই কিন্তু পৰাজয় স্বীকাৰ নকৰিলোঁ।

বন্ধুজনে দিনে ৰাতি মাংস খোৱাৰ পক্ষত যুক্তিজাল বিস্তাৰ কৰি যাব ধৰিলে আৰু আমি শাশ্বত 'না' বুলি ক্ষান্ত হৈ থাকিব ধৰিলোঁ। তেওঁৰ তৰ্কৰ গতি যিমানেই বেছি হয়, মোৰ সংকল্পও সিমানে দৃঢ়তৰ হয়। সদায় মই ইয়াৰ বাবে ঈশ্বৰৰ ওচৰত শক্তি পাবলৈ প্ৰাৰ্থনা কৰো আৰু সেয়া মই পাওঁ ও। ঈশ্বৰ সম্বন্ধে মোৰ যে কোনো সম্যক ধাৰণা নাছিল, তেনে নহয়। বিশ্বাসে মোৰ অন্তৰত ক্ৰিয়া কৰিছিল। এয়া সেই বিশ্বাস যাৰ বীজ আমাৰ সাধ্বী চৰিত্ৰাশীলা ধাত্ৰী ৰম্ভাই মোৰ ভিতৰত অঙ্কুৰিত কৰিছিল।

এই পৰ্য্যন্ত নিয়মীয়া ভাবে পঢ়া-শুনা আৰম্ভ হোৱা নাই। ভাৰতবৰ্ষত থকা দিনবোৰত মই কেতিয়াও বাতৰি কাকত পঢ়া নাছিলোঁ। কিন্তু ইয়ালৈ আহি নিয়মীয়া অভ্যাস কৰি বাতৰি কাকতৰ প্ৰতি অনুৰাগ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিলোঁ। ইয়াৰ বাবে এঘন্টাতকৈ বেছি সময় নালাগে। সেয়ে তাৰ পিছত মই ইপিনে সিপিনে ঘূৰি ফুৰিবলৈ ধৰিলোঁ আৰু এনেকৈ ঘূৰোঁতে নিৰামিষ হোটেল এখনও বিচাৰি ফুৰিছিলোঁ। ফ্যাৰিংডন ষ্ট্ৰীটত এটা নিৰামিষ ৰেস্তোৰাঁ বিচাৰি পালোঁ। মনোমত বস্তু এটা পালে শিশু যেনেকৈ আনন্দিত হয়, ৰেস্তোৰাঁ খন দেখি মোৰ মনৰ অৱস্থাও তেনে হ'ল। ৰেস্তোৰা খনত প্ৰবেশ কৰিয়ে আইনাৰ আড়ালত বিক্ৰীৰ বাবে ৰখা কেইখনমান কিতাপৰ প্ৰতি মোৰ দৃষ্টি আকৰ্ষিত হ'ল। ইয়াৰ মাজত চল্টে লিখা 'নিৰামিষ আহাৰৰ যুক্তি'' নামৰ কিতাপখনত চকু পৰিল। এক চিলিং মূল্যৰ কিতাপখনি কিনি পোনেই খোৱাৰ ঘৰলৈ গলোঁ। ইংলণ্ড পোৱাৰ পাছত এই প্ৰথম বাৰৰ বাবে মনৰ আনন্দেৰে খালোঁ। ভগবানে মোক সহায় কৰিলে।

চল্টৰ কিতাপখন মই আদ্যোপান্ত পঢ়িলোঁ আৰু এইখনৰ দ্বাৰা যথেষ্ট পৰিমাণে প্ৰভাবিতও হলোঁ। এইখন কিতাপ পঢ়াৰ পিছত মই স্বেচ্ছাই নিৰামিষাহাৰী হোৱা বুলি কব পাৰোঁ। যিদিনা মাৰ চৰণত নিৰামিষ আহাৰৰ বাবে প্ৰতিজ্ঞা কৰিছিলোঁ। সেইদিনটো আজি এক পৰম সৌভাগ্যৰ ক্ষণ বুলি গণ্য হ'ল। এইবাৰ মই নিৰামিষ আহাৰ অন্তৰেৰে গ্ৰহণ কৰিলোঁ আৰু সিদিনাৰ পৰা ইয়াৰ প্ৰচাৰ কৰা মোৰ জীৱনৰ ব্ৰত হৈ পৰিল।

ইংৰাজ ভদ্ৰলোকৰ ভূমিকাত

মোৰ কাৰণে মোৰ ইংৰাজ বন্ধুজনাৰ চিন্তাৰ পাৰ নাছিল। এদিন তেওঁ মোক নাট্যাভিনয় চাবলৈ নিমন্ত্ৰণ জনালে। স্থিৰ হৈছিল যে – নাটকৰ অভিনয় আৰম্ভ হোৱাৰ আগতে আমি হৃবৰ্ণ ৰেষ্টোৰাঁত আমাৰ ভোজন পৰ্ব্ব সমাপন কৰিম। বন্ধুজনে এই ভাবি মোক তাঁলৈ নিমন্ত্ৰণ কৰিছিল যে অন্ততঃ ভদ্ৰতাৰ খাতিৰত হলেও তেওঁক কোনো প্ৰশ্ন কৰাৰ পৰা মই বিৰত থাকিম। হোটেলত সেই সময়ত বহুলোকে নৈশ ভোজ খাই আছিল। আমিও দুয়োজনে তেওঁলোকৰ মাজৰ এখন মেজৰ দুয়োফালে আসনত বহি পৰিলোঁ। প্ৰথমে চুপ আহিল। চুপ কিহৰ – মনত সেই প্ৰশ্নৰ উদয় হলেও সোধাৰ সাহস নহ'ল। সেয়ে মই পৰিবেশকক (service Man) মাতিলোঁ। বন্ধুজনাই মোৰ কাৰ্য্যকলাপ দেখি মেজৰ সেইফালৰ পৰা কঠোৰ ভাষাত সুধিলে – কেলেই মই পৰিবেশকক মাতিছোঁ ? অলপ সময় ইতঃস্ততঃ কৰি মই কলোঁ –"চুপ নিৰামিষ হয় নে নহয় জানিবলৈ মই পৰিবেশকক মাতিছোঁ।" খং কৰি তেওঁ কৈ উঠিল - "তুমি ভদ্ৰসমাজৰ উপযুক্ত নোহোৱা। যদি ভদ্ৰভাবে চলিব নোৱাৰা, তেন্তে তুমি উঠি যোৱা আৰু অন্য কোনো ৰেষ্টোৰাঁত খাই বৈ মোৰ কাৰণে বাহিৰত অপেক্ষা কৰা।" এই কথাত মই উৎফুল্ল হলোঁ আৰু তাৰ পৰা ওলাই আহিলোঁ। ওচৰতে এটা নিৰামিষ ৰেষ্টোৰাঁ আছিল, কিন্তু তেতিয়ালৈ সেইটো বন্ধ হৈ গৈছিল। ফলস্বৰূপে সিদিনা ৰাতি মই অনাহাৰেই থাকিলোঁ। বন্ধুজনৰ লগত নাটক খন চাবলৈ গলোঁ হয়, কিন্তু হোটেলত মই যি দৃশ্যৰ অবতাৰণা কৰিছিলোঁ, সেই সম্বন্ধে তেওঁ একো নকলে। মোৰ ফালৰ পৰা কবলগীয়াতো একো নাছিলেই।

সেয়াই আছিল আমাৰ অন্তিম সৌহাৰ্দ্যপূৰ্ণ বিবাদ। আমাৰ বন্ধুত্বও ইয়াৰ তিলমাত্ৰও প্ৰতিক্ৰিয়া হোৱা নাই। বন্ধুজনাৰ যাবতীয় চেষ্টাৰ পৃষ্ঠভূমিত প্ৰচ্ছন্ন প্ৰীতিকেই থকা বুলি ভাব হৈছিল আৰু তাৰ বাবে প্ৰশংসাও কৰিছিলো। চিন্তা আৰু কৰ্মৰ ক্ষেত্ৰত আমাৰ পাৰস্পৰিক মতানৈক্যৰ বাবে মই তেওঁক বেছিকৈ শ্ৰদ্ধা কৰিছিলোঁ।

অৱশ্যে মই স্থিৰ কৰিলোঁ যে তেওঁক আৰু বিৰক্ত নকৰোঁ। তেওঁক এই বিষয়ে নিশ্চিত কৰাম যে মই আৰু ভদ্ৰসমাজৰ অনুপযুক্ত হৈ নাথাকোঁ। মই সভ্য হবলৈ চেষ্টা কৰিম আৰু ভদ্ৰ সমাজৰ উপযুক্ত অন্য গুণাৱলী অৰ্জন কৰি নিৰামিষাহাৰৰ

ক্ষতিপূৰণ কৰিম। এই উদ্দেশ্য সাৰোগত কৰি মই ইংৰাজ ভদ্ৰলোক হোৱাৰ অসম্ভৱ প্ৰচেষ্টাত ব্ৰতী হলোঁ ।

বোম্বাইত প্ৰচলিত ছাঁটকাট কাপোৰৰ যিবোৰ পোছাক আমি পিন্ধিছিলোঁ সেইবোৰ ইংৰাজৰ বাবে অনুপযুক্ত বুলি ভাবি বৰ্জন কৰিলোঁ আৰু 'আৰ্মি এণ্ড নেভী'ষ্টোৰৰ পৰা নতুন পোছাক তৈয়াৰ কৰালোঁ। ১৯ চিলিং খৰছ কৰি এটা "চিমনী পট" হেট কিনিলোঁ। সেই সময়ৰ কথা ভাবিলে দাম অলপ বেছি হোৱা বুলিয়েই কব লাগিব। ইয়াতো সন্তুষ্ট নহৈ মই লণ্ডনৰ ফেচনৰ কেন্দ্ৰবিন্দু বণ্ড ষ্ট্ৰীটৰ তৈয়াৰী এজোৰ ইভিনিং চুটৰ কাৰণে দহ পাউণ্ড নষ্ট কৰিলোঁ আৰু আমাৰ মহান হৃদয় ককাইদেউৰ পৰা সোণাৰ ঘড়ীৰ ডবল চেইন আদায় কৰিলোঁ। তৈয়াৰী টাই পিন্ধা ভদ্ৰ সমাজৰ নিয়ম নাছিল – সেয়ে মই নিজ হাতে টাই বন্ধাৰ কৌশল শিকিলোঁ। ভাৰতত থকা সময়ত আইনাৰ দৰকাৰ কেতিয়াবা হে হয়। ঘৰৰ স্থায়ী নাপিত জন আহিলে আইনাত মুখখন চোৱাৰ সৌভাগ্য ঘটে। কিন্তু এখন বৃহদাকাৰ আয়নাৰ সমুখত থিয় দি টাইটবন্ধাৰ আৰু আধুনিকতম ফেচনে চুলি কেঁইদাল আচোৰতে দৈনিক দহ মিনিত সময় যাঁব ধৰিলে। মোৰ চুলি কেঁইদাল কোমল নহয় আৰু সেয়ে ইহঁতক শৃঙ্খলিত কৰিবলৈ ব্ৰাছ লৈ একপ্ৰকাৰে যুদ্ধই কৰিব লাগে। প্ৰত্যেকবাৰ টুপি পিন্ধা আৰু খোলাৰ সময়ত হাতখন মূৰৰ ওপৰলৈ উঠি চুলিখিনি সুবিন্যস্ত কৰাত সহায় কৰে। সভ্য সমাজত বহি থকাৰ সময়ত প্ৰত্যেক মুহূৰ্ত্ততে চুলিখিনি সুবিন্যস্ত কৰিবলৈ যি দুৰূহ কৰ্ত্তব্য কৰিবলগীয়া হয় তাৰ কথা উল্লেখ নকৰাই ভাল।

ইমানতো যেন ষোল কলা পূৰ্ণ হোৱা নাই – এই কথা ভাবি ইংৰাজ ভদ্ৰলোক হবলে হলে আৰু যিবোৰ খুঁটি নাতি বিষয়ৰ প্ৰতি দৃষ্টি যোৱাৰ প্ৰয়োজন বুলি মোৰ ধাৰণা হৈছিল, মই সেই সকলোবোৰ বিষয় আয়ত্ত্ব কৰিবলৈ চেষ্টা কৰিছিলোঁ। শুনিছিলোঁ সভ্য সমাজত মিলিবলৈ হলে নৃত্যকলা, ফৰাছী ভাষা আৰু বক্তৃতা দিবলৈ শিকিব লাগে। ফৰাচী ভাষা কেবল চুবুৰীয়া দেশৰ ভাষাই নহয়। ইউৰোপৰ যিবোৰ দেশলৈ মোৰ ফুৰিবলৈ যাবৰ ইচ্ছা আছিল, সেই সকলো দেশতে এই ভাষা সকলোৰে বোধগম্য। মই এখন নৃত্য বিদ্যালয়ত নাচ শিকিবলৈ সিদ্ধান্ত কৰিলোঁ আৰু প্ৰথম কিস্তিৰ তিনি পাউণ্ড মাচুল জমা দিলোঁ। তিনি সপ্তাহত মই ছয় দিন নাচ শিকিবলৈ গৈছিলোঁ। কিন্তু তালে তালে ভৰি পেলোৱাতো এক অসম্ভৱ যেন লাগিছিল। মই পিয়ানো বাজনাৰ তালো ধৰিব নোৱাৰিছিলোঁ। সেয়ে মোৰ পক্ষে তালে তালে পদ সঞ্চালন কৰা দুষ্কৰ হৈ পৰিছিল। তেনেহলে কি কৰা যায় ? কথিত আছে এজন ফকিৰে ইন্দুৰৰ

অত্যাচাৰৰ পৰা নিজৰ কৌপিনটো ৰক্ষা কৰিবলৈ এটা মেকুৰী পুহিছিল । তাৰ পাছত মেকুৰীটোক গাখীৰ খুৱাবলৈ গৰু পুহিবলগীয়া হ'ল আৰু গৰুটো চাবলৈ গৰখীয়া ৰাখিব লগাত পৰিল । এইদৰে কৌপিনৰ কাৰণে ফকীৰে সংসাৰী হবলগীয়া হ'ল । মোৰ আকাংক্ষাও ফকীৰজনাৰ দৰে স্তৰে স্তৰে বাঢ়িব ধৰিলে । ভাবিলোঁ পাশ্চাত্য সংগীত ঠিকমতে বুজিবলৈ মই বেহেলাৰ বাজনা শিকা দৰকাৰ । সেয়ে বেহালাৰ কাৰণে তিনি পাউণ্ড আৰু শিক্ষয়িত্রীৰ পাৰিশ্রমিকৰ কাৰণে আৰু অলপ খৰছ কৰিলোঁ । বক্তৃতা শিকিবলৈ আৰু এজন শিক্ষকৰ ওচৰলৈ গলোঁ আৰু প্ৰাৰম্ভিক মাচুল হিচাবে এক গিনি দক্ষিণা দিলোঁ । তাৰ পিছত তেওঁৰ পৰামৰ্শ অনুযায়ী বেলৰ দ্বাৰা লিখিত standard ইলোকিওশনিষ্ট কিতাপখন কিনি আনিলোঁ । পিটৰ বক্তৃতাৰে মোৰ বক্তৃতা দান শিক্ষা পৰ্ব্বৰ সূচনা হ'ল ।

কিন্তু সোনকালেই মোৰ মনত প্ৰশ্ন উঠিল – এইবোৰৰ উদ্দেশ্য কি? মনে মনে ভাবিলোঁ মইতো গোটেই জীৱনটো ইংলণ্ডত নাথাকোঁ । তেতিয়া হলে বক্তৃতা দিবলৈ শিকি মোৰ কি লাভ হব ? আৰু নাচিবলৈ শিকিলে আমাৰ সভ্যতাৰ কি বৃদ্ধি হব ? বেহালা বজাবলৈ আমাৰ দেশলৈ গৈও শিকিব পৰা যাব । মই যেতিয়া ছাত্র হৈ আহিছোঁ গতিকে পঢ়া-শুনা কৰাটোৱেই সকলোতকৈ ডাঙৰ কথা । এতিয়া মোৰ সৰ্বপ্ৰধান কৰ্ত্তব্য হৈছে ব্যাৰিষ্টাৰ হবলৈ প্ৰস্তুত হোৱা । চৰিত্ৰৰ কাৰণে যদি ভদ্ৰলোক আখ্যা পাওঁ – সেয়ে যথেষ্ট । নহলে আমি ভদ্ৰলোক হোৱাৰ আশা পৰিত্যাগ কৰাই ভাল ।

এই ধৰণৰ চিন্তা মোৰ মনত প্ৰবল হৈ উঠিল আৰু বক্তৃতা শিক্ষাৰ শিক্ষক গৰাকীলৈ এখন চিঠি লিখি মোৰ মনোভাব ব্যক্ত কৰিলোঁ । মই আৰু পাঠ শিকিবলৈ নাযাওঁ বুলি তেওঁৰ ওচৰত ক্ষমা খুজিলোঁ । দুই তিনিটা পাঠহে মই লৈছিলোঁ । নৃত্য শিক্ষকলৈও এই মৰ্মে চিঠি লিখিলোঁ আৰু বেহালাৰ শিক্ষয়িত্রীৰ ওচৰলৈ নিজে গৈ যি কোনো দামতে বেহালাটো বিক্ৰী কৰি দিবলৈ অনুৰোধ জনালোঁ । তেওঁৰ সৈতে মোৰ অলপ ব্যক্তিগত বন্ধুত্ব গঢ়ি উঠিছিল । সেয়ে তেওঁক মই জনালোঁ যে সম্প্ৰতি মই আবিস্কাৰ কৰিছোঁ যে – এই পৰ্য্যন্ত মই এটা ভুল ধাৰণাৰ বশবৰ্ত্তী হৈ এইবোৰ কৰিছিলোঁ । মই মোৰ জীৱনত আমূল পৰিবৰ্ত্তন অনাৰ সিদ্ধান্ত কৰা বাবে তেওঁ মোক অভিনন্দন জনালে ।

এই সভ্যতা ব্যাধিয়ে প্ৰায় তিনি মাহ কাল মোক আচ্ছন্ন কৰি ৰাখিছিল । পোছাক সম্বন্ধে অৱশ্যে সচেতনতা একাধিক বছৰ পৰ্য্যন্ত আছিল । ইয়াৰ পাছত মই সঁচা ছাত্র হৈ পৰিলোঁ ।

পৰিবৰ্ত্তন

কোনোৱে যেন এই কথা নাভাবে যে নৃত্য শিক্ষা আৰু মই সভ্য হ'বলৈ কৰা অন্যান্য প্ৰচেষ্টাবোৰৰ অৰ্থ মই বিলাসী জীৱনত গা এৰি দিছিলোঁ। পাঠকে নিশ্চয় লক্ষ্য কৰিছে যে তেতিয়াও মই কি কৰিছোঁ সেই কথা জানিছিলোঁ। খৰছ-পত্ৰৰ ক্ষেত্ৰত মই খুব হিচাবী আছিলোঁ।

জীৱন-যাত্ৰা পদ্ধতিৰ ওপৰত কঠোৰ দৃষ্টি ৰাখিছিলোঁ বুলিয়েই মই ব্যয় সংকোচ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছিলোঁ। সেয়ে মই কোনো পৰিয়ালৰ লগত থকাৰ সলনি নিজে ঘৰ ভাড়া কৰি থকাতো স্থিৰ কৰিলোঁ আৰু যেতিয়া যি ধৰণৰ কাজ কৰিবলগীয়া হয়, তেতিয়া সেই ভাবে বিভিন্ন অঞ্চলত বাহৰ সলনি কৰাৰ পৰিকল্পনা কৰিলোঁ। এই ব্যৱস্থাৰ ফলত মোৰ অভিজ্ঞতা বাঢ়িবলৈ ধৰিলে। যেতিয়া যি এলেকাত মই ঘৰ ভাড়া লৈছিলোঁ তাৰ পৰা আধা ঘন্টাৰ ভিতৰতে মোৰ কৰ্মস্থলীত উপস্থিত হ'ব পৰা আছিল। ফলত মোৰ গাড়ী ভাড়া বাচি গ'ল। কিন্তু ইয়াৰ আগতে কৰবালৈ যাবলৈ হ'লে কিবা নহয় কিবা বাহনৰ শৰণ লৈছিলোঁ আৰু ফুৰিবলৈ অতিৰিক্ত সময় খৰছ কৰিছিলোঁ। নতুন ব্যৱস্থাত খোজ কঢ়া আৰু পইচা ৰচোৱা – দুটা কথা একেলগে হ'ল আৰু ইয়াৰ ফলত সদায় মই আঠ দহ মাইল খোজ কাঢ়িবলৈ ধৰিলোঁ। মূলতঃ এই খোজ কঢ়াৰ বাবেই ইংলণ্ডত থকা সময়ত মই কেতিয়াও কোনো ৰোগত আক্ৰান্ত হোৱা নাই। ফলত মোৰ শৰীৰ বেছ শক্তিশালী আৰু সমৰ্থ আছিল।

এনেকৈ দুটা কোঠা ভাড়া লৈ মই থাকিবলৈ ললোঁ। এটা আছিল বহিবলৈ আনটো শোৱনী কোঠা ৰূপে ব্যৱহাৰ কৰিছিলোঁ। এয়া আছিল মোৰ দ্বিতীয় পৰ্য্যায়। তৃতীয় পৰ্য্যায় আহিবলৈ তেতিয়াও আৰু সময় আছিল।

এই পৰিবৰ্ত্তনৰ ফলত মোৰ খৰছ আধা কমি গ'ল। কিন্তু সময় কটাবলৈ কি কৰোঁ? মই জানিছিলোঁ বেৰিষ্টাৰী পঢ়োতে খুব বেছি পৰিশ্ৰম কৰিব নালাগে। সেই কাৰণে মই সময়ৰ অভাৱ অনুভৱ কৰা নাছিলোঁ। মই ইংৰাজীত কেচা আছিলোঁ আৰু এই বিষয়টো মোৰ উৎকণ্ঠাৰ কাৰণ আছিল। মই ভাবিলোঁ বেৰিষ্টাৰী পাছ কৰাৰ লগতে সাহিত্যৰ স্নাতক হোৱাৰ গৌৰৱো অৰ্জন কৰা উচিত। মই অক্সফোৰ্ড আৰু কেম্ব্ৰিজ

বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আনি লাৰি চাৰি চালোঁ আৰু এই বিষয়ে দুই চাৰিজন বন্ধুৰ লগতো আলোচনা কৰিলোঁ। মই বুজি উঠিলোঁ যে এই দুই ঠাইৰ কোনো এক ঠাইলে যাব খুজিলে মোৰ খৰছ বহু বাঢ়ি যাব আৰু যিমান দিনলৈ ইয়াত থাকিবলৈ সাজু হৈ আছিছোঁ – তাতোকৈ বহু বেছি দিন থাকিব লাগিব। এজন বন্ধুৱে মোক পৰামৰ্শ দিলে যে মই যদি সচাঁকৈয়ে কোনো কঠিন পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ আনন্দ পাব খোজো তেনেহলে মই লণ্ডনৰ মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰা উচিত। ইয়াৰ বাবে মই যথেষ্ট পৰিশ্ৰম কৰিব লাগিব আৰু ইয়াৰ দ্বাৰাই মোৰ সাধাৰণ জ্ঞান ভাণ্ডাৰো যথেষ্ট বৃদ্ধি হব। অথচ ইয়াৰ বাবে খৰছো বিশেষ নাবাঢ়ে। এই প্ৰস্তাৱটো মোৰ মনত লাগিল। কিন্তু ইয়াৰ পাঠ্য বিষয় দেখি মই চক খাই উঠিলোঁ। লেটিন আৰু কোনো আধুনিক ভাষা শিকাতো বাধ্যতামূলক আছিল। লেটিন কেনেকৈ শিকিম ? বন্ধুজনে কিন্তু ইয়াৰ পক্ষত সবল যুক্তি দি কৈছিল – "আইনজীবী সকলৰ বাবে লেটিন অত্যন্ত মূলবান বিষয়। আইন গ্ৰন্থ সমূহ বুজিবলৈ লেটিনৰ জ্ঞান খুবেই সহায়ক। ৰোমান সম্বন্ধীয় প্ৰশ্নপত্ৰতো কেৱল লেটিনতে লিখে। তদুপৰি লেটিন জনাৰ অৰ্থ হৈছে ইংৰাজী ভাষাৰ ওপৰত বেছি পৰিমাণে দখল থকা।" এই যুক্তি মোৰ মনে গ্ৰহণ কৰিলে আৰু মই স্থিৰ কৰিলোঁ যে যিমানে টান হওক মই লেটিন শিকিম। ইতিমধ্যে মই ফৰাচী ভাষা শিকিবলৈ আৰম্ভ কৰিছিলোঁ। সেয়ে ভাবিলোঁ – ফৰাচী ভাষাই মোৰ আধুনিক ভাষা হব। মই এটা প্ৰাইভেট মেট্ৰিকুলেচন ক্লাচত ভৰ্ত্তি হলোঁ। প্ৰত্যেক ছয় মাহে পৰীক্ষা হৈছিল আৰু মোৰ হাতত মাত্ৰ পাচ মাহ সময়হে বাকী। ইয়াৰ ভিতৰত সাফল্য অৰ্জন কৰা মোৰ বাবে এক অসম্ভৱ কাৰ্য্য বুলি ভাবিছিলোঁ। মই নিজকে অধ্যয়নশীল ছাত্ৰ হিচাবে ৰূপান্তৰিত কৰিলোঁ। দিনটোৰ প্ৰত্যেকটো মুহূৰ্ত্ত যেন সদ্ব্যৱহাৰ হয় তাৰ বাবে এখন ৰুটিন প্ৰস্তুত কৰি ললোঁ। কিন্তু মোৰ বুদ্ধি বা স্মৃতি শক্তি কোনোটোৱেই এই সময়ৰ ভিতৰত অন্যান্য বিষয় বাদে লেটিন আৰু ফ্ৰেঞ্চ ভাষা শিকাৰ ক্ষেত্ৰত ভৰসা কৰাৰ সামৰ্থ্য নাছিল। ফলত মই লেটিনত অকৃতকাৰ্য্য হলোঁ। এই কাৰ্য্যত দুঃখী হলেও মই সাহস হেৰুৱা নাছিলোঁ। লেটিনৰ প্ৰতি মোৰ অনুৰাগ জন্মিছিল আৰু ভাবিলোঁ আৰু এবাৰ চেষ্টা কৰিলে মোৰ ফ্ৰেঞ্চ ভাষাৰ জ্ঞানৰ উৎকৰ্ষতা বাঢ়িব। বিজ্ঞানৰ ক্ষেত্ৰত মই অন্য এটা বিষয় লবলৈ স্থিৰ কৰিলোঁ। ইতিপূৰ্বে মই ৰসায়ন – বিজ্ঞান বিষয় লৈছিলোঁ। কিন্তু হাতে কলমে কাজ কৰাৰ সুবিধা নথকাৰ বাবে বিষয়টো মোৰ বাবে খুব আকৰ্ষক লগা নাছিল। অথচ ৰসায়ন শাস্ত্ৰ গভীৰ চিত্তাকৰ্ষক হবই লাগিছিল। ভাৰতবৰ্ষত থকা সময়ত বাধ্যতামূলক বিষয় আছিল বুলি লণ্ডনত

মেট্ৰিকুলেচনৰ বাবে এই বিষয়টো নিৰ্বাচন কৰিছিলোঁ। এইবাৰ মই অৱশ্যে ৰসায়নৰ সলনি 'তাপ' আৰু 'পোহৰ' পঢ়িবলৈ ঠিক কৰিলোঁ। মানুহে ইয়াক সহজ বুলি কৈছিল আৰু মোৰ অভিজ্ঞতাৰ লগতো সেই কথা।

পৰীক্ষাৰ কাৰণে আৰু এবাৰ সাজু হোৱাৰ লগে লগে মোৰ দৈনন্দিন জীৱনৰ কাৰ্য্যক্ৰম আৰু সহজ-সৰল কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিলোঁ। মোৰ ভাব হৈছিল যে এতিয়াও মোৰ দৈনন্দিন খৰছ আমাৰ দৰে মানুহৰ অনুপাত হিচাবে বেছি। ককাইদেৱে পৰিয়ালটো প্ৰতিপালন কৰিবলৈ কিমান যে কষ্ট কৰিবলগীয়া হৈছে ! অথচ ইয়াৰ ভিতৰতে নিয়মীয়া ভাবে মোৰ চাহিদাও পূৰণ কৰিছে – এই কথা ভাবি মোৰ খুব দুঃখ হল। মাহে যি সকলে আঠৰ পৰা পোন্ধৰ পাউণ্ড খৰচ কৰে তেওঁলোকৰ বেছিভাগেই ছাত্ৰ বৃত্তিধাৰী বুলি মই জানিব পাৰিছিলো। মোৰ সমুখত ইয়াতকৈ বহুগুণে সৰল জীৱন-যাত্ৰাৰ উদাহৰণ আছিল। মোতকৈ দুখীয়া ধৰণে থকা বহু ছাত্ৰকে মই লগ পাইছোঁ। তেওঁলোকৰ ভিতৰত এজনে এটা বস্তিত সপ্তাহত দুই চিলিং ঘৰ ভাড়া দিয়ে আৰু লক হাৰ্টৰ সস্তা কোকোৰ দোকানৰ পৰা ২ পেনিৰ কোকো আৰু ডবলৰুটি খায়ে ভোজন সমাপ্ত কৰে। তাক অনুকৰণ কৰা মোৰ পক্ষে অসম্ভৱ। তবু এটা কথা ভাবিলোঁ যে দুটা ৰুমৰ সলনি এটা ৰুমেৰেই কাম চলোৱা উচিত আৰু অলপ ৰন্ধা-বঢ়া কৰি হলেও খোৱা খৰচ কমাব পাৰি। ইয়াৰ ফলত মাহে চাৰি পাচ পাউণ্ড খৰছ কৰিলেই মই চলিব পাৰিম। এই সময়ত সৰল জীৱন-যাপন সম্বন্ধে কেইখনমান কিতাপো অধ্যয়ন কৰিলোঁ। এই ভাবিয়েই দুটা ৰুমৰ ঘৰটো এৰি দি এটা ৰুমৰ ঘৰ ভাড়া ললোঁ আৰু ষ্টোভ এটা কিনি ঘৰতেই পুৱাৰ খাদ্য (Break fast) খিনি তৈয়াৰ কৰি খাবলৈ ললোঁ। ইয়াৰ বাবে মোৰ কুৰি মিনিট সময়ো বোধহয় নালাগিছিল। কাৰণ মই ওটৰ পৰিজ বনাওঁ আৰু কোকোৰ কাৰণে পানী তপতাওঁ। দুপৰীয়া আহাৰ মই বাহিৰতে খাইছিলোঁ আৰু ডবলৰুটী আৰু কোকোৰে ঘৰতে ৰাতিৰ আহাৰো খাবলৈ আৰম্ভ কৰিলো। এইদৰে দৈনিক এক চিলিং তিনি পেনি খৰছত দিন চলাবলৈ ধৰিলোঁ। এই সময় ছোৱাত মই পঢ়া-শুনাও যথেষ্ট কৰিবলগীয়া হৈছিল। আড়ম্বৰ হীন হৈ থকা বাবে মই পঢ়া-শুনা কৰাৰ কাৰণে যথেষ্ট সময় পাইছিলোঁ। ফলত এইবাৰ পৰীক্ষাত মই উত্তীৰ্ণ হলো।

পাঠকে এই কথা যেন মুঠেও নাভাবে যে এই ধৰণৰ জীৱন-যাত্ৰাৰ বাবে মোৰ বৰ কষ্ট হৈছিল। উল্টাপক্ষত এই ব্যৱস্থাই মোৰ মংগলহে কৰিছিল। লগতে এই ব্যৱস্থা আমাৰ পৰিয়ালৰ আৰ্থিক অৱস্থাৰ অনুকূল আছিল। নিঃসন্দেহে মোৰ জীৱনত

সত্যৰ প্ৰকাশ ঘটিছিল আৰু মনে মনে মই অসীম আনন্দ অনুভৱ কৰিছিলোঁ ।

খৰছ আৰু জীৱন যাত্ৰা পদ্ধতিৰ পৰিবৰ্ত্তনৰ লগে লগে আনকি তাৰ আগৰ পৰাই মই মোৰ খাদ্য তালিকাৰো পৰিবৰ্ত্তন আৰম্ভ কৰিছিলোঁ । ঘৰৰ পৰা খাবলৈ যি মিঠাই আৰু মছলা আনিছিলোঁ – সিবোৰ খোৱা বন্ধ কৰিলোঁ । মনটো বেলেগ মুখে ঘূৰাৰ বাবে মছলাৰ প্ৰতি আকৰ্ষণ লুপ্ত হ'ল । মছলা বৰ্জিত শাক-পাছলি মই এতিয়া খুব ৰুচিৰে খাব ধৰিলোঁ । এনে ধৰণৰ পৰীক্ষা নিৰীক্ষাৰ পৰা মই বুজিব পাৰিছোঁ যে সোৱাদ জিভাৰ ওপৰত নিৰ্ভৰ নকৰে । ইয়াৰ প্ৰকৃত উৎস হৈছে – আমাৰ মানসিক অৱস্থা ।

আৰ্থিক প্ৰশ্নত সদায় মোৰ প্ৰথম দৃষ্টি পৰিছিল । সেই সময়ত এক দল মানুহে চাহ আৰু কফি স্বাস্থ্যৰ পক্ষে অনিষ্টকৰ বুলি প্ৰচাৰ কৰি কোকোৰ পৃষ্ঠপোষক হৈছিল । মই দৃঢ়ভাবে বিশ্বাস কৰিছিলোঁ যে – আমি কেৱল সেইবোৰ বস্তুহে খোৱা উচিত -- যিবোৰ আমাৰ স্বাস্থ্যৰ বাবে উপকাৰী । সেই কাৰণে স্বাভাবিকভাবে চাহ আৰু কফি খাবলৈ এৰি দি কোকো খাবলৈ আৰম্ভ কৰিলোঁ ।

মূল পৰীক্ষা-নিৰীক্ষাৰ লগতে দুই এটা প্ৰয়োগো কৰিছিলোঁ । কেইদিনমান শ্বেতসাৰ জনিত খাদ্য খাবলৈ একেবাৰে এৰি দিছিলোঁ । ইয়াৰ পাছত কিছুদিন কেৱল ফল মূল আৰু ডবলৰুটী খাই কটালোঁ আৰু এবাৰ কেইদিনমান কেৱল চানা, গাখীৰ আৰু কণী খায়েই কটালোঁ । শেষৰ পৰীক্ষাটো অৱশ্যে উল্লেখযোগ্য । এই ব্যৱস্থা অৱশ্যে এক পক্ষৰ বেছি স্থায়ী হোৱা নাছিল । যি কেইটা সংস্কাৰক শ্বেতসাৰ বৰ্জিত খাদ্যৰ সপক্ষে প্ৰচাৰ কৰিছিল তেওঁলোকে কণীৰ খুব প্ৰশংসা কৰিছিল আৰু তেওঁলোকে কণী মাংসৰ শ্ৰেণীত নপৰে বুলি কয় । এই কথা খুব স্পষ্ট যে কণী খালে প্ৰাণী হত্যা কৰা নহয় । সেয়ে মই প্ৰতিজ্ঞা কৰা স্বত্বেও কণী খাইছিলোঁ । অৱশ্যে এই বিচ্যুতি খুব সাময়িক আছিল । প্ৰতিজ্ঞাৰ কোনো নতুন ব্যাখ্যা কৰাৰ অধিকাৰ মোৰ নাছিল । মই মাৰ ওচৰত শপত খাইছিলোঁ আৰু তেতিয়াৰ সেই ব্যাখ্যাই মান্য হোৱা উচিত । মই মাংস বুলিলে কণীকো তাৰ অন্তৰ্গত ধৰি লৈছিলোঁ । সেইবাবে মই প্ৰতিজ্ঞাৰ প্ৰকৃত তাৎপৰ্য্য জনা মাত্ৰেই কণী খোৱা আৰু তেনে ধৰণৰ পৰীক্ষা নিৰীক্ষা ত্যাগ কৰিলোঁ ।

নিৰামিষ আহাৰত নৱদীক্ষিত হোৱাৰ উৎসাহতে মই আমাৰ চুবুৰীটোত এটা নিৰামিষী সংঘ স্থাপন কৰিবলৈ স্থিৰ কৰিলোঁ । সংঘ কিছুদিন ভালে চলিল, কিন্তু কেইমাহ মানৰ পাছত ইয়াৰ কাৰ্য্যকলাপ বন্ধ হৈ গল । কাৰণ মাজে মাজে বাসস্থান

সলনি কৰাৰ মোৰ যি নিয়ম আছিল – সেই মতে কিছুদিন পাছতে সেই চুবুৰী এৰি আহিছিলোঁ। অৱশ্যে এই কম সময়ৰ ভিতৰত আৰু ক্ষুদ্ৰ অভিজ্ঞতাৰ ফলত সংস্থাৰ সংগঠন আৰু পৰিচালনাৰ বিষয়ে সামান্য শিক্ষা লাভ কৰিলোঁ।

লাজকুৰীয়া স্বভাৱ আছিল মোৰ ৰক্ষা কবচ

মই নিৰামিষাহাৰী সমিতিৰ কাৰ্য্যকাৰিণী সমিতিলৈ নিৰ্বাচিত হৈছিলোঁ আৰু প্ৰত্যেক খন বৈঠকতে উপস্থিত থকা মোৰ কৰ্ত্তব্য হৈ পৰিছিল। অৱশ্যে এইবোৰ সভাত মোৰ মুখেৰে কথা নুফুটিছিল। দক্ষিণ আফ্ৰিকালৈ যোৱাৰ পাছতহে মোৰ এই লাজকুৰীয়া স্বভাৱ এৰিবলৈ সমৰ্থ হৈছিলোঁ। অৱশ্যে কোনো দিনে সম্পূৰ্ণ ভাবে ইয়াৰ হাত সাৰিব পৰা নাই। পূৰ্ব প্ৰস্তুতি অবিহনে কোনো বিষয়ে কথা কোৱাতো মোৰ পক্ষে অসম্ভৱ আছিল। অপৰিচিত শ্ৰোতাক সমুখত দেখিলেই মোৰ ভয় লাগে আৰু তেতিয়া পাৰিলে বক্তৃতা দিবলৈ এৰি ফুৰিছিলোঁ।

মই এই কথা স্বীকাৰ কৰিবই লাগিব যে কেতিয়াবা হাঁহিৰ খোৰাক যোগোৱাৰ বাহিৰে অইন একো অসুবিধা মোৰ এই স্বভাৱে সৃষ্টি কৰা নাছিল। মই মনে মনে ভাবিলো যে ইয়াৰ ফলত মোৰ লোকচানৰ সলনি লাভেই হৈছিল। এসময়ত কথা কওঁতে বাধ্য-বাধকতাৰ বাবে খং উঠিছিল, কিন্তু সি আজি মোৰ আনন্দৰ কাৰণ হৈছে। সকলোতকৈ বেছি লাভ হৈছে ইয়াৰ ফলত মোৰ চিন্তন প্ৰবাহক নিয়ন্ত্ৰিত কৰাৰ অভ্যাস হৈছে। যিয়ে কম কথা কয় তেওঁ কথা-বাৰ্ত্তাত কেতিয়াও উচ্ছাস প্ৰকাশ নকৰে। তেওঁ প্ৰত্যেকটো কথা জুখি মাখি কয়। মোৰ এই স্বভাৱ আচলতে মোৰ আত্মৰক্ষাৰ কবচ ৰূপ হৈছিল। ইয়াৰ ফলত মোৰ বিকাশ সহজ হৈছে। সত্য আবিস্কাৰ কৰাই হৈছে মোৰ সহায়ক।

বিভিন্ন ধৰ্মৰ সৈতে পৰিচয়

ইংলণ্ড প্ৰবাসৰ দ্বিতীয় বছৰৰ শেষ ভাগত দুজন থিয়চফিষ্ট ভদ্ৰলোকৰ সৈতে মোৰ পৰিচয় হ'ল। তেওঁলোক দুয়ো সহোদৰ আৰু দুয়ো অবিবাহিতও। তেওঁলোকে মোৰ লগত গীতাৰ বিষয়ে আলোচনা কৰিলে। তেওঁলোকে যেতিয়া চাৰ এডুইন আৰনল্ডৰ দ্বাৰা অনুদিত গীতা The song celechal পঢ়িছিল আৰু তাৰ লগে লগে মোক মূল ৰচনা পঢ়িবলৈ নিমন্ত্ৰণ জনাছলত মই লাজ পালোঁ। কাৰণ এতিয়ালৈ সংস্কৃত বা গুজৰাটী – কোনো ভাষাতেই এই অমৰ শ্লোক বোৰ পঢ়াৰ সুযোগ মই পোৱা নাছিলোঁ। মই তেওঁলোকক গীতাখন পঢ়া নাই বুলি কবলৈ বাধ্য হলোঁ। অৱশ্যে এই কথাও কলোঁ যে – মই তেওঁলোকৰ সৈতে গীতা পাঠ কৰিবলৈ সাজু আৰু যদিও মোৰ সংস্কৃতৰ জ্ঞান খুব সামান্য তথাপি মূলৰ অৰ্থ উপলব্ধি কৰিব পাৰিম বুলি আশা কৰিলো আৰু অনুবাদ কৰোঁতে য'ত মূলৰ অৰ্থ খুব ভালভাবে অভিব্যক্ত হোৱা নাই সেইখিনিও বুজাই কব পাৰিম। মই তেওঁলোকৰ সৈতে গীতা পাঠ আৰম্ভ কৰিলোঁ। দ্বিতীয় অধ্যায়ৰ শ্লোক দুটিয়ে মোৰ মনত গভীৰ ৰেখাপাত কৰিছিল আৰু এই শ্লোক দুটাৰ গুঞ্জনে মোৰ কাণত আজিও গুঞ্জিত কৰে।

"ধ্যায়তো বিষয়ান্ পুংসঃ সংগস্তেষুপজায়তে।
সংগাত সঞ্জায়তে কাজঃ কামাৎ ক্ৰোধ্যোভিজায়তে। ৬২
ক্ৰোধাদ্ ভবতি সম্মোহঃ, সম্মোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি ॥ ৬৩

(বিষয়ৰ চিন্তা কৰিলে তাৰ প্ৰতি আসক্ত হৈ পৰা যায় – তাৰ পৰা কাম (কামনা) ভাব জন্মে। কামত বাধা পৰিলেই ক্ৰোধ জন্মে। ক্ৰোধ হলে মানুহ কাণ্ডজ্ঞান হীন মোহগ্ৰস্ত হয়, মোহাবিষ্ট হলে মানুহৰ স্মৃতিবিভ্ৰম ঘটে। স্মৃতি ধ্বংশ হলে বুদ্ধি নাশ আৰু বুদ্ধিনাশ হলে সৰ্বনাশ হয়।)

গীতা মোৰ বাবে অমূল্য সম্পদ বোধ হ'ল। সিদিনাৰে পৰা এই ধাৰণাই ক্ৰমে মোৰ মনত পৰিপুষ্টি লাভ কৰিছে আৰু আজি মই এই গ্ৰন্থখনকে সত্যোপলব্ধিৰ শ্ৰেষ্ঠ সাধন বুলি অনুভৱ কৰোঁ। দুঃখ আৰু শোকৰ দিনত এই গ্ৰন্থখনে আমাক অসীম সহায় কৰে।

থিয়চফিষ্ট ভ্ৰাতৃদ্বয়ে চাৰ এডুইন আৰ্নল্ড ৰচিত "দি লাইট অব এচিয়া"(বুদ্ধদেৱৰ জীৱনী আৰু বাণী) খন পঢ়িবলৈ মোক পৰামৰ্শ দিলে। তেতিয়ালৈ মই চাৰ এডুইন আৰ্নল্ডক 'দি চঙ্ চেলেষ্টিয়েলাচ'ৰ লেখক বুলিহে জানিছিলোঁ। যিয়ে হওঁক এই কিতাপখন ভগবদ্গীতাতকৈ বেছি মনোযোগেৰে পঢ়িলোঁ। কিতাপখন এবাৰ পঢ়িবলৈ আৰম্ভ কৰিলে শেষ নকৰাকৈ এৰিব নোৱাৰি। থিয়চফিষ্ট ভ্ৰাতৃদ্বয়ৰ পৰামৰ্শ মতেই মই মাদাম ব্লাভাট্স্কিৰ 'কি টু থিয়চফি' গ্ৰন্থখনো পঢ়িছিলোঁ। এই কিতাপখন পঢ়াৰ পাছত হিন্দু ধৰ্মৰ অন্যান্য গ্ৰন্থ সমূহো পঢ়িবলৈ মোৰ মনত আগ্ৰহ হ'ল আৰু মিছনাৰী সকলে হিন্দু ধৰ্ম কুসংস্কাৰে পৰিপূৰ্ণ বুলি কৰা ভুল প্ৰচাৰ জ্ঞান হ'ল।

প্ৰায় একে সময়তে নিৰামিষাহাৰীৰ এটা বোৰ্ডিং ঘৰত ম্যাঞ্চেষ্টাৰৰ পৰা অহা এজন খৃষ্টীয়ান ব্যক্তিৰে মোৰ পৰিচয় হ'ল। তেওঁ মোৰ লগত খৃষ্টান ধৰ্ম সম্পৰ্কে আলোচনা কৰিছিল। মই তেওঁক আমাৰ ৰাজকোটৰ অভিজ্ঞতাৰ কথা কলোঁ। সেই কথা শুনি তেওঁ ব্যথিত হ'ল। তেওঁ কলে – মই এজন নিৰামিষাহাৰী। মই মদ নাখাওঁ বহু খৃষ্টান লোকে মদ আৰু মাংস দুয়োটাকে খায়। কিন্তু আমাৰ ধৰ্মগ্ৰন্থত ক'তো মদ বা মাংস খোৱাৰ নিয়মৰ উল্লেখ নাই। নিজে বাইবেল গ্ৰন্থ খন পঢ়িলে মোৰ কথাৰ সত্যতাৰ প্ৰমাণ আপুনি পাব। (বাইবেল খৃষ্টান সকলৰ ধৰ্মগ্ৰন্থ। ই দুই ভাগত বিভক্ত। প্ৰথম খণ্ড দি ওল্ড টেষ্টামেন্ট। একাধিক গ্ৰন্থৰ সমাবেশ ইয়াত ঘটিছে। যীশুৰ পূৰ্বকালীন ৰচনাবলীয়ে ইয়াত স্থান পাইছে। দ্বিতীয় খণ্ডটোৰ নাম হৈছে - "দি নিউ টেষ্টামেন্ট"। যীশুৰ পৰবৰ্ত্তী কালীন ৰচনাই ইয়াত স্থান পাইছে। নিউ টেষ্টামেন্টৰ প্ৰথম চাৰি খনৰ নাম 'গচপেল্স' (gospels) ইয়াতে যীশুৰ জীৱনী আৰু বাণী সংকলিত হৈছে।)

মই তেওঁৰ পৰামৰ্শ মানিলোঁ। তেওঁ মোক এখন বাইবেল সংগ্ৰহ কৰি দিলে। তাৰ পাছত মই বাইবেল পঢ়া আৰম্ভ কৰিলোঁ। অৱশ্যে ইয়াৰ ওল্ড টেষ্টামেন্টৰ অংশ খিনি বুজিবলৈ টান লাগিল।

নিউ টেষ্টামেন্টে মোৰ মনত বেলেগ ধাৰণাৰ সৃষ্টি কৰিলে। ইয়াৰ 'চাৰমন অন দি মাউন্ট' অংশই মোক বিশেষ ভাবে প্ৰভাবিত কৰিলে। ইয়াৰ লগত মই গীতাৰ তুলনা কৰি চালোঁ। চাৰমনত কৈছে – "মই তোমাক কৈছোঁ অন্যায়ৰ প্ৰতিৰোধ নকৰিবা। তোমাৰ সোঁগালত যদি কোনোবাই চৰ মাৰে, তেওঁক তুমি বাওঁ গাল খনো পাতি দিবা।" মই এই কথা খিনি পঢ়ি পুলকিত হলোঁ আৰু আমাৰ শ্যামল ভট্টৰ সেই বাক্য কেইটা মনত পৰিল। মোৰ তৰুণ মনে 'গীতা', 'দি লাইট অব

এচিয়া' আৰু 'দি চাৰমন অনদি মাউণ্ট'ৰ উপদেশাৱলীৰ মাজত ঐক্যসূত্ৰ বিচাৰিবলৈ চেষ্টা কৰিব ধৰিলে। ত্যাগেই ধৰ্মৰ পৰকাষ্ঠা – এইভাব মোৰ বাবে অত্যন্ত হৃদয়গ্ৰাহী লাগিল।

যিয়ে তোমাক দিছে তৃষ্ণাৰ জল।
ক্ষুধা নিবাৰণৰ বাবে দিয়া মিঠা ফল ॥

সেই সময়ত পৰীক্ষাৰ বাবে সাজু হবলগীয়া হৈছিল বুলি বাহিৰা কিতাপ পঢ়াৰ সময় বেছি নাছিল। সেয়ে তেতিয়া ধৰ্মৰ বিষয়ে ইয়াতকৈ বেছি পৰিচয় পোৱা সম্ভৱ নহল। অৱশেষে মই স্থিৰ কৰিলোঁ যে – মই আৰু ধৰ্মগ্ৰন্থ পঢ়িব লাগিব আৰু সকলো মূল ধৰ্ম মতৰ লগত পৰিচিত হব লাগিব।

বেৰিষ্টাৰ হিচাবে স্বদেশলৈ প্ৰত্যাৱৰ্ত্তন

বেৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হলোঁ আৰু ১৮৯১ চনৰ ১০ জুনৰ দিনা 'বাৰ'ৰ সদস্যতা পালোঁ। ১১ জুনৰ দিনা উচ্চ ন্যায়ালয়ৰ ব্যৱহাৰজীবী সকলৰ তালিকাভুক্ত হলোঁ আৰু পিছদিনাই স্বদেশ অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ।

পঢ়া-শুনা শেষ হলেও মোৰ মনৰ পৰা ভয় আৰু অসহায় অৱস্থা দূৰ হোৱা নাছিল। আইনজীবীৰ ব্যৱসায় চলাবৰ বাবে মই নিজকে উপযুক্ত বুলি ভবা নাছিলোঁ। আইন পঢ়িলে কি হব ? আদালতত আইনজীবীৰ কাম কৰাৰ আদব-কায়দা আদি একো শিকা নাছিলোঁ। তাৰোপৰি ভাৰতীয় আইন সম্বন্ধে মোৰ কোনো জ্ঞান নাছিল। হিন্দু আইন বা মুছলিম আইন সম্বন্ধে মোৰ কোনো ধাৰণাই নাছিল। সাধাৰণ আৰ্জীৰ মচাবিদা কৰিবলৈও মই শিকা নাই। এই বিলাক কাৰণতে মনে মনে মই ভীষণ অসহায় বোধ কৰিছিলোঁ। এই ব্যৱসায়েৰে নিজা খৰছ চলাবলৈকে অলপ কিবা উপাৰ্জন কৰিব পাৰিম নে নাই, সেই বিষয়ে মনত গভীৰ সন্দেহ উপজিছিল।

ককাইদেৱে মোক নিবলৈ বোম্বাইৰ জাহাজ ঘাটলৈ আহিছিল। মাক চাবৰ বাবে মোৰ মনে চট্‌ফট কৰিছিল। ককাইদেৱে তেওঁৰ মৃত্যু সংবাদ মোক জনোৱা নাছিল।

মই ইংলণ্ডত থাকোঁতেই তেওঁ পৰলোক গমন কৰিছিল। বিদেশত মোক দুঃসংবাদ দি ককাইদেৱে মোক বিচলিত কৰিব খোজা নাছিল। এই সংবাদে যে মোক ভীষণ আঘাত দিলে – তাক কোৱাৰ সকাম নাই। দেউতাৰ মৃত্যুতকৈও এইবাৰ মোৰ দুঃখ দ্বিগুণ হৈছিল। মোৰ ইমান দিনৰ আশা আৰু কল্পনা চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। তবে এই কথা মোৰ মনত আছে যে মই দুঃখত একেবাৰে ভাঙি পৰা নাছিলোঁ আৰু এনে কথা ভাবিবলৈ সুযোগো দিয়া নাছিলোঁ। আনকি মই চকুলোও সংবৰণ কৰিছিলো আৰু মোৰ যেন একো হোৱাই নাই – এনেধৰণে কাম কৰি যাব ধৰিলো।

মোৰ সমুদ্ৰ যাত্ৰাক লৈ আমাৰ সমাজত যি তুফান উঠিছিল – সেয়া মই ঘূৰি অহালৈকে চলি আছিল। মোৰ ব্যৱহাৰৰ ফলত সমাজত দুই প্ৰকাৰৰ বিচাৰধাৰাৰ জন্ম হৈছিল। এদলে মোক লগে লগেই গ্ৰহণ কৰি ললে আৰু অন্যটো দলে মোক সমাজচ্যুত কৰা কথাত ধৰি থাকিল। যি সকলে মোক গ্ৰহণ কৰা নাছিল তেওঁলোকৰ লগত মিলা মিচা কৰাৰ আগ্ৰহ মোৰ মুঠেও নাছিল। বিৰোধী দলৰ মেলকী সকলৰ বিৰুদ্ধে মোৰ কোনো মানসিক আক্ৰোশো নাছিল। তেওঁলোকৰ ভিতৰৰ কেইজনমান মোৰ অত্যন্ত বিৰোধী আছিল। মই কৌশল কৰি তেওঁলোকৰ মনত আঘাট দিয়াৰ পৰা বিৰত আছিলোঁ। তেওঁলোকে যিবোৰ বাধা নিষেধ আৰোপ কৰিছিল সেইবোৰ মই সম্পূৰ্ণভাবে মানি চলিছিলোঁ। তেওঁলোকৰ নিৰ্দেশ মতে মোৰ শহুৰ-শাহু আনকি মোৰ ভনী আৰু ভগ্নীপতি আদি অন্য আত্মীয় স্বজনৰ ঘৰলৈ যোৱাতো নিষিদ্ধ আছিল। মোক পানী খাবলৈ দিয়াতোও তেওঁলোকৰ বাবে অপৰাধ আছিল। তেওঁলোকে গোপনে এই নিৰ্দেশ ভঙ্গ কৰিবলৈ প্ৰস্তুত আছিল ; কিন্তু যি কথা প্ৰকাশ্যভাবে কৰা সম্ভৱ নহয় গোপনে তাকে কৰিবলৈ মই সম্মত নহলোঁ।

মোৰ এই মুকলি ব্যৱহাৰৰ বাবে মই কেতিয়াও সমাজৰ বাবে বিড়ম্বনাৰ পাত্ৰ হৈ পৰা নাছিলোঁ। অন্যফালে তেতিয়াও যি সকলে মোক সমাজচ্যুত কৰি থৈছিল - তেওঁলোকৰ বেছি ভাগৰ পৰাই মই মৰম স্নেহ আদায় কৰিছিলোঁ। তেওঁলোকে মোৰ কামত সহায়ো কৰিছিল আৰু তাৰ বিনিময়ত সমাজৰ কিবা কাম কৰি দিয়াতো বিচৰা নাছিল। মোৰ বিশ্বাস মোৰ অপ্ৰতিৰোধমূলক ব্যৱহাৰৰ কাৰণেই এই সুফল সম্ভৱ হৈছিল। মোক গ্ৰহণ কৰাবলৈ সমাজত যদি মই আন্দোলন কৰালোহেতেন, নাইবা ইয়াকে লৈ দল উপদলৰ সৃষ্টি কৰিলোহেতেন অথবা যদি সমাজৰ মুখিয়া সকলৰ খং তুলিলোহেতেন তেনেহলে, নিশ্চয় তেওঁলোকে ইয়াৰ বিৰুদ্ধে ককালত টঙালি বান্ধি ওলালেহেতেন আৰু তাৰ ফলত সেই পুনৰ বিৰোধী তুফানৰ চাকনৈয়াত

হাবুডুবু খাব লগা হলহেতেন।

ৰাজকোটত বেৰিষ্টাৰী আৰম্ভ কৰা নিশ্চয় হাস্যকৰ কথা হলহেতেন। এজন অভিজ্ঞ উকীলৰ জ্ঞান যিমান খিনি থাকে মোৰ তাৰ এক শতাংশও নাছিল। অথচ বেৰিষ্টাৰ হিচাবে তেওঁলোকৰ ফীজতকৈ দহগুণ বেছি মই আশা কৰিছিলোঁ। কোনো মক্কেলেই ইমান মূৰ্খ নহয় যে দহগুণ ফীজ দি মোক নিযুক্ত কৰিব ?

উচ্চ ন্যায়ালয়ৰ অভিজ্ঞতা আৰু ভাৰতীয় আইন অধ্যয়নৰ বাবে মোৰ বন্ধুবৰ্গই মোক বোম্বাইলৈ যোৱাৰ পৰামৰ্শ দিছিল। আৰু তাৰ লগতে সৰু-সুৰা মোকৰ্দ্দমা যি পোৱা যায় তাকে কৰিবলৈ স্থিৰ কৰা ভাল। তেওঁলোকৰ উপদেশ মোৰ মনত লাগিল আৰু সেইমতে বোম্বাইত মই উপস্থিত হলোঁ। কিন্তু এফালে মোৰ কোনো আয় নাই, অন্যফালে খৰছ ক্ৰমে বাঢ়ি যোৱাৰ বাবে বোম্বাইত চাৰি পাচ মাহৰ বেছি দিন থকা অসম্ভৱ হৈ পৰিল। এই সময়ত মামিভাই নামৰ এজনৰ এটা মোকৰ্দ্দমা পালোঁ। মোক কলে –"মোকৰ্দ্দমাটো সৰুৱেই। কিন্তু দালালক ইয়াৰ বাবে অলপ দালালী দিব লাগিব।" আমি পোনেই দালালী দিয়াৰ প্ৰস্তাৱ প্ৰত্যাখান কৰিলোঁ। অৱশ্যে দালালী দিবলৈ সন্মত নহলেও মোকৰ্দ্দমাটো মই পালোঁ। মোকৰ্দ্দমাটো সহজ আছিল। মই ফীজ হিচাবে ত্ৰিশ টকা পালোঁ। মোকৰ্দ্দমাটো এদিনৰ বেছি চলিবলগীয়া নাছিল।

এই প্ৰথমবাৰ 'স্মল কজ কোৰ্ট'ত হাজিৰা দিছোঁ। মই ফৰিয়াদী পক্ষৰ সাক্ষীক জেৰা কৰিব লাগিব। যথাসময়ত মই থিয় দিলোঁ। কিন্তু উঠাৰ লগে লগে মোৰ যেন সমস্ত শক্তি আৰু সাহস লুপ্ত হোৱা যেন লাগিল। মোৰ মূৰ ঘূৰিব ধৰিলে আৰু ভাব হ'ল যেন গোটেইখন আদালতে ঘূৰিব ধৰিছে। কোনো প্ৰশ্নই মোৰ মগজত নেখেলালে। জজ মহাশয়ে নিশ্চয় পেটে পেটে হাঁহি দিছিল আৰু উকীলবোৰেও এই দৃশ্য চাই আনন্দ উপভোগ কৰিছিল। কিন্তু মই তেতিয়াও চকুৰে একো দেখা নাই। সেয়ে খপ কৰি বহি দিলোঁ আৰু বাদী পক্ষক কলোঁ যে মোৰ বাবে এই মোকৰ্দ্দমা চলোৱা অসম্ভৱ আৰু তেওঁলোকে যেন ইয়াৰ বাবে শ্ৰীযুত পেটেলক নিয়োগ কৰে। তেওঁলোকৰ পৰা ফীজ হিচাবে লোৱা পইচা মই ফিৰাই দিলোঁ। যথা সময়ত একাৱন টকা দি শ্ৰীযুত পেটেলক বন্দোবস্ত কৰা হ'ল। এই মোকৰ্দ্দমা তেখেতৰ বাবে ল'ৰা-ছোৱালীৰ খেলা-ধূলাৰ সামান্য আছিল।

মক্কেল মোকৰ্দ্দমাত জিতিল নে হাৰিল – তালৈ বাট নাচাই মই তাৰ পৰা বেগাই বাহিৰ ওলাই আহিলোঁ। নিজৰ ওপৰতে মোৰ ধিক্কাৰ ওপজিল। মই মনতে সিদ্ধান্ত কৰিলোঁ যে মোকৰ্দ্দমা চলাবলৈ সাহস অৰ্জন কৰিব নোৱাৰালৈকে মই আৰু মোকৰ্দ্দমা

হাতত নলওঁ ।

মোৰ ভাব হ'ল যে মই শিক্ষকতাৰ কাম কৰিব পাৰোঁ । মোৰ ইংৰাজী ভাষা জ্ঞান ভালেই আছিল । গতিকে ভাবিলো মেট্ৰিক পৰ্য্যায়ৰ ছাত্ৰক ইংৰাজী পঢ়াবলৈ ভালেই লাগিব । এনেকৈও মোৰ খৰছৰ অন্ততঃ এটা অংশ ওলাব । বাতৰি কাকতৰ এটা বিজ্ঞাপনলৈ মোৰ চকু গ'ল । "প্ৰত্যেক দিন ইংৰাজী এঘন্টাকৈ পঢ়াবলৈ এজন ইংৰাজী শিক্ষকৰ আৱশ্যক । বেতন মাহে ৭৫.০০ টকা । কোনোবা এখন বিখ্যাত বিদ্যালয়ৰ পিনৰ পৰা বিজ্ঞাপনটো দিছিল । মই সেই পদটোৰ বাবে আবেদন কৰিলোঁ আৰু সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণো পালোঁ । বৰ আশাৰে তালৈ গলোঁ । কিন্তু অধ্যক্ষ মহোদয়ে "মই গ্ৰেজুৱেট নহয়" বুলি শুনা মাত্ৰেই দুঃখেৰে মোৰ আবেদন বাতিল কৰিলে ।

মই কলোঁ - "কিন্তু লেটিনক দ্বিতীয় ভাষা হিচাবে লৈ মই লণ্ডনৰ মেট্ৰিকুলেচন পৰীক্ষাত পাছ কৰিছোঁ ।"

"সেইটো ঠিকেই আছে । আমাক কিন্তু গ্ৰেজুৱেটহে লাগে ।"

গতিকে আৰু কোনো উপায় নাথাকিল । ককাইদেৱো খুব দুশ্চিন্তাত পৰিছিল । আমি দুয়ো স্থিৰ কৰিলোঁ যে বোম্বাইত থাকি সময় নষ্ট কৰাৰ আৰু কোনো যুক্তি নাই ।

সেয়ে বোম্বাই এৰি ৰাজকোটত অফিচ খুলি বহি গলোঁ । ইয়াত কোনো ৰকমে দিন চলি যাবলৈ ধৰিলে । আবেদন লেখা আৰু মচবিদা আদি তৈয়াৰ কৰি গড়ে ৩০০ টকা মাহে আয় মই কৰিবলৈ ধৰিলোঁ । ইয়াৰ মূলত মোৰ যোগ্যতাতকৈ ককাইদেউৰ অংশীদাৰৰ প্ৰভাৱেই আছিল যেছি । তেওঁৰ কাম কাজ খুব ভাল ভাবে চলিছিল । যিবিলাক আবেদন সচাকৈয়ে গুৰুত্বপূৰ্ণ বা যিবোৰক তেওঁ গুৰুত্বপূৰ্ণ বুলি ভাবে সেই বিলাক তেওঁ ডাঙৰ ডাঙৰ বেৰিষ্টাৰলৈ পঠিয়াই । মোৰ ভাগ্যত তাতকৈ দুখীয়া মক্কেলৰ বাবে আবেদন, মচবিদা আদি লেখাৰ দায়িত্ব পৰে ।

প্ৰথম আঘাত

পোৰবন্দৰৰ স্বৰ্গীয় ৰাণা চাহেব গাদীত বহাৰ আগতে ককাইদেৱে তেওঁৰ চেক্ৰেটাৰী আৰু উপদেষ্টা হিচাবে কাম কৰিছিল। সেই সময়ত ককাইদেউৰ বিৰুদ্ধে অভিযোগ আনিছিল যে তেওঁ চাকৰিত থকা সময়ত কিছুমান ভুল পৰামৰ্শ দিছিল। ঘটনাটো পলিটিকেল এজেন্টৰ কাণত পৰে আৰু ককাইদেউ সম্বন্ধে তেওঁৰ মনত এটা বিৰূপ মনোভাব জন্মে। এই ৰাজকৰ্মচাৰী জনক মই ইংলণ্ডত থকাৰ পৰাই জানো আৰু এক কথাত কব লাগিলে তেওঁৰ লগত মোৰ ভাল বন্ধুত্বই আছিল। ককাইদেৱে ভাবিলে যে এই বন্ধুত্বৰ সুযোগ লৈ মই যদি তেওঁক ককাইদেউৰ হকে দুই আষাৰ কওঁ তেনেহ'লে ককাইদেউ সম্পৰ্কে তেওঁৰ মনত সৃষ্টি হোৱা ভ্ৰান্ত ধাৰণা দূৰ হ'ব। এই পৰিকল্পনাটো মোৰ মুঠেও ভাল লগা নাছিল। মোৰ মনে কৈছিল – ইংলণ্ডত যি সামান্য পৰিচয় হৈছিল – তাৰ সুযোগ লোৱাটো মোৰ উচিত নহ'ব। ককাইদেউৰ যদি সচাঁকৈয়ে দোষ হৈছে তেনে মোৰ চুপাৰিচে কি কাম দিব ? আৰু যদি তেওঁ নিৰ্দোষী তেনে প্ৰচলিত নিয়মানুসৰি আবেদন কৰা উচিত আৰু নিজৰ নিৰ্দোষিতা সম্বন্ধে দৃঢ় বিশ্বাস লৈ পৰিণামৰ সমুখীন হ'ব লাগে। মোৰ পৰামৰ্শ ককাইদেউৰ মনঃপুত নহ'ল। তেওঁ কলে – তুমি এতিয়াও কাঠিয়াৱাড়ক চিনা নাই, আৰু সংসাৰৰ বিষয়ে জানিবলৈ তোমাৰ বহুদিন লাগিব। ইয়াত কেৱল প্ৰভাৱৰহে দাম আছে। এজন পৰিচিত ৰাজকৰ্মচাৰীক দুটা মুখৰ কথা কলে যদি মোৰ এটা উপকাৰ হয়, তেনে সৰু ভাই হিচাবে তুমি এই দায়িত্ব এৰাই যোৱা উচিত নহয়।"

তেওঁক মই 'না' বুলি কব নোৱাৰিলোঁ আৰু সেয়ে অনিচ্ছাস্বত্ত্বেও ৰাজকৰ্মচাৰী জনৰ ওচৰলৈ গলোঁ। তেওঁক এনেভাবে অনুৰোধ কৰাৰ মোৰ কোনো অধিকাৰ নাই বুলি জানিছিলোঁ। আৰু ইয়াকো জানিছিলোঁ যে মই এক আত্মমৰ্য্যাদা বিৰোধী কাম কৰিবলৈ ওলাইছোঁ। তথাপি তেওঁক সাক্ষাৎ কৰাৰ বাবে অনুমতি বিচাৰিলোঁ আৰু সাক্ষাতৰ বাবে সময়ো নিশ্চিত হ'ল। মই তেওঁক আমাৰ পুৰণি পৰিচয়ৰ কথা মনত পেলাই দিলোঁ। কিন্তু মই তৎকালেই ইংলণ্ড আৰু কাথিয়াৱাড়ৰ মাজৰ ব্যৱধানৰ কথা জানিব পাৰিলোঁ। অবকাশ যাপন কৰা ইংৰাজ আৰু কৰ্ত্তব্যৰত ইংৰাজ ৰাজকৰ্মচাৰী একে ধাতুৰে গঢ়া নহয় বুলি মোৰ অনুভব হ'ল। পলিটিকেল এজেন্ট ডাঙৰীয়াই

আগৰ পৰিচয় পাহৰা নাই, কিন্তু সেই কথা মনত কৰি দিয়াত তেওঁৰ মুখত কঠোৰ ভাব ফুটি উঠিল । মোৰ মনেৰে তেওঁৰ কঠোৰতাৰ অৰ্থ হ'ল –"আপুনি নিশ্চয় সেই পৰিচয়ৰ দুৰুপয়োগ কৰিবলৈ অহা নাই, কি কথা তেনে কিবা মতলব আছে নেকি ?" মনত হ'ল – তেওঁৰ কুঞ্চিত ভ্ৰূযুগলত ভাববোৰ ফুটি উঠিছে । মই মোৰ বক্তব্য ডাঙি ধৰিলোঁ । চাহাব অধৈৰ্য্য হৈ উঠিল । খং কৰি তেওঁ কলে – "আপোনাৰ ককাইদেউ এজন ষড়যন্ত্ৰকাৰী । এই বিষয়ে মই কোনো কথাই শুনিব নোখোজোঁ । মোৰ সময় নাই । আপোনাৰ ককাইদেৱেৰাৰ কিবা কব লগা থাকিলে তেওঁ প্ৰচলিত নিয়মানুসৰি আবেদন কৰিব ।" এই উত্তৰেই যথেষ্ট আছিল আৰু ই মোৰ প্ৰাপ্যও আছিল । কিন্তু স্বাৰ্থ অন্ধ । মই মোৰ কথা আকৌ কবলৈ ধৰিলোঁ । চাহাব এইবাৰ আসনৰ পৰা উঠি থিয় হ'ল – "আপুনি যাওক গৈ ।"

মই কলোঁ –"কিন্তু অনুগ্ৰহ কৰি মোৰ কথাখিনি অলপ শুনকচোন ।" এই কথাত তেওঁ ক্ৰোধান্বিত হৈ উঠিল । তেওঁ চাপ্ৰাচিক মাতি মোক উলিয়াই দিবলৈ কলে । মই তেতিয়াও ওলাই নাহি ইতস্ততঃ কৰি আছিলোঁ । তাৰ পিছত চাপ্ৰাচীজন আহি মোক গলত ধৰি গতিয়াই বাহিৰ কৰি দিলে ।

চাহাব আৰু চাপ্ৰাচী গুছি গল আৰু মই খঙে- দুঃখে কঁপি কঁপি সেই স্থান ত্যাগ কৰিলোঁ । উলটি আহিয়েই তলত দিয়া ধৰণে এখন নোটিছ পঠালোঁ । "আপুনি মোক অপমান কৰিছে । আপুনি আপোনাৰ চাপ্ৰাচীৰ হতুৱাই মোক লাঞ্ছিত কৰিছে । আপুনি ইয়াৰ প্ৰতিকাৰ নকৰিলে মই আপোনাৰ বিৰুদ্ধে আইনৰ আশ্ৰয় লম ।"

উত্তৰ খুব সোনকালেই আহিলঃ

"আপুনিহে মোৰ প্ৰতি ৰুঢ় ব্যৱহাৰ কৰিছে । মই আপোনাক গুছি যাব কোৱা স্বত্ত্বেও আপুনি যোৱা নাই । সেয়ে চাপ্ৰাচীক মাতি আপোনাক উলিয়াই দিয়াৰ বাহিৰে মোৰ কোনো উপায় নাছিল । আৰু সিও আপোনাক অফিচৰ পৰা ওলাই যাবলৈ কোৱাতো আপুনি যোৱা নাই । সেয়ে আপোনাক বাহিৰ কৰি দিবলৈ যিখিনি শক্তি প্ৰয়োগ নকৰিলে নহয় তাকেহে কৰা হৈছিল । ইয়াৰ পাছত আপুনি আপোনাৰ ইচ্ছামতে ব্যৱস্থা লব পাৰে ।"

এই উত্তৰ জেপত ভৰাই লাজতে মৰ্মাহত হৈ মই ঘৰলৈ ঘূৰি আহিলোঁ আৰু ককাইদেউক সকলো কথা খুলি কলোঁ । তেৱোঁ বৰ দুঃখী হ'ল । কিন্তু মোক সান্ত্বনা দিবলৈ একো নাপালে । চাহাবৰ বিৰুদ্ধে কেনেকৈ আইনমতে ব্যৱস্থা লোৱা যায় সেই বিষয়ে তেওঁ তেওঁৰ উকীলৰ লগতো পৰামৰ্শ কৰিলে । সেই সময়তে ঘটনাচক্ৰত

চাৰ ফিৰোজ মেহ্‌তা এটা মোকৰ্দ্দমা সংক্ৰান্তত বোম্বাইৰ পৰা ৰাজকোটলৈ আহিছিল। কিন্তু মোৰ দৰে এজন নতুন বেৰিষ্টাৰে তেওঁৰ সৈতে সাক্ষাৎ কৰাৰ সাহস নহল। সেয়ে তেওঁ যিজন উকীলৰ হৈ ৰাজকোটলৈ আহিছিল তেওঁৰ হাতেদিয়ে মোৰ কাগজ-পত্ৰখিনি পঠিয়াই তেওঁৰ উপদেশ বিচাৰিছিলোঁ। তেওঁ কৈ পঠিয়ালে – "গান্ধীক কৰা যে বহু উকীল ব্যাৰিষ্টাৰৰ সদায়ে এনে অভিজ্ঞতা হয়। তেওঁতো এই মাত্ৰ ইংলণ্ডৰ পৰা আহিছে আৰু তেজো গৰম হৈ আছে। গান্ধীয়ে এতিয়াও বৃটিছ কৰ্মচাৰীবোৰক চিনা নাই। তেওঁ যদি কিবা অলপ আয় তায় কৰি সুখে-সন্তোষে থাকিব খোজে, তেনে এই সকলো কাগজ-পত্ৰ চিৰি পেলাওক আৰু অপমানো হজম কৰক। চাহাবৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰি একো লাভ নহব। আৰু ফলত তেওঁৰ ভৱিষ্যতহে নষ্ট হব। তেওঁক কৰা দুনিয়াৰ হালচাল জানিবলৈ এতিয়াও বহুত বাকী আছে।

এই পৰামৰ্শ মোৰ মতে বিষবৎ কটু হলেও, তাকেই গিলিবলগীয়া হ'ল। এই অপমান মই সহ্য কৰিলোঁ আৰু তাৰ দ্বাৰা লাভবানো হলোঁ। মনে মনে ভাবিলোঁ – কেতিয়াও মই এনেধৰণৰ বিসদৃশ অৱস্থাত মূৰ নোসোমাও আৰু কেতিয়াও এই ধৰণে বন্ধুত্বৰ অন্যায় সুযোগ লবৰ চেষ্টা নকৰোঁ। তাৰ পিছত এই সংকল্প ভঙ্গ কৰাৰ দৰে অপৰাধ মই কোনো দিনে কৰা নাই। এই আঘাতে মোৰ জীৱনৰ গতিয়ে সলাই দিলে।

ৰাজকৰ্মচাৰীজনৰ ওচৰলৈ যোৱাতো অৱশ্যে মোৰ দোষ হৈছিল। কিন্তু তাৰ অধৈৰ্য্যতো আৰু মাত্ৰাহীন খঙৰ তুলনাত মোৰ ভুল নগণ্য আছিল। মই যি কৰিছিলোঁ তাৰ কাৰণে মোক বাহিৰ কৰি দিয়াতো যুক্তি সংগত হোৱা নাই। আনফালে মোৰ বেছিভাগ মামলা- মোকৰ্দ্দমাই তাৰ আদালততে পৰিব। তাৰ পৰা কোনো অনুগ্ৰহ মই বিচৰা নাছিলোঁ। প্ৰকৃত পক্ষে এবাৰ তাক আইন সংগত ব্যৱস্থা লোৱাৰ ধমক দি – মনে মনে থকাতো মোৰ ভাল লগা নাছিল।

ইতিমধ্যে মই আমাৰ ঘৰুৱা ৰাজনীতিৰ বিষয়ে অলপ-অচৰপ জ্ঞান লাভ কৰিলোঁ। কেইবাখনো সৰু সৰু দেশীয় ৰাজ্য মিলি কাথিয়াৱাড় গঠিত। সেয়ে স্বাভাবিকভাবে ইয়াত সংকীৰ্ণ দলাদলি আৰু ষড়যন্ত্ৰৰ সুযোগ আছিল। ইয়াৰ ৰজা সকলৰ বেছিভাগেই অইনৰ অনুগ্ৰহৰ ওপৰতে নিৰ্ভৰশীল আছিল আৰু এওঁলোকৰ তোষামোদকাৰীৰ সংখ্যাও কম নাছিল। আনকি চাহাবৰ চাপ্ৰাচীকো খোচামোদ কৰিবলগীয়া হয়। চাহাবৰ চিৰস্তাদাৰ সকল মালিকতকৈও একোব বেছি। কাৰণ তেৱেঁই আছিল একেধাৰে চাহাবৰ চকু, কাণ আৰু দোভাষী। চিৰস্তাদাৰৰ ইচ্ছাই আছিল আইন। তেওঁৰ আয়

চাহাবর্তকৈও বেছি বুলি সকলোৱে কয়। হয়তো ই অতিৰঞ্জিত। অৱশ্যে এই কথাত সন্দেহ নাই যে, তেওঁ নিজৰ শক্তি সামৰ্থ্যতকৈ এখোপ ওপৰত থাকে।

মোৰ বাবে এই পৰিবেশ অসহনীয় হৈ উঠিল আৰু ইয়াৰ মাজত থকাতো মোৰ বাবে এক সমস্যা হৈ পৰিল।

এই মানসিক অন্তৰ্দ্বন্দ্বত যে মই ভাগি পৰিছিলোঁ – এই কথা ককাইদেৱে স্পষ্টভাবে বুজি পাইছিল। আমাৰ দুয়োৰে ভাব হ'ল যে কিবাকৈ এটা চাকৰি যোগাৰ কৰিব পাৰিলে এই দূষিত পৰিবেশৰ পৰা মুক্তি পোৱা সম্ভৱ। কিন্তু খোলা ভাবে দেৱান বা জজৰ চাকৰি পোৱাৰ উপায় নাই। চাহাবৰ লগত কাজিয়া কৰাৰ ফলত অন্য পথতো ৰুদ্ধ। কি যে কৰোঁ – একো ভাবিবই পৰা নাছিলোঁ।

ইতিমধ্যে পোৰবন্দৰৰ পৰা মেমান নামৰ এজন ব্যক্তিয়ে তলত দিয়া ধৰণে প্ৰস্তাৱ এটা ককাইদেউলৈ পঠিয়ালে।

"দক্ষিণ আফ্ৰিকাত আমাৰ ব্যবসায় আছে। আমাৰ কাৰবাৰ বেছ ডাঙৰ আৰু আদালতত আমাৰ ৪০,০০০ পাউণ্ড দাবীৰ এটা মোকৰ্দ্দমা চলি আছে। মোকৰ্দ্দমাটো বহুত দিন ধৰি চলিছে। আমি ভাল ভাল উকীল ব্যাৰিষ্টাৰ নিযুক্ত কৰিছোঁ। আপুনি যদি আপোনাৰ ভায়েকক তালৈ পঠিয়াই তেনে তেওঁৰ, আমাৰ উভয় পক্ষৰেই লাভ হ'ব। তেওঁ আমাৰ হৈ আইনজীৱী সকলক মোকৰ্দ্দমাটো ভালকৈ বুজাব পাৰিব। তেওঁ এখন নতুন দেশ দেখাৰ আৰু নতুন নতুন মানুহৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পাব।"

মই তেওঁলোকক সুধি পঠিয়ালোঁ – "কিমান দিন মই তাত থাকিব লাগিব আৰু মোৰ পাৰিশ্ৰমিক কিমান হ'ব ?"

"এক বছৰৰ বেছি নহয়। আৰু আমি আপোনাক প্ৰথম শ্ৰেণীৰ যাতায়াতৰ ভাড়া আৰু অন্যান্য খৰছৰ উপৰি নগদ মাহে ১০৫ পাউণ্ড কৈ দিম।"

এইখিনি টকাত কোনো ব্যাৰিষ্টাৰ তালৈ নাযায়। এই পাৰিশ্ৰমিকৰ বিনিময়ত কাম কৰাৰ অৰ্থ হৈছে সেই ব্যৱসায়ী প্ৰতিষ্ঠানৰ সাধাৰণ এজন কৰ্মচাৰী হোৱা। কিন্তু মই তেতিয়া যি কোনো উপায়ে ভাৰতবৰ্ষৰ বাহিৰলৈ যাবলৈ ব্যগ্ৰ হৈ পৰিছোঁ। এখন নতুন দেশ চোৱা আৰু নতুন অভিজ্ঞতা লাভৰ প্ৰলোভনতো আছিলেই। মাহে ১০৫ পাউণ্ডকৈ ককাইদেউলৈ পঠিয়াব পাৰিম – তাৰ দ্বাৰা ঘৰখন চলোৱাত সহায় হ'ব – সেই কল্পনাও আছিল। সেয়ে কোনো দৰদাম নকৰাকৈ মই এই প্ৰস্তাৱটোত সম্মত হলোঁ। আৰু দক্ষিণ আফ্ৰিকালৈ যাবৰ বাবে সাজু হবলৈ ধৰিলোঁ।

দক্ষিণ আফ্ৰিকাত উপস্থিতি

নাটালৰ বন্দৰটোৰ নাম ডাৰবান। মোক অভ্যৰ্থনা জনাই নিবৰ বাবে আবদুল্লা শেঠ তাত উপস্থিত আছিল। জাহাজ বন্দৰত লাগিল আৰু বহুতে নিজ নিজ বন্ধু-বান্ধবক লগ পাবৰ বাবে জেটীৰ পৰা জাহাজলৈ আহিল। মই লক্ষ্য কৰিলোঁ যে এওঁলোকৰ ভিতৰত থকা ভাৰতীয় মানুহ খিনিৰ প্ৰতি তেনে সম্মানজনক ব্যৱহাৰ কৰা হোৱা নাছিল। যি সকলে আব্দুল্লা শেঠক জানিছিল, তেওঁলোকৰ বেছি ভাগেই তেওঁৰ লগত যি আচৰণ কৰিছিল সেয়া মোৰ দৃষ্টি এৰাই যাব পৰা নাছিল। ইয়ে মোৰ মনত খুব দুঃখ দিলে। আব্দুল্লা শেঠ এইবোৰত অভ্যস্ত আছিল। সকলোৱে মোৰ পিনে এক বিস্ময়ৰ চাৱনীৰে চাইছিল। কাৰণ অইন ভাৰতীয়তকৈ মোৰ বেশ- ভূষা অলপ বেলেগ ধৰণৰ আছিল। এটা ফ্ৰক কোট পিন্ধি মূৰত বংগদেশীয় পাগুৰী মাৰি মই জাহাজৰ পৰা নামিছিলোঁ।

ডাৰবান পোৱাৰ দ্বিতীয় নে তৃতীয় দিনা শেঠ আব্দুল্লাই মোক আদালত খন দেখুৱাবলৈ লৈ গ'ল। তাতে কেইবাজনো মানুহৰ লগত পৰিচয় কৰাই দিলে আৰু তেওঁৰ এটৰ্নিৰ কাষতে বহিবলৈ দিলে। মেজিষ্ট্ৰেটে বহু সময় মোৰ ফালে চাই থাকি, শেষত মোৰ মূৰৰ পাগুৰীটো খুলিবলৈ কলে। মই সেই আদেশ প্ৰত্যাখ্যান কৰি তেওঁৰ আদালতৰ পৰা ওলাই আহিলোঁ। ইয়াতো মোৰ কপালত কাজিয়া কৰাই লেখা আছিল।

মই এই বিষয়ে বাতৰি কাকতত লিখিলোঁ আৰু আদালতত পাগুৰি পিন্ধাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিলোঁ। এই ঘটনাকে লৈ বাতৰি কাকত সমূহত যথেষ্ট আলোচনা হ'ল আৰু কেইখনমানে মোক 'অবাঞ্ছিত আগন্তুক' আখ্যা দিলে। এইভাবে এই সামান্য ঘটনাটোৰ কাৰণেই দক্ষিণ আফ্ৰিকা পোৱাৰ কেইদিনমানৰ ভিতৰতে আকস্মিক ভাবে মোৰ কথাকে লৈ তোল-পাৰ লাগিল। কিন্তু দক্ষিণ আফ্ৰিকাত থকা কাল ছোৱাত মই সদায় পাগুৰী পিন্ধিয়েই আছিলোঁ।

প্ৰিটোৰিয়া অভিমুখে

আমাৰ ব্যৱসায় প্ৰতিষ্ঠানলৈ উকীলসকলৰ পৰা খবৰ আহিল যে মোকৰ্দ্দমাটো তৈয়াৰ কৰিবলৈ শেঠ আবদুল্লা বা তেওঁৰ কোনো এজন প্ৰতিনিধি প্ৰিটোৰিয়ালৈ যাব লাগে। আবদুল্লা শেঠে চিঠিখন মোক পঢ়িবলৈ দি মই প্ৰিটোৰিয়ালৈ যাব পাৰিম নে নাই সুধিলে। মই উত্তৰ দিলোঁ –"আপোনাৰ পৰা মোকৰ্দ্দমাটো বুজি পোৱাৰ পিছতহে মই মোৰ মতামত জনাব পাৰিম। তাত গৈ মই কি কৰিব লাগিব, সেই কথা মই জনাই নাই।" মোক মোকৰ্দ্দমাটো বুজাই দিবলৈ শেঠে কেৰাণীক নিৰ্দ্দেশ দিলে।

ডাৰবান পোৱাৰ সাত আঠ দিন পিছতেই মই তাৰ পৰা যাত্ৰা কৰিলোঁ। মোৰ কাৰণে ৰেলত প্ৰথম শ্ৰেণীৰ আসন সংৰক্ষিত কৰা আছিল। বিছনাৰ প্ৰয়োজন হলে তাৰ ওপৰত অতিৰিক্ত ভাবে ৫ চিলিং দিয়াৰ নিয়ম। আবদুল্লা শেঠে বিছনা এখন লবৰ বাবে মোক দিক্ দিবলৈ ধৰিলে। কিন্তু মোৰ কিছু গোড়ামী মনোভাব আৰু বিশেষকৈ ৫ চিলিং বচাবলৈ মই তেওঁৰ কথা নুশুনিলোঁ। আবদুল্লা শেঠে মোক সাৱধান কৰি কলে – "এইখন কিন্তু ভাৰতবৰ্ষ নহয়। আৰু ঈশ্বৰৰ কৃপাত আমাৰ আৰ্থিক অৱস্থা স্বচ্ছল যেতিয়া আপোনাৰ কৃপণালি কৰাৰ দৰকাৰ নাই।"

মই তেওঁক ধন্যবাদ জনাই, মোৰ বাবে চিন্তিত নহবলৈ অনুৰোধ কৰিলোঁ।

ৰাতি প্ৰায় ৯ টাত ৰেল নাটালৰ ৰাজধানী মৰিচবাৰ্গ পালে। এই ষ্টেচনত বিচনা দি যোৱাৰ নিয়ম। এজন ৰেল কৰ্মচাৰী মোৰ ওচৰলৈ আহি মোক বিচনা লাগে নে নালাগে সুধিলে। মই কলোঁ – "মোৰ দৰকাৰ নাই। মোৰ লগত বিচনা আছে।" সি গুছি গ'ল। তাৰ পাছত আৰু এজন যাত্ৰী কমত সোমাল আৰু মোৰ আপাদ মস্তক নিৰীক্ষণ কৰিব ধৰিলে। তেওঁ দেখিলে – মই কলা মানুহ। ফলত তাৰ মেজাজ বেয়া হ'ল। ওলাই গৈ অলপ সময়ৰ পাছত দুই তিনিজন ৰেল কৰ্মচাৰীক লৈ পুণৰ ফিৰি আহিল। তেওঁলোক সকলোৱে মোৰ সমুখত নীৰৱে থিয় দিয়াৰ পাছত তাৰে এজন কৰ্মচাৰীয়ে কলে –"আপুনি এই কমটো এৰি ওলাই আহক। আপুনি ৩য় শ্ৰেণীৰ কমত যাব লাগিব।"

মই কলোঁ – "কিন্তু মোৰ হাতত প্ৰথম শ্ৰেণীৰ টিকট আছে।" এবাৰ অন্য এজনে

কলে – "তাতে কি হ'ল ! আমি কৈছোঁ যেতিয়া নামি আহক, আপুনি তলৰ শ্ৰেণীৰ কমতে যাব লাগিব। মই কলোঁ – "ময়ো কৈছোঁ যে ডাৱবানৰ পৰা ইয়ালৈ মোক এই ডবাতেই আহিব দিছে আৰু এই ডবাতেই যাম।" কৰ্মচাৰীটোৱে উত্তৰ দিলে - 'না', আপোনাক এই ডবাত যাবলৈ দিয়া নহব। এই ডবা আপুনি এৰিবই লাগিব। অন্যথাই পুলিচ মাতি আনি এই ডবাৰ পৰা আপোনাক বাহিৰ কৰি দিয়া হব।"

"ঠিক আছে। মাতক পুলিচক। মই নিজে নামি নাযাওঁ।" পুলিচ আহিল। সি মোৰ হাতত ধৰি টানি বাহিৰ কৰি দিলে আৰু মোৰ বস্তু- বাহানিও দলিয়াই দিলে। মই অন্য ডবালৈ যাব নুখুজিলোঁ আৰু ইতিমধ্যে ট্ৰেন এৰি দিলে। মোৰ হাত-ব্যাগটো লৈ বিশ্ৰামাগাৰত (জিৰণি কোঠাত) বহিলোঁগৈ। অন্যান্য বস্তুবোৰ তাতেই (প্লেটফৰ্মতে) পৰি ৰল। ৰেল কৰ্তৃপক্ষই সেইবোৰৰ দায়িত্ব ললে।

তেতিয়া শীতকাল আৰু দক্ষিণ আফ্ৰিকাৰ উচ্চ মালভূমিত বেচ ঠাণ্ডা পৰে। সমুদ্ৰ বক্ষৰ পৰা মাৰিচবৰ্গৰ উচ্চতা বহুত বেছি কাৰণে প্ৰচণ্ড ঠাণ্ডা পৰিছিল। মোৰ ওভাৰকোটটো বস্তুবোৰৰ লগত আছিল। পুণৰ অপমানিত হবলগাৰ ভয়ত সেইটো বিচাৰি চোৱাৰ সাহস মোৰ নহল। জাৰত কঁপি কঁপি সেই বিশ্ৰামালয়তে বহি থাকিলোঁ। প্ৰায় দোভাগ ৰাতি আৰু এজন যাত্ৰী আহিল আৰু মোৰ সতে কথা পাতিবৰ আগ্ৰহ দেখুৱালে। কিন্তু তেতিয়া মোৰ কথা পতাৰ অৱস্থাই নাছিল।

মই মোৰ ভবিষ্যৎ কৰ্ত্তব্যৰ কথা চিন্তা কৰিবলৈ ধৰিলোঁ। মই মোৰ অধিকাৰ ৰক্ষা কৰাৰ সংগ্ৰাম কৰিম নে ভাৰতলৈ ঘূৰি যাম ? অথবা এই সকলো অপমানৰ কথা পাহৰি প্ৰিটোৰিয়ালৈ যাম আৰু মোকৰ্দ্দমাৰ কাম শেষ কৰি ভাৰতবৰ্ষলৈ ঘূৰি যাম ? দায়িত্ব পালন নকৰাকৈ স্বদেশলৈ ফিৰি যোৱা ভীৰুতাৰ পৰিচয়। মই যি কষ্ট সহ্য কৰিবলগীয়া হৈছে – সি হ'ল বৰ্ণবিদ্বেষী ব্যাধিৰ বহিৰ্প্ৰকাশ। সম্ভৱ হলে আমাৰ কৰ্ত্তব্য হৈছে – এই ৰোগৰ কাৰণ নিৰ্মূল কৰাৰ বাবে চেষ্টা কৰা আৰু ইয়াৰ বাবে যি দুঃখ কষ্টই সহিবলগীয়া হয় সহ্য কৰা। বৰ্ণবৈষম্য দূৰ কৰিবলৈ আমাৰ ওপৰত যি অন্যায় জাপি দিয়া হৈছে তাৰ প্ৰতিকাৰৰ বাবে যিখিনি কৰিব লাগে সেইখিনি কৰিবলৈ মই চেষ্টা কৰিম।

সেয়ে মই প্ৰিটোৰিয়ালৈ যোৱা পৰবৰ্ত্তী ট্ৰেইন খনত যাবলৈ স্থিৰ কৰিলোঁ।

পিছদিনা পুৱাই মই ৰেলৰ জেনেৰেল মেনেজাৰলৈ এখন দীঘলীয়া টেলিগ্ৰাম কৰিলোঁ আৰু আব্দুল্লা শেঠকো ঘটনাৰ বিৱৰণী জনালো। তেওঁ তৎকালেই জেনেৰেল মেনেজাৰক দেখা কৰিলে। মেনেজাৰে ৰেলৰে কৰ্মচাৰী সকলৰ ব্যৱহাৰ সমৰ্থন

কৰিলে। অৱশ্যে আবদুল্লা শেঠক এই সংবাদো দিলে যে মই যাতে গন্তব্যস্থান পাব পাৰোঁ তাৰ ব্যৱস্থা কৰিবলৈ ইতিমধ্যে ষ্টেচন মাষ্টৰক নির্দ্দেশ দিছে। আবদুল্লা শেঠে মৰিচবাৰ্গৰ ভাৰতীয় ব্যৱসায়ী সম্প্রদায় আৰু অন্যান্য স্থানৰ বন্ধু-বান্ধবক মোক দেখা-শুনা কৰাৰ বাবে অনুৰোধ জনালে। ব্যৱসায়ী সকলে ষ্টেচনলৈ আহি মোক লগ ধৰিলে আৰু তেওঁলোকৰ এনে দুঃখদ অভিজ্ঞতাৰ কথা কৈ মোক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে। তেওঁলোকৰ পৰাই জানিব পাৰিলোঁ যে এনে ধৰণৰ ঘটনা মুঠেও অস্বাভাবিক নহয়। তেওঁলোকে কলে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ভাৰতীয় যাত্ৰী সকলে ৰেলৱে কৰ্মচাৰী আৰু শ্বেতাঙ্গ সহযাত্ৰী সকলৰ পৰা প্ৰায়েই এনে ব্যৱহাৰ পাবলগীয়া হয়। এই ভাবে গোটেই দিনটো দুঃখ কষ্টৰ কথা শুনি শুনিয়েই পাৰ হ'ল। সন্ধিয়া গাড়ী আহিল। গাড়ীখনত মোৰ বাবে এখন আসন সংৰক্ষিত আছিল। ডাৰবানত বিছনাৰ বাবে টিকট কিনিবলৈ অস্বীকাৰ কৰিলেও ইয়াত এটা টিকট কিনিলোঁ।

ৰাতিপুৱা চাৰ্লসটাউন পালোঁ। সেই সময়ত চাল্সটাউন আৰু জোহান্সবাৰ্গৰ মাজত ট্ৰেন চলাচল কৰা নাছিল। এই ৰাষ্টাত ঘোৰাৰ গাড়ী চলিছিল। ৰাষ্টাত ষ্টাণ্ডাৰ্ডটনত এটা ৰাতি কটাব লাগে। ঘোড়াৰ গাড়ীৰ বাবেও মোৰ লগত টিকট আছিলেই। মৰিচবাৰ্গত এদিন ৰৈ যোৱা বাবেও টিকটটো অথলে যোৱা নাই। তাত বাদেও আবদুল্লা শেঠে চাৰ্লসটাউনৰ ঘোড়া গাড়ীৰ অফিচত মোৰ যোৱাৰ বিষয়ে টেলিগ্ৰাম কৰি দিছিল।

কিন্তু ঘোড়া-গাড়ীৰ অফিচাৰ কৰ্মচাৰী জনে মোক দিবলৈ এটা চেলু বিচাৰি আছিল। মোক নবাগত দেখি সি কলে — তোমাৰ টিকট বাতিল হৈ গৈছে। মই যথোপযুক্ত উত্তৰ দিলোঁ। গাড়ীখনত স্থানাভাব হোৱা বাবে মোক এৰি থব খোজা নাছিল — তাৰ বাবে অইন কোনো গূঢ় কাৰণ আছিল। যাত্ৰী সকলক গাড়ীৰ ভিতৰত বহিবলৈ দিয়া হয়। কিন্তু মই এনেয়ে 'কুলি' তাতে 'নবাগন্তুক'। গতিকে গাড়ী লৈ যিজন শ্বেতাংগ কৰ্মচাৰী যাব, তাৰ মতে মোক গাড়ীৰ ভিতৰত অন্যান্য শ্বেতাংগ যাত্ৰী সকলৰ সৈতে একেলগে বহিবলৈ দিয়াটো উচিত নহব। কোচৱানৰ আসনৰ দুয়োফালেও বহাৰ ঠাই আছিল। গাড়ীৰ দায়িত্বত শ্বেতাংগ কৰ্মচাৰী সকল তাতেই বহিছিল। আজি তেওঁ ভিতৰত বহি মোক বাহিৰত তাৰ নিৰ্দ্দিষ্ট আসনত বহিবলৈ অনুমতি দিলে। ই যে নিতান্ত অন্যায় আৰু অপমানজনক কথা — তাক মই বুজিছিলোঁ। কিন্তু এইবোৰ সহ্য কৰাই উচিত বুলি ভাবিলোঁ। জোৰ কৰি ভিতৰত সোমাবা সম্ভৱ নাছিল আৰু মৌখিক প্ৰতিবাদ কৰিলে মোক এৰি থৈ গাড়ীখন লৈ যাবও পাৰে। ফলত বাটত

আৰু এটা দিন এনেয়ে যাব – তাৰ পাছৰ দিনাও যে কি হ'ব সেই কথা কোনে জানে ? এই সকলো ভাবি চিন্তি মই কচোৱানৰ ওচৰতে বহিলোঁ ।

আবেলি ৩টাত গাড়ী পাৰ্ডিকোফ পালে । এইবাৰ গাড়ীখনৰ দায়িত্বত অহা কৰ্মচাৰীজনে চিগাৰেট খাবলৈ আৰু সম্ভৱতঃ মুকলি বতাহ খাবলৈ বাহিৰলৈ আহিব খুজিলে । সেয়ে সি এটুকুৰা লেতেৰা থৈলা কচোৱানৰ পৰা আনি সেইখিনি পাদানৰ ওপৰত পাৰি দি মোক কলে –" স্বামী, তুমি তাতে বহা । মই এইবাৰ কচোৱানৰ কাষত বহিব লাগিব ।" এই অপমান সহ্য কৰা অসম্ভৱ হৈ উঠিল । ভয় আৰু উত্তেজনাত কঁপি কঁপি মই তাক কলোঁ – "মোৰ ভিতৰত বহাৰ অধিকাৰ থকা স্বত্বেও মোক ইয়াত বহাইছা । সেই অপমান মই সহ্য কৰিছোঁ । এতিয়া আপুনি ধূমপান কৰিবৰ ইচ্ছা কৰিছে বুলি আপোনাৰ ভৰিৰ তলত বহিবলৈ কৈছে । মই সেই কথাত সন্মত নহওঁ । অৱশ্যে, যদি ইয়াৰ সলনি মোক ভিতৰত বহিবলৈ দিয়ে তেনে মোৰ আপত্তি নাই ।

মোৰ কথা শেষ হওঁ নৌহওঁতেই সেই কৰ্মচাৰীজনে মোৰ ওপৰত জপিয়াই পৰিল আৰু কাণৰ তলত ঘুচিয়াব ধৰিলে । মোৰ হাতত টানি তলত নমাবলৈ চেষ্টা কৰিলে । মই কচোৱানৰ আসনৰ পিতলৰ ৰেলিঙ সাৱটি ধৰিলোঁ আৰু কজাৰ হাড় ভঙাৰ আশঙ্কা থকা স্বত্বেও ৰেলিঙৰ পৰা এৰা নিদিবলৈ স্থিৰ কৰিলোঁ । মোতকৈ তাৰ দৈহিক শক্তি খুব বেছি । ঘটনাটোৰ ফলত কেইজনমান যাত্ৰীৰ মনত কৰুণাৰ ভাব উদয় হ'ল । তেওঁলোকে কলে "হেৰা, তেওঁক এৰি দিয়া । তেওঁক আৰু নামাৰিবা । তেওঁৰ কি দোষ ? তেওঁতো ঠিকেই কৈছে । তেওঁক যদি তাত বহিব নিদিয়া, তেন্তে আমাৰ লগত বহিব দিয়া ।" কৰ্মচাৰীজনে "মনে মনে থাকক আপোনালোক" বুলি চিঞৰি উঠিল । অৱশ্যে সি কিছু লজ্জিত হ'ল আৰু মোক মাৰিবলৈ এৰিলে । সি মোৰ হাতখন এৰি দি খুব গালাগালি কৰিলে আৰু তাৰ পাছত কচোৱানৰ অন্য ফালে বহি থকা হটেনটট্ চাকৰটোক পাদানত বহিবলৈ দি তাতেগৈ সি বহিল ।

অন্যান্য যাত্ৰীবোৰে নিজ নিজ আসনত বহাৰ পাছত হুইচেল বজোৱাত গাড়ী এৰি দিলে । মোৰ বুকু টিপ টিপাব ধৰিলে । জীৱিত অৱস্থাতে গন্তব্য স্থান পাম নে নাপাম সেই কথাই বাৰে বাৰে মনলৈ আহিছিল । কৰ্মচাৰীটোৱে চকু ৰঙা কৰি মোৰ ফালে আঙুলি দেখুৱাই গৰ্জি উঠিল –"ৰবি, এবাৰ মোক ষ্টাণ্ডাৰ্ডটন পাবলৈ দে । তাৰ পাছত তোক ভালকৈ শিক্ষা দিম ।" মই নীৰৱে ভগবানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলোঁ ।

ষ্টাণ্ডাৰ্ডটন পাওঁতে সন্ধিয়া হ'ল । অৱশ্যে সেইখিনি পোৱাৰ লগে লগে

কেইবাজনো ভাৰতীয়ৰ মুখ দেখি স্বস্তিৰ নিশ্বাস পেলালোঁ। গাড়ীৰ পৰা নমাৰ লগে লগে বন্ধুসকলে কলে – 'আমি আপোনাক ইসা শেঠৰ দোকানলৈ লৈ যাবৰ কাৰণে আহিছোঁ। আবদুল্লা দাদাই আমালৈ টেলিগ্ৰাম কৰিছে।" মোৰ খুব আনন্দ লাগিল আৰু শেঠ ইসা হাজী সুমাৰৰ দোকানলৈ গলোঁ।

মই ঘোড়া গাড়ী কোম্পানীৰ এজেন্টক সকলো ঘটনা জনাবলৈ স্থিৰ কৰিছিলোঁ। সেয়ে যি ঘটিছিল তাৰ বিৱৰণ দি তেওঁক এখন চিঠি দিলোঁ আৰু তেওঁৰ কৰ্মচাৰীয়ে মোক যি ধমক আৰু সাংঘাটিক পৰিণামৰ কথা কৈছে – তাৰ বাবে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। মই তেওঁৰ পৰা ইয়াৰ আশ্বাসো খুজিলোঁ যে পিছ-দিনা পুৱা যাত্ৰাৰ সময়ত মোকো অন্য যাত্ৰীৰ সৈতে ভিতৰত বহাৰ সুবিধা কৰি দিয়ে। ইয়াৰ উত্তৰত এজেন্ট মহোদয়ে মোক জনালে যে "ষ্টাণ্ডাৰ্ডটনৰ পৰা যিখন গাড়ী যাব – সেইখন আগৰ খনতকৈ ডাঙৰ আৰু দায়িত্বত অন্য কৰ্মচাৰী যাব। আপুনি যাৰ বিৰুদ্ধে অভিযোগ কৰিছে – সি নাযায় আৰু অন্য যাত্ৰীৰ লগতে ভিতৰত বহিয়ে যাব পাৰিব।" এইখন পোৱাত মনটো শান্ত হ'ল। মোক মাৰা মানুহজনৰ বিপক্ষে মোকৰ্দ্দমা কৰাৰ ইচ্ছা মোৰ নাছিল। সেয়ে এইখিনিতে প্ৰহাৰ পৰ্ব্বৰ ইতি পৰিল।

ৰাতিপুৱা শেঠৰ সহযোগী সকলে মোক ঘোড়া-গাড়ীৰ আস্থানত থৈ দিলেহে। মই বহিবলৈ ভাল ঠাই পালোঁ আৰু নিৰাপদে ৰাতি জোহান্‌সবাৰ্গত উপস্থিত হলোঁ।

ষ্টাণ্ডাৰ্ডটন এখন সৰু গাঁও, কিন্তু জোহান্‌সবাৰ্গ এখন ডাঙৰ নগৰ। আবদুল্লা শেঠে ইয়ালৈও টেলিগ্ৰাম কৰিছিল আৰু মোক মহম্মদ কাচেম কামৰুদ্দীনৰ দোকানৰ নাম আৰু ঠিকনা দিছিল। মোক লৈ যাবলৈ তেওঁলোকৰ গাড়ী আৰু মানুহ গাড়ীৰ আস্থানলৈ আহিছিল। কিন্তু তেওঁলোকক মই দেখা নাই, তেওঁলোকেও মোক চিনিব পৰা নাই। সেয়ে মই কোনোবা এখন হোটেললৈ যাম বুলি ভাবিলোঁ। কেইখনমান হোটেলৰ নাম মোৰ জনা আছিল। এখন গাড়ী ভাড়া কৰি মই গ্ৰাণ্ড ন্যাশনাল হোটেললৈ গলোঁ। মেনেজাৰৰ লগত দেখা কৰি ৰুম এটা বিচাৰিলোঁ তেওঁ মোক এবাৰ ভালভাবে নিৰীক্ষণ কৰি ভদ্ৰভাবে কলে। "মই বৰ দুঃখিত। ৰুম সকলো ভাড়া হৈ গৈছে।" তাৰ পৰা বিদায় লৈ মই মহম্মদ কাচেমৰ দোকানলৈ গলোঁ। তাতে আবদুল গণি শেঠে মোলৈ অপেক্ষা কৰি বৈ আছিল। সহৃদয়তাৰে তেওঁ মোক গ্ৰহণ কৰিলে। মোৰ হোটেলৰ অভিজ্ঞতা শুনি তেওঁ প্ৰাণ খোলা হাঁহি মাৰিলে। তাৰ পাছত মোক প্ৰশ্ন কৰিলে – "আপুনি হোটেলত ঠাই পাব বুলি কেনেকৈ ভাবিলে ?"

"কেলেই ?"

তেওঁ উত্তৰ দিলে – "ইয়াত কিছুদিন থাকিলেই তাৰ কাৰণ জানিব পাৰিব। চাওক, কাইলৈ আপুনি প্ৰিটোৰিয়ালৈ যাব লাগিব। আপুনি তৃতীয় শ্ৰেণীতেই যাত্ৰা কৰিব লাগিব। ট্ৰান্সভালৰ অৱস্থা নাটালতকৈও বেছি বেয়া। ইয়াত ভাৰতীয় সকলক প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ৰেল টিকট বিক্ৰীয়েই নকৰে।"

মই ৰেলৰ নিয়ম আদি আনি পঢ়িলোঁ। আইনৰ এটা ছিদ্ৰ আছিল ট্ৰান্সভালৰ পুৰণি আইন-কানুনৰ ভাষা সুনিশ্চিত নাছিল। ৰেলৰ আইনৰ অৱস্থাও তদ্ৰুপ।

শেঠক মই কলোঁ – "মই প্ৰথম শ্ৰেণীতেই যাব খোজোঁ। কিবা কাৰণত সি সম্ভৱ নহলে এই ৩৭ মাইল মই ঘোড়া গাড়ীতে যাম।"

ইয়াৰ ফলত অতিৰিক্ত অৰ্থব্যয় আৰু সময় যাব বুলি শেঠ আবদুল গণিয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। অৱশ্যে প্ৰথম শ্ৰেণীত যাত্ৰা কৰাতোত তেওঁৰো সমৰ্থন আছিল। সেয়ে এই সম্বন্ধে ষ্টেচন মাষ্টৰক এখন চিঠি লিখা হ'ল। চিঠিখনত মই এই কথাৰো উল্লেখ কৰিলোঁ যে মই এজন ব্যাৰিষ্টাৰ। সদায় প্ৰথম শ্ৰেণীতে ভ্ৰমণ কৰাত মই অভ্যস্ত। মই তেওঁক এই কথাও জনালোঁ যে যথাসম্ভৱ সোনকালে মই প্ৰিটোৰিয়া পাব লাগে। সেয়ে তেওঁৰ পৰা চিঠিৰে উত্তৰ পোৱালৈ অপেক্ষা নকৰি ষ্টেচনলৈ নিজে গৈ তেওঁৰ নিৰ্দ্দেশ জানি লম আৰু শেষত প্ৰথম শ্ৰেণীৰ টিকট এটা নিশ্চিত ভাবে পাম বুলি আশা কৰিলোঁ। অৱশ্যে সাক্ষাতত উত্তৰ বিচৰাৰ মোৰ এটা উদ্দেশ্যও আছিল। মোৰ মনত খেলাইছিল যে ষ্টেচন মাষ্টৰে লিখিত ভাবে উত্তৰ দিলে নিশ্চয় মোৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব। বিশেষকৈ তেওঁৰ মনতো 'কুলী বেৰিষ্টাৰ' বুলি এটা বিৰূপ ধাৰণা থকাতো স্বাভাৱিক। সেয়ে মই নিখুট ইংৰাজী পোছাক পিন্ধি মই তাৰ সমুখত উপস্থিত হম আৰু তেওঁৰ লগত সাক্ষাতত কথা কলে হয়তো মোলৈ এটা প্ৰথম শ্ৰেণীৰ টিকট দিয়াবলৈ সম্মত কৰাব পাৰিম। সেয়ে মই ফ্ৰককোট আৰু টাই মাৰি তেওঁৰ সমুখত উপস্থিত হলোঁ আৰু টিকট কিনাৰ খিৰিকীৰে এটা গিনি দি মোৰ কাৰণে প্ৰিটোৰিয়ালৈ এটা টিকট বিচাৰিলোঁ।

তেওঁ প্ৰশ্ন কৰিলে – "আপুনিয়েই মোলৈ টিকটৰ বাবে চিঠি লিখিছিল নেকি?"

"হয়। টিকটটো পালে অত্যন্ত অনুগৃহীত হম। আজি মই প্ৰিটোৰিয়া পোৱাতো বৰ দৰকাৰ।"

তেওঁ মিচিকিয়াই হাঁহি, সহানুভূতিসূচক মনোভাবেৰে কলে – "মই ট্ৰান্সভাল নিবাসী নহওঁ। মোৰ ঘৰ হল্যাণ্ডত। মই আপোনাৰ মনৰ দুঃখ বুজিব পাৰিছোঁ। আৰু সেই বাবে আপোনাৰ প্ৰতি মোৰ সহানুভূতিও আছে। মই অৱশ্যে আপোনাক

টিকট দিবলৈ আগ্ৰহী। তবে এটা চৰ্ত্ত আছে। গাৰ্ডে যদি আপোনাক তৃতীয় শ্ৰেণীত যাবলৈ কয় – তেতিয়া আপুনি ইয়াৰ মাজত মোক জড়িত নকৰিব। অৰ্থাৎ ৰেল কৰ্ত্তৃপক্ষৰ বিৰুদ্ধে কোনো মোকৰ্দ্দমা নকৰিব। ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ – আপোনাৰ যাত্ৰা নিৰ্বিঘ্নে সম্পন্ন হওক। মই বুজিব পাৰিছোঁ যে আপুনি এজন ভদ্ৰলোক।"

এই বুলি কৈ তেওঁ মোক টিকট দিলে। মই তেওঁক ধন্যবাদ দি যথোচিত প্ৰতিশ্ৰুতি দিলোঁ।

শেঠ আব্দুল গণি মোক বিদায় দিবলৈ ষ্টেচনলৈ আহিছিল। এই ঘটনা তেওঁৰ কাৰণে আনন্দমিশ্ৰিত বিস্ময় হৈ পৰিছিল। অৱশ্যে তেওঁ মোক সাবধান হোৱাৰ বাবে কলে – "আপুনি নিৰাপদে প্ৰিটোৰিয়া পালেই মই বৰ সুখী হম। মোৰ ভয় হৈছে যে গাৰ্ডে আপোনাক শান্তিতে প্ৰথম শ্ৰেণীত যাবলৈ নিদিব আৰু যদি নিজে তেওঁ কোনো গোলমাল নকৰে, তেতিয়াও আপোনাৰ সহযাত্ৰী সকলে আপোনাক সহজে এৰি নিদিব।"

মই প্ৰথম শ্ৰেণীৰ মোৰ নিৰ্দ্দিষ্ট আসন গ্ৰহণ কৰিলোঁ। গাড়ীও এৰিলে। জাৰ্মিষ্টনত গাৰ্ডে টিকট পৰীক্ষা কৰিলে। মোক প্ৰথম শ্ৰেণীত বহি থকা দেখি তেওঁ ক্ৰোধান্বিত হ'ল আৰু আঙুলীৰে ইঙ্গিত দি মোক তৃতীয় শ্ৰেণীলৈ যাবলৈ হুকুম দিলে। তেওঁক মই প্ৰথম শ্ৰেণীৰ টিকট দেখুৱালোঁ। তেওঁ উত্তৰ দিলে – "তাতে কি হ'ল ! তৃতীয় শ্ৰেণীলৈ যোৱা।"

ডবাটোত আন এজন ইংৰাজ যাত্ৰী আছিল। তেওঁ গাৰ্ডক ধমক দি কলে – "ভদ্ৰলোকক বিৰক্ত কৰাৰ কাৰণ কি ? আপুনি দেখিছে যে তেওঁৰ লগত প্ৰথম শ্ৰেণীৰ টিকট আছে। এখেত আমাৰ লগত থকাত আমাৰ অকনো আপত্তি নাই।" তাৰ পাছত মোৰ ফালে চাই কলে "আপুনি নিজৰ আসনতেই আৰামেৰে বহি থাকক।"

গাৰ্ডে ভোৰভোৰাই কলে –"আপুনি যদি এটা কুলীৰ লগত একেলগে যাব খোজে, তেনে মোৰেই বা কি আপত্তি আছে।" এই বুলি তেওঁ বিদায় ললে।

ৰাতি প্ৰায় আঠটাৰ সময়ত গাড়ী প্ৰিটোৰিয়া পালেহি।

প্ৰিটোৰিয়াত প্ৰথম দিন

১৮৯৩ খৃ. ৰ প্ৰিটোৰিয়া ষ্টেচনৰ অৱস্থা ১৯১৪ চনৰ তুলনাত একেবাৰে বেলেগ আছিল। টিম টিমাই লেম্প জ্বলে, যাত্ৰীৰ সংখ্যাও আছিল কম। মই অন্য যাত্ৰী সকল যোৱালৈ প্ৰতীক্ষা কৰিছিলোঁ। ভাবিছিলোঁ যে টিকট কালেক্টৰৰ কাম শেষ হলে মই মোৰ টিকটটো জমা দিম আৰু তেওঁৰ পৰাই ৰাতিটো কটাবলৈ সুবিধাজনক ঠাই বা হোটেলৰ কথা শুধি লম। কোনো প্ৰকাৰৰ সুবিধা নহলে ৰাতিটো ষ্টেচনতে কটাম। অৱশ্যে এই কথা মই স্বীকাৰ কৰিবই লাগিব যে পাছত অপমানিত হোৱাৰ ভয়তে এই বিষয়ে সুধিবলৈয়ো মই ইতস্ততঃ কৰিছিলোঁ।

ষ্টেচন যাত্ৰীশূন্য হ'ল। মই টিকট কালেক্টৰৰ হাতত টিকটটো দি মোৰ কবলগীয়া খিনি কলোঁ। তেওঁ খুব ভদ্ৰভাবে মোৰ কথাৰ উত্তৰ দিলেও মই দেখিলোঁ যে তেওঁৰ পৰা মই একো বিশেষ সহায় নাপাম। অৱশ্যে ওচৰতে এজন আমেৰিকান নিগ্ৰো থিয় দি আছিল। তেওঁ আমাৰ কথা বতৰাৰ মাজত সোমাল।

তেওঁ কলে – "আপুনি ইয়াত সম্পূৰ্ণ নবাগত আৰু আপোনাৰ কোনো পৰিচিত বন্ধুও নাই। আপুনি মোৰ লগত গলে আপোনাক এখন সৰু হোটেললৈ লৈ যাব পাৰোঁ। তাৰ আমেৰিকান মালিক জনৰ লগত মোৰ ভাল চিনাকি আছে আৰু মোৰ বিশ্বাস তেখেতে আপোনাক থাকিবলৈ ৰুম দিব।"

ভদ্ৰলোকে তেওঁৰ প্ৰতিশ্ৰুতি কিমান ৰাখিব পাৰিব এই বিষয়ে মোৰ মনত সন্দেহ থাকিলেও, মই তেওঁক ধন্যবাদ জনাই তেওঁৰ প্ৰস্তাৱ মানি ললোঁ। তেওঁ মোক "জনষ্টন্‌স ফেমিলি হোটেল"লৈ লৈ গ'ল। তেওঁ শ্ৰীযুত জনষ্টনক একাষৰীয়াকৈ মাতি নি মোৰ বিষয়ে কলে আৰু শ্ৰীযুত জনষ্টনে এটা চৰ্ত্তত মোক থাকিবলৈ দিবলৈ ৰাজী হল। মই ৰাতিৰ খোৱাতো ৰুমত বহিয়েই খাব লাগিব।

তেওঁ কলে – "আপুনি বিশ্বাস কৰক – আমাৰ ইয়াত কোনো বৰ্ণ বৈষম্য নাই। কিন্তু আমাৰ সকলো গ্ৰাহকেই ইউৰোপীয়। সেয়ে আপোনাক যদি আমাৰ ডাইনিং হলত খাবলৈ দিওঁ, তেনে সিহঁতে ক্ৰোধান্বিত হৈ উঠিব আৰু হয়তো আপোনাক এই হোটেল এৰি যাবলৈও কব।"

মই উত্তৰত কলোঁ – "ৰাতিটোৰ কাৰণে মোক আশ্ৰয় দিয়াৰ বাবে আপোনাক

ধন্যবাদ । মই ইয়াৰ অৱস্থাৰ কথা অলপ অচৰপ বুজিছোঁ – সেয়ে আপোনাৰ অসুবিধাৰ কথা অনুভৱ কৰিছোঁ। ঘৰৰ ভিতৰত খাবৈলৈ দিয়াত মোৰ কোনো আপত্তি নাই । কাইলৈ মই অন্য কিবা এটা ব্যৱস্থা কৰি লব পাৰিম বুলি ভাবিছোঁ ।”

মোক যিটো ৰুম দিয়া হৈছিল তাতে অকলে বহি খোৱাৰ বাবে প্ৰতীক্ষা কৰি মনে মনে চিন্তা কৰিছিলোঁ। হোটেলত খুব বেছি আলহী নাছিল। সেয়ে সোনকালে খোৱাৰ বস্তু আহিব বুলি ভাবিছিলোঁ। কিন্তু পৰিচাৰকৰ সলনি শ্ৰীযুত জনষ্টনে নিজেই দেখা দিলে । তেওঁ কলে – আপোনাক ৰুমৰ ভিতৰত খাবলৈ কৈ মই খুব লাজ পাইছিলোঁ । সেয়ে মই আলহী সকলক আপোনাৰ সৈতে একেলগে বহি খোৱাত কিবা আপত্তি আছে নেকি সুধিলোঁ। তেওঁলোকে জনালে যে – তেওঁলোকৰ তেনে কৰাত কোনো আপত্তি নাই আৰু আপুনি ইচ্ছা কৰিলে যিমান দিন থাকে ইয়াতে থাকিব পাৰিব । গতিকে আপোনাৰ যদি একো অসুবিধা নাই তেনে খোৱাৰ ৰুমলৈ বলক আৰু যিমান দিন ইচ্ছা আপুনি ইয়াতে থাকক ।” মই তেওঁক পুনৰায় ধন্যবাদ জনাই খোৱাৰ ঘৰলৈ গলোঁ আৰু বৰ আনন্দেৰে ভোজন কৰিলোঁ ।

পাছ দিনা আমাৰ এটৰ্নী শ্ৰীযুত বেকাৰৰ ওচৰলৈ গলোঁ। আবদুল্লা শেঠে তেওঁৰ বিষয়ে মোক আগতেই কিছু কথা কৈছিল। সেয়ে তেওঁৰ পৰা আন্তৰিকতাপূৰ্ণ স্বাগত সম্ভাষণ পাই মই আচৰিত হোৱা নাছিলোঁ। তেওঁ অত্যন্ত আন্তৰিকতাৰে মোক গ্ৰহণ কৰিলে আৰু নানা প্ৰশ্ন কৰিবলৈ ধৰিলে। মই সকলো কথা তেওঁক খুলি কলোঁ। তাকে শুনি তেওঁ কলে – “ইয়াত আপোনাৰ পৰা বেৰিষ্টাৰৰ কাম আমি লব নোৱাৰিম। আমি ইয়াৰ শ্ৰেষ্ঠ আইনজীৱী সকলক আমাৰ কাৰণে নিয়োগ কৰিছোঁ। মোকৰ্দ্দমাটো বহু দিন ধৰি চলিছে আৰু অলপ জটিলো। সেয়ে মোকৰ্দ্দমাৰ বিষয়ে খা-খবৰ পোৱাৰ কাৰণে আপোনাৰ সহায়তা লম। ইয়াৰ ফলত মক্কেলৰ সৈতে যোগাযোগ ৰখা কামটো সহজ হব। কাৰণ আপোনাৰ মাধ্যমেৰেই আমি মক্কেলৰ সকলো খবৰ লম। ইয়াৰ ফলত নিঃসন্দেহে সুবিধা হব। এই পৰ্য্যন্তও আপোনাৰ থকাৰ ব্যৱস্থা কৰিব পৰা নাই। ভাবিছিলোঁ আপোনাক লগ পোৱাৰ পাছত সেই বন্দোবস্ত কৰিম। কিন্তু ইয়াত উৎকট ধৰণৰ বৰ্ণ বৈষম্য বিদ্যমান। এই কাৰণেই আপোনাৰ দৰে ব্যক্তিৰ বাবে বাসস্থান সংগ্ৰহ কৰা সহজ নহয়। অৱশ্যে মোৰ এগৰাকী দুখীয়া ভদ্ৰমহিলাৰ সৈতে পৰিচয় আছে। তেওঁ এগৰাকী ৰুটী প্ৰস্তুতকাৰীৰ স্ত্ৰী। মোৰ বিশ্বাস তেওঁ আপোনাক থাকিবলৈ স্থান দিব। ফলত তেওঁৰ অলপ আয় বাঢ়িব। বলক, আমি তেওঁলোকৰ ঘৰলৈ যাওঁ।”

তেওঁ মোক সেই মহিলা গৰাকীৰ ঘৰলৈ লৈ গ'ল। মহিলা গৰাকীক অকলে মাতি নি মোৰ কথা কলে আৰু সেই মহিলা গৰাকীয়ে সপ্তাহত ত্রিশ চিলিঙৰ বিনিময়ত মোক তেওঁৰ ঘৰত ৰাখিবলৈ সন্মত হ'ল।

ভাৰতীয় সমস্যাৰে পৰিচয়

প্রিটোৰিয়াত থকাৰ কাৰণে মই ট্রান্সভাল আৰু অৰেঞ্জ ফ্রী ষ্টেটৰ ভাৰতীয় সকলৰ সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে গভীৰ ভাবে জনাৰ সুযোগ পালোঁ। তেতিয়া মই বুজিব পৰা নাছিলোঁ – ভৱিষ্যতে সেই জ্ঞানে মোক কিমান উপকাৰ কৰিব।

ট্রান্সভালত প্রচলিত এখন আইন সলনি কৰিবলৈ এখন খচ্ড়া তৈয়াৰ হব ধৰিছিল আৰু সেই মতে প্রতিজন ভাৰতীয়ই ট্রান্সভালত প্রবেশ কৰাৰ নিমিত্তে তিনি পাউণ্ডকৈ কৰ ধাৰ্য্য কৰা হৈছিল। নিৰ্দ্দিষ্ট এলেকাৰ বাহিৰে মাটি কিনাতো বন্ধ কৰা হৈছিল। আৰু য'ত তেওঁলোকৰ মাটি থাকিব তাতো মাটিৰ সম্পূৰ্ণ স্বত্ত্ব নিদিয়াৰ পৰিকল্পনা কৰা হৈছিল। তেওঁলোকৰ ভোটৰ অধিকাৰ নাছিল। এচিয়াবাসী সকলৰ বাবে যি বিশেষ আইন ৰচিত হৈছিল – এই সকলো ধাৰা তাত অন্তৰ্ভুক্ত কৰা হৈছিল। অৱশ্যে কৃষ্ণাংগ সকলৰ বাবে যিবোৰ আইন প্রণয়ন হৈছিল – সেইবোৰ এচিয়াবাসী সকলৰ ক্ষেত্রতো প্রযোজ্য হৈছিল।

নতুন আইন অনুসৰি ভাৰতীয় সকল সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰা 'ফুট পাথে'ৰে যাব নোৱাৰা হ'ল আৰু অনুমতি নোলোৱাকৈ ৰাতি ৯ টাৰ পাছত ঘৰৰ বাহিৰলৈ যোৱাতো নিষিদ্ধ হল। শ্রীযুত কোটস্ নামৰ এজন বন্ধুৰ সৈতে প্রায়ে ফুৰিবলৈ গৈছিলোঁ আৰু সাধাৰণতে দহটাৰ আগত ফিৰি অহা নাছিলোঁ। পুলিচে মোক গ্রেপ্তাৰ কৰিলে কি হব ? এই বিষয়ে মোতকৈ কোট্স্ মহাশয়ৰ চিন্তা বেছি হ'ল। তেওঁ তেওঁৰ নিগ্রো চাকৰ কেইটাক 'পাচ' দিছিল। কিন্তু মোকতো সেয়া দিব নোৱাৰে। মালিকে চাকৰকহে পাচ দিব পাৰে। মই যদি তেওঁক 'পাচ' খুজিলোহেতেন, তেওঁ মোক 'পাচ' দিবলৈ সাজু হলহেতেন ; কিন্তু প্রতাড়নাৰ পৰ্য্যায়ত পৰাৰ আশঙ্কাত তেওঁৰ

পক্ষে মোক 'পাচ' দিয়াতো সম্ভৱ নাছিল ।

সেয়ে কোট্‌স মহাশয় অথবা তেওঁৰ এক বন্ধুই মোক চৰকাৰী এটৰ্ণী ডা' ক্ৰাউসৰ ওচৰলৈ লৈ গ'ল । পৰিচয় পৰ্বত জানিব পাৰিলোঁ – দুয়ো আমি একেখন 'ইন'ৰ ব্যাৰিষ্টাৰ । ৰাতি ৯ টাৰ পাছত বাহিৰত থাকিবলৈ মোকো 'পাচ'ৰ প্ৰয়োজন বুলি শুনি তেওঁ বৰ দুঃখ পালে । তেওঁ মোৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিলে । মোক 'পাচ'ৰ সলনি এখন বিশেষ অনুমতি পত্ৰ দিলে । এইখনৰ জৰিয়তে পুলিচৰ হস্তক্ষেপ নোহোৱাকৈ যেতিয়াই খুচি বাহিৰলৈ যোৱাৰ অধিকাৰ হ'ল । বাহিৰ ওলালেই এই অনুমতি পত্ৰ মই সদায় লগত ৰাখিছিলোঁ । অৱশ্যে ইয়াৰ প্ৰয়োগ কৰিবলগীয়া হোৱা নাছিল – সেয়া এক দৈৱ ঘটনা ।

ফুটপাথেদি যাবলৈ নিষেধ কৰা নিৰ্দ্দেশ নমনাৰ ফল মোৰ কাৰণে সাংঘাতিক হ'ল । মই প্ৰেচিডেন্ট ষ্ট্ৰীটেৰে খোজ কাটি এখন মুকলি পথাৰলৈ ফুৰিবলৈ যাওঁ । প্ৰেচিডেন্ট ক্ৰুগাৰৰ ঘৰ এই ৰাস্তাৰ কাষত । ঘৰটো দেখাত খুব সাধাৰণ । সমুখত কোনো বাগিছাও নাছিল আৰু ওচৰ-পাজৰৰ ঘৰবোৰতকৈ বেলেগ কৰি চিনাও টান ।

কেবল ঘৰটোৰ সমুখত এজন পুলিচ থকা বাবে বুজা যায় যে ই কোনো উচ্চ পদস্থ চৰকাৰী কৰ্মচাৰীৰ নিবাস । মই প্ৰায়েই এই ফুটপাথেদিয়ে যাওঁ আৰু এই ঠাই টুকুৰা পাৰ হবৰ সময়ত কোনো দিনে পহৰাদাৰৰ লগত কোনো প্ৰকাৰৰ তৰ্ক-বিতৰ্ক বা বাক-বিতণ্ডা হোৱা নাই ।

নিয়মিতভাবে এই পহৰাদাৰ সকলৰ পৰিবৰ্ত্তন হয় । এদিন ইয়াৰ পহৰাদাৰ জনে মোক অকণো সতৰ্ক কৰি নিদিয়াকৈয়ে আৰু আনকি ফুটপাথৰ পৰা নামি যাবলৈ নিৰ্দ্দেশ পৰ্যান্ত নিদি, মোক ধকিয়াই, লঠিয়াই মাৰি মাৰি ৰাস্তাত পেলাই দিলে । মই হতভম্ব হলোঁ । পহৰাদাৰক তাৰ এই ব্যৱহাৰ সম্পৰ্কে প্ৰশ্ন কৰাৰ আগতেই শ্ৰীযুত কোটস্ মহাশয় সমুখত উপস্থিত । তেওঁ ঘোড়াত উঠি সেই ৰাস্তাৰেই কৰবালৈ যাব আহিছিল । মোক সম্বোধন কৰি কলে "গান্ধী, মই সকলো ঘটনা দেখিছোঁ । আপুনি যদি এই মানুহজনৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰে, তেনে মই আপোনাৰ সাক্ষী হম । আপুনি এনে অভদ্ৰভাবে প্ৰহৃত হৈছে – তাৰ বাবে মই খুব দুঃখিত ।"

মই কলোঁ –"দুঃখৰ কোনো কাৰণ নাই । সি বেচাৰাই কি জানে ? তাৰ বাবে সকলো কৃষ্ণাংগই সমান । সি নিশ্চয় নিগ্ৰো সকলক এনে ব্যৱহাৰে কৰে । ব্যক্তিগত অভিযোগ লৈ আদালতৰ শৰণাপন্ন নহওঁ বুলি মই স্থিৰ কৰিছোঁ । সেয়ে তাৰ বিৰুদ্ধে মই মোকৰ্দ্দমা নকৰোঁ ।"

কোর্ট্স ডাণ্ডবীয়াই উত্তৰ দিলে – "এই কথা আপোনাৰ বাবেহে উপযুক্ত। কিন্তু আপুনি এবাৰ আকৌ ভাবি চাওক। এনে লোকক উচিত শিক্ষা দিয়া দৰকাৰ।" তাৰ পাছত তেওঁ পহৰাদাৰ জনৰ লগত কথা পাতিলে আৰু খুব বকিলে। অৱশ্যে তেওঁলোকৰ কথা-বতৰা মই বুজা নাছিলোঁ, কাৰণ তেওঁলোকে ডাচ ভাষাত কথা পাতিছিল। পুলিচ জন আছিল বুথাৰ। সি মোক ক্ষমা খুজিলে। অৱশ্যে ইয়াৰ একো দৰকাৰ নাছিল। কাৰণ তাক মই ইতিপূৰ্বেই ক্ষমা কৰি দিছোঁ।

কিন্তু সেই ৰাস্তাৰে মই আৰু কোনো দিনে যোৱা নাই। আকৌ নতুন মানুহ পহৰাদাৰ হৈ আহিব, আৰু আগৰ কথা নজনাৰ বাবে সিও আকৌ আগৰদৰেই ব্যৱহাৰ কৰিব। মিছাকৈয়ে আৰু লাঠি খাই কি লাভ ? সেয়ে মই অন্য ৰাস্তাইদি যাওঁ। দক্ষিণ আফ্রিকা আত্ম সন্মান থকা ভাৰতবাসীৰ পক্ষে বাসোপযোগী স্থান নহয় বুলি মোৰ অভিজ্ঞতা হ'ল। সেয়ে মোৰ মন ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা অনুসন্ধানত লাগিল। অৱশ্যে সেই সময়ত মোৰ মুখ্য কৰ্ত্তব্য আছিল দাদা আবদুল্লাৰ মোকৰ্দ্দমাৰ বাবে কাম কৰা।

মোকৰ্দ্দমা

সাক্ষী প্ৰমাণ আৰু কাগজ-পত্ৰ চাই বুজিলোঁ যে মোকৰ্দ্দমাটো দাদা আবদুল্লাৰ পক্ষ যথেষ্ট শক্তিশালী আৰু সেই কাৰণে আইন তেওঁৰ সপক্ষে যাবলৈ বাধ্য। অৱশ্যে মই এই কথাও বুজি পালোঁ যে বেছিদিন মোকৰ্দ্দমাটো চলিলে তেওঁ আৰু বিৰোধী পক্ষ উভয়ৰে ধবংস অনিবাৰ্য্য। অথচ তেওঁলোক পৰস্পৰৰ আত্মীয় আৰু একেই নগৰৰ নিবাসী। মোকৰ্দ্দমাটো কিমান দিন চলিব – সেই কথা কোৱা অসম্ভৱ। উভয় পক্ষৰ লগত মিত্ৰতা কৰি, তেওঁলোকৰ মাজত আপোচ কৰি দিয়াতোৰ আৱশ্যকতা অনুভৱ কৰিলোঁ। শেষত বহু চেষ্টাৰ ফলত তেওঁলোকৰ মাজত এটা বুজা-পৰা কৰাত সক্ষম হলোঁ।

ইয়াৰ ফলত উভয়েই আনন্দিত হ'ল। জনসাধাৰণৰ মাজতো তেওঁলোকৰ সন্মান বৃদ্ধি পালে। ময়ো অত্যন্ত আনন্দিত হলোঁ। মই আইনজীবীৰ সঁচা কৰ্ত্তব্য শিকিলোঁ। মানব চৰিত্ৰৰ উজ্বল দিশ আবিস্কাৰ কৰাৰ মই শিক্ষা লাভ কৰিলোঁ আৰু মানুহৰ অন্তৰত প্ৰবেশ কৰিবলৈ শিকিলোঁ। আইনবিদৰ যথাৰ্থ কৰ্ত্তব্য হৈছে বিবদমান পক্ষৰ ভঙা

হৃদয় জোৰা দিয়া । এই শিক্ষাই মোৰ মনত গভীৰ দাগ বহুৱাইছিল যে মোৰ কুৰি বছৰৰ আইনজ্ঞ জীৱনৰ বেছি ভাগ সময়ে শ শ মোকৰ্দ্দমা আদালতৰ বাহিৰতে আপোচ কৰি শেষ কৰিছিলোঁ । ইয়াৰ পৰিণামত মোৰ একো লোকচান হোৱা নাই । মই বিবেকটো বিসৰ্জন দিয়াই নাই, আনকি মোৰ কোনো আৰ্থিক লোকচানো হোৱা নাই ।

ভগবানৰ ইচ্ছা

মোকৰ্দ্দমা মিটমাট হৈ যোৱাৰ পাছত মই প্ৰিটোৰিয়াত থকাৰ কোনো কাৰণ নাথাকিল । সেয়ে ডাৰবানলৈ ঘূৰি গৈ জনমভূমিলৈ ফিৰি যোৱাৰ ব্যৱস্থা আৰম্ভ কৰিলোঁ । অৱশ্যে ভাল ধৰণে বিদায় অভিনন্দন নিদিয়াকৈ মোক আবদুল্লা শেঠে আহিব দিব নুখুজিলে । মোৰ সম্মানাৰ্থে চিদনহ্যামত তেওঁ এখন বিদায় সভাৰ আয়োজন কৰিলে ।

কথা আছিল আমি সিদিনা গোটেই দিনটো কটাম । তাতে কেইবাখনো বাতৰি কাকতৰ পাত লাৰি ছাৰি থাকোঁতে হঠাৎ তাৰে এটা পৃষ্ঠাত প্ৰকাশিত “ভাৰতীয় সকলৰ ভোটাধিকাৰ” শীৰ্ষক বাতৰি এটা মোৰ চকুত পৰিল । সেই সময়ত বিধান পৰিষদৰ বিবেচনাৰ কাৰণে এখন বিল উত্থাপন কৰা হৈছিল আৰু তাৰ দ্বাৰা নাটালৰ আইন সভাৰ সদস্য পদ পোৱাৰ পৰা ভাৰতীয় সকলক বঞ্চিত কৰা হৈছিল । সংবাদ পত্ৰত এই বিষয়ে বাতৰি প্ৰকাশ হৈছিল । মই এই বিলখন সম্বন্ধে একেবাৰেই জনা নাছিলোঁ আৰু উপস্থিত অন্যান্য অতিথি সকলো মোৰ দৰেই এই বিষয়ত অজ্ঞ ।

আবদুল্লা শেঠক এই বিষয়ে প্ৰশ্ন কৰাত উত্তৰ দিলে – “এইবোৰ বিষয়ে আমি কি জানো ? আমি কেৱল আমাৰ ব্যৱসায়ৰ লাভ-লোকচানৰ কথাই জানো ।” মই দেশলৈ ফিৰি যাবলৈ ওলাইছোঁ বুলি, এই বিষয়ে মোৰ মনৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ ইতস্ততঃ কৰিছিলোঁ । মই শেঠজীক কেৱল কলোঁ – “এই বিল আইনত পৰিণত হলে আমাৰ কপালত আৰু বহুত দুৰ্যোগ আহিব । এই বিলখনে আমাৰ আত্মসম্মানত কুঠাৰাঘাত কৰিব ।”

অন্যান্য অতিথি সকলে অত্যন্ত মনোযোগেৰে আমাৰ আলোচনা শুনি আছিল । তেওঁলোকৰ মাজৰ এজনে কলে – “এই বিষয়ে আমি কি কৰা উচিত তাক কওঁ

নে ? আপুনি জাহাজেৰে ভাৰতলৈ যোৱাতো বন্ধ কৰক আৰু ইয়াতে এক মাহ থাকক। তেতিয়া হলে আপোনাৰ নিৰ্দেশমতে আমি সংগ্ৰাম কৰিম।" অন্যান্য সকলেও এই প্ৰস্তাৱ সমৰ্থন কৰিলে।

ফলত মোৰ নাটাল এৰি যোৱা সম্ভব নহ'ল। ভাৰতীয় বন্ধু সকলে মোক বেৰি ধৰি ইয়াতে স্থায়ীভাবে থকাৰ অনুৰোধ কৰিব ধৰিলে। এনেকৈয়ে নাটালত থকা মই আৰম্ভ কৰিলোঁ। উপনিবেশ সচিবৰ মনত চেতনা জগাবলৈ এক অবিৰাম আন্দোলন আৰু তাৰ বাবে এক স্থায়ী সংস্থাৰ আৱশ্যকতা অনুভব হ'ল। মই এই বিষয়ে শেঠ আবদুল্লা আৰু অন্যান্য মিত্ৰ সকলৰ লগত পৰামৰ্শ কৰি এক স্থায়ী সংস্থা স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। এই ভাবে ২২ মে তাৰিখে নাটাল ইণ্ডিয়ান কংগ্ৰেছৰ জন্ম হ'ল।

তিনি পাউণ্ড কৰ

১৮৬০ খৃঃৰ আশে পাশে নাটালৰ ইউৰোপীয় লোক সকলে সেই দেশত কুঁহিয়াৰ খেতিৰ প্ৰচুৰ সম্ভাবনা আছে বুলি জানিব পাৰিলে। ইয়াৰ বাবে যথেষ্ট বনুৱাৰ প্ৰয়োজন হ'ল। নাটালৰ জুলুসকল এই কামৰ বাবে উপযুক্ত নাছিল কাৰণে বাহিৰৰ পৰা বনুৱা নানিলে কুঁহিয়াৰ খেতি কৰি তাৰ পৰা চেনি উৎপাদন কৰা সম্ভৱ নাছিল। নাটাল চৰকাৰে সেয়ে ভাৰত চৰকাৰৰ লগত চিঠিৰ আদান-প্ৰদান কৰি ভাৰতীয় বনুৱা সংগ্ৰহৰ অনুমতি ললে। এই শ্ৰমিকবোৰে নাটালত ৫ বছৰ কাম কৰিব বুলি চুক্তি-পত্ৰত চহী কৰিব লাগিব। মিয়াদ পূৰ্ণ হলে নাটালতে স্থায়ী ভাবে বাস কৰাৰ পূৰ্ণ স্বাধীনতা আছিল। ইয়াত মাটি আদি কিনিলে তাতো তেওঁলোকৰ পূৰ্ণ অধিকাৰ থাকিব। এইবোৰ সুযোগ সুবিধা দি তেওঁলোকক বনুৱা ৰূপে সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হ'ল।

ভাৰতীয় সকল তালৈ গৈ আশাতিৰেক উন্নতি কৰিবলৈ ধৰিলে। তেওঁলোকে প্ৰচুৰ তৰকাৰী উৎপাদন কৰে। তেওঁলোকে সেই দেশত ভাৰতীয় শাক-সব্জীৰ খেতি আৰম্ভ কৰিলে আৰু লগতে স্থানীয় শাক-সব্জিও। তেওঁলোকে আম গছো কলে। তেওঁলোকৰ কৰ্মোদ্যমে কেবল কৃষি ক্ষেত্ৰতে সীমিত নাথাকিল। তেওঁলোকে ব্যৱসায়তো হাত দিলে। তেওঁলোকে ঘৰ বান্ধিবলৈ উপযুক্ত মাটি কিনিলে আৰু বহুতেই বনুৱাৰ পৰা ঘৰ-বাৰীৰ মালিক পৰ্য্যায়লৈ উন্নীত হ'ল। ভাৰতবৰ্ষৰ পৰা বনুৱা সকলৰ পদাংক অনুসৰণ

কৰি ভাৰতীয় ব্যৱসায়ী সকলো আহিল আৰু স্থায়ী ব্যৱসায়ী ৰূপে তাত থাকিবলৈ ললে ।

শ্বেতাংগ ব্যৱসায়ী সকলে এই কাৰ্য্যত আতংকিত হ'ল । ভাৰতীয় শ্ৰমিক সকলৰ আগমনক অভিনন্দিত কৰাৰ সময়ত তেওঁলোকে সিহঁতৰ ব্যৱসায়-দক্ষতাৰ বিষয়ে একো জনা নাছিল । খুব বেছি স্বাধীন খেতিয়ক হিচাবে সহ্য কৰিব পৰা যায় ; কিন্তু ব্যৱসায় ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিদ্বন্দ্বিতা সহ্য কৰা অসম্ভৱ ।

ইয়াৰ ফলতে ভাৰতীয় সকলৰ বিৰুদ্ধে শত্ৰুতাৰ বীজ বপন কৰা হ'ল । অন্য বিবিধ কাৰণত এই বীজ পৰিপুষ্ট হ'ল । এই বিৰোধিতা সেয়ে এইবাৰ আইনৰ মাধ্যমে ব্যক্ত হ'ল । ব্যৱস্থা পৰিষদত চুক্তিবদ্ধ শ্ৰমিক সকলৰ ওপৰত তিনি পাউণ্ডকৈ কৰ বহুৱাৰ প্ৰস্তাব কৰা হ'ল ।

আমি এই কৰ প্ৰস্তাবৰ বিৰুদ্ধে প্ৰচণ্ড আন্দোলন আৰম্ভ কৰিলোঁ । ভাৰতীয় সমাজে এই আন্দোলন পৰিত্যাগ কৰিলে আৰু এই আন্দোলন বন্ধ কৰি কৰ ধাৰ্য্য কৰাৰ প্ৰস্তাৱ অৱধাৰিত বুলি মানি ললে চুক্তিবদ্ধ হৈ অহা ভাৰতীয় শ্ৰমিক সকলে তিনি পাউণ্ডৰ কৰ আজিও দিবলগীয়া হলহেতেন । দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সমাজ আৰু সমগ্ৰ ভাৰতৰ পক্ষে এক নিষ্ঠুৰ কলঙ্ক স্বৰূপ হলহেতেন ।

ইতিমধ্যে দক্ষিণ আফ্ৰিকাত মোৰ তিনি বছৰ হৈয়ে গ'ল । মোৰ জনসাধাৰণৰ সৈতে ঘনিষ্ঠ পৰিচয় হোৱা উচিত আছিল আৰু তেওঁলোকেও মোক ভালদৰে জনা উচিত । বহুত দিন সেই দেশত থকাৰ পাছত ১৮৯৬ খৃঃত ছয় মাহৰ বাবে ঘৰলৈ আহিবৰ কাৰণে ছুটী বিচাৰিলোঁ । ইতিমধ্যে আমাৰ প্ৰভাব বেছ বাঢ়ি গৈছিল আৰু মই বুজিব পাৰিছিলোঁ যে আমাৰ স্বদেশবাসী সকলে মই ইয়াতে থকাতো বিচাৰে । সেই কাৰণে ভাবিলোঁ এবাৰ দেশলৈ গৈ স্ত্ৰী আৰু ল'ৰা-ছোৱালী কেইটাক লৈ আনি স্থায়ী ভাবে ইয়াত বাস কৰা যাব পাৰে । মই এই কথাও ভাবিলোঁ যে দেশলৈ গৈ দক্ষিণ আফ্ৰিকাৰ ভাৰতবাসী সকলৰ বিষয়ে প্ৰচাৰ কৰি ভাৰতৰ জনমত অনুকূল কৰা যাব আৰু এই ভাবে অলপ জনসেৱাও কৰা হব ।

ভাৰত-ভ্ৰমণ

বোম্বাইত নানমি মই পোনেই ৰাজকোটলৈ গলোঁ আৰু দক্ষিণ আফ্ৰিকাৰ বিষয়ে এখন কিতাপ লিখাৰ প্ৰস্তুতি কৰিলোঁ। কিতাপখন লিখি, সেইখন প্ৰকাশৰ ব্যৱস্থা কৰোঁতে এমাহ সময় লাগিল। ইয়াৰ বাকলি সেউজীয়া ৰঙৰ হোৱা বাবে ইয়াৰ নাম "সেউজীয়া পুথি" ৰখা হৈছিল। কিতাপখনত মই দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকলৰ নিপীড়িত অৱস্থাৰ বৰ্ণনা কৰিছিলোঁ। দহ হেজাৰ কিতাপ ছপা কৰি ভাৰতবৰ্ষৰ প্ৰত্যেক খন বাতৰি কাকত আৰু ৰাজনৈতিক দলৰ নেতাসকললৈ পঠিয়ালোঁ। কিতাপখনৰ সাৰাংশ ৰয়টাৰে টেলিগ্ৰাম কৰি লণ্ডনলৈ পঠিয়াইছিল আৰু লণ্ডনৰ পৰা তাৰ সাৰমৰ্ম নাটাললৈ পঠিয়ালে। সেই তাৰবাৰ্ত্তাটো ছপা কৰাত তিনি শাৰীৰ বেছিলগা নাছিল। নাটালৰ ভাৰতীয় সকলক কৰা ব্যৱহাৰৰ যি বৰ্ণনা মই দিছিলোঁ – এই তাঁৰ তাৰ সংক্ষিপ্ত কিন্তু অতিৰঞ্জিত সংস্কৰণ। মোৰ মূল ৰচনাত তেনে কোনো অতিৰঞ্জন নাছিল। নাটালত ইয়াৰ যি প্ৰতিক্ৰিয়া হৈছিল তাৰ বিবৰণ পাছত দিম। ইতিমধ্যে প্ৰত্যেক খন মহত্বপূৰ্ণ বাতৰি কাকতে এই বিষয়ে আলোচনা কৰিলে।

এই কিতাপখন ডাকত পঠিওৱাটো বৰ সহজ কাম নাছিল। এই বিলাকক দুভাজ কৰি মলাট লগোৱাটো এক ব্যয়সাধ্য কাম। সেয়ে মই এটা সহজ পন্থা ললোঁ। মই আমাৰ সকলো ল'ৰা-ছোৱালীক ৰাতিপুৱা সিহঁতৰ ততাতৈয়া নথকা অৱস্থাত গোটাই লৈ দুই বা তিনি ঘন্টা কাম কৰি দিয়াৰ কথা কলোঁ। তেওঁলোক খুচীমনে সন্মত হ'ল। তেওঁলোকৰ এই সহায়ৰ কাৰণে মই আশীৰ্ব্বাদ জনালোঁ আৰু পুৰস্কাৰ হিচাবে মই যি পুৰণি ডাকটিকট সংগ্ৰহ কৰি থৈছিলোঁ সেইবোৰ ভগাই দিলোঁ। খুব কম সময়ৰ ভিতৰতে সিহঁতে কাম শেষ কৰি পেলালে। সৰু ল'ৰা-ছোৱালীৰ দ্বাৰা স্বেচ্ছাসেৱকৰ দ্বাৰা কাম কৰোৱা এয়ে আছিল আমাৰ প্ৰথম অভিজ্ঞতা। তেতিয়াৰ দুজন বালক বন্ধু আজি মোৰ সহযোগী।

এই বিষয়ে ভাৰতবৰ্ষৰ নগৰবোৰত সভা-সমিতি পাতি জনমত সৃষ্টি কৰাই আছিল মোৰ উদ্দেশ্য আৰু মই ইয়াৰ কাৰণে বোম্বাই নগৰকে প্ৰথম বাছনি কৰিলোঁ। বোম্বাইৰ পাছত পুণা আৰু তাৰ পাছত মাদ্ৰাজ আৰু তাৰ পৰা কলিকতা। তাতে ডাৰবানৰ পৰা তলত দিয়া ধৰণে এখন টেলিগ্ৰাম পালোঁ – "পাৰ্লিয়ামেণ্ট জানুৱাৰীত বহিব

। সোনকালে ঘূৰি আহক ।”

সেয়ে ডিচেম্বৰৰ প্ৰথম সপ্তাহত মই দ্বিতীয় বাৰৰ বাবে দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰিলোঁ । মোৰ স্ত্ৰী, দুই পুত্ৰ আৰু বিধবা ভনীজনীৰ একমাত্ৰ পুতেক জন মোৰ লগত ওলাল । একেলগে ‘নাদেৰী’ নামৰ আন এখন জাহাজো ডাৰবান অভিমুখে ৰাওনা হ’ল । দাদা আবদুল্লা এই কোম্পানীৰ এজেন্ট । দুয়োখন জাহাজৰ মুঠ যাত্ৰী সংখ্যা প্ৰায় আঠশ আৰু ইয়াৰ আধাই ট্ৰান্সভালৰ যাত্ৰী ।

দক্ষিণ আফ্ৰিকালৈ প্ৰত্যাবৰ্ত্তনঃ ধুমুহাৰ সমুখীন

দুয়োখন জাহাজেই ১৮ ডিচেম্বৰৰ বা এক দুই দিন আগে-পিছে কোনোবা এদিন ডাৰবান বন্দৰত লঙ্গৰ পেলালে । ডাক্তৰে যাত্ৰী সকলৰ আদ্যোপান্ত পৰীক্ষা কৰাৰ আগতে দক্ষিণ আফ্ৰিকাৰ কোনো বন্দৰতে নামিব দিয়া নাছিল । জাহাজত কিবাকে ৰোগাক্ৰান্ত যাত্ৰী থাকিলে সেই জাহাজখনকে কেইদিনমানৰ কাৰণে কাৰো লগত সম্বন্ধ নৰখাকৈ ৰাখি দিয়া হয় । আমি বোম্বাইৰ পৰা যাত্ৰা কৰা সময়ত ইয়াত প্লেগ হৈ থকা বাবে আমিও তেনে ভাবে কেইদিনমান প্ৰতীক্ষা কৰিব লাগিব বুলি ভয় খাইছিলোঁ । বন্দৰৰ ডাক্তৰে আহি আমাক পৰীক্ষা কৰি গ’ল । তেওঁ আমাক পাঁচ দিন ৰবৰ বাবে নিৰ্দ্দেশ দিলে । কাৰণ তেওঁৰ মতে প্লেগৰ বীজাণু খুব বেছি তেইচ দিনহে জীয়াই থাকে । সেয়ে আমাৰ জাহাজখনক বোম্বাই এৰাৰ ত্ৰয়োবিংশ দিনলৈ বেলেগে থকাৰ নিৰ্দেশ দিয়া হ’ল । অৱশ্যে কেৱল স্বাস্থ্য ৰক্ষাৰ দৃষ্টিৰেই এই আদেশ দিয়া হোৱা নাছিল ।

ডাৰবানৰ শ্বেতাংগ অধিবাসী সকলে মোৰ প্ৰত্যাবৰ্ত্তনৰ কথাকে লৈ আন্দোলন আৰম্ভ কৰিছিল । আমাৰ বন্দৰত নমাতো স্থগিত ৰখাৰ কাৰণ শ্বেতাংগ সকলৰ আন্দোলনেই মূল আছিল । নগৰত ঘটি থকা দৈনন্দিন খবৰ দি আছিল । শ্বেতাংগ সকলে সদায়ে বিশাল ৰাজহুৱা সভাৰ আয়োজন কৰিছিল । এফালে আছিল মুষ্টিমেয় দৰিদ্ৰ ভাৰতবাসী আৰু তেওঁলোকৰ অলপ কেইজনমান ইংৰাজ মিত্ৰ আৰু অন্য ফালে

থিয় হৈছিল সংখ্যা, শক্তি, শিক্ষা আৰু সম্পদত বহুগুণে শক্তিশালী শ্বেতাংগসকল। নাটাল চৰকাৰৰ পৰা প্ৰকাশ্যে সহায়তা পাবলৈ ৰাষ্ট্ৰশক্তিও তেওঁলোকৰ পক্ষতে থকা বুলি ধৰা যায়।

যাত্ৰীসকলৰ মনোৰঞ্জনৰ কাৰণে জাহাজতেই নানা ধৰণৰ খেলা-ধুলা আমি আৰম্ভ কৰিছিলোঁ। আৰু এই আনন্দানুষ্ঠানত অংশ গ্ৰহণ কৰিলেও মোৰ মনত খেলি আছিল ডাৰবানৰ সেই যুদ্ধইহে। কাৰণ সেই আন্দোলনৰ মূল লক্ষ্য আছিলোঁ মই – মোৰ বিৰুদ্ধে দুই ধৰণৰ অভিযোগ আছিল -

(১) ভাৰতত থকা সময়ত মই নাটালৰ শ্বেতাংগ সকলৰ বিৰুদ্ধে অকাৰণে কুৎসা ৰটনা কৰিছোঁ।

আৰু (২) নাটাল খন ভাৰতবাসীৰ দ্বাৰা ভৰাই পেলাবৰ বাবে দুই জাহাজ ভাৰতবাসী লৈ আহিছোঁ।

মই কিন্তু সম্পূৰ্ণ নিৰপৰাধ। কাকো মই নাটাললৈ আহিবলৈ উদগণি দিয়া নাই। যাত্ৰীসকল জাহাজত উঠাৰ আগলৈকে মই কাকো চিনি পোৱা নাছিলোঁ। কেইজনমান আত্মীয়ক বাদ দি মই সেই কেবাশ যাত্ৰীৰ ভিতৰৰ এজনৰো নাম ঠিকনা জনা নাছিলোঁ। আৰু ভাৰতত থকা সময়ত নাটালৰ শ্বেতাংগ সকলৰ বিষয়ে এনে নতুন কথা মই কোৱা নাই যি ইতিপূৰ্বে নাটালত উচ্চাৰিত হোৱা নাই। মই যিবোৰ অভিযোগ কৰিছিলোঁ তাৰ পক্ষে মোৰ হাতত যথেষ্ট সাক্ষী প্ৰমাণ আছিল।

এনেকৈ এনেহুৱা ভাবে দিন যাব ধৰিলে। ২৩ দিন অতিক্ৰম কৰাৰ পাছত দুয়োখন জাহাজকে জাহাজ ঘাটত সোমাবলৈ অনুমতি দিলে আৰু যাত্ৰী সকলো নামিবলৈ পাৰিলে।

জাহাজ দুখন ঘাটত লগাৰ পাছত যাত্ৰী সকল পাৰত নামিবলৈ ধৰিলে কিন্তু শ্ৰীযুত এচকম্ব নামৰ মন্ত্ৰীসভাৰ এজন সদস্যই কেপ্তেইনলৈ এই খবৰ পঠিয়াইছিল যে নগৰত শ্বেতাংগ সকল মোৰ বিৰুদ্ধে খুব উত্তেজিত হৈ উঠা বাবে মোৰ জীৱনৰ সংশয় হব পাৰে। সেই বাবে কেপ্তেনে যেন মোক সন্ধিয়া সময়ত হে যেন পাৰত নামিব দিয়ে। কাৰণ তেতিয়া পোৰ্ট অধীক্ষক শ্ৰীযুত টাটুমে মোক ঘৰ পোৱাৰ ব্যৱস্থা কৰি দিব। কেপ্তেইন মহোদয়ে এই সংবাদ দিয়াত মই সেইমতে আচৰণ কৰিম বুলি স্থিৰ কৰিলোঁ। কিন্তু এই ঘটনাৰ আধা ঘন্টা পাছতেই শ্ৰীযুত লাফটন নামৰ ডাৰবানৰ ভাৰতীয় সমাজৰ এজন বন্ধুৱে কেপ্তেইন মহোদয়ক আহি কলে –"শ্ৰীযুত গান্ধীৰ আপত্তি নাথাকিলে মই তেওঁক মোৰ লগতে লৈ যাব খোজোঁ। আৰু জাহাজ কোম্পানীৰ এজেন্টৰ আইন বিষয়ক উপদেষ্টা হিচাবে মই আপোনাক আশ্বস্ত কৰিব পাৰোঁ যে, আপুনি শ্ৰীযুত

এচকম্বৰ নিৰ্দেশ মানিবলৈ বাধ্য নহয়। তাৰ পাছত মোৰ কাষলৈ আহি কলে-"আপুনি যদি ভয় নকৰে, তেনে মোৰ প্ৰস্তাব হৈছে এই যে শ্ৰীমতী গান্ধী আৰু ল'ৰা-ছোৱালী কেইটি ৰুস্তমজীৰ গাড়ীতে যাওক আৰু আপুনি আৰু মই খোজ কাঢ়ি তেওঁলোকৰ পাছে পাছে যাম। আপুনি চোৰৰ দৰে নগৰত প্ৰৱেশ কৰাতো আমাৰ আকাংক্ষিত নহয়। আপোনাৰ গাঁলৈ হাত তুলিব বুলি মোৰ মনে নকয়। এতিয়া সকলোৱে শান্ত হৈ আছে। শ্বেতাংগ সকল ঘৰাঘৰি গৈছে। যিয়ে হওক – মোৰ দৃঢ় বিশ্বাস যে আপুনি লুকাই চুৰকৈ নগৰত প্ৰৱেশ কৰাতো উচিত নহব।" মই তৎক্ষণাত সন্মত হলোঁ। মোৰ পত্নী আৰু ল'ৰাছোৱালী কেইটি নিৰাপদে ৰুস্তমজীৰ গাড়ীত ওলাই গল। কেপ্তেইন চাহাবৰ অনুমতি লৈ মই শ্ৰীযুত লাফটনৰ সৈতে পাৰত নামিলোঁ। জাহাজ ঘাটৰ পৰা ৰুস্তমজীৰ ঘৰলৈ প্ৰায় দুই মাইল দূৰ।

পাৰত নমাৰ লগে লগে, কেইটামান ল'ৰাই মোক চিনি পাই 'গান্ধী' 'গান্ধী' বুলি চিঞৰিব ধৰিলে। লগে লগে ক'ৰ পৰা আহি বহু লোক সমবেত হৈ চিঞৰিব ধৰিলে। ভীৰ বাঢ়িব পাৰে বুলি ভয় কৰি শ্ৰীযুত লাফটনে এখন ৰিক্সা মাতিলে। মই ৰিক্সাত উঠাতো ভাল নাপাইছিলোঁ। এয়া আছিল ৰিক্সাত উঠা মোৰ প্ৰথম অভিজ্ঞতা। কিন্তু ল'ৰাহঁতে মোক কোনোমতেই ৰিক্সাত উঠিব নিদিয়ে। সিহঁতে ৰিক্সা চালক জনক প্ৰাণনাশৰ ভয় দেখুৱালে। ফলত সি ৰিক্সা এৰি দৌৰ দিলে। মই আগুৱাই যোৱাৰ লগে লগে ভীড়ো বাঢ়ি আহিল। সিহঁতে প্ৰথম শ্ৰীলাফটনক ধৰি ৰাখিলে আৰু আমি পৰস্পৰৰ পৰা পৃথক হৈ পৰিলোঁ। তাৰ পাছত মোৰ গাঁলৈ শিল, ইটা, ঘোলা ডিমা দলিয়াবলৈ ধৰিলে। এজনে মোৰ পাগুৰীটোকে খুলি নিলে আৰু সকলোৱে মোক কিল, ভুকু, চৰ আৰু লাঠি মাৰিব ধৰিলে। মোৰ মূৰ ঘূৰিব ধৰিলে আৰু এটা ঘৰৰ ৰেলিঙত ধৰি মই ফোপাবলৈ ধৰিলোঁ। কিন্তু তাতো থিয় দি থকা অসম্ভৱ হৈ উঠিল। সিহঁতে মোক ঘুচি চৰৰে জৰ্জৰিত কৰি তুলিলে। ঘটনাক্ৰমত পুলিচ অধীক্ষকৰ ঘৈণীয়েক সেই ৰাস্তাৰে গৈ আছিল। তেওঁ মোক চিনিছিল। সেই সাহসী মহিলা গৰাকীয়ে সেই উন্মত্ত জনতাৰ মাজত সোমাই তেওঁৰ বাহু মেলি ধৰি মোৰ সমুখত থিয় দিলে। তেওঁ ভীৰৰ মাজত মোক সেইদৰে আগুৰি ধৰা বাবে জনতাৰ ৰোষৰ পৰা মই হাত সাৰিলোঁ। কাৰণ শ্ৰীমতী আলেকজেণ্ডাৰক আঘাট নকৰাকৈ মোক ঘুচি চৰ মৰা সম্ভৱ নাছিল।

ইতিমধ্যে এজন ভাৰতীয় যুবকে এই ঘটনা দেখি থানাত খবৰ দিবলৈ দৌৰিছিল। পুলিচ অধীক্ষক আলেকজেণ্ডাৰ চাহেবে মোক চাৰিও পিনে ঘেৰি লৈ নিৰাপদে মোৰ

গন্তব্যস্থানলৈ পঠাবৰ বাবে কেইবাজনো চিপাহী পঠিয়ালে । তেওঁলোক সময়মতে উপস্থিত হ'ল । ৰাস্তাৰ কাষতেই থানা । সেইখিনি পাওঁতে অধীক্ষক চাহাবে মোক থানাতে আশ্রয় লবলৈ কলে । কিন্তু কৃতজ্ঞতা জনাই মই তেওঁৰ পৰামৰ্শ উপেক্ষা কৰিলোঁ । মই কলোঁ – "সিহঁতে নিজৰ ভুল বুজিব পাৰিলে নিজেই শান্ত হব । সিহঁতৰ ন্যায় বোধত মোৰ আস্থা আছে ।" এনেদৰে পুলিচ পহৰাত আন কোনো দুৰ্ঘটনা নোহোৱাকৈ মই ৰুস্তমজীৰ ঘৰ পালোঁগৈ । মোৰ শৰীৰৰ অনেক ঠাই মাৰৰ কোৱত ফুলিলেও তেজ ওলাইছিল মাত্র এক ঠাইৰ পৰাহে । জাহাজৰ চিকিৎসক জন তাত আছিলেই আৰু সাধ্যমতে তেওঁ মোৰ চিকিৎসা কৰিলে ।

ঘৰৰ পৰিবেশ শান্ত । কিন্তু বাহিৰত শ্বেতাংগ সকলে ৰুস্তমজীৰ ঘৰ ঘেৰি পেলাইছিল । ৰাতি হৈ আহিছিল আৰু ক্রুদ্ধ জনতাই গৰজি উঠিছিল- "আমাক গান্ধীক লাগে ।" দূৰদৃষ্টি সম্পন্ন চাহাব ইতিমধ্যে ঘটনাস্থলত উপস্থিত হৈছিল আৰু তেওঁ উন্মত্ত জনতাক শান্ত কৰিবলৈ চেষ্টা কৰিছিল । তেওঁ কোনো প্রকাৰৰ ধমক দিয়াৰ সলনি সিহঁতৰ লগত ৰসিকতা কৰি উত্তেজনা প্রশমনৰ চেষ্টা কৰিছিল । অৱশ্যে তাতে তেওঁৰ দুশ্চিন্তা শেষ হোৱা নাই । তেওঁ মোক তলত দিয়া দিয়া দৰে এটা বাতৰি পঠিয়ালে, "আপুনি যদি আপোনাৰ বন্ধুৰ ঘৰ-দুৱাৰ, সম্পত্তি আৰু আপোনাৰ পৰিয়ালৰ সকলোকে ৰক্ষা কৰিব খোজে, তেনে মোৰ পৰামৰ্শ অনুসৰি ইয়াৰ পৰা ছদ্মবেশে পলাই যাওক ।

অধীক্ষকৰ উপদেশ অনুসৰি মই ভাৰতীয় কনিষ্টবলৰ পোছাক পিন্ধি মূৰত মাদ্রাজী ধৰণৰ পাগুৰি বান্ধিলোঁ । তাৰ ওপৰত শিৰস্ত্রাণ ৰূপে লোহাৰ কাদৰৰ টুকুৰা এটা থাকিল । মোৰ লগত দুজন ডিটেকটিভ অফিচাৰ ওলাল । এওঁলোকৰ এজনে ৰং ঘহি ভাৰতীয় ব্যবসায়ীৰ ছদ্মবেশ ধাৰণ কৰিছিল । অন্য জনে কি সাজিছিল সেই কথা পাহৰি গৈছোঁ । এটা সৰু গলিৰে ওচৰৰ দোকান এখনত উপস্থিত হলোঁ আৰু দোকানৰ গুদামত সজাই থোৱা বস্তাবোৰৰ মাজেৰে লাঠি মাৰি দোকানৰ মূল দুৱাৰেৰে আমি ওলাই আহিলোঁ । তাৰ পাছত ভীৰৰ মাজেৰে আহি ডাঙৰ ৰাস্তাৰ একাষত আমাৰ বাবে ৰৈ থকা গাড়ীত উঠিলোঁগৈ । গাড়ীখনে আমাক সেই থানালৈ নিলে, য'ত কেইঘন্টামান আগতে শ্ৰীযুত আলেকজেণ্ডাৰে মোক আশ্রয় দিব খুজিছিল । যিয়ে হওক থানাত উপস্থিত হৈ মই শ্ৰীযুত আলেকজেণ্ডাৰ আৰু তেওঁৰ সহযোগী দুয়োজন ডিটেকটিভক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

মই যেতিয়া পলাইছিলোঁ শ্ৰীযুত আলেকজেণ্ডাৰে এটা গান গাই উত্তেজিত জনতাৰ

মনোযোগ তেওঁৰ পিনে আকৰ্ষণ কৰি ৰাখিছিল ঃ তেতেলী গছৰ ফাঁচী কাঠত ওলোমোৱা বুঢ়া গান্ধী টোক ॥

আমি নিৰাপদে থানা পোৱাৰ বাতৰি তেওঁক দিয়াৰ পাছত তেওঁ জনতাৰ মাজত এই খবৰ তলত দিয়া ধৰণে প্ৰকাশ কৰিলে – "আৰে তোমালোকৰ আচামী তো ওচৰৰ দোকান খনৰ ভিতৰেদি সীমা পাৰ হৈ গ'ল । এতিয়া তোমালোক ঘৰে ঘৰে যোৱাই ভাল ॥" এই খবৰ পাই কিছুমান জাগুৰ খাই উঠিল, কোনো কোনোৱে হাঁহিলে আৰু বহুতে এই কথা বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিলে ।

পুলিচ অধীক্ষকে কলে – "ভাল, মোৰ কথাত যদি তোমালোকৰ বিশ্বাস নহয় তেনে তোমালোকৰ এজনে মোৰ লগত ঘৰৰ ভিতৰলৈ আহা । তেওঁলোকে যদি গান্ধীক বিচাৰি পায়, তেনে খুচী মনে মই তেওঁক তোমালোকৰ হাতত সমৰ্পণ কৰিম । কিন্তু গান্ধীক ইয়াত বিচাৰি নাপালে তোমালোক ইয়াৰ পৰা যাব লাগিব । মোৰ ধাৰণা তোমালোকে ৰুস্তমজীৰ ঘৰ বা শ্ৰীযুত গান্ধীৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালী কেইটাৰ অন্যায় কৰিব নিবিচাৰা ।"

জনতাই ৰুস্তমজীৰ ঘৰ খানাতালাচ কৰিবলৈ তেওঁলোকৰ প্ৰতিনিধি পঠিয়ালে । সোনকালে আশা ভঙ্গ হৈ তেওঁলোক বাহিৰ ওলাই আহিল আৰু অৱশেষত জনতাই ছত্ৰভংগ দিলে । গুচি যাবৰ সময়ত বেছি ভাগেই অধীক্ষক ডাঙৰীয়াই যি দক্ষতাৰে ঘটনাটো চম্ভালিলে তাৰ প্ৰশংসা কৰি গ'ল । অৱশ্যে কোনো কোনোৱে গুমৰি গুজৰি ঘৰমুৱা হ'ল ।

সেই সময়ৰ উপনিবেশ সচিব শ্ৰীযুত চেম্বাৰলেনে নাটাল চৰকাৰলৈ এটা তাঁৰবাৰ্ত্তা পঠিয়াই মোক আক্ৰমণ কৰা সকলৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছিল । শ্ৰীযুত এচকম্বে মোক মাতি পঠিয়াই মই পোৱা আঘাতৰ বাবে দুঃখ প্ৰকাশ কৰিলে আৰু কলে "বিশ্বাস কৰক – আপোনাৰ দেহাৰ সামান্য অলপ আঘাতেও মোক ব্যথিত কৰি তোলে । শ্ৰীযুত লাফটানৰ পৰামৰ্শ গ্ৰহণ কৰি চূড়ান্ত বিপদৰ সমুখীন হোৱাৰ অধিকাৰ অৱশ্যে আপোনাৰ আছিল । অৱশ্যে মোৰ দৃঢ় বিশ্বাস এই যে যদি আপুনি মোৰ পৰামৰ্শ গ্ৰহণ কৰিলেহেতেন তেনেহলে এই শোকলগা ঘটনা নঘটিলহেতেন । আপুনি যদি আততায়ী সকলক চিনাক্ত কৰিব পাৰে, মই সিহঁতক গ্ৰেপ্তাৰ কৰি আইনমতে ব্যৱস্থা লবলৈ সাজু আছোঁ । শ্ৰীযুত চেম্বাৰলেনৰো সেয়ে ইচ্ছা ।'

তাৰ উত্তৰত মই কলোঁ – "মই কাকো শাস্তি দিব নোখোজোঁ । তেওঁলোকৰ দুই চাৰি জনক হয়তো চিনাক্ত কৰিব পাৰিম–কিন্তু তেওঁলোকক শাস্তি দি কি লাভ

হ'ব ? তাত বাদে আক্ৰমণকাৰী সকলক মই দোষ নিদিওঁ। তেওঁলোকক এই কথা বুজোৱা হৈছিল — যে মই ভাৰতবৰ্ষত ইয়াৰ বিষয়ে — শ্বেতাংগ সকলৰ বিৰুদ্ধে অতিৰঞ্জিত আৰু ক্ষতিকাৰক বাতৰি প্ৰকাশ কৰিছোঁ। এই খবৰ পোৱাৰ পাছত তেওঁলোক এনেভাবে উত্তেজিত হোৱাত আচৰিত হ'বলগীয়া একো নাই। ইয়াৰ বাবে ইয়াৰ নেতৃবৃন্দ আৰু যদি বেয়া নাপায় তেনে আপুনিও দায়ী। আপোনালোকে জনসাধাৰণক উচিত পথে পৰিচালিত কৰিব পাৰিলেহেতেন কিন্তু আপোনালোকেও ৰয়টাৰৰ খবৰকে বিশ্বাস কৰি লৈ মোক অতিৰঞ্জনৰ অপৰাধত অপৰাধী বুলি ধৰিলে। মই কাৰো বিৰুদ্ধে মোকৰ্দ্দমা কৰিব নোখোজোঁ। মই এই কথা খুব ভাল ভাবেই জানো যে সত্য ঘটনা প্ৰকাশিত হ'লে সিহঁত কৃতকৰ্মৰ বাবে অনুতপ্ত হ'ব।"

শ্ৰীযুত এচকম্বে ক'লে —"এই কথা লিখি দিয়াততো আপোনাৰ কোনো আপত্তি নাই ? কাৰণ এই বিষয়ে মই শ্ৰীচেম্বাৰলেনক এখন টেলিগ্ৰাম দিব লাগিব। অৱশ্যে এতিয়াই সেইখন লিখি দিয়ক সেই কথা মই কোৱা নাই। চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে আপুনি আপোনাৰ বন্ধু শ্ৰীলাফটন আৰু অন্যান্য বন্ধু সকলৰ সৈতে পৰামৰ্শ কৰিব পাৰে। অৱশ্যে মই স্বীকাৰ কৰিছোঁ যে আপুনি যদি আপোনাৰ আক্ৰমণকাৰী সকলক শাস্তি দিয়াৰ অধিকাৰ প্ৰয়োগ নকৰে, তেনেহ'লে ইয়াত শান্তি প্ৰতিষ্ঠাৰ কামত আমাক বহুত সহায়তা কৰা হ'ব আৰু আপোনাৰ সম্মানো বৃদ্ধি পাব।"

মই ক'লোঁ — "ধন্যবাদ। কাৰো লগত পৰামৰ্শ কৰাৰ মোৰ প্ৰয়োজন নাই। আপোনাৰ ওচৰলৈ অহাৰ আগতে মই এই সিদ্ধান্ত কৰিছিলোঁ। আক্ৰমণকাৰী সকলৰ বিৰুদ্ধে মোকৰ্দ্দমা নকৰাতো মোৰ বিশ্বাসৰ অংগ বিশেষ। এই মুহূৰ্ত্ততে মোৰ সিদ্ধান্তৰ কথা মই লিখি দিওঁ।" মই তৎকালেই মোৰ লিখিত বিবৃতি তেওঁক দাখিল কৰিলোঁ।

জাহাজ ঘাটত নমাৰ দিনা "দি নাটাল এদভাৰ্টাইজৰ"ৰ এজন প্ৰতিনিধি মোক দেখা কৰিবলৈ আহিছিল। তেওঁ বহুতো প্ৰশ্ন কৰিছিল আৰু তাৰ উত্তৰ দিওঁতে মোৰ বিৰুদ্ধে যিবোৰ অভিযোগ আনিছিল, সেইবোৰ খণ্ডন কৰিবলৈ সমৰ্থ হৈছিলোঁ।

এই সাক্ষাৎকাৰৰ বিবৰণ আৰু আক্ৰমণকাৰী সকলক মোৰ অভিযুক্ত কৰাৰ অনিচ্ছা — দুয়ো মিলি এনে এক অদ্ভুত পৰিবেশ সৃষ্টি কৰিলে যে ডাৰবানৰ ইউৰোপীয় সকল তেওঁলোকৰ পূৰ্ব্বৰ ব্যৱহাৰৰ বাবে লজ্জিত হ'ল। স্থানীয় বাতৰি কাকতবোৰে মোক নিৰপৰাধ বুলি কৈ জনতাক নিন্দা কৰিলে। এনেভাবে এই ঘটনাই শেষ পৰ্য্যন্ত আমাৰ দাবীৰ পক্ষে দৃষ্টান্তৰ দৰে হ'ল। এই ঘটনাই দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকলৰ সাম্প্ৰদায়িক মৰ্য্যাদা বৃদ্ধি কৰিলে আৰু আমাৰ কামো সহজ হৈ উঠিল। তিনি চাৰি

দিনৰ ভিতৰত আমি আমাৰ ঘৰলৈ গলোঁ আৰু তাত সকলো ঠিক-ঠাক কৰোঁতে বেছি সময় নালাগিল ।

সবল জীৱন

প্ৰত্যেক মাহে ধোবাক বেছ কিছু টকা দিবলগীয়া হয় । আৰু তাৰ সময় নিষ্ঠাৰ কোনো মূল্য নথকা বাবে দুই তিনি ডজন চাৰ্ট আৰু টাইয়েও মোক নুকুলাইছিল । সদায় একোটা কলাৰ লাগে আৰু দৈনিক নহলেও এদিনৰ . পাছে পাছে চাৰ্টটো বদলি কৰাৰ প্ৰয়োজন হৈ পৰে । ইয়াৰ ফলত খৰছ দুগুণ হয় আৰু মোৰ কাৰণে খুব অন্যায় যেন লাগে । সেয়ে এই খৰছ কমাবৰ নিমিত্তে কাপোৰ ধোৱা আৰু ইস্ত্ৰি কৰাৰ সা-সজুলিখিনি যোগাৰ কৰিলোঁ । কাপোৰ ধোৱা সম্বন্ধে এখন কিতাপ কিনি আনি এই বিদ্যাৰ জ্ঞান লাভ কৰিলোঁ । আৰু পত্নীকো এই কাম শিকালোঁ । ইয়াৰ বাবে মোৰ কাম বাঢ়িলেও কামৰ অভিনবত্বৰ বাবে আনন্দও হল ।

প্ৰথম দিনা নিজে হাতে কলাৰটো ধুইছিলোঁ – সিদিনাৰ কথা মই পাহৰিব নোৱাৰোঁ । তাত মাৰ বেছি হৈছিল আৰু ইস্ত্ৰিটো ভাল ধৰণে গৰম কৰা হোৱা নাছিল । কাপোৰ পুৰি যোৱাৰ ভয়ত কলাৰটো মই ভালকৈ ইস্ত্ৰি নকৰিলোঁ । ফলত, কলাৰটো পোন হৈ থাকিলেও – তাৰ গাৰ পৰা অতিৰিক্ত এৰাৰুটৰ গুৰি পৰিবলৈ ধৰিলে । সেই কলাৰ পিন্ধিয়েই মই আদালতলৈ গলোঁ আৰু মোৰ সহকৰ্মী ব্যাৰিষ্টাৰ সকলে এই দেখি মোক বিদ্ৰুপ কৰিবলৈ ধৰিলে । অৱশ্যে তেতিয়ালৈ বিদ্ৰুপৰ প্ৰতি ভ্ৰক্ষেপ নকৰাৰ শক্তি মোৰ মনত জন্মিছিল ।

মই কলোঁ – "চাওক, নিজ হাতে কাপোৰ ধোৱাৰ এয়ে মোৰ প্ৰথম অভিজ্ঞতা । সেই কাৰণেহে এনে ধৰণে এৰাৰুটৰ গুৰি পৰিছে । কিন্তু তাত মোৰ কোনো অসুবিধা হোৱা নাই আৰু তাত বাদেও আপোনালোকে ইয়াৰ কাৰণেই কিমান আনন্দ পাইছে ।

এজন মিত্ৰই কলে – "বাৰু, আমাৰ ইয়াত ভাল ধোবাৰতো অভাব নাই ।"

মই উত্তৰ দিলোঁ – ধোবাৰ কাৰণেই ভাল শকত সংখ্যাৰ টকা এটা ওলাই যায় । এটা কলাৰ ধোৱাৰ খৰছ এটা নতুন কিনাৰ সমানে পৰে । তাতোকৈও সদায় তাৰ ওপৰতে নিৰ্ভৰ কৰি থাকিবলগীয়া হয় । তাতোকৈ নিজৰ কাপোৰ খিনি নিজ হাতে ধুই লোৱাতো ভাল নহয় নেকি ?"

এনেকৈ মই নাপিতৰ দাসত্ব বন্ধনৰ পৰাও মুক্ত হলোঁ। বিলাত ফেৰৎ প্ৰত্যেক জন ব্যক্তি তাৰ পৰাই অন্ততঃ নিজৰদাড়িখিনি কাটিবলৈ শিকি আহে। মই যিমান দূৰ জানো চুলি কটা বিদ্যা কোনোৱে শিকি নাহে। মই তাকো শিকিবলগীয়া হৈছিল। ইমান দিনে মই প্ৰিটোৰিয়াৰ এজন ইংৰাজ নাপিতৰ ওচৰলৈ গৈছিলোঁ। সি উপেক্ষাৰ ভাবেৰে মোৰ চুলি কাটিবলৈ অস্বীকাৰ কৰিলে। মোৰ মনত আঘাত লাগিলেও তৎক্ষণাতে এখন কেচি কিনি আনিলোঁ আৰু আয়নাৰ সমুখত থিয় হৈ নিজে চুলি কাটিছিলোঁ। সমুখৰ চুলিখিনি এক ধৰণে কাটিলেও, পিছ ফালৰ চুলি খিনি কটাত বেয়া হৈছিল। আদালতৰ বন্ধুবৰ্গই মোৰ এই অৱস্থা দেখি হাঁহিত ফাটি পৰিল।

"তোমাৰ চুলিৰ কি হ'ল গান্ধী? ইন্দুৰে খালে নেকি?" মই কলোঁ – "তেনে হোৱা নাই। শ্বেতাংগ নাপিতে আমাৰ কৃষ্ণবৰ্ণ কেশ স্পৰ্শ কৰিবলৈ মান্তি নহয়। সেই কাৰণে যিমানেই বেয়া নহওক নিজৰ চুলি নিজে কাটিছোঁ।"

বন্ধুসকল এই উত্তৰত আচৰিত নহল। মোৰ চুলি কাটিবলৈ অমান্তি হোৱাত নাপিতজনৰ একো দোষ নাই। কলা মানুহৰ কাম কৰিলে অন্য সকলো গ্ৰাহক হেৰুৱাবৰ আশংকা আছিল। আমিও আমাৰ দেশত আমাৰ নাপিতক 'অস্পৃশ্য' ভাইসকলৰ ক্ষৌৰ কৰ্ম কৰিবলৈ নিদিওঁ। দক্ষিণ আফ্ৰিকাত এই জাতীয় পুৰস্কাৰ এবাৰেই নহয় – বহুবাৰ পাইছোঁ। ই যে আমাৰ পাপৰেই শাস্তি – এই বিশ্বাসে মোক ইয়াৰ বাবে ক্ৰুদ্ধ হোৱাৰ পৰা ৰক্ষা কৰিছে।

এটা ঘটনাৰ স্মৃতি আৰু অনুতাপ

ডাৰবানত আইন ব্যৱসায় চলাই থকা সময়ত কেতিয়াবা আমাৰ কেৰাণী সকল ৰাতি আমাৰ ঘৰতে থাকে। এওঁলোকৰ ভিতৰত হিন্দুও আছিল, খৃষ্টানো আছিল। প্ৰদেশ হিচাবে ভাগ কৰিলে এওঁলোক গুজৰাটী আৰু তামিল – এই দুই প্ৰদেশৰ মানুহেই আছিল। এওঁলোক অত্যন্ত অন্তৰংগ হোৱা বাবে অন্য দৃষ্টিৰে দেখা বুলি মোৰ মনত নপৰে। এজন খৃষ্টিয়ান কেৰাণী অস্পৃশ্য পৰিয়ালৰ আছিল।

আমাৰ ঘৰবোৰ পশ্চিমীয়া ধৰণৰ আছিল। আৰু ইয়াৰ ভিতৰৰ পৰা ময়লা পানী

বাহিৰ ওলাই যোৱাৰ কোনো ৰাস্তা নাছিল। প্ৰত্যেক কোঠালীতে সেয়ে পেছাবৰ বাবে পাত্ৰ ৰখা হৈছিল। এই বিলাক কোনোবা চাকৰ বা মেতৰৰ হতুৱাই পৰিস্কাৰ নকৰি মই বা মোৰ স্ত্ৰীয়ে কৰিছিলো। যি সকল কেৰাণী আমাৰ ঘৰৰ মানুহৰ দৰে হৈ গৈছিল, তেওঁলোকে অৱশ্যে নিজৰ পাত্ৰ নিজে পৰিস্কাৰ কৰিছিল। কিন্তু খৃষ্টান কেৰাণীজন নতুনকৈ আহিছিল কাৰণে তাৰ পাত্ৰটো পৰিস্কাৰ কৰা মোৰ কৰ্ত্তব্য আছিল। অন্য সকলো ঘৰৰ পাত্ৰ পৰিস্কাৰ কৰিলে এজন "অস্পৃশ্য" ই ব্যৱহাৰ কৰা পাত্ৰটো পৰিস্কাৰ কৰা শ্ৰীমতীৰ পক্ষে মাত্ৰাতিৰেক হ'ল আৰু তাকে লৈ দুয়োৰো কাজিয়া লাগিল। মই সেই পাত্ৰ পৰিস্কাৰ কৰোঁ – সেয়া তেওঁৰ অসহ্য, অথচ নিজেও পৰিস্কাৰ নকৰে। কন্তুৰবাই মোক তৰ্জন-গৰ্জন কৰি আছে। খঙত তেওঁৰ চকু ৰঙা হৈছে, আৰু দুয়ো গালেৰে চকুপানী বৈ গৈছে। এই অৱস্থাৰে তেওঁ সেই পাত্ৰটো লৈ খটখটীৰে নামিছে। মই তেওঁৰ নিষ্ঠুৰ স্বামী। মই নিজকে তেওঁৰ শিক্ষক বুলি ভাবোঁ আৰু সেয়ে অন্ধ প্ৰেমেৰে সঞ্চালিত হৈ তেওঁক সংশোধন কৰিবলৈ তেওঁৰ ওপৰত অত্যাচাৰ কৰোঁ।

পাত্ৰটো নিয়ো তেওঁ নিস্তাৰ নাপালে। চাফাইৰ কাম হাঁহি মুখে কৰিব লাগিব – মই এই নিৰ্দেশ দিলোঁ। সেয়ে পৰ্দাৰ ওপৰেৰে গলটো উলিয়াই ঘোষণা কৰিলোঁ – "মোৰ ঘৰত এই ভেদবাদ নচলিব।"

মোৰ কথাবোৰে তেওঁক শৰৰ দৰে বিন্ধিলে। তেৰোঁ ওলোটাই চিৎকাৰ কৰি উঠিল -"তোমাৰ ঘৰ তোমাৰেই থাকক। মোক এইবাৰ বিদায় দিয়া।" মোৰ কাণ্ডজ্ঞান লোপ পালে আৰু মোৰ অন্তৰৰ পৰা কৰুণাৰ শেষ বিন্দুকণো অন্তৰ্হিত হ'ল। মই সেই অসহায় নাৰী গৰাকীক হাতত ধৰি টানি দুৱাৰৰ কাষলৈ আনিলোঁ। মোৰ উদ্দেশ্য আছিল – দুৱাৰখন খুলি তেওঁক বাহিৰ কৰি দিয়া। তেওঁৰ দুই চকুৰ পৰা অজস্ৰ ধাৰে চকুলো বৈছিল আৰু তেওঁ কান্দি কান্দি কৈছিল –"তোমাৰ বুদ্ধি-চুদ্ধি, লাজ-চৰম সকলো লোপ পাইছে নেকি? তুমিয়ে যদি এনে আত্মবিস্মৃত হোৱা তেনে মই যাম ক'লৈ ? ইয়াত মোৰ মা-দেউতা বা এনে কোনোবা আত্মীয়ৰ ঘৰ আছে নে কি ? যাৰ ঘৰলৈ গৈ মূৰটো গুজিব পাৰো। তোমাৰ স্ত্ৰী বুলি ভাবিছা যেতিয়া – তোমাৰ চৰ লাঠি মই সহ্য কৰিবই লাগিব। ভগবানৰ শপত মূৰটো ঠাণ্ডা কৰি দুৱাৰখন জপাই দিয়া যাতে এই কেলেঙ্কাৰী কোনোৱে নেদেখে।"

মই বীৰৰ দৰে মুখেৰে দেখালেও মনে মনে খুব লাজ পাইছিলোঁ। সেয়ে দুৱাৰখন বন্ধ কৰি দিলোঁ। মোৰ স্ত্ৰীৰ পক্ষে যেনেকৈ মোক এৰি যোৱা সম্ভৱ নহয়, তেনেকৈ

ময়ো তেওঁক ত্যাগ কৰিব নোৱাৰোঁ। আমাৰ মাজত বহুবাৰ কাজিয়া লাগিলেও শেষত আমাৰ মাজত শান্তি প্ৰতিষ্ঠিত হৈছে। মোৰ স্ত্ৰী তেওঁৰ অতুলনীয় সহন শক্তিৰ বাবে প্ৰত্যেকবাৰেই জয়ী হৈছে।

বুৱৰ যুদ্ধ

এইবাৰ মই ১৮৯৭ চনৰ পৰা ১৮৯৯ ৰ মাজৰ বহু ঘটনাৰ কথা বাদ দি একেবাৰে বুৱৰ যুদ্ধৰ কথা প্ৰসংগত উপনীত হয়।

'দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ' নামৰ কিতাপখনত মই সেই সময়ৰ আভ্যন্তৰীণ সংঘৰ্ষৰ কথা বহলাই বৰ্ণনা কৰিছোঁ। ইয়াত তাৰ পুনৰুক্তি নকৰিলোঁ। অনুসন্ধিৎসু পাঠকক মই সেইখন কিতাপ পঢ়াৰ পৰামৰ্শ দিওঁ। ইয়াত কেৱল এইখিনি কোৱাই যথেষ্ট যে বৃটিছ শাসনৰ প্ৰতি মোৰ আনুগত্যই আমাক ইংৰাজ সকলৰ পক্ষ লবলৈ অনুপ্ৰাণিত কৰে। আমি যদি বৃটিছ নাগৰিকত্বৰ অধিকাৰ খোজোঁ, তেতিয়া হলে বৃটিছ নাগৰিক হিচাবে বৃটিছ সাম্ৰাজ্য ৰক্ষা কাৰ্য্যত আমি অংশ গ্ৰহণ কৰা উচিত – এই ধাৰণাৰে তেতিয়া মই পৰিচালিত হৈছিলোঁ।

আমাৰ বাহিনীত ১১০০ জন স্বেচ্ছাসেৱক আছিল আৰু এওঁলোকৰ নায়কৰ সংখ্যা আছিল ৪০ জন। তেতিয়া আমি আহত সকলক পিঠিত তুলি লৈ দৈনিক কুৰিৰ পৰা ২৫ মাইল পৰ্য্যন্ত কুচকাৱাজ কৰিবলগীয়া হৈছিল। আহত সকলৰ মাজত জেনেৰেল উদগেটৰ দৰে সৈনিকক বহন কৰাৰ সন্মানো আমি অৰ্জন কৰিছিলোঁ। ছয় সপ্তাহ সেৱা কৰাৰ পাছত স্বেচ্ছাসেৱক বাহিনী ভঙ্গ কৰি দিয়া হ'ল।

সেই সময়ত আমাৰ এই সামান্য কাজৰ বাবে খুব প্ৰশংসা পোৱা হয় আৰু ইয়াৰ ফলত ভাৰতীয় সমাজৰ মৰ্য্যাদা বৃদ্ধি হয়।

মূল্যবান উপঢৌকন

যুদ্ধৰ দায়িত্ব শেষ হোৱাৰ পাছত মোৰ ভাব হ'ল যে এইবাৰ দক্ষিণ আফ্ৰিকাত মোৰ কাম শেষ হৈছে আৰু এতিয়া মোৰ কৰ্মক্ষেত্ৰ হৈছে ভাৰতবৰ্ষ। মোৰ দেশীয় বন্ধু-বান্ধব সকলে স্বদেশ প্ৰত্যাবৰ্ত্তনৰ কাৰণে মোক তাগিদ কৰি আছে আৰু মোৰো

ভাব হৈছিল যে ভাৰতবৰ্ষত আমাৰ সেৱাৰ ইয়াতকৈ বেছি প্ৰয়োজন। সেয়ে সহকৰ্মী সকলক মোক বিদায় দিবলৈ অনুৰোধ জনালোঁ। বহু ওজৰ-আপত্তিৰ পাছত মোক চৰ্ত সাপেক্ষে যাবলৈ অনুমতি দিয়া হ'ল। চৰ্ত্ত হ'ল এই যে এবছৰৰ ভিতৰত ভাৰতীয় সম্প্ৰদায়ে মোৰ উপস্থিতিৰ প্ৰয়োজন বোধ কৰিলে। মই দক্ষিণ আফ্ৰিকালৈ ঘূৰি যাবলৈ সাজু থাকিম। সকলোতে বিদায় সভাৰ আয়োজন হ'ল। আৰু নানা প্ৰকাৰৰ মূল্যবান উপঢৌকন দিলে। উপহাৰ সমূহ সাধাৰণতে সোণ-ৰূপেৰে নিৰ্মিত হলেও তাৰ ভিতৰত হীৰাখচিত বস্তুও আছিল।

যিদিনা সন্ধিয়া মই উপহাৰবোৰ পালোঁ – সিদিনা ৰাতি মোৰ চকুত টোপনি নাহিল। তীব্ৰ উত্তেজনাত মই ৰুমটোত খোজ কাঢ়ি ফুৰিবলৈ ধৰিলোঁ। কিন্তু সমস্যাৰ কোনো সমাধান উলিয়াব নোৱাৰিলোঁ। শ শ টকাৰ এই মূল্যৰ উপহাৰ এৰি দিয়া কঠিন। আকৌ এইবোৰ নিজৰ বুলি ৰখাটোও বৰ কষ্টকৰ।

মই যদি সেইবোৰ ৰাখোঁ, তেনেহলে মোৰ সন্তান সকলৰ ওপৰত ইয়াৰ কি প্ৰভাব পৰিব ? মোৰ স্ত্ৰীৰ মনত কি প্ৰতিক্ৰিয়া হব ? সিহঁতক সেৱাপূৰ্ণ জীৱনৰ শিক্ষা দিয়া হৈছিল। সিহঁতে বুজিছিল যে সেৱা নিজেই নিজৰ পুৰস্কাৰ।

আমাৰ ঘৰত কোনো মূল্যবান অলঙ্কাৰ আদি নাছিল। দ্ৰুতবেগে আমি আমাৰ জীৱন সহজ-সৰল কৰি আনিছিলোঁ। এই অৱস্থাত সোণৰ ঘড়ী ৰখা কিমান দূৰ সমীচীন ? সোণৰ নেকলেচ বা হীৰাৰ আঙুঠি পিন্ধাতো আমাৰ পক্ষে মুঠেও শোভা নাপায়। ইয়াত বাদেও মই সকলোকে সোণৰ অলঙ্কাৰৰ মোহ ত্যাগ কৰিবলৈ উপদেশ দিছিলোঁ। তেনে যিবোৰ ৰত্নাভৰণ এতিয়া মোৰ হাতলৈ আহিছে মই সেইবোৰেৰে কি কৰিম ?

এইবোৰ আমি ৰখা উচিত নহব – এই কথা স্থিৰ কৰিলোঁ। ভাৰতীয় সম্প্ৰদায়ৰ কল্যাণৰ বাবে এই সকলো সম্পত্তিৰে এটা ট্ৰাষ্ট গঠন কৰিবলৈ সিদ্ধান্ত কৰিলোঁ। প্ৰস্তাবিত ট্ৰাষ্টৰ নিয়মাৱলীৰ খচৰা লিখি উলিয়ালোঁ আৰু পাৰ্চী ৰুস্তমজী আৰু অন্য কেইজনমান ট্ৰাষ্টী নিযুক্ত কৰাৰ প্ৰস্তাৱ কৰিলোঁ। ৰাতিপুৱাই মোৰ স্ত্ৰী আৰু সন্তান কেইটিৰে পৰামৰ্শ কৰি অৱশেষত এই বোজাৰ পৰা নিষ্কৃতি পালোঁ।

মই অনুমান কৰিছিলোঁ যে – এই বিষয়ে স্ত্ৰীৰ সম্মতি আদায় কৰোঁতে মোৰ কষ্ট হব। অৱশ্যে ল'ৰাহঁতক সম্মত কৰোঁতে কোনো অসুবিধা নহব বুলি মই জানিছিলোঁ। সেয়ে মই ল'ৰাহঁতকে উকীল হিচাবে নিযুক্ত কৰিবলৈ স্থিৰ কৰিলোঁ।

ল'ৰাহঁত সহজেই মোৰ প্ৰস্তাবত ৰাজী হ'ল। সিহঁতে কলে – "এই সকলো

মূল্যবান উপঢৌকনবোৰৰ আমাৰ কোনো দৰকাৰ নাই্। এইবোৰ সমাজৰ কাৰণে দি দিয়াই্ উচিত। যদি এইবোৰৰ আমাৰ কেতিয়াবা প্ৰয়োজন হয় আমি কিনি লব নোৱাৰিম জানো ?"

মই্ আনন্দিত হৈ সিহঁতক কলোঁ – "তেনে এই কথা মায়েৰাক বুজোৱা।"

সিহঁতে উত্তৰ দিলে – " নিশ্চয়। মাক বুজোৱাতো আমাৰ কৰ্ত্তব্যই্। তেওঁতো এইবোৰ গহনা নিপিন্ধেই্। এই বিলাক আমাৰ কাৰণে থৈ দিবলৈ ইচ্ছা কৰিব, অথচ এইবোৰৰ আমাৰ কোনো প্ৰয়োজন নাই্। তেনে এইবোৰ দি দিয়াত আপত্তি কৰাৰ কাৰণ কি থাকিব পাৰে ?"

কিন্তু এই্ কথা কোৱা যিমান সহজ, কামটো কৰা সিমান সহজ নহয়।

মোৰ স্ত্ৰীয়ে কলে – "তোমাৰ হয়তো এইবোৰৰ প্ৰয়োজন নাই্। আৰু তোমাৰ ল'ৰাহঁতেও এইবোৰ নিবিচাৰিব। সিহঁতে তোমাৰ কথাতে নাচিছে। মোক গহনা-পাতি পিন্ধিবলৈ নিদিয়াৰ অৰ্থ মই্ বুজি পাওঁ। কিন্তু আমাৰ বোৱাৰীহঁতৰ কি হ'ব ? সিহঁতেতো গহনা পিন্ধিব ! তাত বাদেও বিপদ আপদতো সময়ত আহিব পাৰে – সেই্ কথা আজি কোনে কব ? ইমান ভাল পাই্ মানুহবোৰে আমাক যিবোৰ বস্তু দিছে – সেইবোৰ মই্ এৰি থৈ ৰাখিব নোখোজোঁ।"

এনে ভাবে যুক্তিতৰ্কৰ প্ৰবল সোঁত প্ৰবাহিত হল আৰু শেষত চকুৰ পানীৰে তাৰ পৰিসমাপ্তি ঘটিল। মই্ কিন্তু গহনাপাতি ফিৰৎ দিয়াৰ ক্ষেত্ৰত দৃঢ় হৈ ৰলোঁ। শেষ পৰ্য্যন্ত পাকে-প্ৰকাৰে তাৰ এটা সম্মতি ললোঁ। ১৮৯৬ খৃঃ আৰু ১৯০১ ত পোৱা যাবতীয় উপঢৌকন এইভাবে প্ৰত্যাৰ্পণ কৰা হ'ল।

এটা নিধি মণ্ডল নিয়োগ কৰি দলীল সম্পাদনা কৰি গহনাবোৰ মোৰ বা নিধি মণ্ডলৰ ইচ্ছানুসৰি ভাৰতীয় সম্প্ৰদায়ৰ মংগলৰ বাবে বেঙ্কত জমা ৰখা হ'ল।

ভৱিষ্যতে এই্ কাৰ্য্যৰ বাবে মই্ কোনো দিনে অনুতাপ কৰা নাই্ আৰু মোৰ স্ত্ৰীয়েও ক্ৰমে এই্ কাৰ্য্যৰ যুক্তিযুক্ততা উপলব্ধি কৰিছিল। এই্ সিদ্ধান্তই্ আমাক বহুতো প্ৰলোভনৰ পৰা ৰক্ষা কৰিছে। মোৰ দৃঢ় বিশ্বাস এই্ যে জনসেৱা কৰা ব্যক্তিয়ে কোনো প্ৰকাৰৰ মূল্যবান উপঢৌকন গ্ৰহণ কৰা উচিত নহয়।

ভাৰতত
কংগ্ৰেছৰ প্ৰথম অভিজ্ঞতা

ভাৰতলৈ আহি মই কিছুদিন নানা ঠাই চাই ঘূৰি ফুৰিলোঁ। এই বছৰ অৰ্থাৎ ১৯০১ চনত কলিকতাত স্বঃ দীনশ ওয়াচাৰ সভাপতিত্বত কংগ্ৰেছৰ বাৰ্ষিক অধিবেশন বহিল। মই সেই অধিবেশনত যোগ দিলোঁগৈ। এয়াই মোৰ কংগ্ৰেছৰ প্ৰথম অভিজ্ঞতা।

মই ক'লৈ যাব লাগিব – সেই কথা এজন স্বয়ং সেৱকক সুধিলোঁ। তেওঁ মোক ৰিপন কলেজলৈ নিলে। তাতে প্ৰতিনিধি সকলৰ থকাৰ ব্যৱস্থা কৰিছিল। স্বয়ংসেৱক সকলে পৰস্পৰ বিৰোধী কথা কৈছিল। কোনোবা এজনক কিবা এটা কথা সুধিলে, তেওঁ অন্য এজনলৈহে পঠিয়াই দিয়ে। দ্বিতীয় জনে হয়তো তৃতীয় এজনৰ ওচৰলৈ যাবলৈ নিৰ্দেশ দিয়ে। ফলত প্ৰতিনিধি সকলৰ দোধোৰ মোধোৰ অৱস্থা হয়।

প্ৰতিনিধি নিবাসটো অত্যন্ত লেতেৰা। অ'ত ত'ত পানী জমা হৈ আছে। কেইটামান মাত্ৰ পায়খানা, কিন্তু সিবোৰৰ দুৰ্গন্ধৰ কথা মনত পৰিলে আজিও গাটো ঘিণ লাগি যায়। স্বয়ংসেৱক সকলক এইবোৰ কথা কলোঁ। সিহঁতে পোনেই উত্তৰ দিলে – "সেইবিলাক আমাৰ কাম নহয়। সেইবিলাকৰ বাবে মেটৰ আছে।" মই এদাল বাঢ়নী বিচাৰিলোঁ। স্বয়ংসেবক জনে মোৰ পিনে ডাঙৰকৈ চকু মেলি চাই ৰল। যিয়ে হওক এতাৰ বাঢ়নীৰে পায়খানাটো পৰিস্কাৰ কৰিলোঁ। কিন্তু তাৰ দ্বাৰা মোৰ কামটোহে হ'ল। পায়খানাৰ সংখ্যা কম; ভীৰ বেছি। সেয়ে সঘনে পায়খানা পৰিস্কাৰ কৰাৰ প্ৰয়োজন হ'ল। অথচ মোৰ বাবে ইয়াতকৈ বেছি কৰাতো সম্ভৱ নাছিল।

কংগ্ৰেছ অধিবেশনলৈ মাত্ৰ দুদিনহে বাকী আছিল। হাতে-কামে অলপ অভিজ্ঞতা অৰ্জন কৰিবলৈ মই কংগ্ৰেছ অফিচলৈ গৈ স্বয়ংসেৱক হোৱাৰ কাৰণে নাম লিখাবলৈ স্থিৰ কৰিলোঁ। শ্ৰীযুত ভূপেন্দ্ৰ নাথ বসু আৰু শ্ৰী ঘোষাল সেইবাৰৰ বাবে সংযুক্ত সম্পাদক আছিল। মই ভূপেন বাবুৰ ওচৰলৈ গৈ মোক কিবা কাম দিবলৈ অনুৰোধ কৰিলোঁ। তেওঁ মোৰ পিনে চাই থাকি কলে – "মোৰ ইয়াততো কোনো কাম নাই। অৱশ্যে ঘোষাল বাবুৱে হয়তো আপোনাক কামত লগাব পাৰে। আপুনি অনুগ্ৰহ কৰি তেওঁৰ তালৈ যাওক।"

মই তেওঁৰ ওচৰলৈ গলোঁ। মোৰ পিনে চাই অলপমান হাঁহি মাৰি তেওঁ কলে

– "মই আপোনাক কেৱল কেৰাণীৰ কামহে দিব পাৰোঁ। তাক জানো আপুনি কৰিব ?"

মই উত্তৰ দিলোঁ –"নিশ্চয় কৰিম। মোৰ সাধ্য মতে কৰিব পৰা যি কোনো কামে কৰিবলৈ মই সাজু।"

শ্ৰীযুত ঘোষালৰ পিয়নে তেওঁৰ চাৰ্টৰ বুটাম লগাই দিয়ে। মই স্ব-ইচ্ছাই পিয়নৰ কাম কৰিবলৈ ধৰিলোঁ। বয়োজ্যেষ্ঠ সকলক মই সদায় শ্ৰদ্ধা কৰোঁ বাবে এই ধৰণৰ কাম কৰিবলৈ মই ভাল পাওঁ। তেওঁ এই কথা জানিও মুঠেই বেজাৰ পোৱা নাছিল। বৰং তেওঁক এই সেৱা কৰা বাবে তেওঁ আনন্দিত হৈছিল। আৰু এই ক্ষুদ্ৰ সেৱা কাৰ্য্যই মোক অসীম উপকাৰ কৰিছিল। কেইদিন মানৰ ভিতৰতে মই কংগ্ৰেছৰ কাৰ্য্য পৰিচালনা বিধি জানিব পাৰিলোঁ। মই বেছি ভাগ নেতাৰ লগতে দেখা কৰিলোঁ।

চাৰ ফিৰোজশাহ মোৰ দক্ষিণ আফ্ৰিকা সম্বন্ধীয় প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ ৰাজী হৈছিল। কিন্তু কোনে কেতিয়া বিষয় বাচনি কমিটিত এই প্ৰস্তাৱটো উত্থাপন কৰিব – ইয়াকে লৈ তেওঁৰ মনত সন্দেহ আছিল। কাৰণ প্ৰত্যেকটো প্ৰস্তাৱৰ সমৰ্থনত দীঘল বক্তৃতা হয় আৰু সিও ইংৰাজীতে। আৰু প্ৰত্যেকটো প্ৰস্তাৱৰ সমৰ্থক আছিল ডাঙৰ ডাঙৰ নেতা। ৰাতি দোভাগ হৈ অহা দেখি মোৰ বুকুৰ ধপধপনি বাঢ়ি গৈছিল। যোৱাৰ বাবে সকলোৰে মাজত ব্যস্ততাৰ লক্ষণ ফুটি উঠিছিল। এঘাৰটা বাজি গল। মোৰ কব লগা একো নাছিল। মই ইতিপূৰ্বে গোখলেৰ লগত দেখা কৰিছিলোঁ আৰু তেখেতে মোৰ প্ৰস্তাৱটো পঢ়িছিল। মই তেখেতৰ চকীৰ ওচৰলৈ গৈ কাণে কাণে ফুচফুচাই কলোঁ – "মোৰ বাবে দয়া কৰি কিবা এটা কৰক।"

"তেনে কাজকৰ্ম সকলো শেষ নে ?" চাৰ ফিৰোজশাহ মেহতাই সুধিলে।

গোখলেই চিঞৰি উঠিল – "নাই হোৱা। দক্ষিণ আফ্ৰিকা সম্বন্ধীয় প্ৰস্তাৱটো এতিয়াও বাকী। শ্ৰীযুত গান্ধীয়ে বহু সময়ৰে পৰা তাৰ বাবে অপেক্ষা কৰি আছে।"

চাৰ ফিৰোজ শাহে সুধিলে-"আপুনি প্ৰস্তাৱটো দেখিছেনে ?"

"এৰা, নিশ্চয় দেখিছোঁ।"

"সেইটো আপোনাৰ পছন্দ নে ?"

"খুব ভাল হৈছে প্ৰস্তাৱটি।"

"তেনে সেইটো গান্ধীয়ে উত্থাপন কৰক।"

মই কঁপি কঁপি প্ৰস্তাৱটো পঢ়িলোঁ।

গোখলেই সেইটো সমৰ্থন কৰিলে।

সকলোৱে চিঞৰি উঠিল – "সৰ্ব সম্মতি ক্ৰমে গৃহীত হ'ল।"

শ্ৰীযুত ওয়াচাই কলে – "প্ৰস্তাৱটো সম্বন্ধে কৰ্বলৈ তোমাক পাঁচ মিনিট সময় দিয়া হ'ল – গান্ধী।"

কংগ্ৰেছৰ কাৰ্য্য পৰিচালনা পদ্ধতি মোৰ মনত বৰ সন্তোষজনক নালাগিল। গোখলেই প্ৰস্তাৱটো দেখিছিল বাবে আনে সেইটো দেখাৰ বা বুজাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলে। সেয়ে হলেও কংগ্ৰেছে প্ৰস্তাৱটো গ্ৰহণ কৰিছে। কেৱল এই কাৰণেই মোৰ মনটো আনন্দত উৎফুল্ল হৈ উঠিছিল।
কংগ্ৰেছৰ স্বীকৃতিৰ অৰ্থ যে সমগ্ৰ দেশৰ সমৰ্থন লাভ – এই সত্য কোনো ব্যক্তিৰ মনক প্ৰসন্ন কৰাৰ বাবে যথেষ্ট।

বোম্বাইত উপস্থিতি

গোখলেজীৰ খুব ইচ্ছা আছিল যে – মই বোম্বাইত থাকি ব্যাৰিষ্টাৰী কৰোঁ আৰু জনসেৱাৰ ক্ষেত্ৰত তেখেতক সহায় কৰোঁ।

মোৰ ব্যৱসায়ত মই আশাতীত সাফল্য অৰ্জন কৰিলোঁ। মোৰ দক্ষিণ আফ্ৰিকাৰ মক্কেল সকলে তেওঁলোকৰ মোকৰ্দ্দমা আদি মোলৈ পঠিয়াইছিল আৰু মোৰ ব্যয় নিৰ্বাহৰ ব্যৱস্থা তাৰ পৰাই হৈছিল।

বোম্বাইত যেতিয়া মই মোৰ পৰিকল্পনা অনুসৰি সকলো সামৰি আনিছিলোঁ, সেই সময়তে অপ্ৰত্যাশিত ভাৱে দক্ষিণ আফ্ৰিকাৰ পৰা এখন টেলিগ্ৰাম আহিল। তাত লেখা আছিল "চেম্বাৰলেন অহাৰ সম্ভাবনা আছে। দয়া কৰি অবিলম্বে ঘূৰি আহক।" মোৰ পূৰ্ব প্ৰতিশ্ৰুতিৰ কথা মোৰ মনত পৰিল। গতিকে লগে লগে টেলিগ্ৰাম কৰি জনাই দিলোঁ – যোৱাৰ ভাড়া পালেই মই যাত্ৰা কৰিম। খুব সোনকালে টকা আহিল আৰু মোৰ চেম্বাৰ বন্ধ কৰি দক্ষিণ আফ্ৰিকাৰ উদ্দেশ্যে যাত্ৰা কৰিলোঁ।

পুনৰ দক্ষিণ আফ্ৰিকাত

ডাৰবান পোৱাৰ পাছত দেখিলোঁ যে হাতত সময় তেনেই নাই। মোৰ বাবে যথেষ্ট কাম জমা হৈ আছে। শ্ৰীযুত চেম্বাৰলেনৰ সৈতে সাক্ষাৎ কৰাৰ দিন নিশ্চিত হৈ গৈছিল। তেওঁক দিবৰ বাবে এখন স্মাৰক পত্ৰ লিখিব লাগিব আৰু সাক্ষাৎকাৰীৰ লগতো থাকিব লাগিব।

শ্ৰীযুত চেম্বাৰলেনে ভাৰতীয় প্ৰতিনিধি সকলৰ বক্তব্যৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ নকৰিলে। তেওঁ কলে – " আপোনালোকেতো জানেই যে স্বায়ত্ত্ব শাসনৰ অধিকাৰপ্ৰাপ্ত উপনিবেশসমূহৰ ওপৰত বৃটিছ চৰকাৰৰ খুব বেছি নিয়ন্ত্ৰণাধিকাৰ নাই। আপোনালোকৰ অভিযোগ মই যথাৰ্থ বুলি ভবা নাই। মই এই সম্বন্ধে যিমান পাৰোঁ ব্যৱস্থা গ্ৰহণ কৰিম। যদি আপোনালোক ইয়াৰ ইউৰোপীয় সকলৰ মাজত থাকিব খোজে, তেতিয়া হলে যথাসাধ্যে তেওঁলোকৰ মন জোগাই চলিব লাগিব।"

উত্তৰ শুনি প্ৰতিনিধি মণ্ডলীৰ সদস্য সকলৰ শৰীৰেৰে যেন হিম প্ৰবাহ বৈ গল। মই হতাশ হলোঁ। এই ঘটনাই আমাৰ সকলোৰে চকু মুকলি কৰি দিলে। মই বুজি পালোঁ যে – আমি পুনৰ গুৰিৰে পৰা কাম আৰম্ভ কৰিব লাগিব। সহকৰ্মী সকলক কথাখিনি বুজাই কলোঁ।

এই প্ৰসঙ্গত মই কলো – "মোক সচাঁকৈয়ে কথা কবলৈহে যদি ইয়ালৈ মাতি আনিছিল – তেনে মোৰ কাম এক প্ৰকাৰে শেষ হৈছে। অৱশ্যে মোৰ মতে আপোনালোকে মোক স্বদেশলৈ যাবলৈ অনুমতি দিলেও, মোৰ ট্ৰান্সভাল এৰি যোৱা উচিত নহব। আগৰ দৰে নাটালৰ পৰা কাম কাজ নচলাই এইবাৰ ইয়াৰ পৰাই কাম কৰিব লাগিব। এতিয়া আৰু এবছৰৰ ভিতৰত ভাৰত ফিৰাৰ কথা নাভাবি ট্ৰান্সভাল চুপ্ৰিম কোৰ্টত নাম লিখি স্থায়ী ভাবে ইয়াত থকাৰ ব্যৱস্থা কৰিব লাগিব। নতুন বিভাগটোৰ লগত বুজাপৰা মই চম্ভালি নিব পাৰিম – এই বিশ্বাস মোৰ আছে। আৰু এই পন্থা গ্ৰহণ নকৰিলে আমাৰ স্বদেশী সকলক এই দেশৰ পৰা খেদি পঠিয়াব।"

এই ভাবে নতুন অধ্যায় এটা আৰম্ভ হ'ল। প্ৰিটোৰিয়া আৰু জোহান্সবাৰ্গৰ ভাৰতীয় সকলৰ লগত আলোচনা কৰি শেষত মই জোহান্সবাৰ্গত অফিচ খোলাৰ সিদ্ধান্ত কৰিলোঁ।

গীতা পাঠ

আমাৰ থিওচফিষ্ট বন্ধুসকলে মাজে মাজে মোক তেওঁলোকৰ সভালৈ টানি নিয়ে। থিওচফিষ্ট মতবাদত হিন্দুধৰ্মৰ যথেষ্ট প্ৰভাব থকা কাৰণে তেওঁলোকে মোৰ পৰা হিন্দু হিচাবে কোনো কোনো বিষয়ে সহায় পোৱাৰ আশা কৰে। আমি আলোচনা চক্ৰৰ দৰে এটা কেন্দ্ৰ স্থাপন কৰিলোঁ। তাত সদায় ধৰ্মগ্ৰন্থ আদি পাঠ কৰা হৈছিল।

গীতাৰ প্ৰতি মোৰ বিশ্বাস আছিল বুলি ইতিপূৰ্বেই গীতাৰ প্ৰতি মোৰ অনুৰাগ জন্মিছিল। এইবাৰ ইয়াৰ গভীৰতালৈ প্ৰবেশ কৰাৰ প্ৰয়োজনীয়তা অনুভব কৰিলোঁ। মোৰ লগত দুই এখন গীতাৰ অনুবাদ পুথি আছিল আৰু এইবোৰৰ সহায়েৰে মূল সংস্কৃত গ্ৰন্থ বুজিবলৈ চেষ্টা কৰিলোঁ। ইয়াত বাদেও প্ৰত্যেক দিনে ইয়াৰ এটা দুটা শ্লোক মুখস্থ কৰিবলৈ স্থিৰ কৰিলোঁ। ইয়াৰ কাৰণে পুৱাৰ নিত্যকৰ্মৰ সময় খিনি ব্যৱহাৰ কৰিলোঁ। ইয়াত মোক পয়ত্ৰিচ মিনিট সময় লাগিছিল – দাঁত ঘঁহাত পোন্ধৰ মিনিট, স্নানৰ বাবে কুৰি মিনিট। কাগজত গীতাৰ শ্লোক লিখি গা ধোৱা ঘৰৰ বেৰত আৰি থওঁ আৰু প্ৰয়োজন অনুসৰি সেইপিনে চাই চাই শ্লোক মুখস্থ কৰোঁ। মোৰ মনত পৰে এনে ভাবে গীতাৰ ত্ৰয়োদশ অধ্যায় পৰ্য্যন্ত মুখস্থ কৰিছিলোঁ।

ক্ৰমে ক্ৰমে গীতা মোৰ কাৰণে সকলো আচৰণৰ মানদণ্ড হৈ পৰিল। কৰ্ত্তব্য নিৰ্দ্ধাৰণৰ কাৰণে দৈনিক গীতাৰ উপদেশ অনুসন্ধান কৰা মোৰ স্বভাব হৈ পৰিল। 'অপৰিগ্ৰহ' আৰু 'সমভাব' শব্দই মোক গভীৰ ভাবে প্ৰভাবিত কৰিলে। এই 'সমভাব'ৰ অনুশীলন কি ধৰণে কৰা যায় আৰু কি কৰি ইয়াক স্থায়ী কৰিব পাৰি সেয়াই মোৰ চিন্তাৰ বিষয় হৈ পৰিল। যথা সৰ্বস্ব পৰিত্যাগ কৰিহে আমি ঈশ্বৰৰ অনুসৰণকাৰী হব লাগিবনে ? তাৰ স্পষ্ট উত্তৰ পালোঁ ঃ সকলোকে ত্যাগ নকৰিলে তেওঁৰ অনুবৰ্ত্তী হব নোৱাৰি। সেয়ে মই ৰেবাশঙ্কৰ ভাইলৈ লিখিলোঁ যে – যি কিছু পোৱা যায় তাকে লৈ জীৱন বীমাৰ প্ৰিমিয়াম দিয়া যাতে বন্ধ কৰা হয়। কলোঁ – এই পৰ্য্যন্ত যি দিয়া হৈছে – সেইবোৰ অথলে গৈছে। কাৰণ মোৰ মনত এই দৃঢ় বিশ্বাস জন্মিছিল যে ঈশ্বৰে মোৰ দৰেই মোৰ স্ত্ৰী আৰু পুত্ৰ কন্যা সকলক সৃষ্টি কৰিছে ; সেয়ে তেৱেঁই সিহঁতকো পালন কৰিব। মোৰ পিতৃতুল্য ককাইদেউক লিখিলোঁ যে এই পৰ্য্যন্ত মই যি অলপ জমা কৰিছোঁ, সেই সকলো তেওঁক দিলেও ,

ভৱিষ্যতে যেন মোৰ পৰা তেওঁ একো আশা নাৰাখে। কাৰণ ভৱিষ্যতে যি কিবা ৰাহি হব তাক জনসেবাৰ বাবে ব্যয় কৰিবলৈ মই স্থিৰ কৰিছোঁ।

এখন কিতাপৰ বিস্ময়কাৰী প্ৰভাৱ

ডাৰবানলৈ যোৱাৰ সময়ত শ্ৰীযুত পোলক নামে এজন বন্ধুৱে মোৰ লগত দেখা কৰিবলৈ আহিছিল। তেওঁ মোক বাটত ৰাস্তাত পঢ়িবলৈ এখন কিতাপ দিলে। তেওঁৰ ভাব হৈছিল – কিতাপখন পঢ়ি মোৰ ভাল লাগিব। কিতাপখন হ'ল ৰাস্কিনে লিখা "আন টু দিস লাষ্ট।"

কিতাপখন আৰম্ভ কৰি শেষ নকৰা পৰ্য্যন্ত এৰা টান হৈ পৰিল। কিতাপখনে মোক একেবাৰে গ্ৰাস কৰি পেলালে। জোহান্সবাৰ্গৰ পৰা ডাৰবান ২৪ ঘন্টাৰ ৰাস্তা। গাড়ী সন্ধিয়া সেইখিনি পালেগৈ। সিদিনা ৰাতি মোৰ অকণো টোপনি নাহিল। কিতাপ খনত বৰ্ণিত আদৰ্শ অনুসৰি মই মোৰ জীৱন ধাৰা পৰিবৰ্ত্তনৰ সংকল্প কৰিলোঁ।

মোৰ ভাব হয় যে – মোৰ জীৱনৰ কেইটামান দৃঢ়মূল বিশ্বাসৰ প্ৰতিচ্ছবি মই ৰাস্কিনৰ কিতাপ খনত দেখিছোঁ। সেয়ে কিতাপ খনে মোক গভীৰ ভাবে আকৃষ্ট কৰে আৰু মই মোৰ জীৱন কিতাপখনৰ আদৰ্শ অনুসৰি পৰিবৰ্ত্তনৰ সিদ্ধান্ত কৰোঁ।

'আন টু দিস লাষ্ট' পঢ়াৰ পাছত তলত দিয়া দৰে তাৰ শিক্ষা বুলি মই বুজিলোঁ।

(১) সকলোৰে মংগলৰ মাজত ব্যক্তি বিশেষৰ মংগল নিহিত।

(২) উকীল আৰু নাপিতৰ কামৰ মূল্য একেই। কাৰণ প্ৰত্যেকৰে নিজা কাম কৰি জীৱিকা নিৰ্বাহ কৰাৰ সমান অধিকাৰ আছে।

(৩) শ্ৰমিক অৰ্থাৎ কৃষক আৰু শ্ৰমিক জীৱনেই আদৰ্শ।

এইবোৰ উপদেশৰ ভিতৰত প্ৰথমটোৰ কথা মই আগেয়ে জানিছিলোঁ। দ্বিতীয়টো ক্ষীণ ভাবে মই উপলব্ধি কৰিছিলোঁ। তৃতীয়টোৰ কথা মোৰ মনত খেলোৱা নাছিল। 'আনটু দিস লাষ্ট' খনে মোক দিনৰ পোহৰৰ দৰে এই কথা দেখুৱাই দিলে যে – দ্বিতীয় আৰু তৃতীয় আদৰ্শ প্ৰথম আদৰ্শটোৰ ভিতৰতে আন্তৰ্নিহিত। ৰাতিপুৱাই মই বিছনা এৰিলোঁ। তৎকালেই এই আদৰ্শসমূহক মূৰ্ত্তৰূপ দিবলৈ মই সংকল্প গ্ৰহণ কৰিলোৱেই।

ফিনিক্স আশ্ৰম

সেই সময়ত মই 'ইণ্ডিয়ান অপিনিয়ন' নামে এখন বাতৰি সম্পাদনা কৰিছিলোঁ। শ্ৰীযুত ওয়েষ্টক ছপাৰ কাম চোৱাৰ দায়িত্ব দিয়া হৈছিল। তেওঁৰ সৈতে গোটেই বিষয়ে আলোচনা কৰিলোঁ। আনটু দিস লাষ্টে মোৰ মনত কি প্ৰভাব সৃষ্টি কৰিছে – সেই বিষয়ে বিশদভাবে কৈ প্ৰস্তাৱ কৰিলোঁ যে ইণ্ডিয়ান অপিনিয়নক এটা মুকলি ঘৰলৈ স্থানান্তৰিত কৰা হওক। তাত সকলো উৎপাদকে পৰিশ্ৰম কৰিব। জীৱন নিৰ্বাহৰ কাৰণে সকলোৱে সমান পৰিশ্ৰমিক পাব আৰু জিৰণিৰ সময়ত ছপাখানাৰ কাম কৰিব। শ্ৰীযুত ওৱেষ্টে মোৰ প্ৰস্তাৱ সমৰ্থন কৰিলে আৰু জাতি-বৰ্ণ-নিৰ্বেশেষে সকলোৰে কাৰণে (মূৰ গণ্তি কৰি) মাহে তিনি পাউণ্ড হাৰত পাৰিশ্ৰমিক নিৰ্দ্ধাৰিত হ'ল।

এই ধৰণে ১৯০৪ চনত ফিনিক্স আশ্ৰম আৰম্ভ হ'ল আৰু বহু বাধা-বিপত্তি স্বত্ত্বেও আজি পৰ্য্যন্ত (১৯২৫) ইণ্ডিয়ান অপিনিয়ন তাৰ পৰাই প্ৰকাশ পাই আহিছে।

মই যে অদূৰ ভবিষ্যতত ভাৰতলৈ ঘূৰি যাব পাৰিম তাৰ কোনো আশা দেখা নাছিলোঁ। পত্নীক মই কথা দি আহিছিলোঁ যে এবছৰৰ ভিতৰতে মই ঘূৰি আহিম। এবছৰ পাৰ হৈ গ'ল। অথচ দেশলৈ ঘূৰাৰ কোনো সম্ভাবনা নেদেখি পত্নী আৰু ল'ৰা-ছোৱালী কেইটাকে ইয়ালৈ লৈ অহাৰ সিদ্ধান্ত কৰিলোঁ।

জুলু বিদ্ৰোহ

অলপ শান্তিৰ নিঃশ্বাস লব পাৰিম বুলি যেতিয়াই ভাব হৈছিল, তেতিয়াই আকস্মিক ঘটনা ঘটিল। বাতৰি কাকত সমূহত জুলু বিদ্ৰোহৰ সংবাদ প্ৰকাশিত হবলৈ ধৰিলে। জুলু সকলৰ বিৰুদ্ধে আমাৰ কোনো বেয়া ভাব নাছিল। তেওঁলোকৰ কোনোৱে আমাৰ ভাৰতীয় সকলৰ একো ক্ষতি কৰা নাই। মোৰ এই 'বিদ্ৰোহ' কথাটোতেই সন্দেহ আছিল। অৱশ্যে তেতিয়া আমাৰ বিশ্বাস আছিল যে বিশ্বৰ মংগলৰ বাবেই বৃটিছ সাম্ৰাজ্যৰ অস্তিত্ব। নাটালত দেশ ৰক্ষণৰ বাবে স্বেচ্ছাসেবক বাহিনী গঠিত হ'ল।

নাটালৰ ভাল বেয়াৰ লগত জড়িত হৈ মই নাটালৰে এজন নাগৰিক বুলি

ভাবিছিলোঁ। সেয়ে মই নাটালৰ গভৰ্ণৰলৈ লিখিলোঁ যে – প্ৰয়োজন হলে মই ভাৰতীয় সকলৰে এটা এম্বুলেন্স বাহিনী কৰিবলৈ প্ৰস্তুত। তেওঁ মোৰ প্ৰস্তাৱ স্বীকাৰ কৰি তৎকালেই এখন চিঠি দিলে।

মই ডাৰবানলৈ গৈ স্বয়ংসেবকৰ কাৰণে গোহাৰি জনালোঁ। মোক পদবী এটা দিবলৈ আৰু কামৰ সুবিধাৰ বাবে আৰু নিয়মানুসৰি প্ৰধান মেডিকেল অফিচাৰ হিচাবে অস্থায়ী চাৰ্জেন্ট মেজৰ পদত নিযুক্ত কৰিলে। মোৰ দ্বাৰা নিৰ্বাচিত তিনি জনক চাৰ্জেন্ট আৰু এজনক কৰপোৰালৰ পদ দিয়া হ'ল। আমি চৰকাৰৰ ঘৰৰ পৰা পোছাকো পালোঁ। আমাৰ বাহিনীয়ে প্ৰত্যক্ষ ভাবে ছয় সপ্তাহ কাম কৰিছিল। আমাৰ মুখ্য কাম আছিল আঘাত পোৱা জুলু সকলৰ সেৱা-শুশ্ৰুষা কৰা। এই কামৰ ভাৰপ্ৰাপ্ত মেডিকেল অফিচাৰ জনে আমাক স্বাগতম জনালে। তেওঁ কলে যে শ্বেতাংগ সকলে আহত জুলু বিলাকৰ সেৱা কৰিব নোখোজে আৰু তাৰ কাৰণেই সিহঁতৰ ঘাবোৰ বিষাক্ত হৈ পৰিছিল – এইবোৰ দেখি তেওঁ কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছিল। আমাৰ আগমনত এই সকলো নিৰপৰাধ ব্যক্তিয়ে ঈশ্বৰ প্ৰেৰিত বুলি অভিনন্দন জনালে।

কস্তুৰবাঈৰ সাহস

এবাৰ মোৰ এজন চিকিৎসক বন্ধুৱে মোৰ স্ত্ৰীৰ এটা অস্ত্ৰোপচাৰ কৰিবলৈ পৰামৰ্শ দিছিল। অলপ ইতস্ততঃ কৰি কস্তুৰবা সম্মত হল। কস্তুৰবা খুব দুৰ্ব্বল হৈ পৰা বাবে ক্লোৰোফৰ্ম নিদিয়াকৈ অস্ত্ৰোপচাৰ কৰিবলগীয়া হ'ল। অস্ত্ৰোপচাৰ সফল হলেও তেওঁ বেচ কিছু কষ্ট পায়। তেওঁ অৱশ্যে অদ্ভুত সাহসেৰে সকলো সহ্য কৰে। সেই সময়ত ডাক্তৰ আৰু ডাক্তৰৰ পত্নীয়ে তেওঁৰ সেৱা শুশ্ৰুষা কৰে। অস্ত্ৰোপচাৰ হ'ল ডাৰবানত। তাৰ পাছত ডাক্তৰে আমাক জোহান্সবাৰ্গলৈ যাবলৈ অনুমতি দিলে আৰু কলে যে বেমাৰী সম্পৰ্কে আৰু কোনো বিপদৰ আশঙ্কা নাই।

কেইদিনমান পাছতে মই এখন চিঠিৰে গম পালোঁ যে কস্তুৰবাৰ অৱস্থা আকৌ বেয়াৰ পিনে ঢাল খাইছে। তেওঁ বিছনাখনতে উঠি বহিব নোৱাৰে আৰু এবাৰ অজ্ঞান হৈও গৈছিল। চিকিৎসক বন্ধু জনে জানিছিল যে মোৰ সম্মতি নোলোৱাকৈ তেওঁক ঔষধ হিচাবে মদ বা মাংস দিয়া উচিত নহব। সেয়ে তেওঁ জোহান্সবাৰ্গলৈ টেলিফোন কৰি কস্তুৰবাক 'বিফটি' বা মাংসৰ চুৰুহা দিয়াৰ অনুমতি বিচাৰিলে। মই এই অনুমতি দিবলৈ অক্ষম বুলি জনালোঁ। অৱশ্যে কস্তুৰবাৰ যদি নিজা মত দিয়াৰ অৱস্থা আছে, তেনে

তেওঁৰ মত লোৱা উচিত আৰু তেওঁ এই বিষয়ত নিজৰ ৰুচি অনুসৰি চলিব পাৰে। কিন্তু চিকিৎসক বন্ধুজনে কলে – "এই বিষয়ে মই ৰোগীৰ ইচ্ছা জনাৰ চেষ্টা কৰিব নোৱাৰোঁ। এই কাম আপুনি ইয়ালৈ আহি কৰিব লাগিব। আৰু আপুনি যদি মোৰ ইচ্ছামতে পথ্য দিবলৈ নিদিয়ে, তেনে আপোনাৰ স্ত্ৰীৰ জীৱনৰ দায়িত্ব লব নোৱাৰিম।"

সিদিনাই মই ৰেলেৰে ডাৰবানলৈ যাত্ৰা কৰিলোঁ। ডাক্তৰৰ লগত সাক্ষাৎ হোৱাত শান্ত ভাবে কলে - "আপোনালৈ টেলিফোন কৰাৰ আগতে মই শ্ৰীমতী গান্ধীক 'বিফটি' দিছিলোঁ।

মই কলোঁ – "চাওক ডাক্তৰ বাবু, মই ইয়াক প্ৰতাৰণা বুলি কম।" ডাক্তৰে দৃঢ়তাৰে কলে – "ৰোগীক উপযুক্ত ঔষধ বা পথ্য দিয়াৰ ক্ষেত্ৰত প্ৰতাৰণাৰ প্ৰশ্ন নুঠে। আমি অৰ্থাৎ চিকিৎসক সকলে ৰোগীৰ প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰয়োজন হলে বেমাৰী বা আত্মীয় স্বজনক ঠগোৱাটো সৎকাৰ্য্য বুলি বিবেচনা কৰোঁ।"

মই অত্যন্ত দুঃখিত হলেও শান্ত হৈ থাকিলোঁ। ডাক্তৰ ভদ্ৰলোক আৰু তাত বাদে তেওঁ মোৰ বন্ধু। তেওঁ আৰু তেওঁৰ পত্নীৰ ওচৰত মই বিশেষ ভাবে ঋণী। অৱশ্যে মই তেওঁৰ চিকিৎসকৰ নৈতিকতা গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিলোঁ।

মই কলোঁ – "ডাক্তৰবাবু, এতিয়া আপুনি কি কৰিব খোজে কওক। মোৰ স্ত্ৰীয়ে যদি নিজে ইচ্ছা প্ৰকাশ নকৰে, তেনে মই তেওঁক পঠাৰ মাংস বা গো মাংস গ্ৰহণ কৰিবলৈ নিদিওঁ। ইয়াৰ ফলত যদি তেওঁৰ মৃত্যুও হয় – সিও স্বীকাৰ্য্য।"

"আপোনাৰ আদৰ্শ পালনত আপোনাক মই বাধা নিদিওঁ। অৱশ্যে মই কেৱল এই কথাই কম যে – যিমান দিন আপুনি আপোনাৰ স্ত্ৰীক মোৰ চিকিৎসাত থব, তেতিয়ালৈ মই যি উচিত বুলি ভাবোঁ – তাকে খাবলৈ দিয়াৰ অধিকাৰ মোৰ থকা উচিত। আৰু সেয়াই যদি পছন্দ নহয় তেনে অত্যন্ত দুঃখেৰে মই কওঁ যে আপুনি আপোনাৰ পত্নীক ইয়াৰ পৰা লৈ যাওক। কাৰণ তেওঁ মোৰ চকুৰ আগত, মোৰ ঘৰতে মৰিব – সেই কথা মই চাই থাকিব নোৱাৰিম।"

মোৰ যি মনত পৰে এটা ল'ৰা মোৰ লগত আছিল । মোৰ সৈতে সম্পূৰ্ণ একমত হৈ সি কলে – তাৰ মাকক 'বিফটি' দিয়াৰ প্ৰয়োজন নাই। মই তাৰ পাছত স্বয়ং কস্তুৰবাৰ লগত কথা পাতিলোঁ। সচাঁকৈয়ে তেওঁ ইমান দুৰ্বল হৈ পৰিছিল যে তেওঁৰ লগত পৰামৰ্শ কৰাৰ প্ৰশ্নই নুঠে। কিন্তু মোৰ ভাব হ'ল যে – এয়া মোৰ বাবে কষ্টকৰ কৰ্ত্তব্য। ডাক্তৰৰ লগত মই যি কথা হৈছিলোঁ – সেই কথা তেওঁক কলোঁ। তেওঁ মোক স্পষ্ট ভাষাতে উত্তৰ দিলে – "মই মঙহৰ চুৰুহা নাখাওঁ। এই

পৃথিৱীত মানৱ জনম পোৱাটো দুৰ্লভ। মই এই অখাদ্য খাই শৰীৰটো অপবিত্ৰ কৰাতকৈ তোমাৰ কোলাত মূৰ থৈয়েই মৰিম।"

মই তেওঁক মোৰ অনুকৰণ কৰিবলৈ তেওঁ বাধ্য নহয় বুলি বহু বুজালোঁ। মই তেওঁক আমাৰ পৰিচিত এনে কেইজনমান হিন্দু বন্ধুৰ উদাহৰণ দিলোঁ, যি সকলে চিকিৎসকৰ নিৰ্দেশত মদ বা মাংস গ্ৰহণ কৰাটো অন্যায় বুলি ভবা নাই। কিন্তু তেওঁ অবিচলিত হৈ থাকিল। কলে – "নাই, তেনে নহব। তুমি মোক ইয়াৰ পৰা অন্য ঠাইলৈ লৈ ব'লা।"

ফলত তৎক্ষণাৎ আমি তাৰ পৰা গুছি যোৱাটো স্থিৰ কৰিলোঁ। কিনকিনীয়া বৰষুণ দি আছিল আৰু ষ্টেচন আছিল বহু দূৰ। ৰেলেৰে ডাৰবানৰ পৰা ফিনিক্সলৈ যাব লাগিব। আৰু ষ্টেচনৰ পৰা আমাৰ আশ্ৰম ১/২ মাইল দূৰ। নিঃসন্দেহে মই এক গুৰুতৰ দায়িত্ব কান্ধত লৈছিলোঁ। অৱশ্যে ঈশ্বৰত বিশ্বাস আছিল বুলি কৰ্ত্তব্য কৰিবলৈ সমৰ্থ হলোঁ। মই ফিনিক্সলৈ আগতীয়াকৈ খবৰ পঠিয়াই শ্ৰীযুত ওয়েষ্টক ষ্টেচনলৈ আহিবলৈ অনুৰোধ কৰিলোঁ। তেওঁক এবটল গৰম গাখীৰ, পানী আৰু এখন দোলা আৰু কস্তুৰবাক দোলাত নিবলৈ ছয় জন মানুহ যোগাৰ কৰি আনিবলৈ খবৰ পঠিয়ালোঁ। গাড়ী ধৰিবলৈ এখন ৰিক্সা মাতি আনি সেই বিপদজনক অৱস্থাত তেওঁক ৰিক্সাত তুলি লৈ মই ষ্টেচনলৈ ৰাওণা হলোঁ।

কস্তুৰবাক সাহস দিয়াৰ কোনো প্ৰয়োজন নাছিল। তেৱেঁই বৰং মোক সান্ত্বনা দিবলৈ কলে – "ভয় নকৰিবা, মোৰ একো নহয়।"

বহু দিন কোনো পুষ্টিকৰ খাদ্য খাবলৈ নোপোৱা বাবে তেওঁ একেবাৰে অস্থিচৰ্মসাৰ হৈ পৰিছিল। ষ্টেচনৰ প্লেটফৰ্ম আছিল বেছ দীঘল আৰু প্লেটফৰ্মৰ ভিতৰলৈ ৰিক্সা নিয়াটো সম্ভৱ নাছিল কাৰণে গাড়ীত উঠাৰ আগতে ভালেখিনি খোজ কাঢ়িব লগীয়া হয়। মই তেওঁক কোলাত তুলি নি গাড়ীত শুৱাই দিলোঁ। ফিনিক্স ষ্টেচনৰ পৰা তেওঁক দোলাত তুলি নিয়া হ'ল আশ্ৰমলৈ আৰু তাত জল-চিকিৎসাৰ গুণত তেওঁ লাহে লাহে শক্তি সঞ্চয় কৰিব ধৰিলে।

ঘৰুৱা সত্যাগ্ৰহ

কেইদিনমান ভালে থকাৰ পাছত কস্তুৰবা আকৌ অসুখত পৰিল। তেওঁ মোৰ চিকিৎসা প্ৰণালীৰ বিৰোধ নকৰিলেও ইয়াত তেওঁৰ খুব বেছি আস্থা নাছিল। অৱশ্যে তেওঁ বাহিৰৰ কোনো সাহায্য খোজা নাই। আমাৰ যাবতীয় ব্যৱস্থা-পত্ৰ ব্যৰ্থ হোৱাৰ পাছত, মই নতুন বিধি হিচাবে তেওঁক নিমখ আৰু দালি খোৱাতো বন্ধ কৰি দিলোঁ। মোৰ নিৰ্দেশৰ পক্ষত বহু তথ্য আৰু উদাহৰণ দিলেও তেওঁ কোনো পধ্যে মোৰ কথা মানিবলৈ ৰাজী নহল। আৰু শেষ পৰ্যন্ত তেওঁ মোক কৈ উঠিল যে–প্ৰয়োজন হলে ময়ো এই দুয়ো বিধ বস্তু ত্যাগ কৰিব নোৱাৰোঁ। মোৰ মনত দুঃখ আৰু আনন্দ দুয়োটাই হ'ল। আনন্দ হ'ল এই ভাবি যে এবাৰ মোৰ প্ৰেমৰ প্ৰমাণ কৰিবলৈ এটা সুযোগ পাইছোঁ। সেয়ে তেওঁক কলো – "তুমি ভুল কৰিছা। মোৰ অসুখ হলে ডাক্তৰে যদি এই সকলো বা অন্য কোনো বস্তু এৰি দিবলৈ কলেহেতেন – মই কোনো ইতস্ততঃ নকৰাকৈ সেইবোৰ এৰি দিলোহেতেন। কিন্তু চোৱা, তুমি এৰা বা নেৰা, মোক ডাক্তৰে নোকোৱা স্বত্ত্বেও মই নিমখ আৰু দালি এবছৰৰ বাবে এৰি দিছোঁ।"

তেওঁৰ মনত খুব দুঃখ হ'ল। দুখেৰে তেওঁ কলে – "অনুগ্ৰহ কৰি মোক ক্ষমা কৰা।" তোমাৰ স্বভাব জানিও এইভাবে উচটনি দিয়া মোৰ উচিত হোৱা নাই। মই এইবোৰ এৰি দিম বুলি তোমাক কথা দিলোঁ। কিন্তু ভগবানৰ শপত, তুমি তোমাৰ সংকল্প এৰা। মোৰ কাৰণে এই কথা সহ্য কৰা কঠিন হব।"

"তুমি সেইবোৰ এৰি দিবা বুলি শুনি মই খুব খুচী হলোঁ। নিমখ আৰু দালি এৰি দিলে তোমাৰ স্বাস্থ্য যে ভাল – হব এই কথাত মোৰ অকণো সন্দেহ নাই। অৱশ্যে মোৰ কথা সুধিলে মই কম যে যি কথা ভাবি-চিন্তি সংকল্প কৰিছোঁ সেয়া মই ভংগ কৰিব নোৱাৰিম। ইয়াৰ ফলত মোৰ উপকাৰহে হব। কাৰণ যি কোনো কাৰণৰ বাবে গৃহীত হওকেই বা নাই সকলো প্ৰকাৰৰ সংযম মানুহৰ পক্ষে মংগলদায়ক। আশা কৰোঁ তুমি মোক ক্ষমা কৰিবা। ই মোৰ বাবে এটা পৰীক্ষা আৰু তোমাৰ সংকল্প পালনৰ পথত এক নৈতিক সহযোগ বুলিও মানি লোৱা।"

তেওঁ বিবশ হৈ কলে – " তোমাৰতো এই ধৰণে গোড়ামী আছেই। কাৰো কথা তুমি নুশুনা।" তাৰ পাছত চকু পানী মচি শান্ত হ'ল। এই ঘটনাকো মই সত্যাগ্ৰহৰ

এটা উদাহৰণ বুলি কম। আমাৰ জীৱনৰ এয়া এক মধুৰ স্মৃতি। কস্তুৰবা ইয়াৰ পাছত শীঘ্ৰে আৰোগ্য লাভ কৰিব ধৰিলে।

সত্যাগ্ৰহৰ সূচনা

জুলু বিদ্ৰোহ সংক্ৰান্ত কৰ্ত্তব্য শেষ কৰি মই ফিনিক্সৰ বন্ধু সকলৰ লগ লাগিলোঁ আৰু তাৰ পাছত জোহান্সবাৰ্গ পালোঁগৈ। তালৈ যোৱাৰ পাছত ট্ৰান্সভাল চৰকাৰৰ ১৯০৬ চনৰ ২২ আগষ্ট তাৰিখৰ একষ্ট্ৰা অৰ্ডিনাৰী গেজেটত প্ৰকাশিত খচৰা অৰ্ডিনান্সৰ মচাবিদাত অত্যন্ত আতঙ্কিত হৈ পৰিলোঁ। এই আইন অনুসৰি ট্ৰান্সভালত বাস কৰাৰ অধিকাৰ পোৱা প্ৰতিজন পুৰুষ, নাৰী বা আঠ বছৰ বা তাৰ বেছি বয়সৰ বালক-বালিকাই বাধ্যতামূলকভাৱে ৰেজিষ্ট্ৰাৰ অব এচিয়াটিক্সৰ পৰা নিজা নিজা নাম ৰেজিষ্ট্ৰি কৰি তাৰ প্ৰমাণ পত্ৰ লব লাগিব বুলি নিৰ্দেশ দিয়া হৈছিল। নাম ৰেজিষ্ট্ৰী কৰিবলৈ আবেদনকাৰী সকলে নিজৰ পুৰণি পাৰ্মিট ৰেজিষ্ট্ৰাৰক ফিৰাই দিব লাগিব আৰু নতুন আবেদন-পত্ৰত তেওঁলোকৰ নাম, বাসস্থান, জাতি, বয়স আদিৰ উল্লেখ কৰিব লাগিব। ৰেজিষ্ট্ৰাৰে আবেদকৰ শৰীৰত চিনাক্তকৰণ বাবে স্থায়ী চিন এটা চাব আৰু বুঢ়া আঙুলীৰ টিপ চহী লব। যি সকল ভাৰতীয়ই এটা নিৰ্দ্দিষ্ট তাৰিখৰ ভিতৰত এই ধৰণে নাম ৰেজিষ্ট্ৰি নকৰে তেওঁলোকক ট্ৰান্সভালত বাস কৰাৰ অধিকাৰ দিয়া নহব। ৰেজিষ্ট্ৰিৰ কাৰণে দৰখাস্ত নকৰা আইনমতে অপৰাধ বুলি গণ্য হব আৰু ইয়াৰ বাবে অপৰাধীৰ জৰিমনা, জেল আনকি এই দেশৰ পৰা নিৰ্বাসনো হব পাৰে। ৰাস্তাৰে চলা-ফুৰাৰ সময়তো যি কোনো ভাৰতীয়ই এই নতুন আইন অনুসৰি ৰেজিষ্ট্ৰিৰ প্ৰমাণ-পত্ৰ দেখুৱাবলৈ বাধ্য হব। পুলিচ কৰ্মচাৰীহঁতে যি কোনো ভাৰতীয়ৰ থকা ঘৰত সোমাই প্ৰমাণ পত্ৰ চাবলৈ দাবী কৰিব পাৰিব। বিশ্বৰ ক'তো স্বাধীন মানুহৰ বিৰুদ্ধে এনে আইন প্ৰয়োগ কৰা হৈছে বুলি মই নাজানোঁ।

পিছদিনা নগৰৰ প্ৰমুখ ভাৰতীয় সকলৰ এখন সৰু সভাত মই অৰ্ডিনান্সখনৰ প্ৰত্যেকটো শব্দৰ তাৎপৰ্য্য ব্যাখ্যা কৰি কলোঁ। তেওঁলোকো মোৰ দৰেই আচৰিত হ'ল। উপস্থিত সকলে পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি এখন সাধাৰণ সভা মাতিবলৈ সিদ্ধান্ত কৰিলে। ১৯০৬ চনৰ ১১ চেপ্তেম্বৰৰ এই সাধাৰণ সভা যথানিয়মে অনুষ্ঠিত হয়। এই সভাত যিবোৰ প্ৰস্তাৱ গৃহীত হয় তাৰ ভিতৰত বিখ্যাত "ফোৰ্থ ৰিজলুচন" সকলোতকৈ মহত্ত্বপূৰ্ণ। এই প্ৰস্তাৱ অনুসৰি ভাৰতীয় সকলে সংকল্প কৰে যে

তেওঁলোকৰ ভীষণ প্ৰতিবাদ স্বত্বেও যদি পূৰ্বোক্ত অৰ্ডিনান্স আইনত পৰিণত হয়, তেনেহলে তেওঁলোকে এই আইন অমান্য কৰিব । আৰু ইয়াৰ কাৰণে যি ধৰণৰ কষ্টই সহ্য কৰিবলগীয়া হয় তাকো কৰিব ।

আমাৰ আন্দোলনৰ নামটো কি দিয়া যায় – তাক স্থিৰ কৰা হোৱা নাছিল । শ্ৰী মগনলাল গান্ধীয়ে "সদাগ্ৰহ" নাম ৰখাৰ প্ৰস্তাৱ কৰিলে ; কাৰণ আমি সদ্ আদৰ্শৰ বাবে দৃঢ় ভাবে থিয় হোৱাৰ কথা চিন্তা কৰিছিলোঁ । শব্দটো মোৰ পছন্দ হলেও তাৰ দ্বাৰা আমাৰ বক্তব্যৰ অভিব্যক্তি প্ৰকাশ হোৱা নাছিল । সেয়ে অলপমান সংশোধন কৰি "সত্যাগ্ৰহ" শব্দটো গ্ৰহণ কৰিবলৈ স্থিৰ কৰিলোঁ । সত্যৰ ভিতৰত প্ৰেম অন্তৰ্নিহিত । আগ্ৰহ বা দৃঢ়তা শক্তিৰ প্ৰতীক আৰু সেয়ে 'আগ্ৰহ'ক শক্তিৰ সমাৰ্থবোধক শব্দও কব পাৰি । এই ধৰণে ভাৰতীয় সকলৰ এই আন্দোলন 'সত্যাগ্ৰহ' অৰ্থাৎ সত্য,প্ৰেম বা অহিংসা মিশ্ৰিত শক্তিৰূপে অভিহিত হ'ল । ইতিপূৰ্বে আমাৰ আন্দোলনক 'নিষ্ক্ৰিয় প্ৰতিৰোধ' বোলা হৈছিল । আমি ইয়াৰ পাছত এই শব্দৰ ব্যৱহাৰ বৰ্জন কৰিলোঁ ।

কাৰাবৰণ

এচিয়াটিক ডিপাৰ্টমেন্টৰ উচ্চ পদস্থ কৰ্মচাৰী সকলে বুজিব পাৰিলে যে আন্দোলনৰ মূল নেতাসকল মুকলি হৈ থাকিলে আন্দোলনৰ শক্তি খৰ্ব কৰা অসম্ভৱ । সেয়ে সিহঁতে প্ৰথমতে আমি কেইজনমানক গ্ৰেপ্তাৰ কৰিলে ।

আমাক গ্ৰেপ্তাৰ কৰাৰ পাছত ভাৰতীয় সম্প্ৰদায়ৰ জনতাই চৰকাৰৰ জেল ভৰাই দিয়াৰ সিদ্ধান্ত কৰিলে ।

আমি এক পক্ষ কাল জেলত থকাৰ পাছত নবাগত বন্দী সকলৰ পৰা খবৰ পালোঁ যে চৰকাৰৰ লগত এটা মকামিলা কৰাৰ বাবে কথা-বতৰা চলিছে । প্ৰস্তাবিত চুক্তিৰ সাৰমৰ্ম হৈছে এই যে ভাৰতীয় সকলে স্বেচ্ছাই তেওঁলোকৰ নাম ৰেজিষ্ট্ৰি কৰিব আৰু এইভাবে অধিকাংশ ভাৰতীয় স্বেচ্ছাই নাম ৰেজিষ্ট্ৰি কৰাৰ পাছত চৰকাৰৰ ক'লা আইন অৰ্থাৎ 'এচিয়াটিক ৰেজিষ্ট্ৰেচন এক্ট' প্ৰত্যাহাৰ কৰিব ।

জেনেৰেল স্মাটৰে লগত দেখা কৰিবলৈ আমাক প্ৰিটোৰিয়ালৈ নিয়া হ'ল । আলোচনামাৰ চৰ্ত্তাবলীত পৰিবৰ্ত্তন কৰিবলৈ মই এটা প্ৰস্তাৱ দিলোঁ । জেনেৰেল

স্মাটসৰ লগত কথা-বতৰা পাছত সেইয়া স্বীকৃত হ'ল । ইয়াৰ পাছত সকলো কাৰাবন্দীকে মুক্তি দিলে আৰু মই আমাৰ স্বজাতীয় সকলৰ মাজত চুক্তিৰ চৰ্ত্তাবলী বুজাই দিবলৈ ঘূৰি ফুৰিব ধৰিলোঁ ।

প্ৰহৃত হলোঁ

আঙুলীৰ টীপ চহী দিবলৈ মই সন্মত হোৱা বাবে কেইজনমান মোৰ ওপৰত ক্ৰুদ্ধ হৈ উঠে । আমি স্থিৰ কৰিছিলোঁ যে প্ৰথম দিনা আন্দোলনৰ নেতৃবৃন্দই টিপচহী দি প্ৰমাণ পত্ৰ লব । মোৰ অফিচতেই সত্যাগ্ৰহ পৰিষদৰ কাৰ্য্যালয় আছিল । তাঁলৈ গৈ দেখোঁ যে মীৰ আলম নামে এজন পাঠানে আৰু তাৰ কেইজনমান সংগী বাহিৰত থিয় দি আছে । মীৰ আলম মোৰ পুৰণি মক্কেল আৰু তেওঁৰ সকলো কাম-কাজৰ বাবে পৰামৰ্শ লৈছিল । উচ্চতাত পুৰা ছয় ফুট আৰু দেহৰ গঠনো বেছ মজবুত । আজিয়ে তেওঁক প্ৰথমে অফিচত নবহি বাহিৰত থিয় হৈ থকা দেখিলোঁ । মই লক্ষ্য কৰিলোঁ মোৰ চকুৰে চকু পৰাৰ পাছতো তেওঁ মোক নমস্কাৰ নকৰিলে । অৱশ্যে মই অভিবাদন জনোৱাত তেৰোঁ সহাৰি দিলে কিন্তু তাৰ লগত তেওঁৰ স্বাভাবিক হাঁহিটো নাছিল । তাৰ ক্ৰুদ্ধ দৃষ্টি মোৰ চকুত পৰিল আৰু এই দৃশ্যটো মোৰ মনত গঁথা হৈ ৰ'ল । গম পালোঁ যে কিবা এটা হব । সত্যাগ্ৰহ পৰিষদৰ সভাপতি ইউচুফ মিঞা আৰু অন্যান্য বন্ধুবৰ্গ উপস্থিত হোৱাৰ পাছত আমি এচিয়াটিক অফিচলৈ ৰাওনা হলোঁ । মীৰ আলম আৰু তেওঁৰ সংগী সকলে আমাক অনুসৰণ কৰিলে ।

ৰেজিষ্ট্ৰেচন অফিচ পোৱাৰ অলপ আগতে মীৰ আলম মোৰ সমুখলৈ আহি বাট ভেটি সুধিলে – "কলৈ ওলাইছে ?"

মই কলোঁ – "দুই হাতৰ দহটা আঙুলীৰ টিপচহী দি মই ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেট আনিবলৈ যাওঁ । আপুনি যদি আমাৰ লগতে যায় তেনে আপোনাৰ দুই হাতৰ দুটা আঙুলীৰ টিপ লৈ প্ৰথমে আপোনাকে চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিম । তাৰ পাছত মই অৱশ্যে দহটা আঙুলীৰ ছাপ দিয়ে প্ৰমাণ-পত্ৰ লম ।"

শেষ বাক্যটো শেষ হওঁ নৌহওঁতেই পিছ ফালৰ পৰা মোৰ মূৰত খুব জোৰে লাঠিৰ কোব এটা পৰিল । মই তৎক্ষণাৎ "হে ৰাম" বুলি অচেতন হৈ মাটিত পৰি গলোঁ । অচেতন হোৱাৰ পাছত কি হ'ল নাজানো । পাছত শুনিছিলোঁ যে - জ্ঞান হেৰুৱাৰ পাছতো

মীৰ আলম আৰু তেওঁৰ সংগী সকলে মোক লাঠি আৰু ঘুচা মাৰি আছিল। ইউচুফ মিএগ আৰু ৰবিব নায়ডুৰে মোক মাৰৰ পৰা ৰক্ষা কৰিবলৈ গৈ নিজেও আহত হৈছিল। এই গোলমালত আকৃষ্ট হৈ কেইজনমান ইউৰোপীয় বাটৰুৱাও আগুৱাই আহিল। মীৰ আলম আৰু তাৰ সংগী সকল পলাবলৈ চেষ্টা কৰিলেও ইউৰোপীয় কেইজনে সিহঁতক ধৰি পেলালে। ইতিমধ্যে ঘটনা স্থলীলৈ পুলিচ আহে আৰু সিহঁতক ধৰি লৈ যায়। মোক সকলোৱে ধৰাধৰি কৰি শ্ৰী জে. চি. গীবচনৰ নিজ কৰ্মলৈ লৈ গ'ল। জ্ঞান পোৱাৰ লগে লগে মই দেখিলোঁ যে শ্ৰীযুত ডেকে মোৰ মুখত হাউলি মোক চাই আছে। তেওঁ সুধিলে – 'এতিয়া কেনে লাগিছে ?'

"এনেয়েতো ভালেই। অৱশ্যে দাঁত আৰু কামিহাড়ত বিষ হৈছে। মীৰ আলম ক'ত ?"

"তাক তাৰ সংগী সকলৰ সৈতে গ্ৰেপ্তাৰ কৰা হৈছে।"

"সিহঁতক যেন এৰি দিয়া হয়।"

"সেই কথা যি হয় হব। কিন্তু আপুনি বৰ্ত্তমানে এজন অপৰিচিত ভদ্ৰলোকৰ অফিচত আছে আৰু আপোনাৰ ওঠ আৰু গালত ভীষণ জখম হৈছে। পুলিচে আপোনাক হস্‌পিটাললৈ লৈ যাবলৈ সাজু হৈ আছে। অৱশ্যে আপুনি যদি মোৰ ঘৰলৈ যায় তেনেহলে শ্ৰীমতী ডেক আৰু মই যথাসাধ্যে আপোনাৰ সেৱা-শুশ্ৰূষা কৰিম।"

"সেয়াই ভাল। মোক আপোনাৰ ঘৰলৈ লৈ বলক। পুলিচ বিভাগত তেওঁলোকৰ ব্যৱস্থাৰ বাবে মোৰ হৈ আপুনি ধন্যবাদ দিব। তেওঁলোকক জনাই দিয়ক যে মই আপোনাৰ লগতে যাম।"

এচিয়াবাসী সকলৰ ৰেজিষ্ট্ৰি কৰাৰ ভাৰপ্ৰাপ্ত ৰাজকৰ্মচাৰী শ্ৰীচাইমনো এইবাৰ ঘটনাস্থলত উপস্থিত হল। এখন গাড়ীত মোক এই মহানুভৱ ধৰ্মযাজকৰ স্মিথ ষ্ট্ৰীটৰ ঘৰলৈ নিলে আৰু এজন চিকিৎসকক মতা হ'ল। মই ইতিমধ্যে শ্ৰীযুত চাইমনক কলোঁ – "মোৰ ইচ্ছা আছিল যে মই আপোনাৰ কাৰ্য্যালয়লৈ গৈ দহটা আঙুলীৰ টিপ দি প্ৰথম প্ৰমাণ–পত্ৰ খন লম। কিন্তু ঈশ্বৰৰ ইচ্ছা নাছিল সেয়া। যিয়ে হওক, এইবাৰ মোৰ নিবেদন হৈছে এই যে অনুগ্ৰহ কৰি আপোনাৰ কাগজ পত্ৰ ইয়ালৈ লৈ আহক আৰু সোনকালে মোৰ নামটো ৰেজিষ্ট্ৰি কৰাৰ ব্যৱস্থা কৰি দিয়ক। মই আশা কৰোঁ মোৰ আগতে অইন কাৰো নাম আপুনি যেন ৰেজিষ্ট্ৰি নকৰে।"

শ্ৰীযুত চাইমনে উত্তৰ দিলে – "ইমান ততাতৈয়া কেলেই ? ডাক্তৰ সোনকালে আহি পাব। আপুনি সুষ্ঠ হৈ উঠক, তাৰ পাছত সকলো ঠিক হৈ যাব। মই অইন

সকলোকে প্ৰমাণ-পত্ৰ দিলেও তালিকাৰ ওপৰত আপোনাৰেই নাম থাকিব।"

মই কলোঁ – "নহয়। সেয়া নচলিব। জীয়াই থাকিলে আৰু ভগবানৰ ইচ্ছা হলে ময়েই প্ৰথম প্ৰমাণ-পত্ৰ ল'ম বুলি প্ৰতিজ্ঞা কৰিছিলোঁ। সেই কাৰণে মই বাৰে বাৰে আপোনাক কাগজ খিনি ইয়ালৈ আনিবলৈ অনুৰোধ জনাইছো।" এই কথা শুনি শ্ৰীযুত চাইমনে কাগজ-পত্ৰ আনিবলৈ বিদায় লৈ গ'ল।

মোৰ দ্বিতীয় কামটো হ'ল – এটৰ্নী জেনেৰেললৈ এখন টেলিগ্ৰাম কৰা। টেলিগ্ৰামেৰে মই জনালোঁ যে - মোক প্ৰহাৰ কৰাৰ কাৰণে মই মীৰ আলম আৰু তেওঁৰ লগৰীয়া কেইজনক অপৰাধী বুলি নাভাবোঁ। যিয়েই হওক – মই তেওঁলোকৰ বিৰুদ্ধে কোনো মোকৰ্দ্দমা হোৱাটো কামনা নকৰোঁ। মই সেই টেলিগ্ৰামত এই আশাও জনালোঁ যে মোৰ খাতিৰতে তেওঁলোকক যেন এৰি দিয়া হয়। কিন্তু জোহান্সবাৰ্গৰ ইউৰোপীয় সকলে এটৰ্নী জেনেৰেললৈ এখন টান চিঠি লিখি এই দাবী জনালে যে – "অপৰাধীক শাস্তি দিয়া সম্বন্ধে মি. গান্ধীৰ অভিমত যিয়ে নহওক, দক্ষিণ আফ্ৰিকাত যেন তাৰ ৰূপায়ণ কৰা নহয়। গান্ধীয়ে নিজে ইয়াৰ একো প্ৰতিকাৰ কৰিব নিবিচাৰিলেও তেওঁক যেতিয়া প্ৰকাশ্যে ৰাজপথত মাৰ-ধৰ কৰা হৈছে। সেয়ে এই ঘটনা অৱশ্যেই দণ্ডনীয় অপৰাধ বুলি গণ্য কৰিব লাগিব। দোষীক শাস্তি দিবলৈ কেবাজনো ইংৰাজে সাক্ষী দিবলৈ ওলাল। এই আন্দোলনৰ ফলত মীৰ আলমক সংগী সকলৰ সৈতে পুনৰ গ্ৰেপ্তাৰ কৰা হ'ল আৰু সিহঁতৰ তিনি মাহকৈ সশ্ৰম কাৰদণ্ড হ'ল। কেৱল মোক সাক্ষী দিবলৈ মতা নহল।

ভাৰতীয় সকলৰ উদ্দেশ্যে এটা সংক্ষিপ্ত বিবৃতি লিখি আমাৰ কমিটিৰ সভাপতিৰ যোগেদি পঠিয়ালোঁ আৰু সেইটো প্ৰচাৰ কৰিবলৈ অনুৰোধ কৰিলোঁ। বিবৃতিত মই লিখিছিলোঁ –

"শ্ৰীযুত ডেক আৰু তেওঁৰ স্ত্ৰীয়ে মোক নিজৰ ভাইৰ দৰে সেৱা কৰিছে। সেয়ে তেওঁলোকৰ ওচৰত সুখে স্বাচ্ছন্দে আছোঁ। সোনকালে মই আকৌ আগৰ দৰে স্বাভাবিক কাজ-কৰ্ম আৰম্ভ কৰিব পাৰিম বুলি আশা কৰিছোঁ।"

"মোক যি সকলে প্ৰহাৰ কৰিছিল, তেওঁলোক অজ্ঞান – সিহঁতে নাজানে যে সিহঁতে কি কৰিছে। সিহঁতে ভাবিছিল যে – মই অন্যায় কৰিছোঁ। সিহঁতৰ জ্ঞান-বুদ্ধি অনুসৰি সিহঁতে তাৰ প্ৰতিশোধ লৈছিল। সেয়ে মোৰ অনুৰোধ তেওঁলোকৰ বিৰুদ্ধে যেন কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয়।"

শ্ৰীযুত চাইমনে কাগজ-পত্ৰ লৈ ফিৰি আহিল আৰু মই আঙুলীৰ ছাপ দিলোঁ।

অৱশ্যে সেই সময়ত মোৰ মনত দুঃখ যে হোৱা নাছিল সেই নহয়। কিন্তু মই লক্ষ্য কৰিলোঁ যে শ্ৰীচাইমনৰ চকতো চকুলোঁ। সময়ে সময়ে মই তেওঁৰ বিৰুদ্ধে তীব্ৰভাবে লিখিব লগীয়াত পৰিছিলোঁ। কিন্তু এই ঘটনাৰ পৰা মই বুজিব পাৰিলোঁ যে ঘটনা চক্ৰৰ পৰিবৰ্ত্তনৰ ফলত কঠোৰ মানুহৰ হৃদয়ো কিমান কোমল হয়।

পুনৰ সত্যাগ্ৰহ

ভাৰতীয় সকলে স্বেচ্ছায় নাম ৰেজিষ্ট্ৰি কৰিছিল। সেয়ে এতিয়া ক'লা আইনখন প্ৰত্যাহাৰ কৰা চৰকাৰৰ কৰ্ত্তব্য হৈ পৰিল। কিন্তু ইয়াক প্ৰত্যাহাৰ কৰাৰ সলনি জেনেৰেল স্মাট্‌সে ইয়াক পকা কৰি আইনমতে লিপিবদ্ধ কৰাৰহে ব্যৱস্থা কৰিলে আৰু এচিয়াবাসী সকলৰ নাম ৰেজিষ্ট্ৰি কৰাৰ বিষয়ে আৰু ব্যাপক কৰি তুলিবলৈ আইন সভাত এটা প্ৰস্তাৱ উত্থাপন কৰিলে। এই আইনৰ খচৰা পঢ়ি মই স্তম্ভিত হ'লোঁ।

সত্যাগ্ৰহী সকলে চৰকাৰলৈ এখন 'চৰম পত্ৰ' পঠিয়ালে। ইয়াত কোৱা হল – "এচিয়াটিক আইন প্ৰত্যাহাৰ নকৰিলে ভাৰতীয় সকলে যিবোৰ প্ৰমাণ-পত্ৰ লৈছে সেইবোৰ পুৰি পেলোৱা হব আৰু তাৰ পৰিণাম যিয়ে নহওক – সেই সকলো বিনম্ৰ দৃঢ়তাৰে সহ্য কৰিব।"

প্ৰমাণ-পত্ৰবোৰ প্ৰকাশ্যে জ্বলাবলৈ এখন ৰাজহুৱা সভা আহ্বান কৰা হ'ল। সভাৰ কাম আৰম্ভ কৰাৰ আগ মুহূৰ্ত্তত এজন স্বেচ্ছাসেৱক এখন টেলিগ্ৰাম লৈ চাইকেলেৰে তাত উপস্থিত হ'ল। তাৰ বাৰ্ত্তাত চৰকাৰৰ তৰফৰ পৰা ভাৰতীয় সকলৰ অনমনীয় মনোভাবৰ কাৰণে দুঃখ প্ৰকাশ কৰি জনাইছিল যে তেওঁলোকৰ কৰ্ম পদ্ধতি পৰিবৰ্ত্তন কৰিবলৈ তেওঁলোক অক্ষম। তাৰবাৰ্ত্তাটো উপস্থিত জনতাক পঢ়ি শুনোৱা হ'ল আৰু চৰকাৰৰ বক্তব্য শুনি জনতাই এনে হৰ্ষধ্বনি কৰি উঠিলে যে ভাব হ'ল চাৰ্টিফিকেট পোৰাৰ এই সুযোগ হেৰাই নোযোৱাত তেওঁলোক আনন্দিত হৈছে।

মীৰ আলমো এই সভাত উপস্থিত আছিল। তেওঁ ঘোষণা কৰিলে যে মোক প্ৰহাৰ কৰা তাৰ অন্যায় হৈছিল আৰু সকলোৰে হৰ্ষধ্বনিৰ মাজত তেওঁ তেওঁৰ মূল চাৰ্টিফিকেট খন পুৰিবৰ বাবে মোৰ হাতত দিলে। মীৰ আলমে আইনৰ দৰে স্বেচ্ছামূলক ৰেজিষ্ট্ৰি চাৰ্টিফিকেট লোৱা নাছিল। অত্যন্ত আনন্দৰ আবেগেৰে তাৰ দুয়োখন হাত আকোৱালি ধৰিলোঁ আৰু তেওঁক প্ৰতিশ্ৰুতি দিলোঁ যে মই কেতিয়াও

তেওঁৰ প্ৰতি বিৰাগ ভাব পোষণ কৰা নাই।

কমিটিৰ হাতলৈ বৃহৎসবৰ বাবে দুই হাজাৰৰো বেছি চাৰ্টিফিকেট আহিছিল। কেৰাচিন তেলত ডুবোৱাৰ পাছত মীৰ ইউচুফ মিঞাই সেইবোৰত অগ্নি সংযোগ কৰিলে।

সভাত ইংৰাজী বাতৰি কাকতৰ যি সকল সাংবাদিক উপস্থিত আছিল তেওঁলোকে এই দৃশ্যত অত্যন্ত অভিভূত হ'ল আৰু তেওঁলোকৰ কাগজত ইয়াৰ বিস্তৃত বিৱৰণ প্ৰকাশ কৰিলে।

যি বছৰ ক'লা আইনে স্বীকৃতি পায়, জেনেৰেল স্মাট্‌সে সেই বছৰতেই ট্ৰান্সভাল বহিৰাগত নিয়ন্ত্ৰণ বিল নামে আৰু এখন আইন আইন সভাত মঞ্জুৰ কৰাই ললে। এই আইনৰ বলে ট্ৰান্সভালত আৰু এজনো ভাৰতীয়ৰ আগমন পৰোক্ষভাবে নিষিদ্ধ কৰা হ'ল। ময়ো আকৌ গ্ৰেপ্তাৰ হলোঁ।

১৯১২ চনৰ অক্টোবৰ মাহত চৰকাৰ আৰু সত্যাগ্ৰহী সকলৰ মাজত মধ্যস্থতা কৰিবলৈ গোখলেজী দক্ষিণ আফ্ৰিকালৈ আহিল। গোখলেৰ পৰা খবৰ পোৱা গ'ল যে জেনেৰেল বোথাই তেওঁক এই মৰ্মে প্ৰতিশ্ৰুতি দিছে যে এবছৰৰ ভিতৰতে এই ক'লা আইন আৰু তিনি পাউণ্ড কৰ দিয়াৰ প্ৰথা প্ৰত্যাহাৰ কৰা হব। কিন্তু কামত একো নহ'ল।

গোখলেক মই এই প্ৰতিশ্ৰুতি ভংগৰ খবৰ দিলোঁ আৰু পৰবৰ্ত্তী আন্দোলনৰ প্ৰস্তুতিৰ কাৰণে ঘূৰি ফুৰিবলৈ ধৰিলোঁ।

ইমান দিনলৈ আমি মহিলা সকলক কাৰাবৰণ কৰিবলৈ দিয়া নাছিলোঁ। কিন্তু এই সময়তে দক্ষিণ আফ্ৰিকা চৰকাৰে এটা ঘোষণা প্ৰচাৰ কৰিলে। যিবোৰ বিবাহ খৃষ্টিয়ান নিয়ম অনুসৰি হোৱা নাই আৰু মেৰিজ ৰেজিষ্ট্ৰাৰৰ তাত ৰেজিষ্ট্ৰি হোৱা নাই – এই ঘোষণা অনুযায়ী সেই সকলো বিয়া বে-আইনী হ'ল। এই ধৰণে কলমৰ এটা খোচত হিন্দু, মুছলমান আৰু জেৰোষ্ট্ৰিয়ান বিধি মতে হোৱা প্ৰত্যেকখন বিয়া বে-আইনী হ'ল আৰু সংশ্লিষ্ট বিয়াৰ পত্নী সকল বেশ্যাৰ পৰ্য্যায়ভুক্ত হ'ল আৰু লগতে তেওঁ লোকৰ সন্তান সন্ততিয়ে পিতৃ-সম্পত্তিৰ অধিকাৰী হোৱাৰ কোনো উপায় নাথাকিল। কেৱল পুৰুষ পক্ষৰেই নহয়, মহিলা সকলৰ বাবেও এই অৱস্থা অসহ্যকৰ হৈ উঠিল।

নাৰী জাতিৰ এই অপমানৰ বাবে ধৈৰ্য্য ধাৰণ কৰা এক প্ৰকাৰে অসম্ভব হৈ উঠিল। যি কেইজন সত্যাগ্ৰহী পোৱা হয় তাৰেই আমি দৃঢ় প্ৰতিৰোধৰ সিদ্ধান্ত ললোঁ। এতিয়া

নাৰী সকলক কেৱল সংগ্ৰামত যোগদান কৰাৰ পৰা নিবৃত্ত ৰখা অসম্ভৱ হ'ল – সেয়াই নহয় আমি তেওঁলোককো পুৰুষৰ লগত সমানে আগুৱাই যাবৰ বাবে আহ্বান জনোৱাটো স্থিৰ কৰিলোঁ। মহিলাৰ কাৰাবৰণে নিউক্যাচেলৰ ওচৰৰ খনি বনুৱাৰ মাজত যাদু মন্ত্ৰৰ ক্ৰিয়া কৰিলে। তেওঁলোকে নিজৰ হাতিয়াৰ আদি দলিয়াই দি দলে দলে নগৰলৈ আহিব ধৰিলে। মই এই সংবাদ পায়েই ফিনিক্সৰ পৰা নিউক্যাচেল অভিমুখে ৰাওনা হলোঁ।

শ্ৰমিক সকল দুই কুৰি জন নাছিল; তেওঁলোকৰ সংখ্যা আছিল শ শ। আৰু খুব সহজেই এই সংখ্যা হেজাৰত পৰিণত হোৱাৰ সম্ভাৱনা আছিল। এই ক্ৰমবৰ্দ্ধমান জনসমুদ্ৰক আশ্ৰয় দিয়া আৰু তেওঁলোকৰ খোৱাৰ ব্যৱস্থা কৰা এটা চিন্তাৰ বিষয় হৈ পৰিল। বিনা কামে ইমান শ্ৰমিকক একে ঠাইতে ৰখা, তেওঁলোকৰ তত্ত্বাবধান কৰা অসম্ভৱ নহলেও, অত্যন্ত বিপদজনক কাম। ইয়াৰ এটা পথ মই ভাবি উলিয়ালোঁ। এই 'বাহিনীকে' মই ট্ৰান্সভালৈলে নি নিৰাপদে জেলত ভৰাই দিবলৈ স্থিৰ কৰিলোঁ। ইতিমধ্যে এই সংখ্যা পাঁচ হেজাৰ হৈছেগৈ।

সত্যাগ্ৰহ বিজয়

হেজাৰ হেজাৰ নিৰপৰাধী ব্যক্তিক জেলত ৰখাৰ শক্তি চৰকাৰৰ নাছিল। ভাইচৰয়ে এই ব্যৱস্থা মানিব পৰা নাছিল আৰু সমগ্ৰ বিশ্বই জেনেৰেল স্মাটসৰ কাৰ্য্যকলাপ নিৰীক্ষণ কৰি আছিল। এই অৱস্থাত অন্য চৰকাৰে যি কৰে, দক্ষিণ আফ্ৰিকা চৰকাৰেও তাকেই কৰিলে। এটা আয়োগ গঠন কৰি দি এই অস্বস্তিকৰ পৰিবেশ পাহিৰ হৈ আছিল। এনে ধৰণৰ আয়োগৰ পৰামৰ্শ চৰকাৰে সচৰাচৰ গ্ৰহণ কৰে আৰু সেয়ে চৰকাৰে ইমান দিনে যি ন্যায় বিচাৰ প্ৰত্যাখ্যান কৰি আহিছিল, এইবাৰ আয়োগৰ পৰামৰ্শ ছদ্ম আৱৰণেৰে তাক দিয়া হয়। জেনেৰেল স্মাটসে তিনি জন সদস্যৰে এক আয়োগ গঠন কৰিলে।

কমিচনৰ কাৰ্য্য-পৰিচালনা পদ্ধতিক লৈ মোৰ লগত জেনেৰেলৰ চিঠি-পত্ৰৰ আদান-প্ৰদান হ'ল আৰু শেষ পৰ্য্যন্ত এটা আপোচ চুক্তিও হ'ল। কমিচনে তেওঁলোকৰ পৰামৰ্শত ভাৰতীয় সম্প্ৰদায়ৰ দাবী মানি ললে আৰু এই পৰামৰ্শ প্ৰকাশিত হোৱাৰ কেইদিন মান পাছতেই দক্ষিণ আফ্ৰিকাৰ চৰকাৰী গেজেটত 'ইণ্ডিয়ানস্ ৰিলিফ বিল'ৰ খচৰা প্ৰকাশিত হ'ল। এই বিল অনুসৰি তিনি পাউণ্ড কৰ দিয়া প্ৰথা বাতিল হ'ল,

ভাৰতীয় প্ৰথা অনুযায়ী হোৱা বিবাহ আইনসংগত বুলি স্বীকৃত হ'ল আৰু বুঢ়া আঙুলীৰ টিপ যুক্ত ডমিচাইল চাৰ্টিফিকেট ভাৰতীয় সকলৰ পক্ষে দক্ষিণ আফ্ৰিকাত প্ৰবেশৰ যথোপযুক্ত দলীল ৰূপে ঘোষিত হ'ল ।

এই ভাবে দক্ষিণ আফ্ৰিকাত ভাৰতীয় সকলে আঠ বছৰ ধৰি কৰা মহান সত্যাগ্ৰহৰ অবসান হ'ল আৰু এইবাৰ দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকলে শান্তি পাব বুলি ধাৰণা হ'ল । ১৯১৪ চনৰ ১৮ জুলাইৰ দিনা ইংলণ্ড হৈ মই স্বদেশলৈ ৰাওণা হলোঁ । আফ্ৰিকাত মই সুদীৰ্ঘ ২১ বছৰ অতিবাহিত কৰিছিলোঁ আৰু মানব জীৱনৰ তিক্ত আৰু মধুৰ সকলো ধৰণৰ অভিজ্ঞতাই লাভ কৰিছিলোঁ । তাত বাদেও মোৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যৰ উপলব্ধিও এই দক্ষিণ আফ্ৰিকাতে হৈছিল । সেয়ে চিৰদিনলৈ এই দেশ এৰি যোৱাটো খুব সহজ কথা নাছিল ।

ভাৰতলৈ প্ৰত্যাবৰ্ত্তন আৰু আশ্ৰম স্থাপন পুনা পালোহি

ইমান বছৰ বিদেশত থকাৰ পিছত স্বদেশলৈ ঘূৰি অহা সচাঁকৈয়ে আনন্দৰ বিষয় । স্বদেশ প্ৰত্যাবৰ্ত্তনৰ পাছত গোখলে আৰু চাৰ্ভেন্ট অফ ইণ্ডিয়া চোচাইটিৰ [গোপালকৃষ্ণ গোখলেৰ দ্বাৰা প্ৰতিষ্ঠিত এটা অনুষ্ঠান । দেশৰ সেৱাৰ নিমিত্তে চোচাইটি নিৰ্দ্ধাৰিত মাহিলী পাৰিশ্ৰমিকত আজীৱন কাম কৰাৰ সংকল্প এই সংস্থাৰ সদস্য সকলে লব লাগে । ৰাজনীতি, সমাজ সেৱা, অৰ্থনীতি আৰু শিক্ষা দান ইত্যাদি বিবিধ ক্ষেত্ৰত এই সদস্য সকলে কাম কৰে । ৰাজনীতিত এওঁলোক নৰমপন্থী । এই সংস্থাটো অসাম্প্ৰদায়িক আৰু এওঁলোকে জাতিভেদ নামানে । সমগ্ৰ দেশত এওঁলোকৰ দ্বাৰা পৰিচালিত বহু অনুষ্ঠান আছে ।] সদস্য সকলে মোক স্নেহধাৰা বৰ্ষণেৰে অভিভূত কৰি পেলালে । মোৰ যিমান দূৰ মনত পৰে যে মোৰ সৈতে দেখা কৰাৰ বাবে তেওঁলোক সকলোকে একেলগে গোখলেই মাতি আনিছিল । তেওঁলোকৰ সৈতে বহু বিষয়ত আমাৰ অন্তৰংগ আলোচনা হৈছিল ।

ফিনিক্সৰ দৰে পৰিয়াল সহ থাকিব পৰা এখন আশ্ৰম পতাটো মোৰ উদ্দেশ্য আছিল । মই গুজৰাটতেই বাস কৰিবলৈ ইচ্ছা কৰিছিলোঁ । কাৰণ নিজে গুজৰাটী হোৱাই গুজৰাটৰ মাধ্যমতে স্বদেশ সেৱা হব বুলি মই ভাবিছিলোঁ । এই প্ৰস্তাব গোখলেৰ

মনঃপূত হ'ল। তেওঁ কলে – "এয়েই তোমাৰ পক্ষে ভাল হ'ব। আৰু আশ্ৰমৰ যি খৰছ লাগে মোৰ পৰা নিবা। কাৰণ তোমাৰ আশ্ৰমখন মই আমাৰ নিজৰ অনুষ্ঠান বুলিয়েই ভাবোঁ।"

মোৰ হৃদয় আনন্দত অভিভূত হ'ল। চান্দা তোলাৰ হাঙ্গামাৰ পৰা ৰক্ষা পোৱাটো নিঃসন্দেহে খুব সুখৰ কথা।

আশ্ৰম স্থাপন

১৯১৫ চনৰ ২৫ মে তাৰিখে আহমদাবাদৰ ওচৰত কোচৰবত সত্যাগ্ৰহ আশ্ৰম প্ৰতিষ্ঠা কৰা হ'ল। আমি সকলো পুৰুষ আৰু মহিলা লগ লাগি ২৫ জন মান হৈছিলোঁ। সকলোৰে ৰন্ধা-বঢ়া-খোৱা একে ঠাইতে কৰা হৈছিল আৰু আমি এটা পৰিয়ালৰ দৰে থাকিবলৈ চেষ্টা কৰিছিলোঁ।

আশ্ৰম প্ৰতিষ্ঠাৰ কেইমানমানৰ ভিতৰতে আমি এক মহান পৰীক্ষাৰ সমুখীন হ'বলগীয়া হ'ল। অমৃতলাল ঠক্কৰে মোক এখন চিঠি লিখিলে – "এটা সৎ অথচ দৰিদ্ৰ অস্পৃশ্য পৰিয়ালে আপোনাৰ আশ্ৰমত যোগ দিবলৈ ইচ্ছা কৰিছে। আপুনি তেওঁক গ্ৰহণ কৰিবনে ?"

মই অমৃতলাল ঠক্কৰক লিখিলোঁ -"তেওঁলোকে যদি আশ্ৰমৰ নিয়মাবলী পালন কৰিবলৈ প্ৰস্তুত হয়, তেনে তেওঁলোকক গ্ৰহণ কৰিবলৈ সন্মত।"

তেওঁলোক সকলোৰে এই প্ৰস্তাৱত সন্মত হোৱাত তেওঁলোকক আশ্ৰমৰ পৰিয়ালভুক্ত কৰা হ'ল।

কিন্তু ইয়াৰ ফলত আমাৰ সহায়ক আৰু পৃষ্ঠপোষক মিত্ৰবৰ্গৰ মাজত এটা আলোড়নৰ সৃষ্টি হ'ল। নাদ ব্যৱহাৰ কৰাক লৈ পোন প্ৰথমে অসুবিধা হ'ল। কাৰণ কুৱাৰ মালিক অন্য এজন আছিল। তেওঁলোকৰ পানী তোলাৰ মানুহজনে কৈ দিলে যে – আমাৰ বাল্টীৰ ছিটা পৰিলে তেওঁলোকৰ পানী অপবিত্ৰ হৈ যাব। সেইকাৰণে সি আমাক নানা ৰকমে গালি গালাজ কৰা আৰম্ভ কৰিলে। মই সকলোকে এইবোৰ সহ্য কৰিবলৈ পৰামৰ্শ দিলোঁ আৰু কলোঁ – যিয়েই নহওক কিয়, পানী তোলা বন্ধ কৰাটো নচলিব। মানুহজনে যেতিয়া দেখিলে যে গালাগালি শুনিও আমি কোনোৱে উত্তেজিত হৈ কোনো ধৰণৰ বেয়া ব্যৱহাৰ কৰা নাই, তেতিয়া সি নিজে লজ্জিত

হৈ আমাক কটূক্তি কৰিবলৈ এৰি দিলে।

তবে সকলো প্ৰকাৰৰ অৰ্থ সাহায্য বন্ধ হৈ গ'ল। আৰু তাৰ পাছত আমাক সামাজিক ভাবে বয়কট কৰাৰ গুজব শুনিলোঁ। এইবোৰৰ বাবে মই প্ৰস্তুত আছিলোঁ। মই সংগী সকলক জনাই দিলোঁ যে আমাক বয়কট কৰি স্বাভাবিক সুযোগ-সুবিধা নিদিলেও আমি আহমদাবাদ এৰি গুছি নাযাওঁ। আমি বৰং "অস্পৃশ্য"ৰ চুবুৰীলৈ গৈ তেওঁলোকৰ লগত থাকিম আৰু শৰীৰ-শ্ৰম কৰি যি পাওঁ, সেই দিলেই চলিম, কিন্তু তথাপি এই অন্যায়ৰ ওচৰত নতি স্বীকাৰ নকৰোঁ।

ক্ৰমে ঘটনা ইমান শোচনীয় হৈ উঠিল যে মগনলাল গান্ধীয়ে এদিন আহি আমাক খবৰ দিলে যে – আমাৰ হাতত আৰু টকা-পইচা নাই আৰু অহা মাহত খাবলৈ একো নাপাম। মই শান্তিপূৰ্ণ ভাবে উত্তৰ দিলোঁ -"আমি তেনে 'অস্পৃশ্য' চুবুৰীলৈয়ে যাম।"

অগ্নি পৰীক্ষা মোৰ জীৱনত এয়ে প্ৰথম নহয়। আগতে সদায় এনে অৱস্থাত ভগবানে শেষ মুহূৰ্ত্তত সহায়তা কৰিছে। মগনলাল গান্ধীয়ে আমাক আৰ্থিক দুৰ্দ্দশাৰ বাতৰি দিয়াৰ কেইদিনমানৰ পাছতেই এদিন বাতিপুৱাই আশ্ৰমৰ এটি ল'ৰাই আহি মোক খবৰ দিলে যে বাহিৰত এখন মটৰত বহি এজন শেঠে মোৰ লগত সাক্ষাৎ কৰিবলৈ অপেক্ষা কৰি আছে। মই বাহিৰ ওলাই আহিলোঁ। শেঠে ক'লে – "মই আশ্ৰমলৈ অলপ সাহায্য দিব খোজোঁ। তাকে গ্ৰহণ কৰিবলৈ আপোনাৰ আপত্তি নাইতো ?"

মই কলোঁ – "খুব আনন্দেৰে আমি সাহায্য গ্ৰহণ কৰিম। আৰু আপোনাৰ ওচৰত স্বীকাৰ কৰিবলৈ মোৰো কোনো লাজ নাই যে – বৰ্ত্তমানে আমাৰ টকা-পইচা সকলো উদং।"

তেওঁ কলে – "কাইলৈ মই এই সময়তে আহিম। আপুনি তেতিয়া থাকিবনে ?"

মই সন্মতি জনালোঁ আৰু তেওঁ তেতিয়া গলগৈ।

পাছদিনা ঠিক একে সময়তে তেওঁৰ মটৰ আমাৰ নিবাসস্থানৰ ওচৰত ৰলহি আৰু মটৰৰ হৰ্ণ বাজি উঠিল। ল'ৰাইতে মোক খবৰ দিলে। শেঠজী ভিতৰলৈ অহা নাই। মই তেওঁক দেখা কৰিবলৈ বাহিৰ ওলাই আহিলোঁ। তেওঁ মোৰ হাতত ১৩,০০০ হেজাৰ টকাৰ নোট দি মটৰ লৈ গুছি গ'ল।

আমি এই সহায় পাম বুলি আশা কৰা নাছিলোঁ। আৰু সহায়তা দিয়াৰ পদ্ধতিও কি অদ্ভুত ? ভদ্ৰলোক ইতিপূৰ্বে আশ্ৰমলৈ অহা নাই। মোৰ মনত পৰা হিচাবে জীৱনত

তেওঁক প্ৰথম দেখিছোঁ। আগতে অহা নাই, কোনো প্ৰশ্ন নাই, কেৱল আহি অৰ্থ সাহায্য কৰি গুছি যোৱা – আমাৰ পক্ষে এই অভিজ্ঞতা অভূতপূৰ্ব্ব। আমি এনেছৰৰ কাৰণে নিশ্চিন্ত হলোঁ।

চম্পাৰণত
নীলৰ কলঙ্ক

চম্পাৰণৰ খেতিয়ক সকলক আইনৰ দ্বাৰা তাৰ জমিদাৰৰ বাবে নিজৰ মুঠ জমিৰ কুৰি ভাগৰ তিনি ভাগ নীলৰ খেতি কৰিবলৈ বাধ্য কৰা হয়। ইয়াৰ নাম আছিল ‘তিনি কঠিয়া’ নিয়ম। বিঘাই প্ৰতি তিনি কঠা মাটিত নীলৰ খেতি কৰিব লাগে। সেয়ে এই প্ৰথাৰ এই নাম।

ৰাজকুমাৰ শুক্ল নামে এজন খেতিয়ক এই নিয়মৰে অত্যাচাৰৰ বলি হয়। সেয়ে তেওঁ মোক চম্পাৰণলৈ গৈ নিজ চকুৰে তাৰ অৱস্থা চাই আহিবলৈ অনুৰোধ কৰে।

মই ১৯১৭ চনৰ প্ৰথম ভাগত কলিকতাৰ পৰা চম্পাৰণলৈ যাত্ৰা কৰিলোঁ। চম্পাৰণৰ কৃষক সকলৰ অৱস্থাৰ চৰজমিন তদন্ত কৰি নীলকৰ সকলৰ বিৰুদ্ধে তেওঁলোকৰ কি অভিযোগ আছে তাকে জানিবলৈ চম্পাৰণলৈ যোৱা স্থিৰ কৰিলোঁ। ইয়াৰ কাৰণে হেজাৰ হেজাৰ ৰায়তৰ লগত দেখা কৰাৰ প্ৰয়োজন হ’ল। অৱশ্যে মোৰ মনত ভাব হ’ল এই সম্বন্ধে নীলকৰ বক্তব্য জনা উচিত আৰু বিভাগীয় কমিচনাৰৰ সৈতেও এবাৰ সাক্ষাৎ কৰা কৰ্ত্তব্য। উভয় পক্ষৰ সৈতেই মোৰ সাক্ষাৎকাৰৰ প্ৰাৰ্থনা মঞ্জুৰ হ’ল।

নীলকৰ সমিতিৰ সম্পাদকে মোক জনাই দিলে যে মই বহিৰাগত বুলি তেওঁলোকৰ আৰু নীল খেতিয়কৰ মাজত জপিয়াই পৰাৰ কোনো প্ৰয়োজন নাই। অৱশ্যে মোৰ কিবা বক্তব্য থাকিলে মই তেওঁলোকক লিখিত ভাবে জনাব পাৰোঁ। মই তেওঁক বিনম্ৰ ভাবে জনাই দিলোঁ যে মোক বহিৰাগত বুলি মই মুঠেও নাভাবোঁ আৰু নীল খেতিয়ক সকলৰ যদি ইচ্ছা হয়, তেনে তেওঁলোকৰ অৱস্থা সম্বন্ধে তথ্য সংগ্ৰহ কৰাৰ সকলো অধিকাৰ মোৰ আছে।

কমিচনাৰ চাহাবে মোক অবিলম্বে ত্ৰিহুত বিভাগ এৰি যাবলৈ পৰামৰ্শ দিলে। সহকৰ্মী সকলক মই সকলো কথা কলোঁ আৰু কলোঁ যে চৰকাৰে হয়তো আমাক

আৰু আগুৱাব নিদিব আৰু মই যি ভাবিছিলোঁ তাতোকৈ বেছি সোনকালে মই জেললৈ যাব লাগিব। মোৰ ভাব হ'ল যদি গ্ৰেপ্তাৰ হ'বলগীয়াই হয় তেতিয়া হলে মোতিহাৰী বা সম্ভব হলে বেতিয়াতে গ্ৰেপ্তাৰ হোৱা ভাল। গতিকে যিমান সোনকালে পাৰি মই সেই এলেকাত উপস্থিত হোৱা উচিত বুলি ভাবিলোঁ।

চম্পাৰণ ত্ৰিহুত বিভাগৰ এখন জিলা মাথোন আৰু মোতিহাৰী তাৰ সদৰ কাৰ্য্যালয়। ৰাজকুমাৰ শুক্লৰ ঘৰ বেতিয়াৰ ওচৰত আৰু সেই অঞ্চলৰ খেতিয়কৰ অৱস্থা চম্পাৰণ জিলাৰ ভিতৰত সকলোতকৈ দুখীয়া। ৰাজকুমাৰ শুক্লৰ আগ্ৰহ আছিল যে মই সেই এলেকা পৰিদৰ্শন কৰোঁ। আৰু মোৰো সেই ইচ্ছা পূৰ্ণ মাত্ৰাই আছিল।

সেয়ে মই সেই দিনাই সহকৰ্মী সকলক লৈ মোতিহাৰীলৈ যাত্ৰা কৰিলোঁ। আৰু সিদিনাই আমি খবৰ পালোঁ যে মোতিহাৰীৰ পৰা পাচ মাইল দূৰৈৰ এজন খেতিয়কৰ ওপৰত অত্যাচাৰ হৈছে। স্থিৰ কৰা হ'ল পিছ দিনা ৰাতিপুৱাই বাবু ধৰণীধৰ প্ৰসাদৰ লগত গৈ সেই খেতিয়ক জনক লগ ধৰিম। নিৰ্দিষ্ট সময় মতে হাতীত উঠি ঘটনাস্থলীলৈ যাত্ৰা কৰিলোঁ। আধা পথ যোৱাৰ আগতেই পুলিচ চুপাৰৰ নিৰ্দেশ লৈ এজন কৰ্মচাৰী আহি আমাৰ আগত উপস্থিত হ'ল আৰু কলে যে পুলিচ চাহাবে মোক চেলাম পঠিয়াইছে। তাৰ অৰ্থ মই বুজিলোঁ। ধৰণীধৰ বাবুক ঘটনাস্থলীলৈ যাবলৈ পৰামৰ্শ দি মই পুলিচ চাহেবৰ কৰ্মচাৰীজনে ভাড়ালৈ অনা মটৰ গাড়ীত উঠি বহিলোঁ। পুলিচ কৰ্মচাৰীজনে তেতিয়া মোৰ ওপৰত চম্পাৰণ জিলা ত্যাগ কৰি যাবলৈ দিয়া নিৰ্দেশ এখন জাৰী কৰিলে আৰু মোক আমাৰ বাসস্থানৰ পিনে লৈ যাব ধৰিলে। পুলিচ চাহেবৰ নিৰ্দেশৰ প্ৰাপ্তি স্বীকাৰ কৰি লিখি দিবলৈ কোৱাত লিখি দিলোঁ যে তদন্ত শেষ নোহোৱা পৰ্য্যন্ত মই চম্পাৰণ এৰি যাবলৈ ইচ্ছুক নহওঁ। ইয়াৰ পাছত মোৰ ওপৰত এখন চমন জাৰী কৰি জনোৱা হ'ল যে চম্পাৰণ ত্যাগ কৰা নিৰ্দেশ অমান্য কৰা বাবে পাছদিনা আদালতত মোৰ বিচাৰ হব।

মোৰ ওপৰত চম্পাৰণ ত্যাগ কৰাৰ নিৰ্দেশ জাৰী আৰু তাকে অমান্য কৰা বাবে চমন জাৰী কৰা খবৰ দাবানলৰ দৰে চাৰিওপিনে বিয়পি পৰিল। মই খবৰ পালোঁ যে সিদিনা মোতিহাৰীত অভূতপূৰ্ব্ব দৃশ্য উপস্থিত হৈছিল। গোৰখবাবুৰ ঘৰ আৰু আদালত প্ৰাঙ্গণ লোকে লোকাৰণ্য হৈ পৰিছিল। সৌভাগ্যবশতঃ মোৰ সকলো কাম-কাজ ৰাতিতেই শেষ কৰি থৈছিলোঁ বুলি মই কোনোমতে ভীৰৰ গোলমাল চম্ভালি নিলোঁ। মোৰ সংগী কেইজনেও খুব তৎপৰতা দেখুৱালে। জনস্ৰোতে চাৰিওপিনে মোকে অনুসৰণ কৰিছিল কাৰণে সকলো পিনে ভীৰ নিয়ন্ত্ৰণ কৰিবলগীয়া হৈছিল।

ইয়াৰ বাবে কালেক্টৰ, মেজিষ্ট্ৰেট, পুলিচ চুপাৰ আদি চৰকাৰী কৰ্মচাৰী সকলৰ লগত এটা বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিল। আমাৰ ওপৰত যিবোৰ নিষেধাজ্ঞা জাৰি কৰিছিল আইনসংগত ভাবে মই সিবোৰৰ বিৰোধিতা কৰিব পাৰিলোহেঁতেন। তাকে নকৰি মই সেইবোৰ গ্ৰহণ কৰিছিলোঁ আৰু চৰকাৰী কৰ্মচাৰী সকলৰ প্ৰতি আমাৰ ব্যৱহাৰ আছিল অত্যন্ত ভদ্ৰ। এই কাৰণে তেওঁলোকৰ মনত এই ধাৰণা জন্মিল যে মই ব্যক্তিগত ভাবে তেওঁলোকক কোনো প্ৰকাৰৰ অসন্মান কৰিব নোখোজোঁ। মোৰ লক্ষ্য হৈছে তেওঁলোকৰ নিৰ্দেশৰ বিৰুদ্ধে আইন অমান্য আন্দোলন কৰা। এই ভাবি তেওঁলোকেও আমাৰ লগত ভদ্ৰব্যৱহাৰ কৰিব ধৰিলে। তেওঁলোকে আমাক উত্তেজিত আৰু বিব্ৰত কৰাৰ সলনি জনতা নিয়ন্ত্ৰণ কৰা আদি কাৰ্য্যত মোৰ আৰু মোৰ সহকৰ্মী সকলৰ সহায় লব ধৰিলে। অৱশ্যে তেওঁলোকে স্পষ্টকৈ বুজি উঠিলে যে তেওঁলোকৰ কৰ্তৃত্বৰ ভেটী দুৰ্বল হৈ পৰিছে। অন্ততঃ ইয়াৰ ৰাইজৰ মনত শাস্তি খোৱাৰ ভয় নাই আৰু তেওঁলোকে এতিয়া নবলব্ধ বন্ধুসকলৰ প্ৰেম শক্তিৰ ওচৰত আপোন আনুগত্য প্ৰকাশ কৰিছে।

মনত ৰাখিব লাগিব যে চম্পাৰণত মই একেবাৰে অপৰিচিত ব্যক্তি। তথাপি চম্পাৰণবাসীয়ে মোৰ সৈতে এনে ব্যৱহাৰ কৰিলে যেন মই তেওঁলোকৰ সাতকলীয়া বন্ধুহে। খেতিয়ক সকলৰ লগত সম্বন্ধৰ ফলত ঈশ্বৰ, অহিংসা আৰু সত্যৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিলোঁ – এই কথা মুঠেও অতিৰঞ্জিত নহয়। মোৰ কাৰণে ই এক বাস্তব সত্য। চম্পাৰণৰ সেই দিনটো মোৰ জীৱনৰ এক অবিস্মৰণীয় অধ্যায় আৰু খেতিয়ক আৰু আমাৰ কাৰণে এটা অত্যন্ত গৌৰৱজনক পুণ্য লগ্ন।

বিচাৰ আৰম্ভ হ'ল। চৰকাৰী উকীল, মেজিষ্ট্ৰেট আৰু অন্যান্য চৰকাৰী কৰ্মচাৰী সকলে কিংকৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰি বিভ্ৰান্ত হৈ পৰিল।

শাস্তি গ্ৰহণ কৰাৰ কাৰণে আদালতত হাজিৰ হোৱাৰ আগ মুহূৰ্ত্তত বিচাৰৰ ভাৰপ্ৰাপ্ত মেজিষ্ট্ৰেটে মোক লিখিত ভাবে জনালে যে বিহাৰৰ লেফ্টেন্যান্ট গৱৰ্ণৰ মহোদয়ে মোৰ বিৰুদ্ধে অনা মোকৰ্দ্দমা প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দ্দেশ দিছে। জিলা কালেক্টৰেও মোলৈ লিখি পঠালে যে মই নিৰ্বিবাদে প্ৰস্তাবিত তদন্ত চলাই যাব পাৰোঁ আৰু চৰকাৰী কৰ্মচাৰী সকলৰ পৰাও যি কোনো সহায় পোৱাৰ অধিকাৰ আছে। ইমান সোনকালে সমস্যাৰ এনে সমাধান হৈ যাব – এই কথা আমাৰ কোনোৱে চিন্তা কৰা নাছিল।

হেজাৰ হেজাৰ খেতিয়কে সাক্ষী দিলে। আমি য'তেই বহি জবানবন্দী লিখোঁ তাৰ

আশে-পাশে চাৰিওফালে খেতিয়ক আৰু তেওঁলোকৰ সংগী আদিৰে লোকাৰণ্য হৈ পৰে।

কলঙ্ক দূৰ হ'ল

সদায় বেছি বেছি সংখ্যাত ৰায়ত বিলাকে আমাৰ ওচৰলৈ জবানবন্দী দিবলৈ অহা দেখি নীলকৰ সকলৰ উষ্মা বাঢ়িবলৈ ধৰিলে আৰু আমাৰ তদন্ত বন্ধ কৰি দিবলৈ চাৰিওপিনৰ পৰা তোলপাৰ আৰম্ভ কৰিলে।

কিন্তু লেফটেন্যান্ট গৱৰ্ণৰ চাৰ এডৱাৰ্ড গেইটে মোক টেলিগ্ৰাম কৰি তেওঁৰ সৈতে দেখা কৰিবলৈ কলে আৰু কলে যে তেওঁ এটা তদন্ত কমিটি নিযুক্ত কৰিবলৈ ইচ্ছুক আৰু মোক এজন সদস্য হোৱাৰ বাবে নিমন্ত্ৰণ জনালে।

কমিটিয়ে ৰায়তৰ সপক্ষে মত দিলে আৰু প্ৰস্তাৱ দিলে যে নীলকৰ সকলে খেতিয়কৰ পৰা এই পৰ্য্যন্ত অন্যায় ভাবে যি কৰ আদায় কৰিছে তাৰ একাংশ ঘূৰাই দিব লাগিব। কমিটিয়ে এই পৰামৰ্শও দিলে যে 'তিনি কঠীয়া' প্ৰথাক আইন অনুসৰি উচ্ছেদ কৰা উচিত।

এনেকৈ যোৱা এটা শতাব্দী ধৰি যি 'তিনি কঠীয়া" কৰ চলি আহিছিল, তাৰ অবসান হ'ল আৰু লগে লগে নীলকৰ চাহাব সকলৰ ৰাজত্বৰো পৰিসমাপ্তি ঘটিল।

আহ্মদাবাদৰ শ্ৰমিক সকলৰ কথা

এই সময়তে আহ্মদাবাদৰ অৱস্থা সম্বন্ধে শ্ৰীমতী অনুসূয়া বেনৰ পৰা মোৰ সহায় বিচাৰি লিখা চিঠি এখন পালোঁ। শ্ৰমিক সকলৰ বেতন আছিল কম আৰু বহু দিনৰ পৰা ইয়াক বৃদ্ধি কৰিবৰ বাবে আন্দোলন কৰি আহিছিল। মোৰ শক্তি অনুসৰি তেওঁলোকক সহায় কৰিবলৈ মই ব্যগ্ৰ হৈ উঠিলোঁ আৰু এই উদ্দেশ্যে আহ্মদাবাদত উপস্থিত হলোঁ।

সেইখিনি পাই মই এক অদ্ভুত পৰিস্থিতিৰ মাজত পৰিলোঁ। শ্ৰমিক সকলৰ দাবী ন্যায়পূৰ্ণ আছিল। অৱশ্যে শ্ৰীমতী অনুসূয়া বেনক তেওঁৰ ককায়েক শ্ৰী অম্বালাল সৰাভাইৰ সৈতে যুজিব লগা হ'ল। কাৰণ তেৱেঁই মিল মালিকৰ নেতাৰ দৰে আছিল। তেওঁৰ

সৈতে আমাৰ সম্বন্ধ বৰ মধুৰ আছিল আৰু এইকাৰণে এই সংগ্ৰাম আৰু বেছি কঠিন হ'ল। মই তেওঁলোকৰ সৈতে আলাপ-আলোচনা কৰিলোঁ আৰু এই বিবাদ কোনো মধ্যস্থতাকাৰীক দিবলৈ অনুৰোধ কৰিলোঁ। কিন্তু তেওঁলোকে নীতিগত ভাবে এই চালিচি প্ৰথা মানিবলৈ অস্বীকাৰ কৰিলে।

সেই কাৰণে মই এই শ্ৰমিক সকলক ধৰ্মঘট কৰিবলৈ উপদেশ দিলোঁ। অৱশ্যে এই পৰামৰ্শ দিয়াৰ আগতে মই শ্ৰমিক সমাজ আৰু তেওঁলোকৰ নেচ্যা সৈতে ঘনিষ্ঠ সম্বন্ধ স্থাপিত কৰিলোঁ আৰু তেওঁলোকক কলোঁ যে সফলতাৰে ধৰ্মঘট পৰিচালনাৰ কাৰণে তলত দিয়া নিয়মাৱলী পালন কৰাতো অনিবাৰ্য্য ঃ

১। কেতিয়াও হিংসাৰ আশ্ৰয় নলওঁ।

২। ধৰ্মঘট বিৰোধী বনুৱা সকলক কোনো জোৰ-জুলুম নকৰোঁ।

৩। ধৰ্মঘটৰ সময়ত চান্দাৰ ওপৰত নিৰ্ভৰ কৰা কোনোমতেই উচিত নহব।

৪। যিমান দিনেই ধৰ্মঘট চলক, ধৰ্মঘটকাৰী সকল দৃঢ় হৈ থাকিব লাগিব আৰু ধৰ্মঘট্ কৰাৰ সময়ত কিবা সৎ পথে জীবিকা আৰ্জন কৰিব লাগিব।

ধৰ্মঘটৰ নেতা সকলে আমাৰ বক্তব্য বুজিলে আৰু আমাৰ চৰ্ত্তৱলীও গ্ৰহণ কৰিলে। সেইমতে শ্ৰমিক সকলে প্ৰকাশ্যে এখন সভাত সমবেত হৈ প্ৰতিজ্ঞা কৰিলে যে তেওঁলোকৰ দাবী পূৰ্ণ নোহোৱালৈ অথবা দাবী বিচাৰ কৰিবলৈ মিল মালিক সকলে ন্যায়াধিকৰণ নিয়োগ নকৰালৈ কোনোৱে কামত যোগদান নকৰিব।

প্ৰথম দুই সপ্তাহ শ্ৰমিক সকলে যথেষ্ট মনোবল আৰু আত্ম সংযমৰ পৰিচয় দিলে আৰু সেই কেইদিন দৈনিক তেওঁলোকে বিৰাট ৰাজহুৱা সভাত লগ লাগিছিল। সভাত মই তেওঁলোকৰ কথা মনত পেলাই দিছিলোঁ আৰু তেওঁলোকে সমবেত কণ্ঠে মোক প্ৰতিশ্ৰুতি দিছিল যে কথাৰ বিৰোধিতা কৰাতকৈ তেওঁলোকে মৃত্যুকেই বৰণ কৰিব।

কিন্তু ক্ৰমে তেওঁলোকৰ মাজত দুৰ্বলতাৰ লক্ষণ দেখা দিব ধৰিলে। মই বৰ উৎকণ্ঠিত হলোঁ আৰু এই অৱস্থাত আমাৰ কি কৰ্ত্তব্য সেই বিষয়ে গভীৰ ভাবে চিন্তা কৰিবলৈ ধৰিলোঁ।

এদিন পুৱাই শ্ৰমিক সকলৰ সভা বহিছিল। তেতিয়াও কোনো উপায় বিচাৰি নাপাই আন্ধাৰতে হাত খেপিয়াই ফুৰিছিলোঁ। সভাত শ্ৰমিক সকলৰ সমুখত বক্তৃতা দিছোঁ, তেনে সময়তে মই পোহৰ দেখিলো। একান্ত অপ্ৰত্যাশিত ভাবে মোৰ মুখৰ পৰা বাহিৰ ওলাল – "ধৰ্মঘটকাৰী শ্ৰমিক সকলে ঐক্যবদ্ধ ধৰ্মঘটৰ সলনি মালিক পক্ষৰ লগত এটা বুজা-পৰা নোহোৱা পৰ্য্যন্ত অথবা চিৰদিনলৈ মিলৰ সৈতে সম্পৰ্ক ত্যাগ

কৰাৰ সিদ্ধান্ত নোলোৱালৈ মই কোনো আহাৰ নাখাওঁ ।"

শ্ৰমিক সকলৰ মূৰত যেন বজ্ৰপাত হ'ল । অনুসূয়া বেনৰ গালেৰে চকুৰ লোটক বাগৰি আহিল। শ্ৰমিক সকলে চিঞৰি উঠিল – "আপুনি নালাগে, আমিয়েই উপবাস কৰিম । আপুনি অনশন কৰা অত্যন্ত বেয়া কথা হব । আমাৰ ক্ৰটী-বিচ্যুতি আৰু দুৰ্বলতাৰ কাৰণে আমাক এই বাৰলৈ ক্ষমা কৰক । এইবাৰ আমি কথা দিছোঁ যে শেষ পৰ্য্যন্ত আমি আপোনাৰ অনুগত হৈ থাকিম ।"

উত্তৰত মই কলোঁ – "আপোনালোকে অনশন কৰাৰ প্ৰয়োজন নাই । আপোনালোক নিজৰ সংকল্পত অটুট থকাটোৱেই যথেষ্ট। আপোনালোকে জানে যে মোৰ হাতত সঞ্চিত অৰ্থ নাই আৰু জনসাধাৰণৰ দান বৰঙণি লৈ মই ধৰ্মঘট চলাব নোখোজোঁ। সেয়ে জীয়াই থাকিবলৈ যিখিনি নহলে নহয় তাকে আপোনালোকে কিবা প্ৰকাৰৰ মজদুৰী কৰি উপাৰ্জন কৰিব লাগিব। সেয়ে হলে ধৰ্মঘট যিমান দিনে নচলক কিয়, আপোনালোকৰ উদ্বেগৰ কোনো কাৰণ নাথাকিব। ধৰ্মঘটৰ এটা নিষ্পত্তিহোৱাৰ পিছতেই মোৰ অনশন শেষ হব ।"

অনুসূয়া বেন আৰু অন্য কেইবাজনো শ্ৰমিক প্ৰথম দিনা মোৰ লগত বহি অনশন কৰিলে। তেওঁলোকৰ উপবাস যাতে দীৰ্ঘস্থায়ী নহয় তাৰ ব্যৱস্থা কৰিবলৈ মোৰ বেচ কষ্ট কৰিবলগীয়া হৈছিল ।

ইয়াৰ পৰিণাম স্বৰূপে চাৰিওপিনে এটা শুভেচ্ছাৰ পৰিবেশ সৃষ্টি হ'ল। এই ঘটনাই মিল মালিক সকলৰ অন্তৰকো স্পৰ্শ কৰিলে আৰু তেওঁলোকে এটা আপোচৰ পথ বিচাৰিব ধৰিলে। শ্ৰী আনন্দ শঙ্কৰ ধ্ৰুৱই মধ্যস্থতা কৰিলে আৰু শেষ পৰ্য্যন্ত তেওঁকেই ন্যায়াধিকৰণ নিয়োগ কৰা হ'ল । এইভাবে মোৰ উপবাসৰ তৃতীয়দিনাই ধৰ্মঘট প্ৰত্যাহাৰ কৰা হ'ল । মিল মালিক সকলে মিঠাই বিলাই এই শুভ ঘটনা আনুষ্ঠানিক ভাবে পালন কৰিলে আৰু ধৰ্মঘট আৰম্ভ হোৱাৰ একৈশ দিনৰ ভিতৰতে এইধৰণে তাৰ সমাধান হৈ গ'ল ।

খেড়া সত্যাগ্ৰহ

মই উশাহ লবলৈকো সময় নাপালোঁ। আহমদাবাদৰ সত্যাগ্ৰহ শেষ হওঁ নৌহওঁতেই মই খেড়া সত্যাগ্ৰহত জপিয়াই পৰিবলগীয়া হ'ল।

অনাবৃষ্টিৰ কাৰণে খেড়া জিলাত প্ৰায় দুৰ্ভিক্ষৰ অৱস্থাই দেখা দিলে। খেড়াৰ পট্টাদাৰ সকলে সেয়ে চৰকাৰলৈ আবেদন জনাইছিল যে সেই বছৰৰ খাজনা যেন আদায় কৰা নহয়।

ভূমি-ৰাজহৰ নিয়মানুসৰি চাৰি অনা বা তাৰ কম ফচল হলে সেই বছৰ খাজনা আদায় বন্ধ ৰখাৰ দাবী জনোৱাৰ অধিকাৰ ৰায়তসকলৰ আছিল। চৰকাৰী হিচাব মতে ফচল চাৰি অনাৰ উপৰ হৈছিল। আনফালে খেতিয়ক সকলৰ মতে ফচল চাৰি অনাৰ কম হৈছে। কিন্তু চৰকাৰে তেওঁলোকৰ কথাত যে কৰ্ণপাত কৰিব – তাৰ কোনো লক্ষণ নাছিল। অৱশেষত যেতিয়া সকলো আবেদন নিবেদন ব্যৰ্থ হ'ল, তেতিয়া মই সহকৰ্মী সকলৰ লগত পৰামৰ্শ কৰি পট্টাদাৰ সকলক সত্যাগ্ৰহ কৰাৰ পৰামৰ্শ দিলোঁ।

জনসাধাৰণে প্ৰথম অৱস্থাত প্ৰচণ্ড শক্তিৰ পৰিচয় দিলেও চৰকাৰে খুব এটা কঠোৰ ব্যৱস্থা লোৱাৰ পক্ষপাতী বুলি ভাবে হোৱা নাছিল। কিন্তু জনসাধাৰণৰ দৃঢ়তা তিলমাত্ৰ হ্ৰাস পোৱাৰ লক্ষণ দেখা নিদিয়াত চৰকাৰে তাৰ পাছত দমন নীতিৰ আশ্ৰয় ললে। চৰকাৰী কৰ্মচাৰী সকলে খেতিয়কৰ গৰু-ম'হ বিক্ৰী কৰিব ধৰিলে আৰু যাৱতীয় অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰিলে। বহুতৰ বিৰুদ্ধে ক্ৰোকী পৰৱানা জাৰী হ'ল আৰু বহুতৰে মাটিৰ ফচলকে বাজেয়াপ্ত কৰিলে।

চৰকাৰী দমন নীতিৰ কাৰণে যি সকলৰ মনত ত্ৰাসৰ সঞ্চাৰ হৈছিল, তেওঁলোকক সাহস দিবলৈ মই শ্ৰীমোহন লাল পাণ্ড্যাৰ নেতৃত্বত এদল খেতিয়কক এখন পথাৰৰ পৰা পিয়াজ তুলি আনিবলৈ নিৰ্দ্দেশ দিলেঁ। আমাৰ মতে সেই টুকুৰা মাটিৰ ফচল অন্যায় ভাবে ক্ৰোক কৰা হৈছিল। এই ভাবে চৰকাৰী হুকুম অমান্য কৰাৰ ফল হৈছে জেল আৰু জৰিমণা। এই ঘটনাৰ দ্বাৰাই কৃষক সমাজক এই উভয় বিধ চৰকাৰী দমন নীতি বিষয়ে অৱগত কৰাৰ এটা ভাল সুযোগ অহা বুলি মোৰ ভাব হ'ল। আৰু শ্ৰী মোহন লাল পাণ্ড্যাৰ বাবেতো এয়া মনৰ মতন কাম। তেওঁ সেয়ে আনন্দ মনে

খেতিৰ পিয়াজ তুলিবলৈ গ'ল আৰু এই কামত সাত আঠ জন তেওঁৰ সংগী হ'ল।

চৰকাৰৰ পক্ষে কোনো শাস্তি নিদিয়াকৈ তেওঁলোকক এৰি দিয়াটো অসম্ভৱ। সেয়ে তেওঁলোক গ্ৰেপ্তাৰ হ'ল। কিন্তু ইয়াৰ ফলত জন সাধাৰণৰ উৎসাহ আৰু বাঢ়িল। জেললৈ যোৱাৰ ভয় নাইকিয়া হলে চৰকাৰৰ দমন নীতিয়ে জনসাধাৰণৰ শক্তি বৃদ্ধিহে কৰে। এটা বিৰাট শোভাযাত্ৰাই "আচামী" সকলক জেলৰ দুৱাৰ মুখলৈ অনুগমন কৰিলে আৰু সিদিনাৰ পৰা শ্ৰীমোহনলাল পাণ্ড্যাক জনসাধাৰণৰ প্ৰীতিৰ নিদৰ্শন স্বৰূপে সকলোৱে "ডুংলি চোৰ (পিয়াজ চোৰ) উপাধি দিলে। তেওঁ আজিও সেই নামেৰে পৰিচিত।

এই আন্দোলনৰ অবসানৰ কাৰণে মই এটা সন্মানজনক সিদ্ধান্তৰ অনুসন্ধান কৰিছিলোঁ, যি সত্যাগ্ৰহী সকলৰ গ্ৰহণীয় হয়। নদিয়াদৰ তালুকদাৰ মৌজাদাৰে মোলৈ খবৰ পঠিয়ালে যে স্বচ্ছল অৱস্থাৰ পট্টাদাৰ সকলে খাজনা আদায় দিলে, তেওঁ দুখীয়া বোৰৰ খাজনা ৰেহাই দিবলৈ সাজু। মই তেওঁৰ পৰা এখন লিখিত প্ৰতিশ্ৰুতি খুজিলোঁ আৰু পাইও গলোঁ। সমগ্ৰ জিলাৰ ক্ষেত্ৰত কলেক্টৰেহে এনে প্ৰতিশ্ৰুতি দিব পাৰে বুলি ঘটনাটো তেওঁৰ দৃষ্টিগোচৰ কৰিলোঁ আৰু মই জানিব খুজিলোঁ যে মৌজাদাৰৰ প্ৰতিশ্ৰুতি সমগ্ৰ জিলাতে প্ৰযোজ্য হব নেকি ? তেওঁৰ পৰা জনা গ'ল যে ইতিপূৰ্ব্বেই তেওঁৰ তৰফে এই মৰ্মে নিৰ্দেশ জাৰী কৰা হৈছে। মই এই কথা জনা নাছিলোঁ। এই ঘটনা সচাঁ হলে জন সাধাৰণৰ দাবী পূৰ্ণ হোৱা বুলি ধৰিব লাগিব। সেয়ে এই নিৰ্দেশৰ কথা জানিব পাৰি সন্তোষ প্ৰকাশ কৰিলোঁ।

খেড়া সত্যাগ্ৰহে গুজৰাটী খেতিয়ক সকলৰ মাজত এটা নব-চেতনাৰ সঞ্চাৰ কৰে। ইয়াৰ পৰিণাম স্বৰূপে এওঁলোকৰ মাজত ৰাজনৈতিক শিক্ষাৰ সূত্ৰপাত হয়। জনসাধাৰণৰ মাজত এই বোধ গভীৰ হ'ল যে – "তেওঁলোকৰ মুক্তি তেওঁলোকৰ নিজৰ হাতত।" নিজে দুঃখ কষ্ট বৰণ আৰু আত্মোৎসৰ্গৰ ক্ষমতাৰ ওপৰতে তেওঁলোকৰ সমস্যাৱলীৰ সমাধান নিৰ্ভৰশীল। খেড়াৰ আন্দোলনৰ ফলত গুজৰাটৰ মাটিত সত্যাগ্ৰহ দৃঢ় হ'ল।

মৃত্যুৰ সন্মুখীন

সেই সময়ত মোৰ মুখ্য খাদ্য আছিল – চীনা বাদামৰ, মাখন আৰু নেমু। মই জানিছিলোঁ যে এই মাখন বেছিকৈ খালে স্বাস্থ্যৰ ক্ষতি হয়, কিন্তু তথাপি খোৱা

বন্ধ কৰা নাই। ফলত গ্ৰহণী ৰোগত আক্ৰান্ত হ'লো।

সিদিনা এটা বিশেষ উৎসৱ আছিল। কস্তুৰবাক যদিও মই দুপৰীয়া একো নাখাওঁ বুলি কৈছিলোঁ, তথাপি তেওঁ খাবলৈ বৰ জোৰকৈ ধৰাত, মই নতি স্বীকাৰ কৰিলোঁ। দুধ বা দুধৰ তৈয়াৰী কোনো বস্তু নাখাম বুলিও মই সংকল্প কৰিছিলোঁ। সেয়ে তেওঁ মোৰ বাবে ঘিৰ সলনি তেল দি আটাৰ লাডু তৈয়াৰ কৰিছিল। তাত বাদে গজালি ওলোৱা মগুও আছিল। এই বিলাক খাবলৈ মই ভালপাওঁ বাবে নিঃসংকোচে খালোঁ। ভাবিলোঁ যে কম পৰিমাণে খাম – যাতে কস্তুৰবাৰ মনো ৰখা হয়, মোৰো ভোক গুচে। কিন্তু চয়তান সুযোগৰ প্ৰতীক্ষাতে আছিল। অলপ খোৱাৰ সলনি মই পেট ভৰায়েই খালোঁ। মৃত্যু দূতকে আহ্বান কৰিবলৈ এয়ে যথেষ্ট আছিল আৰু এঘন্টাৰ ভিতৰতে প্ৰচণ্ড গ্ৰহণীৰ লক্ষণে দেখা দিলে।

কোনো ঔষধ নাখাই মই মোৰ মূৰ্খামিৰ প্ৰায়শ্চিত্ত স্বৰূপে যন্ত্ৰণা ভোগ কৰা ভাল বুলি ভাবিলোঁ। গোটেই দিনটো ত্ৰিশৰ পৰা চল্লিশ বাৰ পায়খানা হ'ল। প্ৰথম প্ৰথম আনকি ফলৰ ৰসো বৰ্জন কৰি উপবাস কৰিলোঁ। খোৱাত কোনো ৰুচি নাছিল। মনত্ত ভাব হ'ল মই যেন মৃত্যুৰ দুৱাৰ দলিত উপস্থিত হৈছোঁ।

এনেকৈ নিশ্চিত মৃত্যুৰ দিন গণি গণি যেতিয়া দিন কটাইছোঁ তেতিয়া শঙ্কৰলাল ব্যাঙ্কাৰ স্বতঃস্ফূৰ্ত ভাবে মোৰ স্বাস্থ্যৰ ৰক্ষক হৈ উঠিল আৰু তেওঁ ডাঃ ডালালৰ লগত পৰামৰ্শ কৰিবলৈ জেদ পাতি ধৰিলে। গতিকে তেওঁক মতা হ'ল। দ্ৰুত সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত তেওঁৰ দক্ষতা দেখি মই অত্যন্ত প্ৰভাবিত হলোঁ।

তেওঁ কলে – "আপুনি গাখীৰ নাখালে আমি আপোনাৰ শৰীৰ ৰক্ষা কৰিব নোৱাৰিম। তাৰোপৰি আপুনি যদি আয়ৰণ আৰু আৰ্চেনিক বেজী লয়, তেনেহলে মই জোৰ দি কব পাৰোঁ যে – আপোনাক মই সম্পূৰ্ণ সুস্থ আৰু সবল কৰি দিব পাৰিম।"

উত্তৰ দিলোঁ – "আপুনি বেজী দিব পাৰে, কিন্তু গাখীৰৰ কথা বেলেগ। দুধ নাখাম বুলি মই প্ৰতিজ্ঞা কৰিছোঁ।

চিকিৎসকে প্ৰশ্ন কৰিলে -"আপোনাৰ আচল সংকল্পটোনো কি ?"

মই তেওঁক মোৰ সংকল্পৰ কাৰণ আৰু ইতিহাস বৰ্ণনা কৰি কলোঁ যে – "গাই আৰু ম'হৰ গাখীৰ কৃত্ৰিম প্ৰথাৰে খিৰোৱা হয়, সেই কাৰণে খাবলৈ তীব্ৰ অনিচ্ছাৰ ভাব হল। তাত বাদেও মোৰ প্ৰায়েই ভাব হয় যে–গাখীৰ মানুহৰ স্বাভাবিক আহাৰ নহয়। সেয়ে মই সম্পূৰ্ণভাবে দুধ বৰ্জনৰ প্ৰতিজ্ঞা কৰিছোঁ।"

কস্তুৰবা ইমান সময় মোৰ মূৰ শিতানত থিয় দি এই কথা-বতৰা শুনি আছিল। তেওঁ এইবাৰ কলে - "তেনেহলে ছাগলৰ গাখীৰ সম্বন্ধেতো তোমাৰ কোনো আপত্তি থাকিব নোৱাৰে।" ডা° ডালালেও কলে - "ছাগলীৰ গাখীৰ খালেও আমাৰ কাম চলিব।"

মই পৰাজয় স্বীকাৰ কৰিলোঁ। সত্যাগ্ৰহ সংগ্ৰাম পৰিচালনাৰ তীব্ৰ ইচ্ছাই মোৰ মনত ভিতৰত জীয়াই থকাৰ আকুল হেঁপাহ জন্মাইছিল। সেই কাৰণে মই মোৰ সংকল্পৰ আক্ষৰিক অৰ্থতে পালন কৰি ক্ষান্ত হলোঁ। প্ৰতিজ্ঞাৰ অন্তৰ্নিহিত ভাব এইদৰে বিসৰ্জন দিয়া হ'ল। কাৰণ সংকল্প গ্ৰহণ কৰাৰ সময়ত গাই-ম'হৰ কথা মনত হলেও মোৰ সংকল্পৰ স্বাভাৱিক অৰ্থ আছিল সকলো প্ৰাণীৰ দুধ বৰ্জন কৰা। আৰু তাত বাদে মই যেতিয়া ভাবো যে দুধ মানুহৰ স্বাভাৱিক আহাৰ নহয় – তেতিয়া গাখীৰ খোৱাৰ প্ৰশ্নই নুঠে। কিন্তু এই সকলো কথা জানিও ছাগলীৰ গাখীৰ খাবলৈ স্থিৰ কৰিলোঁ। এই ঘটনাৰ স্মৃতিয়ে এতিয়াও মোৰ মনত কষ্ট দিয়ে আৰু কি কৰি ছাগলীৰ গাখীৰ এৰিব পাৰোঁ সেই বিষয়ে মোৰ চিন্তা চলি আছে। কিন্তু আজিও মই নিজকে প্ৰচ্ছণ্ণ প্ৰলোভনৰ পৰা মুক্ত কৰিবলৈ পৰা নাই; সেৱা কৰাৰ আগ্ৰহে মোক আজিও আচ্ছন্ন কৰি আছে।

ছাগলীৰ গাখীৰ খোৱা আৰম্ভ কৰাৰ কিছু দিনৰ পাছতেই ডা° ডালালে মোৰ শৰীৰত এটা অস্ত্ৰোপচাৰ কৰিলে আৰু এই অস্ত্ৰোপচাৰ সফল হ'ল। আৰোগ্য লাভৰ লগতে মোৰ অন্তৰত জীয়াই থকাৰ ইচ্ছা জাগিল আৰু ভগবানেও মোৰ বাবে বহু কাম জমা কৰি থৈছিল।

ৰৌলত আইন আৰু ৰাজনীতিত প্ৰৱেশ

সুস্থ হৈ উঠিছোঁ বুলি অনুভৱ কৰাৰ আগতেই বাতৰি কাগজ পঢ়ি-পঢ়ি থাকোঁতে হঠাৎ সদ্য প্ৰকাশিত ৰৌলত কমিটিৰ ৰিপোৰ্টত মোৰ চকু পৰিল। কমিটিৰ পৰামৰ্শৱলী দেখি চমকি উঠিলো। বল্লভভাইয়ে মোৰ প্ৰায় সদায়েই খবৰ লবলৈ আহে। তেওঁক মই মোৰ আশংকাৰ কথা ব্যক্ত কৰি কলোঁ – "এতিয়া কিবা এটা কৰা দৰকাৰ।" তেওঁ মোক প্ৰশ্ন কৰিলে – "এই অৱস্থাত আমি কি কৰিব পাৰোঁ ?" মই উত্তৰ

দিলোঁ – “যদি কেইজন মান ব্যক্তিয়ে প্ৰতিৰোধৰ প্ৰতিজ্ঞা পত্ৰত চহী কৰে আৰু এই প্ৰতিৰোধৰ সূচনা মতে প্ৰস্তাৱিত পৰামৰ্শ সমূহ আইনত পৰিণত হয়, তেনেহ'লে আমি তৎক্ষণাতে সত্যাগ্ৰহ কৰিম। মই যদি এই ভাবে শয্যাশায়ী হৈ নপৰিলোহেঁতেন, তেনে মই অকলেই যুঁজিলোহেঁতেন সকলোৱে মোক অনুসৰণ কৰিব। কিন্তু মোৰ এই অসহায় অৱস্থাই নিজকে সম্পূৰ্ণভাবে এই কামৰ বাবে অনুপযুক্ত বোধকৰিছো।”
(ৰাষ্ট্ৰ বিৰোধী আন্দোলনসমূহ দমন কৰাৰ উদ্দেশ্যে চৰকাৰক বিশেষ ক্ষমতা দিবৰ বাবে ১৯১৯ চনত ৰৌলত আইন পাছ হয়। ইয়াৰ ফলত কোনো চৰকাৰ বিৰোধী কাৰ্য্যকলাপত নিযুক্ত বুলি সন্দেহ হ'লে তাক গ্ৰেপ্তাৰ আৰু বিনা বিচাৰে আটক কৰি ৰখাৰ অধিকাৰ চৰকাৰৰ হাতলৈ আহিল।)

বিল খন আইনত পৰিণত কৰিবলৈ তেতিয়াও গেজেটত প্ৰকাশ কৰা হোৱা নাই। মোৰ শৰীৰ তেতিয়া খুব দুৰ্বল। কিন্তু মাদ্ৰাজৰ পৰা এটা নিমন্ত্ৰণ পাই মই এই দীঘল পথ ৰেলত যোৱাৰ চখ হ'ল। ৰাজাগোপালাচাৰী তেতিয়া চেলমৰ পৰা নতুনকৈ মাদ্ৰাজলৈ আহি আইন ব্যৱসায় আৰম্ভ কৰিলেহি। আমি উভয়ে সদায় সংগ্ৰাম পৰিকল্পনাক লৈ আলচ কৰিলেও জনসভাৰ অনুষ্ঠান কৰাৰ বাহিৰে সেই সময়ত অন্য কোনো কথাই আমাৰ মূৰত খেলোৱা নাছিল'।

এই ভাবে আমি মতামত আদান-প্ৰদান কৰি থাকোঁতেই খবৰ পোৱা গ'ল যে ৰৌলত বিলক আইনত পৰিণত কৰিবলৈ গেজেটত প্ৰকাশ কৰা হৈছে। সিদিনা ৰাতি শুবৰ সময়ত এই কথাৰে চিন্তা কৰিছিলো। পাছদিনা খুব ৰাতিপুৱাই টোপনি ভাঙিল। ভাব হ'ল সিদিনা অন্য দিনৰ তুলনাত আগতে টোপনি ভাঙিল। তেতিয়া টোপনিৰ জাল কটাই নাই, মই যেন জাগৰণ আৰু সুপ্ত অৱস্থাৰ মাজতে ঘূৰি ফুৰিছো। হঠাতে সপোনৰ দৰে এটা কল্পনাও জাগিল। বেলি উঠাত ৰাজা গোপালাচাৰীক সকলো কথা খুলি কলোঁ।

“কালি ৰাতি যেন এটা সপোনৰ মাজেৰে মোৰ মনত হ'ল যে – সৰ্ব্বাত্মক হৰতাল পালন কৰাৰ বাবে সমগ্ৰ দেশৰ অধিবাসীক আহ্বান জনোৱা উচিত। সত্যাগ্ৰহ হৈছে আত্মশুদ্ধিৰ প্ৰক্ৰিয়া আৰু আমাৰ এই সংগ্ৰাম হ'ল অত্যন্ত পবিত্ৰ। সেয়ে মোৰ ভাব হৈছে – কোনো আত্মশুদ্ধিৰ কাৰ্য্যক্ৰমৰ মাধ্যমত সত্যাগ্ৰহৰ সূত্ৰপাত কৰা প্ৰয়োজন। গতিকে ভাৰতৰ সকলোৱে যেন সিদিনা সকলো কামকাজ বন্ধ ৰাখি উপবাস তথা প্ৰাৰ্থনা কৰি এই দিবস পালন কৰে।”

ৰাজা গোপালাচাৰীয়ে তৎক্ষণাৎ এই প্ৰস্তাৱ অনুমোদন কৰিলে। অন্যান্য মিত্ৰ

সকলকো জনোৱাত তেওঁলোকেও সমৰ্থন কৰিলে। মই এখন সংক্ষিপ্ত আবেদন পত্ৰৰ খচৰা প্ৰস্তুত কৰিলোঁ। প্ৰথমে ১৯১৯ চনৰ ৩০ মাৰ্চৰ দিনা হৰতালৰ দিন ধাৰ্য্য কৰা হৈছিল। পাছত ইয়াক পৰিবৰ্ত্তন কৰি ৬ এপ্ৰিল কৰা হয়। ভাৰতৰ এক প্ৰান্তৰ পৰা অন্য প্ৰান্তলৈ প্ৰতিখন নগৰ আৰু গাঁৱত এই হৰতাল পালন কৰা হয়। সেয়া এক অভূতপূৰ্ব দৃশ্য।

৭ তাৰিখে ৰাতি মই দিল্লী আৰু অমৃতচৰ অভিমুখে ৰাওণা হলোঁ। গাড়ী পালৱাল ৰেল ষ্টেচন পোৱাৰ আগতেই আমাৰ ওপৰত পঞ্জাবৰ সীমাত প্ৰবেশ কৰিবলৈ নিষেধাজ্ঞা জাৰী কৰা হ'ল। ইয়াৰ কাৰণ হিচাবে জনোৱা হ'ল যে মই পঞ্জাবলৈ গলে তাৰ শান্তি ভংগ হোৱাৰ আশংকা আছে। পুলিচ কৰ্ত্তৃপক্ষই মোক ট্ৰেইনৰ পৰা নামি যাবলৈ কলে। মই এই নিৰ্দেশ অমান্য কৰি কলোঁ – "পঞ্জাবৰ পৰা বাৰে বাৰে নিমন্ত্ৰণ পাইহে মই সেই প্ৰদেশলৈ যাবলৈ আহিছোঁ। অশান্তি সৃষ্টি কৰা নহয়, মোৰ লক্ষ্য তাৰ অৱসান ঘটোৱাহে।"

সেয়ে পালৱাল ষ্টেচনতে মোক গাড়ীৰ পৰা নমাই নি পুলিচৰ জিম্মাত ৰখা হ'ল। সোনকালে দিল্লীৰ পৰা এখন গাড়ী আহিল। মোক পুলিচ পহৰা দি এটা তৃতীয় শ্ৰেণীৰ ডবাত তুলি দিয়া হ'ল। মথুৰা পোৱাৰ পাছত মোক পুলিচৰ বেৰেকলৈ নিলে। অৱশ্যে মোক নি যে কি কৰিব বা ইয়াৰ পাছত মোক কলৈ নিব এই বিষয়ে পুলিচৰ কোনো কৰ্মচাৰীয়ে বিশেষ একো কব নোৱাৰিলে। পাছ দিনা ৰাতিপুৱা চাৰি বজাতে মোক জগাই দি বোম্বাইগামী এখন মালগাড়ীত উঠাই দিলে। বোম্বাই পোৱাৰ পিছত মোক মুক্তি দিলে।

মোৰ গ্ৰেপ্তাৰকে লৈ নগৰত তেতিয়া খুব হৈচৈ। মই এখন মটৰ গাড়ীত উঠিলোঁ। পিধুনীৰ ওচৰত এখন বিৰাট জন সভা চকুত পৰিল। তেওঁলোকে মোক দেখি আনন্দতে উন্মত্ত হৈ পৰিল। তৎক্ষণাত এটা শোভাযাত্ৰা আৰম্ভ হ'ল আৰু 'বন্দে মাতৰম' তথা "আল্লাহ্ হো আকবৰ" ধ্বনিত আকাশ বতাহ মুখৰিত হ'ল।

অলপ দূৰ যোৱাতেই এদল অশ্বাৰোহী পুলিচ দেখা গ'ল। সিহঁতৰ ওপৰত ওপৰৰ পৰা ইটা আদি পৰিবলৈ ধৰিলে। জনতাক মই শান্ত হৈ থাকিবলৈ অনুৰোধ জনালোঁ। অৱশ্যে ইটাৰ প্ৰহাৰৰ পৰা হাত-সৰাৰ সম্ভাবনা নাই বুলি বুজি পাইছিলোঁ। শোভাযাত্ৰা আব্দুৰ ৰহমান ষ্ট্ৰীটৰ পৰা ওলাই ক্ৰেকোৰ্ড মাৰ্কেটত প্ৰবেশ কৰিবৰ সময়ত অশ্বাৰোহী পুলিচৰ দ্বাৰা বাধা প্ৰাপ্ত হ'ল। আমি যাতে ফোৰ্ট এলেকাত সোমাব নোৱাৰোঁ তাৰ কাৰণে ইয়াতেই আমাৰ গতিৰোধৰ ব্যৱস্থা কৰিছিল। শোভাযাত্ৰাত অসংখ্য জন সমাবেশ

ঘটিছিল। জনতাই এক প্ৰকাৰে পুলিচৰ বেষ্টনী ভেদ কৰা বুলিয়েই কব পাৰি। সেই জন সমুদ্ৰত মোৰ কণ্ঠস্বৰ শুনিব – তাৰ কোনো সম্ভাবনাই নাছিল। অশ্বাৰোহী পুলিচ বাহিনীৰ নেতাই ঠিক সেই সময়ত জনতাক ছত্ৰভঙ্গ কৰাৰ আদেশ দিলে আৰু পুলিচ দলেও তেওঁলোকৰ হাতত থকা বল্লম লৈ জনতাৰ ওপৰত জপিয়াই পৰিল। শোভাযাত্ৰাৰ সুব্যৱস্থিত ৰূপ আৰু নাথাকিল আৰু জনতাৰ অধিকাংশই কিংকৰ্ত্তব্য বিমূঢ় হৈ পলাবলৈ আৰম্ভ কৰিলে। কোনোবা ভৰিৰ তলত পৰি গ'ল, কাৰোবাৰ পৰি হাত ভৰিৰ ভীষণ জখম হ'ল। অশ্বাৰোহী পুলিচ বিলাকে অন্ধভাৱে ভীৰৰ মাজেৰে ৰাস্তা কৰি লৈছিল। তেওঁলোকে যে কি কৰিছে সেইবোৰ তেওঁলোকে নিজ চকুৰে দেখিছিল নে নাই সন্দেহ। সমগ্ৰ ঘটনাস্থলেই এক ভয়াবহ দৃশ্যত পৰিণত হ'ল। চূড়ান্ত গণ্ডগোল আৰু হাহাকাৰৰ মাজত অশ্বাৰোহী বাহিনী আৰু জনতা মিলি একাকাৰ হৈ গ'ল।

এই ভাবে জনতাক ছত্ৰভংগ কৰি তেওঁলোকৰ অগ্ৰগতি ৰুদ্ধ কৰা হ'ল। অৱশ্যে আমাৰ মটৰ গাড়ীখন আগুৱাই গৈ থাকিল। পুলিচ কমিচনাৰৰ কাৰ্য্যালয়ৰ সমুখত গাড়ীখন ৰখাই মই অশ্বাৰোহী পুলিচৰ আচৰণ সম্বন্ধে অভিযোগ দাখিল কৰিলোঁ।

খবৰ পোৱা গ'ল যে আহমদাবাদতো গোলমাল হৈছে। মই তালৈ যাত্ৰা কৰিলোঁ। বাতৰি পালোঁ যে নাদিয়াদ ৰেল ষ্টেচনৰ ওচৰত ৰেল লাইন তুলি পেলাবলৈ চেষ্টা কৰা হৈছে। বীৰসগাঁৱৰ এজন পদস্থ চৰকাৰী কৰ্মচাৰীক হত্যা কৰা হৈছে। আৰু আহমদাবাদত সামৰিক আইন জাৰী হৈ গৈছে। জনসাধাৰণ সৰ্বত্ৰ ভীতি বিহ্বল। তেওঁলোকে যে হিংসামূলক আচৰণ কৰিছিল তাৰ তাৰ মূলে সুতে পৰিশোধ কৰিবলগীয়া হৈছে। ষ্টেচনত মোৰ বাবে এজন উচ্চ পদস্থ পুলিচ কৰ্মচাৰী অপেক্ষা কৰি আছিল। তেওঁ মোক কমিচনাৰ শ্ৰীযুত প্ৰাটেৰ ওচৰলৈ লৈ গ'ল। দেখিলোঁ তেওঁ খঙত ৰঙা হৈ আছে। মই অত্যন্ত ভদ্ৰভাবে তেওঁৰ লগত কথা পাতিলোঁ আৰু এই সকলো গণ্ডগোলৰ বাবে দুঃখ প্ৰকাশ কৰিলোঁ। মই এই কথাও জনালোঁ যে ইয়াত সামৰিক আইন জাৰী কৰাৰ প্ৰয়োজন নাই। আৰু শান্তি স্থাপন কৰাৰ যাবতীয় প্ৰচেষ্টাত আমাৰ পূৰ্ণ সহযোগিতাৰ প্ৰস্তাবো মই তেওঁৰ ওচৰত উত্থাপন কৰিলোঁ। সাবৰমতী আশ্ৰমৰ ময়দানত এখন ৰাজহুৱা সভা কৰাৰ নিমিত্তে তেওঁৰ পৰা অনুমতি বিচাৰিলোঁ। এই প্ৰস্তাৱ তেওঁৰ মনঃপূত হ'ল আৰু মোৰ যি মনত পৰিছে ১৩ এপ্ৰিল ৰবিবাৰৰ দিনা জন সভা অনুষ্ঠিত হ'ল। সিদিনাই বা তাৰ পাছৰ দিনা সামৰিক আইন প্ৰত্যাহাৰ কৰা হ'ল। জনতাৰ সমুখত বক্তৃতা দিয়া সময়ত মই তেওঁলোকৰ অন্যায়

আচৰণৰ অযৌক্তিকতা বুজাবৰ চেষ্টা কৰিলোঁ আৰু জনতা কৰ্ত্তৃক অনুষ্ঠিত এই সকলো অন্যায়ৰ প্ৰায়শ্চিত্ত হিচাবে তিনি দিন অনশন কৰি থাকিবলৈ ঘোষণা কৰিলে। জনতাৰ ওচৰত মই অনুৰূপ কাৰণৰ বাবে এদিন সকলোকে উপবাসে থকাৰ আহ্বান জনালোঁ আৰু যি সকল হিংস্ৰ কাৰ্য্য-কলাপত লিপ্ত হৈছিল – তেওঁলোকক নিজৰ দোষৰ কথা স্বীকাৰ কৰিবলৈ পৰামৰ্শ দিলোঁ।

আমাৰ কৰ্ত্তব্য দিনৰ পোহৰৰ দৰে স্পষ্ট ৰূপত দেখিলোঁ। যি সকল শ্ৰমিকৰ মাজত মই ইমান সময় কটাইছোঁ, সাধ্যমতে মই যি সকলৰ শুশ্ৰুষা কৰিছোঁ আৰু যি সকলৰ মই ইয়াতকৈ ভাল ব্যৱহাৰ আশা কৰিছোঁ – তেওঁলোকক এনে সমগ্ৰ অংশ কৰা দেখাতো মোৰ কাৰণে অসহ্য আছিল। মই ভাবিলোঁ ময়ো তেওঁলোকৰ অপৰাধৰ ভাগীদাৰ।

মই মন স্থিৰ কৰিলোঁ। জনসাধাৰণ যিমান দিনলৈ শান্তিৰ মৰ্য্যাদা বুজিবলৈ নিশিকিলে – সিমান দিনলৈ সত্যাগ্ৰহ স্থগিত ৰখাৰ সিদ্ধান্ত কৰিলোঁ।

পৰ্বত প্ৰমাণ ভুল

আহ্মদাবাদৰ পাছত আমি নাদিয়াদলৈ যাওঁ। "পৰ্বত প্ৰমাণ ভুল" (Himalayan miscalculation) নামেৰে মোৰ যি কথাটো বিখ্যাত হৈ পৰিছে নাদিয়াদতে মই প্ৰথমে কৈছিলোঁ। আহ্মদাবাদ আৰু নাদিয়াদত জনসাধাৰণে আন্দোলনৰ সময়ত যিবোৰ হিংসামূলক কাম কৰিছিল তাকে দেখি অস্পষ্ট ভাবে কথাটো মোৰ মনলৈ আহিছিল। খেড়া জিলাত এই একে কাৰণতে বহু ব্যক্তি গ্ৰেপ্তাৰ হৈছে বুলি জনাৰ পাছত এখন ৰাজহুৱা সভাত মই যেতিয়া বক্তৃতা দি আছিলোঁ, তেতিয়া হঠাতে মোৰ মুখৰ পৰা কথাষাৰ ওলাই। মোৰ ভাব হ'ল – আগতে অহিংসাৰ ভেটীত মানুহ খিনিক তৈয়াৰ নকৰি তেওঁলোকক অহিংস ভাবে আইন অমান্য কৰিবলৈ কৈ মই খুব ভুল কৰিছোঁ।

কথাটো স্বীকাৰ কৰাৰ কাৰণে বহুতে মোক ঠাট্টা-বিদ্ৰুপ কৰিবলৈ ধৰিলে। মই কিন্তু স্বীকাৰোক্তিৰ বাবে দুঃখী হোৱা নাই। মই সদায় বিশ্বাস কৰোঁ যে অন্যৰ তাল সমান ভুলটো আমি তিলৰ সমানকৈ দেখা উচিত আৰু নিজৰ তিলৰসমান ভুলটোকো তালৰ সমান কৈ দেখা উচিত। সত্যাগ্ৰহী সকলে এই নিয়ম পালন কৰাই উচিত।

বিয়ে হওক — এই পৰ্বত প্ৰমাণ ভুলটো নো কি তাক চোৱা বাওক। অহিংস আইন অমান্যৰ অধিকাৰ তেওঁলোকৰে থাকে যি সকলে কৰ্ত্তব্য হিচাবে ৰাষ্ট্ৰৰ আইন মানি চলে। আইন ভঙ্গ কৰিলে শাস্তি পাব লাগিব। এই ভয়ৰ কাৰণে মানুহে সাধাৰণতে আইন মানি চলে । কিন্তু আইন থাকক বা নাথাকক সৎ মানুহৰ মনত চুৰি কৰাৰ কথাই স্থান নাপায়। আকৌ চুৰি কৰিবলৈ অনিচ্ছুক বহুতো সৎ লোকে বহুতে লাইট নজ্বলোৱাকৈ বাতি চাইকেল চলোৱাত আপত্তি নকৰে। তেনেহলে সত্যাগ্ৰহীৰ মনোভাব কেনে হ'ব ? সমাজৰ দ্বাৰা বা ৰাষ্ট্ৰৰ যিবোৰ আইন জানিবলগীয়া, স্বেচ্ছাই ধৰ্মবুদ্ধিৰ দ্বাৰা চলিত হৈ তেওঁ সেইবোৰ মানি চলিব। এই নিষ্ঠাৰ সৈতে যি সকলে নিয়ম-কানুন মানি চলে, একমাত্ৰ তাৰ বাবেই কোনো নিয়ম ন্যায়সংগত আৰু কোনো কোনো ক্ষেত্ৰত কোনো কোনো আইন ভংগ কৰাৰ অধিকাৰ তেওঁলোকৰ জন্মে। কিন্তু জনসাধাৰণৰ এই ধৰণৰ মনোভাব জন্মাৰ আগতেই বৌলট আইনৰ বিৰোধিতা প্ৰসংগত তেওঁলোকক আইন ভংগ কৰিবলৈ মই কৈছিলোঁ। সেইটোৱে আছিল মোৰ "পৰ্বত প্ৰমাণ" ভুল।

খেড়া জিলাত প্ৰবেশ কৰোঁতেই খেড়া সত্যাগ্ৰহৰ বহু পুৰণি কথা মোৰ মনত পৰিল। অবাক হৈ মই ভাবোঁ এই সহজ কথাটো ইমান দিনে মোৰ মনলৈ অহা নাছিল কিয় ? মই বুজিব পাৰিলোঁ অহিংস আইন অমান্যৰ অধিকাৰ জন্মোৱাৰ আগতে তাৰ গভীৰ তাৎপৰ্য্য ভাল ভাবে বুজা প্ৰয়োজন। আনক অহিংস আইন অমান্য কৰিবলৈ কোৱাৰ আগতে নিৰ্ভৰযোগ্য চৰিত্ৰৰ এনে এদল স্বেচ্ছাসেৱক তৈয়াৰ কৰা দৰকাৰ, যিসকলে জন সাধাৰণক সত্যাগ্ৰহৰ অৰ্থ বুজাব পাৰিব আৰু প্ৰয়োজন অনুসৰি তেওঁলোকৰ পথ প্ৰদৰ্শকৰ কামো কৰিব পাৰিব।

খাদীৰ জন্ম

সাবৰমতীত সত্যাগ্ৰহ আশ্ৰম প্ৰতিষ্ঠা কৰাৰ সময়তেই আমি তাত কেইখনমান তাঁত শাল পাতিছিলোঁ।

আশ্ৰমবাসী সকলৰ নিজ হাতে তৈয়াৰী কাপোৰেৰে সকলোৰে প্ৰয়োজন কুলাই নিয়াটো আমাৰ লক্ষ্য আছিল। আমি সেয়ে অবিলম্বে মিলৰ কাপোৰ পিন্ধিবলৈ এৰি

দিলোঁ আৰু আশ্ৰমৰ প্ৰত্যেকেই ভাৰতীয় সূতাৰে তৈয়াৰী। বোৱা কাপোৰ পিন্ধিবলৈ সিদ্ধান্ত কৰিলোঁ। এইভাবে মিলৰ সূতা, হাতেবোৱা পিন্ধা আৰম্ভ কৰাৰ বাবে আৰু অন্যান্য সকলকো এনে কাপোৰ পিন্ধাৰ কথা প্ৰচাৰ কৰিবলৈ ভাৰতীয় সূতা কলসমূহৰ স্বতঃ প্ৰণোদিত প্ৰচাৰক হলোঁ। ইয়াৰ পৰিণামত আমি আকৌ এবাৰ কাপোৰ কলৰ সংস্পৰ্শলৈ আহিলোঁ। আমি দেখিলোঁ যে কাপোৰৰ মিলবোৰৰ লক্ষ্য হৈছে ক্ৰমে তেওঁলোকৰ দ্বাৰা উৎপন্ন সকলো খিনি সূতাই কলত বোৱাৰ ব্যৱস্থা কৰা । তাঁতীসকলৰ সৈতে তেওঁলোকৰ সহযোগিতা মুঠেও স্বেচ্ছাপ্ৰণোদিত নহয় । আপাততঃ গত্যন্তৰ নোহোৱা বাবে এই সম্পৰ্ক নিতান্ত সাময়িক। আমি সেয়ে নিজে সূতা কাটি লবৰ বাবে অধৈৰ্য্য হৈ পৰিলোঁ। আমি স্পষ্ট ভাবে দেখিবলৈ পাইছিলোঁ যে – এয়া নকৰালৈকে মিলৰ ওপৰত নিৰ্ভৰশীলতা থাকিয়ে যাব। ভাৰতীয় সূতা কলবোৰৰ এজেন্ট হৈ আমি দেশৰ কিবা সেৱা কৰিব পাৰিম – এনে ধাৰণা এক মুহূৰ্ত্তৰ বাবেও মনলৈ অহা নাছিল।

কিন্তু সূতা কটাৰ কোনো সাজ-সৰঞ্জাম আমাৰ নাছিল আৰু এই কাম শিকাব পৰা কোনো লোকো আমাৰ জনা নাছিল। সেয়ে আশ্ৰমলৈ অহা সকলো ব্যক্তিকে আমি নানা প্ৰশ্ন কৰিছিলোঁ।

১৯১৭ চনত মোৰ গুজৰাটী বন্ধুসকলে মোক ব্ৰোচৰ শিক্ষা সম্মেলনত সভাপতিত্ব কৰিবলৈ লৈ গ'ল। ইয়াতেই মই পোন প্ৰথমে শ্ৰীমতী গঙ্গাবেন মজুমদাৰ নামৰ এক মহিয়সী মহিলাৰ দৰ্শন লাভ কৰোঁ। তেওঁক মই যতঁৰ নোপোৱা বাবে আমাৰ মনোবেদনা ব্যক্ত কৰিলোঁ আৰু তেওঁ মোক সান্ত্বনা দি কলে – মোৰ বাবে তেওঁ যঁতৰ বিচাৰি উলিয়াবই আৰু শেষ পৰ্য্যন্ত তেওঁ দিয়া প্ৰতিশ্ৰুতি যথাযথ ভাবে পালন কৰিছিল।

গোটেই খন গুজৰাট বিচাৰি শেষত বৰোদা ৰাজ্যৰ বীজাপুৰত গংগাবেনে যঁতৰ আবিস্কাৰ কৰিলে। তাত কেবা ঘৰতো যঁতৰ আছিল। কিন্তু বহুদিনৰ পৰা তাক অপ্ৰয়োজনীয়. কাঠৰ টুকুৰা বুলি অবহেলা কৰি পেলাই থৈছিল। কোনোৱে যদি তেওঁলোকক নিয়মিত ভাবে পাজী দিয়ে আৰু সূতা খিনি কিনি নিয়ে, তেনেহলে তেওঁলোকে আকৌ সূতা কটা আৰম্ভ কৰিব বুলি গংগা বেনক কথা দিলে। গংগা বেনে এই আনন্দৰ খবৰ মোক জনালে। পাজী সৰবৰাহ কৰা খুব কঠিন কাম বুলি ভাবিলোঁ। স্বৰ্গীয় ওমৰ সোবনী ডাঙৰীয়াক এই কথা জনোৱাত কাপোৰৰ কলৰ পৰাই পাজী পঠোৱাৰ ব্যৱস্থা কৰি আমাৰ অসুবিধা দূৰ কৰিলে।

অৱশ্যে সদায়ে তেওঁৰ পৰা পাজী নিয়াটো মোৰ বৰ ভাল লগা নাছিল। তাত বাদেও কলৰ পাজী ব্যৱহাৰ কৰাটো আমাৰ কাৰণে মৌলিক অন্যায় হোৱা বুলিও ভাবিছিলোঁ। কলৰ পাজী ব্যৱহাৰ যদি কৰোঁ তেনে সূতা ব্যৱহাৰ নকৰাৰ কাৰণ কি ? প্ৰাচীন কালত কাটুনী সকলে কলৰ পাজীতো ব্যৱহাৰ কৰা নাছিল। তেনে তেওঁলোকে কি ধৰণে নিজৰ পাজী তৈয়াৰ কৰিছিল ? এইবোৰ ভাবি মই গংগাবেনক কলোঁ – যে এবাৰ ধুনকৰ সকলক বিচাৰি উলিয়াব লাগিব আৰু তেওঁলোকৰ পৰাই যাতে কাটুনী সকলে পাজী পাই, তাৰ ব্যৱস্থা কৰিব লাগিব। তেওঁ খুব আত্ম প্ৰত্যয়েৰে এই দায়িত্ব গ্ৰহণ কৰিলে। এজন ধুনকৰ বিচাৰি আনি তাক কামত লগাই দিলে। তেওঁ কমেও ৩৫ টকা মাহে পাৰিশ্ৰমিক দাবী কৰিলে। অৱশ্যে তেতিয়া টকা আমাৰ মূল বিবেচনাৰ বিষয় নাছিল। গংগাবেনে ধুনা তুলাৰ পৰা পাজী কৰাৰ কৌশল ল'ৰাহঁতক শিকাই দিলে। এনেকৈ দ্ৰুতভাবে আশ্ৰমত যঁতৰৰ প্ৰচলন হব ধৰিলে।

বিদায়

এইবাৰ এই ৰচনাৰ উপসংহাৰ কৰাৰ সময় হৈ আহিছে। ইয়াৰ পাছৰ আমাৰ জীৱনৰ কথা প্ৰায় প্ৰকাশ্য কাহিনী হোৱা কাৰণে জনসাধাৰণৰ অবিদিত বিশেষ একো নাই। আৰু সঁচা কৰলৈ গলে মোৰ কলমো আগুৱাব খোজা নাই।

দুঃখেৰে মই পাঠক সকলৰ পৰা বিদায় মাগিছোঁ। মোৰ জীৱনৰ এই সকলো পৰীক্ষা-নিৰীক্ষাক মই উচ্চ মূল্য দিওঁ। এইবোৰত যোগ্যতাৰে উত্তীৰ্ণ হব পাৰিছোঁ নে নাই – নাজানো। এই কথা অৱশ্যে কম যে ইয়াৰ যথাযথ বৰ্ণনা কৰিবলৈ মই চেষ্টাৰ ক্ৰুটী কৰা নাই। মোৰ সমুখত সত্য যি ৰূপে প্ৰকাশিত হৈছে তাকে ব্যক্ত কৰাৰ অবিৰত চেষ্টা কৰিছোঁ। আৰু এই প্ৰচেষ্টাৰ কাৰণে মই বহু পৰিমাণে মানসিক শান্তি পাইছোঁ। কাৰণ মোৰ মনত এটা বিশ্বাস জন্মিছে (কিয় নাজানো) যে এই প্ৰচেষ্টাই হয়তো পথহাৰী সকলৰ মনত সত্য আৰু অহিংসাৰ প্ৰতি বিশ্বাস স্থাপনত সহায়ক হব।

জীৱনত সত্যৰ পৰা ঈশ্বৰক পৃথক বুলি মোৰ কোনো দিনাই ধাৰণা হোৱা নাই। সত্যময় হোৱাৰ একমাত্ৰ পথ অহিংসা। হেজাৰ হেজাৰ সূৰ্য্য একত্ৰ কৰিলেও যে সত্যৰূপী পৰমেশ্বৰৰ তেজৰ পৰিমাণ পোৱা নাযায়, আমাৰ সত্যৰ দৃষ্টি সেই সূৰ্য্যৰ কিৰণৰ

কণা মাত্ৰ। এই সত্য সূৰ্য্যৰ পূৰ্ণ দৰ্শন পূৰ্ণ অহিংসা ব্যতিৰেকে কেতিয়াও সম্ভৱ নহয়।

এই ব্যাপক সত্যনাৰায়ণৰ প্ৰত্যক্ষ দৰ্শন কৰিবলৈ হলে জীৱ মাত্ৰতে আত্মবৎ প্ৰেমৰ উদয় হোৱা আৱশ্যক। আত্মশুদ্ধি বিনে অহিংসাৰ আৰাধনা অসম্ভৱ। অশুদ্ধাত্মাই পৰমাত্মাৰ দৰ্শন পাব নোৱাৰে।

কিন্তু আত্মশুদ্ধিৰ অত্যন্ত দুৰ্গম। পৰিপূৰ্ণ শুদ্ধ হোৱা মানে কায়োমনোবাক্যে সম্পূৰ্ণৰূপে আসক্তিশূন্য হৈ, ৰাগ-দ্বেষ বিহীন হোৱা। এই নিৰ্বিকাৰত্ব লাভৰ বাবে মই নিৰন্তৰ চেষ্টা কৰিছোঁ। মই জানোঁ যে ইয়াৰ বাবে মই একেবাৰে শূণ্য হব লাগিব। যিমান দিনলৈ মানুহে নিজকে স্বেচ্ছায়ে সকলোতকৈ দীন কৰি তুলিব নোৱাৰে – সেই পৰ্য্যন্ত তাৰ মুক্তি নাই। অহিংস মানে নম্ৰতাৰ শেষ সীমা। এই নম্ৰতা বিনে মুক্তি পোৱা নাযায়।

বিদায়ৰ আগতে পৰমেশ্বৰৰ ওচৰত মোৰ এই প্ৰাৰ্থনা তেওঁ যেন মোক কায় মনো বাক্যে পৰিপূৰ্ণ অহিংস হবলৈ শক্তি দিয়ে।

* * * *

পৰবৰ্ত্তী জীৱন
(১৯২১ চনৰ পৰা)

গান্ধীজীয়ে ১৯২০ চনলৈহে তেখেতৰ আত্মজীৱনী লিখিছিল। পৰবৰ্ত্তী জীৱনত একো ব্যক্তিগত কথা নথকা ৰাজহুৱা জীৱনৰ কথা জানে বুলিয়ে তেখেতে লিখা নাছিল। কিন্তু ৰাজনৈতিক নেতা হিচাবে গান্ধীজীয়ে এই সময়লৈ ভাৰতত খোপনিহে পুতিছিল। তেখেতৰ ব্যক্তিত্বৰ প্ৰকাশ আমি পিছৰ কাল ছোৱাতহে দেখিবলৈ পাওঁ। অৱশ্যে এই কথা সঁচা যে ইংৰাজী আৰু ভাৰতৰ অন্যান্য ভাষাত গান্ধীজীৰ বহুতো প্ৰামাণিক জীৱনী ওলাইছে। অসমীয়াত এই সংখ্যা খুব তাকৰ। সেয়ে সংক্ষিপ্ত আত্মজীৱনীৰ লগত আমি মহাপ্ৰয়াণলৈ গান্ধীজীৰ জীৱনী অংশ যোগ কৰি দিলোঁ। এনে কৰোঁতে বিভিন্ন ভাষাৰ বহু গ্ৰন্থৰ সহায়তা লোৱা হৈছে – সেই সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

- অনুবাদক

জালিয়ানৱালাবাগ হত্যাকাণ্ড

গান্ধীজীৰ 'পৰ্বত প্ৰমাণ ভুল'-ৰ অন্য এক প্ৰতিক্ৰিয়া জালিয়ানৱালাবাগৰ হত্যাকাণ্ড। ১৩ এপ্ৰিল আমাৰ বিহুৰ দিনা সমবেত হৈছিল অসংখ্য নৰ নাৰী – পুলিচৰ অত্যাচাৰৰ প্ৰতিবাদত। সেই নিৰস্ত্ৰ জনতাৰ ওপৰত প্ৰায় দহ মিনিট অনবৰত গুলী চলালে বৃটিছ অফিচাৰ ওডায়াৰৰ নেতৃত্বত। নিহত হ'ল ৩৭৯, আহত হ'ল বাৰশৰো অধিক।

ইংৰাজ চৰকাৰৰ এই বৰ্বৰ আৰু নৃশংস অত্যাচাৰ দেশব্যাপী প্ৰতিবাদ ধ্বনিত হ'ল। কবিগুৰু ৰবীন্দ্ৰ নাথে ২৯ মেৰ দিনা তেওঁক দিয়া 'নাইট' '(চাৰ)' উপাধি ফিৰাই দি প্ৰতিবাদ জনাই। ইয়াৰ বাবে আন্দোলন স্থগিত কৰা হৈছিল। সেই কথা গান্ধীজীয়ে আত্মজীৱনীত কৈ গৈছে।

৮ জুনত এলাহাবাদত কংগ্ৰেছ সমিতিৰ সভাই এই অত্যাচাৰ অনুসন্ধান দাবী কৰে। চৰকাৰে বিচাৰপতি হাণ্টাৰৰ নেতৃত ৮ জনীয়া এখন কমিটি গঠন কৰে। গান্ধীজী এই কমিটিৰ এজন সভ্য আছিল। এই ৰিপোৰ্টৰ খচৰাও গান্ধীজীয়ে কৰিছিল। পাছৰ বছৰ মাৰ্চ মাহত ই প্ৰকাশিত হয়।

ইতিমধ্যে গান্ধীৰ আগ্ৰহৰ কাৰণে ৰক্তৰঞ্জিত অমৃতসৰত অনুষ্ঠিত ১৯১৯ চনৰ কংগ্ৰেছত "স্বৰাজ-জালিয়ানৱালা বাগ খিলাফৎ" সংযুক্তভাবে ৰাষ্ট্ৰীয় আন্দোলনৰ লক্ষ্য বুলি চিহ্নিত হয়। এই সভাতে জালিয়ানাবাগত এক ৰাষ্ট্ৰীয় স্মাৰক নিৰ্মাণৰ সিদ্ধান্ত হয়। ইয়াতেই গান্ধীজীয়ে প্ৰস্তাৱ কৰিছিল - "মত্ততাৰ পৰিবৰ্তে মত্ততা দেখুৱাব নালাগে, মত্ততাৰ পৰিবৰ্তে প্ৰকৃতিস্থতা হে আমাৰ কাম্য।" ইয়াতে খিলাফৎ দাবীৰ ৰাষ্ট্ৰীয় দাবী বুলি মনা হয়। হাতে কটা সূতাৰ কাপোৰৰ প্ৰচলনৰ প্ৰস্তাৱো হয়। আগৰ কংগ্ৰেছবোৰত ৰজা ৰাণীৰ জয়ধ্বনি দিছিল। এই সভাত স্বতঃস্ফূৰ্ত্ত ভাবে "মহাত্মা গান্ধীজীকী জয়" ধ্বনিৰে আকাশ বতাহ নিনাদিত হ'ল।

খিলাফৎ আন্দোলন

ইছলামৰ নীতি অনুসৰি ৰাজশক্তি ঈশ্বৰৰ প্ৰতিভূৰত ওপৰতে নিৰ্ভৰ কৰে। মুছলমান

জনগণ আৰু তেওঁলোকে বসবাস কৰা স্থান ধৰ্মস্থান আদিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব শাসক সকলৰ ওপৰতে ন্যস্ত থাকে। ১৯২২ লৈ তুৰস্কৰ অটোমান বাদছাহ্ বুলি স্বীকৃত আছিল।

প্ৰথম মহাযুদ্ধত তুৰস্ক ইংৰাজৰ বিৰুদ্ধে আছিল। সেয়ে ভাৰতীয় মুছলমান সকল এই যুদ্ধত ইংৰাজৰ পক্ষ লবলৈ দ্বিধা কৰিছিল। ইংৰাজে যুদ্ধ শেষ হলে খলিফাৰ ক্ষমতা খৰ্ব কৰা নহব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু ইংৰাজে প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে । ইয়াৰ প্ৰতিকাৰৰ বাবে খিলাফৎ কমিটি আৰু খিলাফৎ আন্দোলনৰ জন্ম হ'ল ১১ নবেম্বৰ ১৯১৯ৰ দিনা। এই আন্দোলনৰ প্ৰতি অন্য বহু নেতাৰ লগতে মহাত্মা গান্ধীৰ সহানুভূতি আছিল। বৰলাটৰ ওচৰলৈ যোৱা প্ৰতিনিধি দলৰ লগতো গান্ধীজী গৈছিল।

১৯২০ চনত কলিকতাত বহা কংগ্ৰেছৰ অধিবেশনত পঞ্জাবৰ অন্যায়, খিলাফতৰ প্ৰাপ্য আৰু স্বৰাজ্যৰ দাবী আদায় কৰিবলৈ গান্ধীজীয়ে প্ৰস্তাব দিলে - "যিমান দিনে এই অন্যায়ৰ প্ৰতিকাৰ কৰা নহয় আৰু স্বৰাজ স্থাপন কৰা নহয় সিমান দিনলৈ ভাৰতবাসীৰ পক্ষে ক্ৰমবৰ্দ্ধমান অহিংস অসহযোগ নীতি গ্ৰহণ আৰু পালন কৰাৰ বাদে অন্য কোনো উপায় নাই।

গান্ধীজীয়ে সকলো শিক্ষিত ব্যক্তিকে কংগ্ৰেছৰ তৰফৰ পৰা তলৰ কাম কেইটা কৰিবলৈ দিলে :

(ক) উপাধি বৰ্জন, অবৈতনিক পদ বা মনোনীত সদস্য পদ ত্যাগ।
(খ) চৰকাৰী দৰবাৰ বা চৰকাৰী বা অৰ্দ্ধচৰকাৰী অনুষ্ঠান বৰ্জন।
(গ) চৰকাৰী বা চৰকাৰী অনুমোদিত স্কুল কলেজ বৰ্জন আৰু বিভিন্ন প্ৰদেশত ৰাষ্ট্ৰীয় স্কুল আৰু কলেজ প্ৰতিষ্ঠা কৰা।
(ঘ) উকীল সকলৰ দ্বাৰা আদালত বৰ্জন আৰু মোকৰ্দমা মিটমাট কৰাবলৈ ন্যায়াধিকৰণ গঠন।
(ঙ) সৈন্য, মজদুৰ আদিক মেচপটেমিয়াৰ কাম লবলৈ অস্বীকাৰ।
(চ) বিধান পৰিষদ বৰ্জন আৰু ভোট নিদিয়া।
(ছ) বিদেশী বস্তু বয়কট।

এই প্ৰস্তাৱৰ কোনো কোনো বিষয়লৈ কংগ্ৰেছ নেতৃবৃন্দৰ বিৰোধ থাকিলেও সংখ্যাধিক ভোটত এই প্ৰস্তাৱ সমৰ্থিত হৈছিল।

গান্ধীজীৰ কৰ্ম আৰু নীতি

বংগ ভংগৰ সময়ত বংগ দেশত যি আন্দোলন হৈছিল মহাত্মা গান্ধীৰ স্বদেশী আন্দোলন তাতকৈ অধিক ব্যাপক আৰু বেছি গঠনমূলক আছিল। কলিকতা কংগ্ৰেছৰ বিশেষ অধিবেশন (১৯২০)ত অসহযোগৰ প্ৰস্তাৱ উত্থাপন কৰি গান্ধীজীয়ে কৈছিল – বিদেশীৰ অৰ্থ বিদেশী বস্তু বৰ্জন। খদ্দৰৰ দ্বাৰা বস্ত্ৰ স্বাৱলম্বনক আগুৱাই দি স্বদেশী ব্ৰতৰ সূচনা কৰা হয়। গান্ধীজীয়ে কৈছিল – জনসাধাৰণৰ শ্ৰমেৰে উৎপাদিত বস্তুৰ ব্যৱহাৰৰ দ্বাৰাই সামাজিক ন্যায় বিচাৰ সুৰক্ষিত হব পাৰে। বিশেষজ্ঞ সকলে গান্ধীৰ মতৰ সত্যতা স্বীকাৰ কৰিলে।

স্বদেশী বস্ত্ৰ খদ্দৰ পিন্ধা কথাক লৈ ৩০ চেপ্তেম্বৰৰ ভিতৰত বিলাতী বস্ত্ৰ পুৰি, দেশী কাপোৰ, বিশেষকৈ খদ্দৰ পিন্ধিবলৈ গান্ধীজীয়ে আহ্বান জনালে। ৩১ জুলাইৰ দিনা বোম্বাইৰ উমৰ শোভানী চাহেবৰ ঘৰত গান্ধীজীয়ে নিজে বিলাতী কাপোৰৰ বহ্ন্যুৎসব আৰম্ভ কৰিলে। দীনবন্ধু এন্দ্ৰুজে ইয়াৰ প্ৰতিবাদ কৰি এইবোৰ দুখীয়াক দান কৰিবলৈ কোৱাত গান্ধীজীয়ে বিনম্ৰভাবে উত্তৰ দিছিল - বিলাতী কাপোৰ নুপুৰি গৰীবক দান দিলে তেওঁলোকক অপমান কৰা হব। পাছলৈ হাৰ মানি দীনবন্ধু নিজে বিশুদ্ধ খদ্দৰধাৰী হৈছিল।

গান্ধীজীৰ খদ্দৰৰ মূল উদ্দেশ্য আছিল - প্ৰত্যেক খন গাঁৱক অন্ন আৰু বস্ত্ৰেৰে স্বাৱলম্বী কৰা। বাপুৱে ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে সত্যাগ্ৰহ, অসহযোগ,আইন অমান্য আন্দোলন আদিৰ সৈতে গাঁৱ সংগঠনৰ অভিনৱ পদ্ধতি যোগ কৰে। গান্ধীজীয়ে গাঁৱকেই সঁচা ভাৰতবৰ্ষ বুলি মানিছিল। তেওঁ কৈছিল - ভাৰতবৰ্ষৰ গাঁৱ যদি ধ্বংস হয় তেনে ভাৰত আৰু ভাৰত হৈ নাথাকিব। "গান্ধীয়ে বিশ্বাস কৰিছিল গঠনমূলক কাম সমূহ যথাযথভাবে ৰূপায়িত হলে স্বৰাজ সূৰ্য্যৰ উদয় হ'বই। গান্ধীজীৰ শব্দেৰে "শব্দক কৌশলেৰে সংযত কৰি ব্যক্ত কৰিলে সুৰ হয়; বাষ্পক কৌশলেৰে সংযত কৰিলে তৈয়াৰ হয় গতিকে বিশিষ্ট শক্তি বৰ্গ, তেনেকৈ স্বৰাজ্য লাভৰ বাবে জনগণৰ হৃদয়ৰ চঞ্চলতাক গঠনমূলক কামৰ মাজেৰে সঞ্চালিত কৰিব পাৰিলেহে সৃষ্টি হব দুৰ্জয় বৈপ্লৱিক শক্তি। যাৰ ফলত সাম্ৰাজ্যবাদ আৰু পৰাধীনতা শৃংখলা ভাঙি চূৰ্ণ বিচূৰ্ণ হব।

সেই সময়ত গাঁৱত শিক্ষা সৌন্দর্য্য, উদ্যম আশা একোৱেই নাছিল। গান্ধীজীয়ে এইবোৰক 'গোবৰৰ দ'ম বুলি কৈছিল। গান্ধীজীৰ প্ৰেৰণাত বিভিন্ন স্থানত খাদী আৰু গ্ৰামোদ্যোগ তথা গাঁৱ সংগঠনৰ কাম আৰম্ভ হৈছিল। কালক্ৰমত গান্ধীজীয়ে গাঁৱ সংগঠনৰ বাবে "গঠনমূলক কৰ্ম পদ্ধতি তাৰ অৰ্থ আৰু স্থান" কিতাপখন লিখি উলিয়াইছিল। তাত সাম্প্ৰদায়িক ঐক্য, অস্পৃশ্যতা বৰ্জন, মদ নিবাৰণ, খাদী আৰু গ্ৰামোদ্যোগৰ উন্নয়ন, বুনিয়াদী শিক্ষা, প্ৰৌঢ় শিক্ষা, প্ৰাদেশিক ভাষা শিক্ষা, ৰাষ্ট্ৰভাষা শিক্ষা, কৃষক শ্ৰমিক, ছাত্ৰ, আদিবাসীৰ সেৱা স্ত্ৰী-শিক্ষা, কুষ্ঠৰোগীৰ সেৱা-স্বাস্থ্য শিক্ষা, গ্ৰামীণ স্বাস্থ্য -এই ওঠৰটা কামৰ কথা কৈছে।

স্পষ্ট কথা গঠনমূলক কৰ্মৰ কেন্দ্ৰই আছিল সত্যাগ্ৰহী সকলৰ প্ৰশিক্ষণ শিবিৰ। সত্যাগ্ৰহৰ প্ৰয়োজন শেষ হোৱাৰ লগে লগে (স্বাধীনতাৰ পাছত) গান্ধীজীয়ে এই গঠনমূলক কৰ্মৰ দায়িত্ব 'লোক সেৱক সংঘ'ক দিব খুজিছিল।

গ্ৰাম-স্বৰাজৰ কাৰণে গান্ধীজীয়ে প্ৰত্যেক খন গাঁৱৰ কাৰণে একোজনকৈ কৰ্মী বিচাৰিছিল। সেই কৰ্মীজনে গাঁৱবাসী সকলৰ লগত পাৰিবাৰিক সম্বন্ধ স্থাপন কৰাৰ দৰে থাকি খেতি আৰু গ্ৰামোদ্যোগৰ মাধ্যমতে এনে স্বয়ংপূৰ্ণ স্বাবলম্বী কৰি গঢ়ি তুলিব যাৰ ফলত গাঁৱবাসীৰ স্বকীয় শক্তি জাগ্ৰত হব।

২৬ জুলাই ১৯৪২ৰ 'হৰিজন' পত্ৰিকাত 'গ্ৰাম স্বৰাজ' ৰ বিষয়ে বৰ্ণনা দি বাপুৱে শেষত লিখিছিল।

"....... মই ইয়াত যি কৈছোঁ সেয়া ব্যক্তি স্বাধীনতাক ভিত্তি কৰি আত্ম নিয়ন্ত্ৰিত গ্ৰাম নিৰ্মাণৰ এটা নমুনাৰ বাবেহে কৈছোঁ। ব্যক্তিয়েহে তাৰ চৰকাৰ গঠন কৰিব। ব্যক্তি আৰু তাৰ দ্বাৰা নিৰ্মিত চৰকাৰে কিন্তু অহিংসাৰ শাসন মানি চলিব লাগিব। সেয়ে হলে প্ৰত্যেকজন গ্ৰামবাসী আৰু প্ৰত্যেকখন গাঁৱে-সমগ্ৰ পৃথিৱীৰ বিৰুদ্ধে গলেও কোনো ভয় নকৰিব। কাৰণ যি নীতিয়ে গাঁৱবাসী আৰু সমগ্ৰ গাঁৱখনকে প্ৰেৰণা দিয়ে, সেয়েহে নিজৰ বা গাঁৱৰ সন্মান ৰক্ষা কৰিবলৈ প্ৰাণ দিবলৈও প্ৰস্তুত থাকিব।"

জনসাধাৰণৰ মাজত যি কোনো কাৰণতেই হওক, গান্ধীজীক কল-কাৰখানা বা যন্ত্ৰবিৰোধী বুলি প্ৰচাৰ কৰিছিল। কিন্তু এই কথা ষোল অনাই সঁচা নহয়। গান্ধীজী কল কাৰখানা বা যন্ত্ৰ মাত্ৰৰেই বিৰোধী নাছিল। যি যন্ত্ৰৰ ওপৰত শ্ৰমিকৰ কৰ্তৃত্ব নাথাকে,যি যন্ত্ৰই মানুহক শোষণ কৰি মাত্ৰ কেইজনমানক হে ধনী কৰে, যি কাৰখানা বৃহত পৰিমাণে উৎপাদন কৰি মানুহক বেকাৰ কৰে, উপবাসে থাকিবলগীয়া হয়. তাৰ পৰিবেশৰ প্ৰভাবত মানব জীৱন দূষিত হয় তেনে যন্ত্ৰ আৰু কাৰখানৰহে বিৰোধী

আছিল ।

ইয়ং ইণ্ডিয়াত এই বিষয়ে বহু বাৰ তেওঁৰ স্পষ্ট মত ব্যক্ত কৰিছে ।

৩. ১১. ২১ ত লিখিছিল-"যদি যন্ত্ৰৰ সহায়ত ভাৰতৰ দৈন্য আৰু তাৰ ফলত কৰ্ম হীনতা (বেকাৰ) নাইকিয়া হয়, তেতিয়া মই জটিল আৰু অতিকায় যন্ত্ৰকো স্বাগত কৰিম ।'

১৩.১১. ২৪ ত লিখিছিল - "মোৰ লক্ষ্য যন্ত্ৰৰ বিলোপ সাধন নহয়-তাৰ প্ৰয়োগ সীমিত কৰাহে ।"

৫.১১. ২৫ ত লিখিছিল -"

আমাৰ দৈনন্দিন জীৱনত যন্ত্ৰৰো স্থান আছে । গুছাব খুজিলে যন্ত্ৰ নাযাব । কিন্তু যন্ত্ৰক মানুহৰ শ্ৰম হাতলৈ নিব দিয়াতো কেতিয়াও উচিত নহ্ব । উন্নত ধৰণৰ নাঙলে উপকাৰ কৰিব পাৰে, কিন্তু যদি কোনো যন্ত্ৰীয়ে এনে এটা যন্ত্ৰ আবিষ্কাৰ কৰে যাৰ সহায়েৰে ভাৰতবৰ্ষৰ সকলো মাটি চহাব পাৰি তেন্তে তেৱেঁই সকলো উৎপাদনৰ মালিক হ্ব । ফলত যদি ভাৰতৰ কৌটি কৌটি খেতিয়কে অন্য কোনো কাম নাপাই উপবাস কৰিবলগীয়া হয় ।"

এই ধৰণে দেখা যায় যে যন্ত্ৰৰ ক্ষতিকাৰক আৰু অন্যায় ব্যৱহাৰৰ প্ৰতিহে গান্ধীজীৰ অসহযোগিতা আছিল - মূল যন্ত্ৰৰ সৈতে নহয় ।

এক বছৰ ভিতৰতে স্বৰাজ

কলিকতা কংগ্ৰেছ অধিৱেশনত এক বছৰ ভিতৰতে স্বৰাজ প্ৰাপ্তিৰ ঘোষণা কৰিছিল আৰু তাৰ বাবে কেইটামান চৰ্ত্ত আৰোপ কৰিছিল ।

প্ৰত্যেকে ইয়াক সাৰোগত কৰিব লাগিব, অহিংস হ্ব লাগিব,সকলো কামতে শৃংখলা ৰক্ষা কৰিব লাগিব । হিন্দু-মুছলমানৰ মাজত পাৰ্থক্য ৰাখিব নালাগিব । অস্পৃশ্যতা বৰ্জন কৰিব লাগিব, মাদক দ্ৰব্য সেৱন এৰিব লাগিব, শাৰীৰিক শ্ৰম কৰিব লাগিব, স্বদেশী গ্ৰহণ কৰিব লাগিব ।

এই ঘোষণাক কোনোৱে বিশ্বাস নকৰিলে আৰু ইয়াৰ চৰ্ত্তাৱলীৰ প্ৰতিও বিশেষ চকু নিদিলে । গান্ধীজীৰ এই চৰ্ত্তাৱলীৰ মাজত চৰকাৰ – নিৰপেক্ষ হৈয়ো সকলো বিষয়তে আত্মনিৰ্ভৰশীল হোৱাৰ সম্ভাৱনা বিদ্যমান । ই স্বৰাজৰেই নামান্তৰ । এই

বিষয়ে ১৯২০ৰ ২২ চেপ্তেম্বৰৰ ইয়ং ইণ্ডিয়াত লিখিছিল যে ইংৰাজৰ উপস্থিতি অবিহনে আমাৰ পৃথক অস্তিত্ব ৰক্ষাৰ সামৰ্থ্যকে বাপুৱে স্বৰাজ আখ্যা দিছিল। তেওঁ কৈছিল - আমি যিমান দিন নিজকে ইংৰাজৰ সমান বুলি গণ্য কৰিব নোৱাৰোঁ সিমান দিনলৈ স্বৰাজ লাভৰ কোনো আশা নাই। আত্মশক্তিৰ উদ্বোধন বিনা স্বৰাজলাভৰ অন্য কোনো বিকল্প নাই। এই প্ৰস্তাৱ ১৯২০ চনৰ নাগপুৰৰ কংগ্ৰেছ অধিৱেশনত গৃহীত হয়।

অসহযোগ আন্দোলন

নাগপুৰ কংগ্ৰেছৰ পিছতেই অসহযোগ আন্দোলনে তীব্ৰতা লাভ কৰিলে। চৰকাৰী স্কুল কলেজ, আদালত, বিধান পৰিষদ আদি বৰ্জনৰ দ্বাৰা বৃটিছ চৰকাৰৰ লগত সকলো সম্পৰ্ক ছেদ কৰি গঠনমূলক কামত ব্ৰতী হৈ স্বদেশী ব্ৰত গ্ৰহণ কৰাই আছিল এই আন্দোলনৰ মুখ্য উদ্দেশ্য। এই আন্দোলনে ভাৰতবাসীক মুগ্ধ কৰে। চৰকাৰী স্কুল কলেজ বৰ্জন কৰাৰ ফলত ৰাষ্ট্ৰীয় শিক্ষা সংস্থান গঢ়ি উঠিল। তেনে এখন ৰাষ্ট্ৰীয় কলেজ উদ্বোধন কৰিলে গান্ধীজীয়ে কলিকতাত। তাৰ অধ্যক্ষ আছিল আই চি এচৰ পদবী প্ৰত্যাখান কৰা নেতাজী সুভাষ চন্দ্ৰ বসু।

এই সময়তে প্ৰিন্স অব ওৱেলাছে ভাৰত ভ্ৰমণ কৰে। তেওঁৰ এই ভ্ৰমণক লৈ নানা গণ্ডগোল সংঘৰ্ষৰ সৃষ্টি হয়। ইয়াৰ পাছতে হ'ল আহমদাবাদৰ কংগ্ৰেছ অধিবেশন। ১৯১১। এই অধিবেশনতে (খদ্দৰৰ ব্যৱহাৰ আৰম্ভ হ'ল) গান্ধীজীক সৰ্ব্বক্ষমতা সম্পন্ন পৰিচালক ৰূপে কংগ্ৰেছে দায়িত্ব অৰ্পণ কৰে।

বৰদৌলীৰ সত্যাগ্ৰহ

গুজৰাটৰ চুৰাট জিলাৰ সৰু এটা চক্ৰ বৰদৌলী। চৰকাৰে শতকৰা ২২ ভাগ খাজনা খেতিয়কৰ পৰা আদায় কৰে। ই অত্যন্ত অন্যায় কথা বুলি ভাবি, আহমদাবাদ নগৰ নিগমৰ তত্কালীন মেয়ৰ , খেতিয়কৰে সন্তান বল্লভভাই পেটেলক ইয়াৰ প্ৰতিকাৰৰ বাবে গান্ধীজীয়ে কলে।

এই প্ৰয়াস সফল কৰিবলৈ আইন অমান্য আন্দোলন কৰিবলৈ স্থিৰ কৰা হয়।

আন্দোলনৰ সৰ্ব্বময় কৰ্ত্তা গান্ধীজী নিৰ্বাচিত হৈছিলেই। ২৯/১/২২/ ৫০০ মহিলাৰ সৈতে প্ৰায় ৪০০০ গ্ৰামবাসীয়ে বল্লভভাই পেটেলৰ নেতৃত্বত সবিনয় আইন অমান্য আন্দোলনৰ বাবে শপথ লয়।

১ ফেব্ৰুৱাৰী দিনা এখন চিঠিৰে লৰ্ড ৰিডিঙক জনালে যে - সাত দিনৰ ভিতৰত সকলো ৰাজবন্দীক মুক্তি দিলে, অহিংস আন্দোলনৰ বাটত থকা চৰকাৰী বাধা নিষেধ প্ৰত্যাহাৰ কৰিলে আৰু সংবাদ পত্ৰ তথা ব্যক্তিৰ বাক-স্বাধীনতা ঘূৰাই দিলে প্ৰস্তাবিত আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰা হ'ব। বৰলাট চাহাবে এই দাবী সমূহ প্ৰত্যাখান কৰি ৬/২/২২ ত উত্তৰ দিলে। ইয়াৰ উত্তৰত ৮ তাৰিখে গান্ধীজীয়ে বিহাৰৰ লুটপাট কলিকটাত পুলিচৰ গুলি চালনা, ঢাকা, আলিগড়, লাহোৰ, জলন্ধৰ, দেহৰাদুন আদি স্থানত প্ৰশাসনে কৰা দমন, উৎপীড়ন নিৰ্বিচাৰে গ্ৰেপ্তাৰ আৰু নৃশংস ঘটনালৈ বৰলাটৰ দৃষ্টি আকৰ্ষণ কৰি শাসনৰ কামৰ অযৌক্তিকতা দেখুৱায়।

ইতিমধ্যে গোৰক্ষপুৰ জিলাৰ চৌৰীচৌৰা থানাত থকা ২২ জন পুলিচ কৰ্মচাৰীক পুৰি মাৰাৰ ঘটনা ঘটে। এই ঘটনাই গান্ধীজীক খুব আঘাত দিলে। তেওঁ আইন অমান্য আন্দোলন স্থগিত কৰি দিলে। সমগ্ৰ দেশতে ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া হ'ল। কিন্তু বৰদৌলী যে এই সত্যাগ্ৰহ স্থগিত কৰা কাৰ্য্যক সমৰ্থন কৰিলে।

বৰদৌলীৰ আন্দোলন পুনৰ আৰম্ভ হৈছিল। পেটেলৰ নেতৃত্বত এই আন্দোলন সফল হৈছিল। চৰকাৰে খেতিয়ক সকলৰ দাবী সম্বন্ধে বিবেচনাৰ বাবে এটা কমিচন গঠন কৰি দিয়ে। ফলত খাজনা বৃদ্ধি ২২ শতাংশৰ সলনি ৫৭ শতাংশ কৰা হয়। বৰদৌলীৰ আন্দোলন সফল ভাবে সঞ্চালন কৰাৰ বাবে গান্ধীজীয়ে পেটেলক "চৰ্দ্দাৰ" উপাধিৰে ভূষিত কৰে। পাছলৈ পেটেল 'চৰ্দ্দাৰ পেটেল' নামেৰেই পৰিচিত হৈছিল।

বৃটিছ চৰকাৰৰ বিচাৰকক লিখিত বিবৃত্তি

ৰাজদ্ৰোহ অপৰাধত বন্দী গান্ধীজীক চেচন আদালতত যেতিয়া বিচাৰকৰ সমুখলৈ অনা হ'ল গান্ধীজীয়ে অদম্য সাহসেৰে তেওঁলৈ মৌখিক বক্তব্য ডাঙি ধৰাৰ লগতে এটা লিখিত বিবৃতিও বিচাৰকৰ আগত উপস্থাপন কৰে। এই বিবৃতিটোত মহামানৱ গান্ধীৰ জীৱন সত্য মূৰ্ত্তিমান হৈছে। সেয়ে এই বিবৃতিটোৰ অনুবাদ তলত দিয়া হ'ল :

"মূলতঃ ভাৰত আৰু বৃটেইনৰ জনসাধাৰণক শান্ত কৰিবলৈ এই মোকৰ্দ্দমা আৰম্ভ

কৰা হৈছে। গোৰা ৰাজভক্ত আৰু এজন সহযোগী নাগৰিকৰ পৰা মই কেনেকৈ ৰাজনৈতিক অশান্তিৰ প্ৰচাৰক আৰু অসহযোগী হৈ পৰিলোঁ – সেই কথা তেওঁলোকক জনোৱাতো মোৰ কৰ্ত্তব্য। ভাৰতত আইন অনুসৰি প্ৰতিষ্ঠিত চৰকাৰৰ বিৰুদ্ধে কৰা অভিযোগ মই কিয় মানি লৈছোঁ সেই কথাটোও মোৰ জনোৱা উচিত।"

"১৮৯৩ চনত দক্ষিণ আফ্ৰিকাৰ অশান্ত পৰিবেশত মোৰ জনসেৱাৰ জীৱন আৰম্ভ হয়। সেই দেশৰ বৃটিছ চৰকাৰৰ সৈতে প্ৰথম সম্পৰ্ক আমাৰ বৰ সুখৰ নাছিল। মই তাত এই কথা জানিব পাৰিলোঁ যে মানুহ হিচাবে আৰু ভাৰতবাসী ৰূপে সেই দেশত আমাৰ কোনো অধিকাৰ নাই। আচলতে ঠিক ভাবে কবলৈ হলে ভাৰতবাসী কাৰণে আমাৰ কোনো মানবীয় অধিকাৰ নাছিল।

"কিন্তু মই হতাশ নহলোঁ। মোৰ ধাৰণা হৈছিল মূলতঃ আৰু মুখ্যতঃ এক সুন্দৰ ব্যৱস্থাৰ অনাবশ্যক জেদৰ ফলত ভাৰতবাসীক এই দৰে ব্যৱহাৰ কৰা হয়। সেই কাৰণে মই আন্তৰিকতাৰে প্ৰবৃত্ত হৈ চৰকাৰৰ লগত সহযোগিতা কৰিলো। য'তেই ত্ৰুটী দেখা পাইছোঁ তাকেই মুকলি মনেৰে আলোচনা (বিৰোধী) কৰিছোঁ, কিন্তু চৰকাৰৰ বিনাশ কেতিয়াও মই বাঞ্ছা কৰা নাই।

"এই কাৰণে ১৮৯৯ চনত বুঅ্ৰ যুদ্ধৰ সময়ত বৃটিছ সাম্ৰাজ্যৰ অস্তিত্ব বিপন্ন হোৱাত মই তেওঁলোকক সহায় কৰিবলৈ আগুৱাই গৈছোঁ। মই বেমাৰী আৰু আহত সকলৰ সেৱা শুশ্ৰুষাৰ বাবে এটা বাহিনী গঠন কৰোঁ আৰু গোটেই কেইখন যুদ্ধতে এই বাহিনীৰে মই সেৱা কৰোঁ। সেইদৰে ১৯০৬ চনত হোৱা জুলু বিদ্ৰোহৰ সময়তো মই এটা আহত বহনকাৰী দল গঠন কৰি, বিদ্ৰোহ দমন নোহোৱালৈ সহায়তা কৰি আহিছোঁ। দুয়ো বাৰেই মোক চৰকাৰে পদকেৰে সম্মানিত কৰিছে আৰু চৰকাৰী বিবৰণত এই কথা লিপিবদ্ধ কৰি ৰাখিছে। লৰ্ড হাৰ্ডিঞ্জে "মোক কাইজাৰ- ই- হিন্দ" সোণৰ পদক দিয়ে। বৃটেন আৰু জাৰ্মানীৰ মাজত যুদ্ধ হোৱাত (১৯১৪) মই আহত সৈনিক সকলৰ সেৱাৰ বাবে লণ্ডনত এটা স্বেচ্ছাসেৱক বাহিনী গঠন কৰো। লণ্ডনৰ ঘাইকৈ ভাৰতীয় ছাত্ৰ সকলে ইয়াত যোগ দিছিল। এই সহায়তাই উপকাৰ কৰা বুলি কৰ্ত্তৃপক্ষৰ পৰা মই স্বীকৃতি লাভ কৰিছিলোঁ। ১৯১৮ চনৰ দিল্লীৰ যুদ্ধ উপদেষ্টা সভাত লৰ্ড চেমসফোৰ্ডে সৈন্য সংগ্ৰহৰ কাৰণে বিশেষ ভাবে অনুৰোধ জনোৱাত, মই নিজৰ জীৱন বিপন্ন কৰিও এটা বাহিনী গঠনৰ চেষ্টা কৰিছিলোঁ। সেই প্ৰয়াস ফলবতী হোৱাৰ আগতে যুদ্ধ বন্ধ হয় আৰু সৈন্য সংগ্ৰহৰ প্ৰয়োজন নাই বুলি চৰকাৰৰ পৰা নিৰ্দেশ আহে। সেই সেৱাৰ দ্বাৰা আমাৰ দেশবাসীৰ বাবে বৃটিছ সাম্ৰাজ্যৰ

ভিতৰতে পূৰ্ণ সমতা অৰ্জন কৰা সম্ভৱ হ'ব বুলি বিশ্বাস কৰিয়ে এই কামত প্ৰবৃত্ত হৈছিলোঁ।

"প্ৰথম আঘাতটো ৰৌলত আইনৰ ৰূপত আহিল। জনসাধাৰণক সকলো প্ৰকাৰৰ স্বাধীনতাৰ পৰা বঞ্চিত কৰাই আছিল - এই আইনৰ যাই উদ্দেশ্যে। কৰ্ত্তব্যৰ তীব্ৰ আহ্বানত সেই আইনৰ বিৰুদ্ধে তীব্ৰ আন্দোলন পৰিচালনা কৰিবলগীয়া হ'ওঁ। তাৰ পাছত আহিল পঞ্জাবৰ নৃশংস কাণ্ড, যি আৰম্ভ হৈছিল জালিয়ানৱালা বাগৰ নিৰ্বিচাৰে কৰা হত্যাকাণ্ডৰ দ্বাৰা আৰু যিয়ে পৰিণতি লাভ কৰিছিল আঠুকাঢ়ি ফুৰাৰ নীচ আদেশ, প্ৰকাশ্যে বেত্ৰাঘাত আৰু অন্যান্য অবৰ্ণনীয় অত্যাচাৰৰ মাধ্যমেৰে। মই ইয়াকে দেখিছোঁ যে তুৰস্ক আৰু ইছলামৰ পবিত্ৰস্থান সমূহৰ অখণ্ডতাৰ বিষয়ে প্ৰধান মন্ত্ৰীয়ে ভাৰতবৰ্ষৰ মুছলমান সকলক যি প্ৰতিশ্ৰুতি দিছিল তাক ৰক্ষা কৰাৰ কোনো সম্ভাবনাই নাই। এনেধৰণৰ অনিষ্টকাৰী ঘটনা আৰু বন্ধু-বান্ধৱৰ সাবধাণ বাণী শুনা স্বত্ত্বেও ১৯১৯ চনৰ অমৃতসৰ কংগ্ৰেছত চৰকাৰৰ লগত সহযোগিতা আৰু মন্টেগো চেমস্‌ফোৰ্ড সংস্কাৰৰ কাৰ্য্যকৰী কৰিবলৈ মই যুজিছিলোঁ। মোৰ আশা আছিল প্ৰধান মন্ত্ৰীয়ে ভাৰতীয় মুছলমান সকলক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব আৰু পঞ্জাবৰ ঘাঁ শুকোৱাৰ আৰু সেই সংস্কাৰৰ (মন্টেগো চেমস্‌ফোৰ্ড) যদিও অসম্পূৰ্ণ আৰু অসন্তোষজনক, তথাপি তাৰ দ্বাৰাই ভাৰতবাসীৰ জীৱনত আশা আকাঙ্ক্ষাৰ এটা ন-যুগৰ সূচনা হ'ব।"

"কিন্তু আমাৰ সকলো আশা নিৰ্মূল হৈ গৈছে। খিলাফতৰ প্ৰতিশ্ৰুতি পালনীয় বুলি বিবেচনা কৰা নহ'ল। পঞ্জাবৰ অপৰাধ ঢাকি থবৰ চেষ্টা চলিছে। বেছি ভাগ অপৰাধীক শাস্তি দিয়া নহ'ল। তেওঁলোক আজিও চাকৰিত। কোনো কোনোৱে ভাৰতীয় ৰাজকোষৰ পৰা পেঞ্চনো পাইছে আৰু কিছুলোকক পুৰস্কৃত কৰা হৈছে। এই সংস্কাৰৰ দ্বাৰা হৃদয়ৰ যে কোনো পৰিবৰ্ত্তন হোৱা নাই সেই কথাও মই লক্ষ্য কৰিছোঁ। এই সকলো বিলাক হৈছে আৰু বেছিকৈ ভাৰতৰ সম্পদ উলিয়াই নিয়া আৰু ভাৰতৰ পৰাধীনতা দীঘলীয়া কৰাৰ প্ৰক্ৰিয়া মাথোন।"

"অনিচ্ছা স্বত্ত্বেও মই এই সিদ্ধান্তত উপনীত হৈছোঁ যে ইংৰাজৰ সৈতে সম্পৰ্ক ৰখাৰ ফলত ৰাজনৈতিক আৰু অৰ্থনৈতিক উভয় দিশতেই ভাৰত আৰু বেছি অসহায় হৈ পৰিছে - এনে ঘটনা আগতে ঘটা নাই। আক্ৰমণকাৰী শক্তিৰে সশস্ত্ৰ যুদ্ধ কৰিব পৰা শক্তি নিঃশস্ত্ৰ ভাৰতবাসীৰ নাই। অৱস্থা ইমানেই কাহিল যে ঔপনিবেশিক স্বায়ত্ত্ব শাসন পাবলৈয়ে আমাৰ কেইবাটাও পুৰুষ পাৰ হ'ব। ভাৰত ইমানেই দৰিদ্ৰ যে দুৰ্ভিক্ষ নিবাৰণ কৰাৰ ক্ষমতাও তাৰ নাই। ইংৰাজ অহাৰ আগতে ভাৰতৰ্বৰ লাখ লাখ ঘৰত

অপৰ্য্যাপ্ত কৃষি আয়ৰ লগতে সূতা কটা কাপোৰ বোৱাৰ কামো চলিছিল। ইংৰাজ সকলৰ কথাৰ পৰাই জনা যায় যে ভাৰতৰ অস্তিত্বৰ বাবে গুৰুত্বপূৰ্ণ এই কুটীৰ শিল্পটোক অমানুষিক নিষ্ঠুৰ উপায়েৰে ধ্বংশ কৰি দিয়া হৈছে। অৰ্দ্ধাহাৰ ক্লিষ্ট ভাৰতীয় জনগণ লাহে লাহে যেন জীৱনী শক্তি হীন হৈ পৰিছে। নগৰৰ মানুহেতো আজিকালি সেইবোৰৰ কথা নাজানেই। তেওঁলোকৰ কমেহে জানে যে তেওঁলোকৰ সামান্য আৰাম হ'ল - বিদেশী শাসকৰ বাবে কৰা কামৰ দালালী। জন সাধাৰণৰ ৰক্ত শোষণ কৰি তেওঁলোকে এই দালালী আৰু মুনাফা অৰ্জন কৰে। বৃটিছ ভাৰতবৰ্ষৰ আইন অনুসৰি প্ৰতিষ্ঠিত চৰকাৰ জনসাধাৰণক শোষণ কৰিবলৈহে পৰিচালিত - সেই জ্ঞান খিনিও তেওঁলোকৰ নাই। বাক্ চাতুৰী বা সংখ্যাতত্ত্বৰ ভেল্কিবাজীৰে প্ৰত্যেক খন গাঁৱতে মুকলি চকুৰে দৃশ্যমান নৰকঙ্কাল সমূহৰ ব্যাখ্যা কৰিব নোৱাৰি। মই এই কথাত নিঃসন্দেহ যে আমাৰ ওপৰত সৰ্চাকৈয়ে যদি ঈশ্বৰ আছে তেনে মনুষ্যত্বৰ প্ৰতি ইতিহাসত উদাহৰণ নোহোৱা অপৰাধৰ বাবে বৃটিছ চৰকাৰ আৰু ভাৰতবৰ্ষৰ নগৰবাসী এদিন নহয় এদিন জবাবদিহি হ'ব লাগিব। আইন এইখন দেশত বিদেশী প্ৰভু সকলৰ মংগলৰ বাবেহে। সংস্কাৰ মুক্ত মনেৰে পঞ্জাবৰ মাৰ্শাল আইনৰ মোকৰ্দমা বোৰৰ তদন্ত কৰি মোৰ ধাৰণা হৈছে যে অন্ততঃ ৯৫% ক্ষেত্ৰত সম্পূৰ্ণতঃ অন্যায় কৰিয়ে শাস্তি দিয়া হৈছে। ভাৰতৰ ৰাজনৈতিক মোকৰ্দমা সম্বন্ধে মোৰ অভিজ্ঞতা হ'ল প্ৰতি দহজন দণ্ডিত ব্যক্তিৰ ৯ জনেই নিৰপৰাধী। তেওঁলোকৰ অপৰাধ হ'ল - নিজৰ দেশক ভালপোৱা। ভাৰতীয় আদালতত ইউৰোপীয় সকলৰ তুলনাত শতকৰা ৯৯ টা মোকৰ্দমাতেই ভাৰতবাসী সকলৰ প্ৰতি ন্যায় বিচাৰ নহয়। এই বৰ্ণনাত অতিৰঞ্জন নাই। সংশ্লিষ্ট প্ৰত্যেক ভাৰতবাসীৰে এইবোৰৰ ক্ষেত্ৰত অভিজ্ঞতা একেই। মোৰ মতে শোষকসকলৰ লাভৰ বাবেই জ্ঞাত ভাবেই বা অজ্ঞাতভাবেই আইনৰ এই দুৰুপযোগ ঘটিছে।"

"সকলোতকৈ দুৰ্ভাগ্যৰ কথা হ'ল এয়ে যে দেশৰ শাসনৰ বাবে নিযুক্ত ইংৰাজ আৰু তেওঁলোকৰ সহযোগী সকলে অনুভৱ নকৰে যে ওপৰত যিবোৰ অপৰাধৰ কথা কোৱা হ'ল সেই অপৰাধ কৰ্ম বোৰৰ সৈতে তেওঁলোকো লিপ্ত আছে। মই নিঃ সন্দেহে কব পাৰোঁ যে এনে অনেক ইংৰাজ আৰু (তেওঁলোকৰ সহযোগী) ভাৰতীয় কৰ্মচাৰী আছে যি সকলে আন্তৰিকতাৰে বিশ্বাস কৰে যে তেওঁলোক সমগ্ৰ বিশ্বৰ অন্যতম শ্ৰেষ্ঠ এক শাসনতন্ত্ৰ ভাৰতবৰ্ষত বলবৎ কৰিছে আৰু তাৰ দ্বাৰা ভাৰতবৰ্ষ লাহে লাহৈকে হলেও সুনিশ্চিত প্ৰগতি লাভ কৰিছে। তেওঁলোকে নাজানে

যে একাংশে সূক্ষ্ম কিন্তু শক্তিশালী সন্ত্রাসতন্ত্র আৰু সংগঠিত পশু শক্তিৰ বিকাশ আনহাতে প্রতিৰোধ বা আত্মৰক্ষাৰ সমগ্র শক্তিকেই বঞ্চিত কৰা ভাৰতীয় জনগণক বীৰ্য্যহীন কৰি তুলিছে আৰু তেওঁলোক কপটা আৰু ভণ্ড হ'বলৈ প্রৰোচিত হৈছে। এই ভয়ঙ্কৰ অভ্যাসে শাসক সকলৰ অজ্ঞতা আৰু আত্মপ্ৰবঞ্চনা বৃদ্ধি কৰিছে। নাগৰিক সকলৰ স্বাধিকাৰ হৰণৰ উদ্দেশ্যতেই ৰচিত ভাৰতীয় দণ্ডবিধিৰ মুখ্যতম ধাৰা হ'ল - ১২৪ (ক)। সৌভাগ্যবশতঃ মোক সেই ধাৰাতেই অভিযুক্ত কৰা হৈছে। এনে আইনৰ দ্বাৰা সৃষ্টি বা নিয়ন্ত্রণ কৰা নাযায়। কাৰো মনত কোনো ব্যক্তি বা পদ্ধতিৰ প্রতি অনুৰাগ নাথাকিলে হিংসাত্মক কৰ্মত লিপ্ত নোহোৱা বা উচটনি নিদিয়া পৰ্য্যন্ত বীতৰাগ ব্যক্ত কৰাৰ পূর্ণ স্বাধীনতা থকা উচিত। কিন্তু শ্রীযুত বাংকাৰ আৰু মোক যি ধাৰাত অভিযুক্ত কৰা হৈছে - সেই ধাৰা অনুসৰি অসন্তোষ ব্যক্ত কৰাই যেন অপৰাধ। এই ধাৰাৰ অধীনত বিচাৰ কৰা কেইবাটাও মোকৰ্দ্দমা বিশ্লেষণ কৰি মই চাইছোঁ। মই জানো যে স্বদেশ প্রেমিক ভাৰতবাসীৰ কেইবাজনো প্রিয়তম ব্যক্তিক এই ধাৰাত শাস্তি দিয়া হৈছে। সেই কাৰণে মোৰ ক্ষেত্ৰতো এই ধাৰা প্রযোজ্য কৰাত নিজকে সৌভাগ্যবান বুলি ভাবিছোঁ। মই মোৰ বিৰক্তিৰ কাৰণ সমূহ মোটামুটি ভাবে সংক্ষেপে কৰ্বলৈ চেষ্টা কৰিছোঁ। কোনো বিশেষ প্ৰশাসকৰ বিৰুদ্ধে মোৰ কোনো ব্যক্তিগত শত্রুতা নাই। চৰকাৰী কৰ্মচাৰীবৃন্দৰ সম্পৰ্কত বিতৰাগৰ প্রশ্নই নুঠে। কিন্তু সামগ্ৰিক ভাৱে যি চৰকাৰে আগৰ চৰকাৰৰ তুলনাত বেছি ক্ষতি সাধন কৰিছে, সেই চৰকাৰৰ প্রতি অনুৰাগ বিহীন হোৱাতো মই সদ্গুণ বুলিয়েই বিবেচনা কৰিম। ইংৰাজ শাসনত ভাৰত যেনেদৰে নিবীৰ্য্য হৈছে তেনে আগতে কেতিয়াও হোৱা নাছিল। এনে ধৰণৰ মত পোষণ কৰা কাৰণেই মোৰ ধাৰণাত শাসনতন্ত্ৰৰ প্ৰতি অনুৰাগ থকাটো পাপ। মোৰ বিৰুদ্ধে প্রমাণ হিচাবে দাখিল কৰা প্ৰবন্ধাবোৰত যি লিখিছোঁ। সেয়া লিখাৰ সুযোগ পোৱা বাবে মই নিজকে বৰ সৌভাগ্যবান বুলি ভাবিছোঁ।

" মোৰ ধাৰণা এই যে ভাৰত আৰু ইংলণ্ড উভয় দেশত যি অস্বাভাবিক পৰিস্থিতিৰ মাজত চলিছে তাৰ পৰা নিস্কৃতি পোৱাৰ একমাত্র পথ হৈছে - অসহযোগ। মোৰ বিশ্বাস এই পথ প্ৰদৰ্শন কৰি মই উভয় দেশৰেই সেৱা কৰিছোঁ। মোৰ বিনম্ৰ সিদ্ধান্ত এই যে অন্যায়ৰ সতে যিদৰে অসহযোগ কৰা ব্যক্তি ঠিক তেনেকৈ ন্যায়ৰ লগত সহযোগ কৰাটোও কৰ্ত্তব্য। কিন্তু অতীতত স্বেচ্ছায় সহিংস উপায়ে অসহযোগৰ প্রয়োগ হৈছে। মই আজি সমগ্র দেশবাসীক এই কথা বুজাবলৈ চেষ্টা কৰিছোঁ যে-সহিংস অসহযোগে পৰিণামত অন্যায়েই বেছি বাঢ়ে। হিংসা বৃত্তিৰ দ্বাৰা অন্যায়ে পুষ্টি লাভ

কৰে । সেয়ে অন্যায়ৰ লগত সহযোগিতা বন্ধ কৰিবলৈ হলে হিংসাৰ পৰা সম্পূর্ণ মুক্ত হব লাগিব । অন্যায়ৰ সৈতে অসহযোগিতাৰ বাবে প্রাপ্য দণ্ড স্বেচ্ছায় স্বীকাৰ কৰাটোৱেই হ'ল - অহিংসাৰ অর্থ । আইনৰ দৃষ্টিত স্বেচ্ছাকৃত অপৰাধ যি – আমাৰ কাৰণে সেয়াই হ'ল, নাগৰিকৰ সৰ্ব্বোত্তম কৰ্ত্তব্য । গতিকে এই অপৰাধৰ বাবে সৰ্বাধিক দণ্ডত দণ্ডিত হোৱাৰ আবেদন লৈ মই আনন্দেৰে ইয়াত উপস্থিত হৈছোঁ । বিচাৰ পতি মহাশয়, এতিয়া আপোনাৰ সমুখত এটা পথেই খোলা । যি আইন প্রয়োগৰ দায়িত্ব আপোনাত ন্যস্ত আছে সেয়া যদি আপুনি অসৎ বুলি ভাবে আৰু মোক সচাই নির্দোষি বিবেচনা কৰে তেনে আপুনি পদত্যাগ কৰিব আৰু এইদৰে নিজে অন্যায়ৰ লগত সম্পর্কহীন হব । আৰু যদি আপুনি ভাবে যি ব্যৱস্থা আৰু আইন প্রয়োগ কৰোঁতে আপুনি সহায় কৰিছে, সেয়া দেশবাসীৰ পক্ষে মংগলজনক আৰু তাৰ বাবে মোৰ কর্ম সার্বজনীন মংগলৰ পৰিপন্থী, তেতিয়া হলে মোক কঠোৰ দণ্ড দিব ।”

গান্ধীজীৰ বক্তব্য আৰু লিখিত বিবৃতিৰ পাছত বিচাৰপতি ব্রুমফিণ্ডে স্বীকাৰ কৰিছে :- “গান্ধী বেলেগ চৰিত্রৰ মানুহ । গান্ধীৰ মতৰ লগত যি একমত নহয় তেওঁলোকেও গান্ধীক ঋষিৰ দৰে জীৱন যাপন কৰা, মহৎ আদর্শত অনুপ্রাণিত মানুহ বুলি স্বীকাৰ কৰিব ।

এই বিবৃতিৰ পৰাই ভাৰতবৰ্ষৰ ভবিষ্য সংগ্রামৰ গান্ধী পথ সুনির্দিষ্ট হৈ পৰিল ।

এই বিচাৰত গান্ধীজীক ছয় বছৰ কাৰাদণ্ড বিহিছিল । কিন্তু জনমতৰ বিৰুদ্ধে তিষ্টিব নোৱাৰি বৃটিছ চৰকাৰে তেওঁক ১৯২৪ত মুকলি কৰি দিছিল ।

খাদী, অস্পৃশ্যতা আৰু হিন্দু মুছলমান ঐক্য

১৯২২ চনত গান্ধীজীক সাবৰমতী জেললৈ নিয়া হৈছিল আৰু তাৰ পাছত য়াৰবাদা জেললৈ । এই জেল জীৱনৰ বিষয়ে গান্ধীজীয়ে লিখিছিল-“কাৰাগাৰলৈ তো নহয় , মই যেন কোনো উৎসৱলৈ যাবলৈহে সাজু হৈছোঁ । আমাৰ দেশৰ এমূৰৰ পৰা অন্য মূৰৰ ৰাজ্যলৈ দৌৰাদৌৰি কৰি, সভা সমিতি পাতি বক্তৃতা দিলে যি দেশ সেৱা কৰা হয় , জেলৰ ভিতৰৰ নির্জনতাত তুলনামূলক ভাবে বেছি দেশ সেৱা হয় ।” ইয়াতেই তেওঁ আত্মজীৱনী, ‘অনাসক্তি যোগ’ আদি গ্রন্থৰ ৰচনা সম্পূর্ণ কৰে । ১৯২৪ৰ আৰম্ভণিতে তেওঁ অসুস্থ হৈ পৰে । শেষত হস্পিটাললৈ স্থানান্তৰিত কৰি এপেণ্ডিসাইটিচৰ অপাৰেচন কৰে । অস্পতালত থকা অৱস্থাতে ১০ মার্চৰ দিনা তেওঁক মুক্তি দিয়ে ।

ডাক্তৰ সকলৰ চিকিৎসাত আৰোগ্য লাভ কৰি গান্ধীজী বোম্বাইলৈ গ'ল। তাত কেইমাহমান থাকি পুনৰ সাবৰমতীলৈ গ'ল। ইতিমধ্যে কংগ্ৰেছ মহাসভাৰ গয়া (১৯২২) দিল্লী (১৯২৩-বিশেষ) আৰু কোকনদ (১৯২৩)ৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে। কংগ্ৰেছৰ মাজত বিভাজন আহি পৰিছে - পৰিবৰ্ত্তন কামী আৰু পৰিবৰ্ত্তন বিৰোধী। পৰিবৰ্ত্তন কামী সকলে দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মোতীলাল নেহেৰুৰ নেতৃত্বত স্বৰাজ্য দল গঠন কৰে। এই স্বৰাজ দলে ১৯২৩ চনৰ নিৰ্বাচনত আশাতীত সফলতা লাভ কৰে। এই সাফল্য কংগ্ৰেছৰ সাফল্য বুলিয়েই বিবেচিত হ'ল।

গান্ধীজীৰ লগত প্ৰায় সকলো নেতা জেলত থকাৰ ফলত বৃটিছ চৰকাৰে জনসাধাৰণক বিপথে পৰিচালিত কৰি স্বাধীনতা আন্দোলন ব্যৰ্থ কৰি দিবলৈ ষড়যন্ত্ৰ কৰিছিল। যি হিন্দু আৰু মুছলমানে একেলগে মিলি অহিংস অসহযোগৰ মন্ত্ৰত দীক্ষিতহৈ স্বাধীনতা সংগ্ৰামত ইংৰাজক ৰক্তদান কৰিছিল, ইংৰাজ সকলৰ প্ৰৰোচনা আৰু চক্ৰান্তত সেই হিন্দু মুছলমান সকলেই ভ্ৰাতৃঘাটী সংঘৰ্ষত পাগল হৈ উঠিল- পৰস্পৰৰ মাজত হাই-কাজিয়া ,অবিশ্বাস আদিৰ ফলত দুই সম্প্ৰদায়ৰ মাজত ৰক্তাৰক্তি আৰম্ভ হ'ল।

গান্ধীজীয়ে ভালদৰে বুজি পালে যে ভাই – ভাইৰ মাজৰ এই কাজিয়াই ঘৰ ভাঙিব। দুঃখী মহাত্মাই সেয়ে হিন্দু আৰু মুছলমানৰ মাজৰ ভ্ৰান্তি দূৰ কৰাৰ উদ্দেশ্যে এক চৰম পন্থা গ্ৰহণ কৰিলে। দিল্লীত মুছলমান সম্প্ৰদায়ৰ নেতা মহম্মদ আলীৰ বাস ভৱনলৈ আহি তেওঁ আমৰণ অনশনৰ কথা ঘোষণা কৰিলে। তেওঁ সৰ্ব সাধাৰণক জনাই দিলে যে হিন্দু মুছলমান ভাই ভাৰী সকলে কাজিয়া এৰি, মিলনৰ পথ গ্ৰহণ নকৰিলে তেওঁ অনশনতে প্ৰাণত্যাগ কৰিব। ভাই-ভাইৰ মাজৰ আত্মঘাতী যুদ্ধ চাই তেওঁ জীয়াই থাকিব নোখোজে।

অনশনজনিত কাৰণত গান্ধীজী দুৰ্ব্বল হৈ আহিল। সমগ্ৰ ভাৰতবৰ্ষতে এটা অদ্ভুত আলোড়ন হ'ল। কাজিয়া কৰি থকা হিন্দু আৰু মুছলমানৰ মাজতো কি কৰোঁ কি নকৰোঁ অৱস্থা। সকলো সম্প্ৰদায়ৰ মানুহ আহি মহম্মদ আলীৰ ভৱনত শাৰী পাতিলেহি। অনশন ভঙ্গ কৰিবলৈ জনতাই গান্ধীজীক সানুনয় অনুৰোধ কৰিবলৈ ধৰিলে। দুয়ো সম্প্ৰদায়ৰ নেতৃবৃন্দই আহি প্ৰতিশ্ৰুতি দিলে যে তেওঁলোকে ভাই-ভাইৰ মাজৰ কাজিয়া, কটা-কাটি আদি দূৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিব। হিন্দু মুছলমানৰ মিলন প্ৰতিষ্ঠাৰ বাবে প্ৰাণ পণ কৰিব।

জন সাধাৰণৰ সবল মনোভাব আৰু অনুতাপলৈ লক্ষ্য কৰি, নেতৃবৃন্দৰ আন্তৰিক সদিচ্ছা জানি মহাত্মাজীয়ে অনশন ভঙ্গ কৰিলে। ভাৰতবৰ্ষৰ কল্যাণৰ কাৰণে ভাৰতৰ জীৱন দীপ পুনৰ দেদীপ্যমান হৈ উঠিল। কেইদিন মান মাত্ৰ জিৰণি লৈ গান্ধীজী পুণৰ কৰ্ম সমুদ্ৰত জাপ দিলে।

তেওঁ মুখ্যতঃ ৩ টা কামত মনোনিবেশ কৰিবলৈ চেষ্টা কৰিলে - (১) খাদীৰ প্ৰচাৰ (২) অস্পৃশ্যতা বৰ্জন আৰু (৩) হিন্দু-মুছলমান সম্প্ৰীতি।

তেওঁ দেশ ভ্ৰমণত ওলাল। ইখনৰ পাছত সিখন ৰাজ্যলৈ গৈ তেওঁ নানা সভা সমিতি পাতি জনসাধাৰণক বুজাব ধৰিলে যে হিন্দু মুছলমানে কাজিয়া কৰিলে ইংৰাজ চৰকাৰৰহে সুবিধা হব। এই কাজিয়াৰ ফলত আমি দুৰ্বল হ'ম ; আমাৰ দেশখন দুৰ্বল হব, আমাৰ একতা ধ্বংশ হব। আৰু দুৰ্বল একতাহীন দেশবাসীক ইংৰাজ চৰকাৰে পৰাধীনতাৰ নাগ পাশেৰে অনেক কাল বান্ধি ৰাখিব পাৰিব। তেওঁ বুজালে যে - আমি বিদেশীৰ কপট ষড়যন্ত্ৰ ব্যৰ্থ কৰিব লাগিব, আমাৰ মাজৰ হাই কাজিয়া এৰি, সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই পুনৰ স্বাধীনতা যজ্ঞত আত্মাহুতি দিব লাগিব। গান্ধীৰ বাণীয়ে জন সাধাৰণৰ মনত এক নব-চৈতন্য ভাব আনি দিলে।

হিন্দু সমাজত ব্যাপ্ত জাতিভেদ আৰু অস্পৃশ্যতাৰ বিৰুদ্ধেও তীব্ৰভাবে প্ৰচাৰ কাৰ্য্য কৰিবলৈ ধৰিলে। তেওঁ হিন্দু জাতিক আহ্বান কৰিলে যে ,জাতি বা বৰ্ণৰ মিছা দোহাই দি মানুহৰ ওপৰত প্ৰভুত্ব কৰা বা অত্যাচাৰ কৰাৰ অধিকাৰ মানুহৰ নাই। হিন্দু সমাজে এদল উচ্চ বৰ্ণৰ হিন্দু আৰু এশ্ৰেণীৰ নীচ জাতিৰ হিন্দু সৃষ্টি কৰিবলৈ শিক্ষা দিয়া নাই। জাতি আৰু বংশৰ কথা কৈ উচ্চ বৰ্ণৰ লোকে নিম্ন শ্ৰেণীৰ ব্যক্তিক উপেক্ষা, অবজ্ঞা বা কষ্ট দিয়াৰ অধিকাৰ নাই। প্ৰত্যেক জন ব্যক্তিতে ভগৱানৰ আত্মা বিৰাজমান। জাতিৰ কথা কৈ মানুহে যদি মানুহক ঘিণ কৰে অবজ্ঞা কৰে, অস্পৃশ্য বুলি ভাবি স্পৰ্শ নকৰে, ছুলে গা ধোৱে তেনে মানুহে ভগবানক হে অপমান কৰে। হিন্দুৰ মাজত জাতি ভেদ নাথাকিব, শ্ৰেণী ভেদ নাথাকিব আৰু নাথাকিব স্পৃশ্য অস্পৃশ্যৰ ভেদ ভাৱ। সমগ্ৰ হিন্দু সমাজ এক গোট হৈ ভাৰত ভূমিত বাস কৰিব। তেতিয়াহে প্ৰাচীন কালৰ হিন্দু সমাজ নবীন আৰু অখণ্ড শক্তিৰূপে জাগি উঠিব। ঐক্যবদ্ধ হিন্দুৰ শক্তিৰেহে আমাৰ দেশ শক্তিশালী হৈ উঠিব।

বাপুৰ এই বাণীয়ে সমগ্ৰ ভাৰতবাসীক জাগ্ৰত কৰিলে। সকলোৱে জাতি, বৰ্ণ পাহৰি একে স্বজাতি বুলি স্বীকাৰ কৰিবলৈ ধৰিলে। সমাজৰ নেতা, যুবক আৰু বিদ্যাৰ্থী সকল ইয়াৰ বাবে আন্দোলনত জপিয়াই পৰিল। গান্ধীজীয়ে অস্পৃশ্যতাৰ

বিৰুদ্ধেও যুদ্ধ ঘোষণা কৰিলে। আমি যাক নীচ বা অস্পৃশ্য বুলি কওঁ বাপুৱে তেওঁলোকক আখ্যা দিলে 'হৰিজন'। কথাৰেই নহয়, কামেৰেও হৰিজনৰ প্ৰতি আত্মীয়তা তেওঁ দেখুৱাইছিল।

এইবোৰৰ লগতে খদী প্ৰচাৰতো তেওঁ মনোনিবেশ কৰিছিল। খাদীৰ প্ৰচাৰ আৰু কুটীৰ শিল্পৰ জাগৰণে স্বৰাজ আৰু স্বাধীনতা আনি দিব বুলি বিশ্বাস কৰিছিল আৰু ইয়াৰ প্ৰচাৰো কৰিছিল।

বেলগাঁও কংগ্ৰেছ

ইতিমধ্যে কংগ্ৰেছ বিভাজিত হৈ স্বৰাজ্য দল গঠিত হৈছে। গান্ধীজীৰ অনুপস্থিতিত কেইবাখনো কংগ্ৰেছ অধিবেশনৰ পাছত ১৯২৪ চনত বেলগাৱঁত কংগ্ৰেছৰ অধিবেশন বহে। ইয়াতেই ১৯১৬ চনত। 'হোমৰুল লিৰ' স্থাপন কৰিছিল বাল গংগাধৰ তিলক ডাঙৰীয়াই। অধিবেশনৰ সভাপতি গান্ধীজী। বাপুৰ ভাষণ আছিল খুব সংক্ষিপ্ত। তথাপি সেইখিনিও গান্ধীজীয়ে সম্পূৰ্ণকৈ নপঢ়িলে। ভাষণত তেওঁ কৈছিল - "দেশখনৰ ভিতৰে বাহিৰে এনে কিছুমান ঘটনা ঘটিছে যাৰ বাবে মই সভাপতি হ'বলৈ সন্মত হ'বলগীয়া হৈছে।" সেই ভাষণত কেনিয়া, মৰিচাচ, ইজিপ্ত আৰু এচিয়াৰ বিভিন্ন স্থানত শ্বেতাংগ সকলৰ উপদ্ৰৱ, নিজৰ দেশৰ ভিতৰত আকালি আন্দোলন, হিন্দু-মুছলমানৰ ঐক্য ব্যৱস্থা, অস্পৃশ্যতা দূৰীকৰণ আদিৰ লগতে পৃথক নিৰ্বাচন প্ৰথা বাতিল কৰি সন্মিলিত নিৰ্বাচন প্ৰথা প্ৰবৰ্ত্তন কৰাটোৱেই প্ৰথম আৰু মুখ্য কৰ্ত্তব্য বুলি উল্লেখ কৰিছিল। ৰাজনৈতিক লক্ষ্য ৰূপে গান্ধীজীয়ে স্পষ্ট কৰি কৈছিল - "ভাৰতবৰ্ষ হ'ব পৰস্পৰ নিৰ্ভৰশীল ৰাষ্ট্ৰৰ এক ফেদাৰেচন।" এই ভাষণতে অসহযোগ আন্দোলন স্থগিত কৰিবলগীয়া হোৱা কাৰণৰো ব্যাখ্যা দিছিল।

এই কংগ্ৰেছতে ভাষাৰ ভেটীত প্ৰদেশ কংগ্ৰেছ কমিটি গঠন আৰু হিন্দী ভাষাক ভাৰতৰ ৰাষ্ট্ৰভাষাৰ স্বীকৃতি দিয়াৰ সিদ্ধান্ত কৰা হয়।

এই কংগ্ৰেছ অধিবেশনৰ পাছতেই গান্ধীজীয়ে কংগ্ৰেছৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ ভাৰত ভ্ৰমণত ওলাল।

এই ভ্ৰমণ কালতেই বিনোবাজী দ্বাৰা পৰিচালিত ভাইকম সত্যাগ্ৰহতো উপস্থিত হৈ অস্পৃশ্যতা বৰ্জনৰ নীতিৰ সাফল্য ঘোষণা কৰে। বিভিন্ন ঠাই ঘূৰি ১ মেৰ দিনা

কলিকতা পায়হি। ৩ মেত বহা বংগীয় প্ৰাদেশীক ৰাষ্ট্ৰীয় সম্মেলনত যোগ দি হিন্দু-মুছলমান ঐক্য অস্পৃশ্যতা দূৰীকৰণ আৰু চৰখাৰ (যঁতৰৰ) প্ৰচলনেহে স্বৰাজ আনিব পাৰিব বুলি কয়। এই যাত্ৰাতে তেওঁ শান্তি নিকেতনলৈ গৈ কবিগুৰু ৰবীন্দ্ৰ নাথ আৰু ককায়েক দ্বিজেন্দ্ৰ নাথক দেখা কৰি খাদী প্ৰচাৰৰ বিষয়ে আলোচনা কৰে।

দেশবন্ধু চিত্তৰঞ্জন দাসৰ অনুৰোধত গান্ধীজীয়ে ৫ দিন দাৰ্জিলিঙৰ দেশবন্ধুৰ ঘৰত বিশ্ৰাম কৰে। ইয়াত শতাধিক খৃষ্টান ধৰ্মাৱলম্বীয়ে বাপুক অভিনন্দন জনায়। ইয়াৰ পৰা নামি তেওঁ জলপাইগুৰি, তাৰ পৰা বৰিশাল খুলনা লৈ যায়। খুলনা পোৱাৰ লগে লগে দেশবন্ধুৰ মৃত্যুৰ বাতৰি পাই (১৬ জুন) এখন ৰাজহুৱা সভাৰ কাৰ্য্যক্ৰম বাতিল কৰে। আনকি অসম যাত্ৰাও স্থগিত কৰে। খুলনাৰ সেই সভাত দেশবন্ধুৰ বিষয়ে তেওঁ কৈছিল - The body that held Deshabndhu Das has perished, but his soul will never perish. ৰবীন্দ্ৰই লিখিছিল –

সাথে কৰে এনেছিলে মৃত্যুহীন প্ৰাণ।
মৰণে তাহাই তুমি কৰে গেলে দান॥

খুলনাৰ পৰা পোনেই তেওঁ কলিকতালৈ আহি দেশবন্ধুৰ অন্তিম সংস্কাৰত যোগ দিয়ে। লগতে তেওঁৰ স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰিবলৈ ড° বিধান চন্দ্ৰ ৰায়ৰ সম্পাদত্ব এখন কমিটি গঠন কৰি দিয়ে। ইয়াৰ ফলশ্ৰুতি হ'ল - বৰ্ত্তমানৰ চিত্তৰঞ্জন সেৱাসদন।

ইয়াৰ পৰা বাপু পাটনালৈ যায় আৰু কংগ্ৰেছ অধিবেশনত যোগ দিয়ে। ইয়াতে নিজ হাতে কটা সূতাৰে কংগ্ৰেছৰ সদস্য চান্দা দিয়াৰ নিয়ম প্ৰবৰ্ত্তন কৰিলে। ইয়াৰ পাছতে গান্ধীজীয়ে নিখিল ভাৰত কটাঁই মণ্ডল (ALL INDIA SPINNERS ASSOIATION) স্থাপন কৰে।

অক্টোবৰৰ শেষত তেওঁ কচ্ছ ভ্ৰমণ কৰে। তাৰ পৰা মাদ্ৰাজ মদুৰৈ আদি হৈ সাবৰমতী আশ্ৰমলৈ ঘূৰি আহে। ৫ ডিচেম্বৰৰ পৰা নৱজীৱনত (গুজৰাটী) ধাৰাবাহিক ৰূপে “সত্যানা প্ৰয়োগো” নামেৰে আত্মজীৱনী খন প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে।

১৯২৫ চনৰ ২৬-২৮ ডিচেম্বৰলৈ কানপুৰত কংগ্ৰেছ অধিবেশন বহে। পোণ প্ৰথম বাৰৰ বাবে এগৰাকী মহিলা সভাপতি নিৰ্বাচিত হয়। এই সভা উপলক্ষে আয়োজিত প্ৰদৰ্শনী খনৰ দুৱাৰ মুকলি কৰিছিল -বাপুজীয়ে। ৫ মিনিটৰ ভাষণত তেওঁ কৈছিল - “জনমভূমিৰ বন্ধন মুক্তিৰ আয়োজন আৰু আমাৰ উত্তৰ পুৰুষক শান্তিময় জীৱনৰ উত্তৰাধিকাৰ দিবলৈ কোনো ত্যাগেই যথেষ্ট নহয় - শ্বহীদ হোৱা বা

জীৱনদানো তেনে বিশেষ একো নহয় । স্বাধীনতা সংগ্ৰামত ভয়েই হ'ল ক্ষমাহীন বিশ্বাসঘাতকতা আৰু হতাশাই হ'ল পাপ ।" এই বছৰৰ পৰাই কংগ্ৰেছৰ কাম কাজ 'হিন্দুস্তানী'তে কৰিবলৈ সিদ্ধান্ত হ'ল ।

গুৱাহাটী কংগ্ৰেছ

১৯২৬ চনটো গান্ধীজীৰ মৌন ব্ৰতৰ বছৰ । এই সময় ছোৱাত কোনো ৰাজনৈতিক কামৰ সৈতে তেওঁ সম্পৰ্ক ৰখা নাছিল । গোটেই বছৰটোৰ ভিতৰত এবাৰ আহ্মদাবাদৰ সংগীত সমাজত তেওঁ যোগ দিছিল আৰু খেতিৰ বিষয়ে আলোচনা কৰিবলৈ বোম্বাইৰ ৰাজ্যপালক মালাবাৰত দেখা কৰিছিল ।

এই সময় খিনিত তেওঁ গুজৰাট বিদ্যাপীঠৰ ছাত্ৰবৰ্গক ধৰ্মশাস্ত্ৰ পঢ়ুৱাইছিল । 'আত্মকথা'ৰ উপৰিও দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ' গ্ৰন্থ লেখাৰ কামত মনোনিবেশ কৰে ।

মৌনকালত নীৰৱে শান্ত চিত্তে চিন্তা কৰাৰ সুযোগ পাই বিগত ঘটনাৱলীৰ বিশ্লেষণ কৰি বাপুজী নিশ্চিত হৈছিল যে সাম্প্ৰাদায়িক একতা নহলে স্বৰাজ অৰ্থহীন হব । এই বছৰৰ ২৩ ডিচেম্বৰৰ দিনা হস্পিটালত শুই থকা অৱস্থাতে স্বামী শ্ৰদ্ধানন্দক কোনো এজন মুছলমান আততায়ীয়ে হত্যা কৰে । ইয়াৰ তিনি দিন পিছতেই আছিল গুৱাহাটীৰ কংগ্ৰেছ অধিবেশন ।

২৬ ডিচেম্বৰ (১৯২৬)ৰ পৰা গুৱাহাটীত কংগ্ৰেছ অধিবেশন বহে । পাণ্ডুত ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি উঠিছিল কংগ্ৰেছ নগৰ । বিশুদ্ধ খদ্দৰবে তৈয়াৰী হ'ল বিভিন্ন মণ্ডপ । গান্ধীজী পুলকিত হৈছিল । তেওঁ এই অধিবেশনৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিছিল । স্বামী শ্ৰদ্ধানন্দৰ হত্যাই এই অধিবেশনৰ উৎসাহ উদ্দীপনা ম্লান কৰি পেলাইছিল । স্বামীজীৰ মৃত্যুৰ শোক প্ৰস্তাবটো উত্থাপন কৰিছিল গান্ধীজীয়ে । তেওঁ কৈছিল "স্বামীজীৰ নিষ্কলুষ তেজেৰে আমাৰ হৃদয় নিকা কৰিম ।" এই সভাত দক্ষিণ আফ্ৰিকা সম্বন্ধে প্ৰস্তাৱ এটা ডাঙি ধৰি তেওঁ কৈছিল" তাৰ বৰ্ণ বৈষম্য আমাৰ ইয়াৰ অস্পৃশ্যতাৰ ভিন্ন প্ৰকাশ ।" খাদী সম্বন্ধেও আলোচনা হৈছিল ।

অকাল বৃষ্টিয়ে এই অধিবেশনত আলাই আঠনি কৰিলেও গুৱাহাটী অধিবেশনৰ অতিথেয়তা,কুটিৰ উদ্যোগৰ প্ৰদৰ্শনী, খদ্দৰৰ প্ৰয়োগ আদিয়ে কংগ্ৰেছৰ প্ৰতিনিধি সকলৰ মনোজগত আলোড়িত কৰি গৈছে ।

এই অধিবেশনৰ পাছত গান্ধীজী খাদী প্ৰচাৰ আৰু দেশবন্ধুৰ স্মৃতিৰ কাৰণে অৰ্থ সংগ্ৰহৰ কৰে পুনৰ ভ্ৰমণত ওলাল। তেওঁ কলিকতা, সোদপুৰ (খাদী প্ৰতিষ্ঠান) আৰু কুমিল্লা (অভয় আশ্ৰম) লৈ গ'ল। সোদপুৰত সতীশ চন্দ্ৰ দাসগুপ্তৰ খাদী প্ৰতিষ্ঠানৰ বাপুৱে উদ্বোধন কৰে। জানুৱাৰীৰ দ্বিতীয় সপ্তাহত গান্ধীজী কৃপালিনীৰ বাৰানসীৰ গান্ধী আশ্ৰমলৈ আহে। বাৰাণসীত গান্ধীজীয়ে শ্ৰদ্ধানন্দ দিবসৰ শোভাযাত্ৰাত ভাগ লয়। ইয়াৰ পাছত বিহাৰ ৰাজ্যত যাত্ৰা আৰম্ভ কৰে। বিহাৰৰ পৰা নাগপুৰলৈ গৈ মহাৰাষ্ট্ৰ ৰাজ্য ভ্ৰমণ কৰে। এই সুযোগতে গান্ধীজীয়ে লোকমান্যৰ জন্মস্থান দৰ্শন কৰে। এই যাত্ৰাতে সাম্যবাদী শাকলাতৱালাৰ সৈতে দীঘলীয়া সাক্ষাৎ কৰে। মাৰ্চৰ মাজ ভাগলৈ মহাৰাষ্ট্ৰত থাকি বাপু গুৰুকুল কাংগৰীলৈ যায়। তাৰ পৰা ২২ মাৰ্চৰ দিনা বোম্বাইলৈ আহে। গান্ধীজী ইয়াতে অসুস্থ হৈ পৰে। কিন্তু এই শৰীৰেৰে পুণা, বাংগালোৰ, কোলাপুৰ আদি স্থান ভ্ৰমণ কৰি নিপাণিত আহি শয্যাশায়ী হৈ পৰে। এপ্ৰিলৰ শেষ সপ্তাহত গান্ধীজী নন্দী পাহাৰলৈ যায়। ইয়াতে চিকিৎসা আৰু বিশ্ৰাম লৈ জুন মাহৰ শেষৰ পিনে নিয়মিত ভাবে কাম কাজ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পাছত প্ৰায় চাৰি মাহ মহীশূৰ ৰাজ্যত গান্ধীজীয়ে ভ্ৰমণ কৰে। মহীশূৰ ৰাজ্যৰ পাছত তামিলনাদু ভ্ৰমণ কৰি ৩ চেপ্তেম্বৰৰ দিনা মাদ্ৰাজত উপস্থিত হয়। সিংহলী সকলৰ আমন্ত্ৰণ ক্ৰমে গান্ধীজী সিংহললৈ যাত্ৰা কৰে আৰু ১৩ নবেম্বৰৰ দিনা কলম্বো পায়গৈ। ইয়াতে গান্ধীজীয়ে বিশেষ ভাবে খদ্দৰ উপযোগিতা, মাদক দ্ৰব্য বৰ্জন আৰু অহিংসাৰ কথা প্ৰচাৰ কৰে। শ্ৰীলংকাৰ পৰা আহি ডিচেম্বৰ মাহত উৰিষ্যালৈ যায়। ইয়াৰ পৰা আহি মাদ্ৰাছ কংগ্ৰেছত যোগ দিয়েহি।

শ্ৰীলঙ্কা যাত্ৰাৰ সময়ত ভাইচৰয় লৰ্ড আৰউইনে গান্ধীজীক সাক্ষাৎৰ বাবে আমন্ত্ৰণ জনাইছিল। সাক্ষাতৰ সময়ত গান্ধীজীক চাইমন কমিচনৰ কথা উলিয়াইছিল। এই বিষয়ে মাদ্ৰাজ কংগ্ৰেছত আলোচিত হৈছিল। ১৯২৭ চনত বহা মাদ্ৰাজ কংগ্ৰেছৰ ৩ টা সিদ্ধান্ত ৰূপে বিখ্যাত (১) পূৰ্ণ স্বাধীনতাৰ শপথ (২) সংযুক্ত নিৰ্বাচন পদ্ধতিৰে জন্ম দিয়া সাম্প্ৰদায়িক অনৈক্য দূৰ কৰি সম্প্ৰীতি স্থাপনৰ সূত্ৰ ৰচনা কৰা আৰু (৩) চাইমন কমিচন বৰ্জন। এই অধিবেশনতে কাঁকৰীৰ ষড়যন্ত্ৰত লিপ্ত বুলি ৰাজেন্দ্ৰ লাহিড়ী, ৰাম প্ৰসাদ বিস্মিল আৰু আস্ফাক উল্লাক ফাচী দিয়াৰ নিন্দা কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

চাইমন কমিচন

চাৰ জন চাইমনৰ নেতৃত্বত ভাৰত শাসন সংস্কাৰ সম্বন্ধে প্ৰতিবেদন দিবলৈ বৃটিছ পাৰ্লামেণ্টে পঠিওৱা কমিচনক চাইমন কমিচন বোলা হয়। ভাৰতবাসীক কিমান শাসন অধিকাৰ দিয়া যায় , ভাৰতবাসী নিজৰ শাসন চলাবলৈ কিমান উপযুক্ত হৈছে সেই কথা চৰজমীন তদন্ত কৰি ৰিপোৰ্ট দিয়াটোৱেই আছিল চাইমন কমিচনৰ কাম। এই কমিচনত কোনো ভাৰতীয় সদস্যক অন্তৰ্ভুক্ত কৰা নাছিল। ভাৰতৰ ভবিষ্যত নিৰ্দ্ধাৰণত ভাৰতবাসীৰ মাত নাই।

গান্ধীজীয়ে কমিচনৰ কোনো কথাতে সম্মত নাছিল। মাদ্ৰাছ আধিবেশনত কংগ্ৰেছে চাইমন কমিচন বৰ্জনৰ সিদ্ধান্ত কৰিছিল। এই সিদ্ধান্ত অনুসৰি কমিচন যেতিয়া য'লৈ যাব তাত হৰতাল কৰিব, ক'লা পতাকা উৰুৱাব, "চাইমন ঘূৰি যোৱা" ধ্বনি দিব, বিক্ষোভ প্ৰদৰ্শন কৰিব। কমিচন বৰ্জন আন্দোলনে অভূতপূৰ্ব সফলতা লাভ কৰিছিল। গান্ধীজীয়ে কেৱল কমিচন বৰ্জন কৰিবলৈ কৈয়েই ক্ষান্ত নাথাকি তেওঁ কংগ্ৰেছৰ নেতৃবৃন্দক ভাৰতবাসীৰ যোগ্যতা অযোগ্যতা আৰু দাবী সমূহ অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিলে। ইয়াৰ কাৰণে পণ্ডিত মোতীলাল নেহেৰুৰ নেতৃত্বত এটা তদন্ত কমিটি গঠন কৰিলে।

তদন্ত কৰি নেহেৰু কমিটিয়ে এটা ৰিপোৰ্ট দাখিল কৰে। ইয়াক 'নেহেৰু ৰিপোৰ্ট' নামেৰে জনা যায়। নেহেৰু ৰিপোৰ্টত ভাৰতবাসী স্বায়ত্ব শাসনৰ উপযুক্ত বুলি প্ৰমাণিত কৰা হ'ল আৰু অবিলম্বে ভাৰতৰ স্বায়ত্ব শাসন দাবী কৰা হ'ল। চৰকাৰে এই দাবীৰ প্ৰতি কৰ্ণপাতে নকৰিলে। তেওঁলোকে চাইমন কমিচনৰ ৰিপোৰ্ট অনুসৰি কাম কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল।

গান্ধীজীয়ে বুজিলে যে ভাৰতবৰ্ষক প্ৰকৃত স্বাধীনতা দিয়াৰ ইচ্ছা বৃটিছৰ নাই। সেয়ে গান্ধীজীয়ে স্থিৰ কৰিলে যে চৰকাৰে যদি ভাৰতবাসীৰ দাবী মানি নলয়, তেনেহলে সংগ্ৰাম কৰি হলেও এই দাবী স্বীকাৰ কৰাব লাগিব। এই কথাও তেওঁ মানি ললে যে ভাৰতবাসীৰ মংগলৰ বাবে স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব তেওঁ লোৱা উচিত। নেতা সকলেও এই মৰ্মে খাটনি ধৰিলে। ১৯২৮ চনত কলিকতাত মহাসভাৰ এখন বিশেষ অধিবেশন বহিল। তাত সিদ্ধান্ত হ'ল – ১৯২৯ চনৰ ৩১ ডিচেম্বৰৰ

ভিতৰত ইংৰাজ চৰকাৰে যদি ভাৰতবৰ্ষক স্বাধীনতা নিদিয়ে তেনে ভাৰতৰ জনসাধাৰণে চৰকাৰৰ বিৰুদ্ধে আইন অমান্য আন্দোলন কৰিব আৰু সংগ্ৰাম কৰি হলেও স্বাধীনতা অৰ্জন কৰিব। গান্ধীজীৰ এই সিদ্ধান্তত ভাৰতবাসী পুলকিত হ'ল। কিন্তু ইংৰাজ চৰকাৰ হ'ল শঙ্কিত আৰু ক্ৰুদ্ধ। চৰকাৰে কোনো সঁহাৰি নজনালে আৰু ভাৰতবাসীক দমন কৰিবলৈ অস্ত্ৰ-শস্ত্ৰ বঢ়াবলৈ ধৰিলে। দেশৰ নেতৃবৃন্দক নানা ছল চাতুৰি কৰি গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। ১৯২৯ চন পাৰ হ'ল। ভাৰতবাসীৰ ধৈৰ্য্য শেষ সীমাত উপনীত হ'ল।

ক্ষুব্ধ আৰু উপেক্ষিত ভাৰতবাসী সম্মিলিত হ'ল কংগ্ৰেছ মহাসভাৰ এক বিশেষ অধিবেশনত। এই অধিবেশনত. বংগৰ যুব নেতা সুভাষ চন্দ্ৰ বসুৱে প্ৰস্তাৱ কৰিলে যে ভাৰতবৰ্ষতক পূৰ্ণ স্বাধীনতা লাগে। এই স্বাধীনতা অৰ্জনৰ বাবে সকলো ভাৰতবাসীয়ে অবিলম্বে স্বাৰ্থপৰ ইংৰাজৰ বিৰুদ্ধে আন্দোলন আৰু সংগ্ৰাম কৰিবলৈ প্ৰস্তুত। সুভাষ বসুৰ এই প্ৰস্তাৱ সকলোৱে সমৰ্থন কৰিলে।

ইংৰাজ চৰকাৰৰ নিষ্ঠুৰ অত্যাচাৰ, অভদ্ৰ ব্যৱহাৰত মহাত্মা গান্ধী প্ৰমুখ্যে সকলো নেতাই ইংৰাজ চৰকাৰৰ ওপৰত আস্থা হেৰাইছিল। সেয়ে সংগ্ৰামলৈ সকলোকে প্ৰস্তুত কৰিবলৈ ধৰিলে।

প্ৰথমে আইন অমান্য আন্দোলন কৰাৰ সিদ্ধান্ত ললে কিন্তু সম্পূৰ্ণ অহিংস ভাবে আৰু সত্যাগ্ৰহক আশ্ৰয় কৰিহে। তেওঁৰ মতে সত্যাগ্ৰহীৰ ধৰ্ম হ'ল - সত্য, অহিংসা আৰু অকপটতা। সত্যাগ্ৰহ কৰাৰ আগত সত্যাগ্ৰহীয়ে নিজৰ উদ্দেশ্য আৰু সংকল্পৰ কথা বিৰোধী পক্ষক জনাব লাগিব। বিৰোধীয়ে যদি তেওঁলোকৰ মত বা কাৰ্য্য পৰিত্যাগ নকৰে, তেনে তেওঁৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰিব; শান্ত আৰু অহিংসা পদ্ধতিৰে বিপক্ষৰ নীতিৰ বিৰোধিতা কৰিব। বিপক্ষই যদি তেওঁৰ ওপৰত অত্যাচৰ কৰে হাঁহিমুখে সত্যাগ্ৰহীয়ে সেইবোৰ সহন কৰিব।

ডাণ্ডী যাত্ৰা

গান্ধীজীৰ নীতি স্থিৰ কৰি ঘোষণা কৰিলে – "ইংৰাজৰ আইন ভাৰতৰ বাবে অভিশাপ স্বৰূপ। সেয়ে তেওঁ ১৯৩১ চনৰ ১২ মাৰ্চ তাৰিখে সাবৰমতী আশ্ৰমৰ পৰা ডাণ্ডীৰ সমুদ্ৰ পাৰলৈ যাত্ৰা কৰিব। তাত গৈ তেওঁ চৰকাৰৰ লৱণ আইন অমান্য

কৰিব । ইয়াৰ কাৰণ হিচাবে তেওঁ কলে—দৰিদ্ৰ ভাৰতবাসী দুই বেলা নিমখ ভাত খাব –সিও চৰকাৰৰ সহ্য নহয় – সেয়ে তেওঁলোকে নিজৰ দেশৰ পৰা নিমখ আনি আমাৰ ইয়াত বিক্ৰী কৰি লাভ কৰাৰ্বলৈ আইন প্ৰণয়ন কৰি ভাৰতবাসীক নিমখ তৈয়াৰ কৰা অধিকাৰৰ পৰা বঞ্চিত কৰিছে। সেয়ে লবণ আইন অমান্য কৰিব খোজা হৈছে ।

১২ মাৰ্চ ৰাতিপুৱা । সূৰ্য্যৰ সোণালী কিৰণৰ পবিত্ৰ স্পৰ্শ লৈ মহাত্মাজীয়ে সমগ্ৰ ভাৰতবাসীৰ মংগলৰ বাবে ধীৰ গম্ভীৰ খোজেৰে আগবাঢ়িলে ডাণ্ডীলৈ ।
লগত ওলাল সকলো ধৰ্মৰ পুৰুষ -নাৰী মিলি ৭৮ জন যাত্ৰী । গান্ধী পৰিয়ালৰ তিনি পুৰুষ আছিল - গান্ধী স্বয়ং, পুতেক মণিলাল, নাতি কান্তিলাল । যাত্ৰাত এজন নেপালী লগ হৈ যাত্ৰী সংখ্যা হ'ল - ৭৯ জন ।

ডাণ্ডী যাত্ৰাৰ আগদিনা প্ৰায় ১০ হেজাৰ লোকৰ সমাবেশত ভাষণ দি তেওঁ কয় যে –"আমাৰ বিষয় খুব সুদৃঢ় আৰু কৰ্মপন্থা অতি পবিত্ৰ, ঈশ্বৰ আমাৰ সহায় । সত্যাগ্ৰহীয়ে সত্যক বিসৰ্জন নিদিলে কেতিয়াও পৰাজিত নহয় । কাইলৈৰ পৰা আমাৰ সংগ্ৰাম আৰম্ভ আৰু তাৰ সফলতাৰ বাবে আমি প্ৰাৰ্থনা কৰোঁ ।"

১২ মাৰ্চৰ দিনা ৰাতিপুৱাই প্ৰাৰ্থনা কৰি যাত্ৰী সকলে সংকল্প গ্ৰহণ কৰে –"এই যাত্ৰাত হয় আমি স্বাধীনতা অৰ্জন কৰি বিজয়ী হৈ আশ্ৰমলৈ ওভটি আহিম নহলে (তাৰেই চেষ্টাত) মৃত্যু বৰণ কৰিম ।"

২৪ দিনত ২৪১ মাইল পথ অতিক্ৰম কৰি ৫ এপ্ৰিলৰ দিনা তেওঁ সদলবলে ডাণ্ডীত উপস্থিত হ'ল। যাত্ৰাৰ দুয়ো কাষে অগণন নৰ-নাৰী গান্ধী দৰ্শনৰ বাবে সমবেত। গান্ধীজীয়ে এই যাত্ৰাত অমৰনাথ বা কেদাৰ -বদ্ৰীৰ যাত্ৰাৰ আনন্দ আৰু শান্তি উপলব্ধিৰ কথা কৈছিল । সচাঁকৈয়ে ই যেন আছিল এক ঐতিসহাসিক তীৰ্থ যাত্ৰাহে । অখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ৬ এপ্ৰিলৰ পাছৰ কাৰ্য্যক্ৰম যাত্ৰাৰ মাজতেই আলোচনা কৰি সিদ্ধান্ত কৰিছিল ।

৬ এপ্ৰিল তাৰিখে পুৱাৰ প্ৰাৰ্থনা সভাত গান্ধীয়ে ঘোষণা কৰিলে যে তেওঁক গ্ৰেপ্তাৰ কৰিলে আব্বাস তৈয়বজী আৰু তেওঁৰ পাছত সৰোজিনী নাইডুৱে আন্দোলনৰ নেতৃত্ব দিব । গান্ধীজীয়ে সত্যাগ্ৰহী সকলক আৰু উপদেশ দিলে –

"ইংৰাজক হিংসা নকৰিবা, কিন্তু ইংৰাজে প্ৰস্তুত কৰা আইন নামানিবা । যি ইংৰাজে শাসনৰ নামত আমাক শোষণ কৰিছে – তাক উচ্ছেদ কৰিব লাগিব । লাঞ্ছনা-গঞ্জনা সহ্য কৰিব লাগিব । শেষত বিশুদ্ধ ৰূপত উজ্বল আৰু সফল হবা ।"

প্ৰাৰ্থনাৰ শেষত গান্ধীজী সদলবলে সমুদ্ৰ স্নানলৈ গ'ল। গান্ধীজীৰ দলত তেতিয়া কেৱল ৭৯ জন সংগী নহয়, মিলিত হৈছেহি অজস্ৰ নৰ-নাৰী। স্নানৰ পাছত গান্ধীজীয়ে সমুদ্ৰৰ পৰা নিমখীয়া পানী আনি জুইত ভগতাব ধৰিলে। লাহে লাহে নিমখ প্ৰস্তুত হ'ল। ফলত দুৰ্দ্ধৰ্ষ প্ৰতাপশালী সসাগৰা পৃথিবীৰ অধিপতি ইংৰাজৰ আইনৰ সুদৃঢ় স্তম্ভ ঠান বান হৈ ভাঙি পৰিল। গান্ধীজীয়ে ইয়াক 'যজ্ঞ' আখ্যা দিলে। এই যজ্ঞৰ ধোঁৱাই গোটেই ভাৰতবৰ্ষ ছানি ধৰিলে। প্ৰত্যেক প্ৰদেশৰ লোকে এই আইন অমান্য আন্দোলনত জপিয়াই পৰিল। লগে লগে আৰম্ভ হ'ল পুলিচৰ নিৰ্য্যাতন। চৰকাৰী হিচাব মতেই ১০৬ জন নিহত আৰু ৪০০ জন আহত হয়। পেছোৱাৰ, চোলাপুৰ, বোম্বাই, মাদ্ৰাছ, ময়মন সিংহ, কাঁথি, কোলাবা, জবলপুৰ, মিৰাট, দিল্লী, মদুৰৈ, চেলম, সাৰণ, কৰাচী আৰু লক্ষ্ণৌত পুলিচে গুলী চালনা কৰে। "মহাত্মা গান্ধীকী জয়।" "বন্দে মাতৰম" ধ্বনিত আকাশ-বতাহ মুখৰিত হ'ল। ইংৰাজৰ জেলত ঠাই নোহোৱা হ'ল। মুকলি ঠাইত তম্বু টানি আস্থায়ী জেল নিৰ্মাণ কৰিবলগীয়া হ'ল।
এই আন্দোলন আৰু ব্যাপক কৰি তুলিবলৈ গান্ধীজীয়ে ধৰসনাত থকা নিমখৰ গুদাম দখল কৰাৰ কাৰ্য্যক্ৰম হাতত ললে। এই কাৰ্য্যক্ৰম ঘোষণাৰ লগে লগে গান্ধীজীক গ্ৰেপ্তাৰ কৰে।

ডাণ্ডীৰ ওচৰতে এজোপা আম গছৰ তলত নিদ্ৰিত অবস্থাত দোভাগ ৰাতি। চুৰাটৰ জিলাধীশে গ্ৰেপ্তাৰ কৰাত গান্ধীজী যাবলৈ ওলাল। প্ৰাৰ্থনা সভা হ'ল। পণ্ডিত খাৰে "বৈষ্ণৱ জন তো" গালে। ৰাতি ১টা বজাত এখন ট্ৰাকত তুলি গান্ধীজীক য়াৰবাদা জেললৈ নিলে।. যোৱাৰ সময়ত আচাৰ্য্য কৃপলাণিৰ হাতত গান্ধীজীয়ে সত্যাগ্ৰহী সকললৈ বাণী হিচাবে ইংৰাজ কবি এজনৰ তিনিটা শাৰী দি গ'ল –

> There's not to make reply.
> There's not to reason why.
> There's but to do and die.

গান্ধীজীৰ গ্ৰেপ্তাৰৰ খবৰ শুনাৰ লগে লগে স্বতঃস্ফূৰ্ত্ত ভাবে গোটেই ভাৰতত হৰতাল পালিত হ'ল।

জেলত গান্ধীজীয়ে বিশেষ ব্যৱস্থা প্ৰত্যাখান কৰিলে। ১৮ মেৰ দিনা ভাইচৰয়লৈ তেওঁ লিখিলে :

> India must not live for England. She must live for herself, so as to enable her to make her

contribution to the world progress.

চৰকাৰৰ দমন -নীতি পূৰ্ণোদ্যমে চলিল। নেতা সকলক বন্দী গৃহত ভৰালে - আন্দোলন মষিমূৰ কৰিবলৈ। কিন্তু চৰকাৰ ব্যৰ্থ হ'ল। আন্দোলনৰ নেতৃত্ব লৈ স্বেচ্ছাসেৱক সকলক উদ্দেশি ক'লে– গান্ধীজী আজি জেলত, কিন্তু তেওঁৰ আত্মা আমাৰ সকলোৰে লগত বিদ্যমান। ভাৰতবৰ্ষৰ মান সন্মান আমাৰ হাতত। আমি কোনো অৱস্থাতে হিংসাক প্ৰশ্ৰয় নিদিওঁ। আমি মাৰ খাম কিন্তু বাধা নিদিওঁ, হাত নোতোলোঁ, প্ৰত্যাঘাত নকৰোঁ।"

গান্ধীজীৰ আদৰ্শত আন্দোলন চলিলেও দুই চাৰিটা হিংসাৰ ঘটনা নঘটাকৈ থকা নাছিল। চোলাপুৰত ছয় খন পুলিচ থানা পুৰি দিছিল। ১৮ এপ্ৰিলৰ দিন চট্টগ্ৰাম অস্ত্ৰাগাৰ লুট কৰিছিল। কিন্তু এইবোৰ ব্যতিক্ৰমহে আছিল। কংগ্ৰেছক নিষিদ্ধ কৰিছিল। এক লাখতকৈ বেছি নৰ-নাৰী বিনা বিচাৰে জেলত দিছিল। ৬৭ খন বাতৰি কাকত আৰু ৫৫ টা ছপাশাল বন্ধ কৰি দিয়া হৈছিল।

সকলো ধৰণৰ অত্যাচাৰ আৰু দমন স্বত্বেও সংগ্ৰামৰ গতি বাঢ়ি যোৱা দেখি চৰকাৰ বিভ্ৰান্ত হৈ পৰিল। নিৰস্ত্ৰৰ বুকুত অস্ত্ৰৰ আঘাত ব্যৰ্থ হোৱা দেখি ইংৰাজ স্তম্ভিত হ'ল। বিভ্ৰান্ত আৰু স্তম্ভিত চৰকাৰে বহু বিবেচনাৰ পাছত স্থিৰ কৰিলে যে – ভাৰতৰ জনসাধাৰণৰ প্ৰতিনিধি ভাৰতীয় জাতীয় মহাসভা আৰু মহাত্মা গান্ধীৰ সৈতে এক আলোচনা কৰা হওক। ইতিমধ্যে কংগ্ৰেছক বাদ দি পতা (১২. ১১. ৩০) প্ৰথম ঘূৰণীয়া মেজমেলত কোনো সিদ্ধান্তই লব নোৱাৰিলে।

লৰ্ড আৰউইনে শান্তিপূৰ্ণ পথ সৃষ্টিৰ বাবে গান্ধীজীক জেলৰ পৰা মুক্তি দিলে (২৬ জানুৱাৰী)। মুক্তিৰ পাছত তেওঁ শয্যাগত মোতীলাল নেহেৰুক চাবলৈ যায়। ৬ ফেব্ৰুৱাৰীৰ দিনা মোতীতাল নেহেৰুৰ স্বৰ্গবাস হয়।

গান্ধী আৰউইন চুক্তি

গান্ধীজীক মুক্তি দিয়াৰ পাছতো আইন অমান্য আন্দোলন চলি আছিল – চৰকাৰী দমনো আছিল অব্যাহত। তাৰ মাজতে আৰউইনক দেখা কৰিবলৈ গান্ধীজীয়ে এখন চিঠি পঠিয়ালে। ১২ ফেব্ৰুৱাৰীৰ দিনা চাৰে চাৰি ঘণ্টা ভাইচৰয়ৰ লগত আলোচনা কৰাৰ পাছত গান্ধীজীয়ে ১১ দফা দাবী কমাই ৭ দফালৈ আনিলে। সেইবোৰ আছিল – (১) চৰকাৰী ক্ষমাদান (২) নিৰ্য্যাতন বন্ধ (৩) বাজেয়াপ্ত কৰা ধন সম্পত্তি ঘূৰাই

দিয়া (৪) ৰাজনৈতিক কাৰণত বৰ্খাস্ত কৰা চৰকাৰী কৰ্মচাৰী সকলৰ পুনৰ বাহালী (৫) নিমখ তৈয়াৰী কৰাৰ স্বাধীনতা (৬) মদ আৰু বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰাৰ অধিকাৰ (৭) পুলিচৰ অত্যাচাৰৰ বিচাৰ।

প্ৰধান মন্ত্ৰী চৰ্চিলৰ বিদ্ৰুপ স্বত্ত্বেও গান্ধী আৰউইন আলোচনা চলি থাকিল আৰু শেষত ৫ মাৰ্চৰ দিনা গান্ধী আৰউইন চুক্তি স্বাক্ষৰিত হয়।

এই চুক্তিৰ কাৰণে আইন অমান্য আন্দোলন (সত্যাগ্ৰহ) প্ৰত্যাহাৰ কৰা হয়। হিংসা কাৰ্য্যত লিপ্ত নথকা সকলো সত্যাগ্ৰহীকে মুকলি কৰি দিয়া হয়, সমুদ্ৰপাৰত সকলো লোকে বিনা বাধাই নিমখ তৈয়াৰ কৰাৰ অধিকাৰ লাভ কৰে ; মদ, ভাং আৰু বিদেশী কাপোৰৰ দোকানত শান্তিপূৰ্ণ পিকেটিং আইনসংগত বুলি চৰকাৰে মানি লয়।

গান্ধী আৰউইন চুক্তিৰ কংগ্ৰেছৰ ভিতৰে বাহিৰে যথেষ্ট প্ৰতিক্ৰিয়াই দেখা দিলে। বহুতেই ইয়াৰ চৰ্ত্তবোৰ চৰকাৰৰ অনুকূল বুলি মন্তব্য দিলে। কিন্তু গান্ধীজীৰ মতে সমান শক্তিৰ ভিত্তিত এই চুক্তি সম্পাদিত হৈছে - গতিকে ইয়াৰ গুৰুত্ব বেছি। সকলো ধৰণৰ বিৰূপ সমালোচনা চত্ত্বেও এটা কথা নিঃশঙ্ক চিত্তে কব পাৰি যে গান্ধী আৰউইন চুক্তি ভাৰতৰ স্বাধীনতা ইতিহাসৰ এক সাৰ্থক পদক্ষেপ। এই চুক্তিৰে স্বৰাজ নাপালেও স্বৰাজৰ দুৱাৰ যেন উন্মুক্ত হৈছে। এই চুক্তিৰ ফলতেই দ্বিতীয় ঘূৰণীয়া মেজ মেলৰ বৈঠকত কংগ্ৰেছৰ যোগদানৰ পথ প্ৰশস্ত হ'ল।

১৯৩১ চনৰ (২৯-৩১ মাৰ্চ) কৰাচী কংগ্ৰেছত আনুষ্ঠানিক ভাবে ঘূৰণীয়া মেজ মেলৰ বৈঠকত যোগদান কৰিবলৈ সন্মতি দি সিদ্ধান্ত লয়।

দ্বিতীয় ঘূৰণীয়া মেজ মেল

গান্ধী আৰউইন চুক্তি হোৱাত কংগ্ৰেছে দ্বিতীয় ঘূৰণীয়া মেজ মেলত অংশ গ্ৰহণ কৰিবলৈ সন্মত হয়। গান্ধীজীকে কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি মনোনীত কৰা হয়। ভাৰতবাসীৰ অহিংসা সংগ্ৰামৰ দৃঢ়তা দেখি ইংৰাজৰ চৰকাৰৰ চেতনা উদয় হোৱা বুলি ভাবি এই বৈঠকত অংশ গ্ৰহণ কৰিবলৈ ওলাল। কিন্তু চৰকাৰে যি ভাবে এই বৈঠকলৈ প্ৰতিনিধি নিৰ্বাচন কৰিলে তাতে যেন ষড়যন্ত্ৰৰ গোন্ধ সোমাই আছিল। সাম্প্ৰদায়িক শক্তিৰ প্ৰতিনিধি বেছি ভাগেই মনোনীত হোৱাত একো ভাল ফল নহব

বুলি, অভিজ্ঞ সকলে অনুমান কৰিছিল। ২৯ আগষ্ট' ৩১ ৰ দিনা গান্ধীজীয়ে বিলাতলৈ যাত্ৰা কৰিলে । লগত পণ্ডিত মদন মোহন মালব্য, মীৰাবেন, সৰোজিনী নাইদু, প্যাৰেলাল, মহাদেব দেশাই, প্ৰভাশঙ্কৰ পাট্টনি, মীৰাবেন, সৰোজিনী নাইদু, প্যাৰেলাল, মহাদেব দেশাই, প্ৰভাশঙ্কৰ পাট্টনি, দেব দাসগান্ধী আৰু জি, দি, বিড়লা ওলাল । অসুস্থ ৰোমা ৰোলাই এই যাত্ৰাৰ স্বাগত জনাই কলে –"লণ্ডনলৈ তুমি কেৱল ভাৰতৰ জনগণৰে নহয়, ইউৰোপৰ জনগণৰ শক্তিৰেও শক্তিমান বুলি ভাবিবা । শ্ৰেষ্ঠতৰ (better) ইউৰোপ তোমাৰ পক্ষতে আছে ।"

লণ্ডণত গান্ধীজীয়ে ৰাজকীয় অতিথেয়তা নলৈ শ্ৰীমতী মুৰিয়েল লিষ্টাৰৰ আলহী হ'ল । চাৰ্চিলৰ ভাষাত নঙঠা ফকীৰৰ প্ৰভাব তেওঁ লণ্ডন পোৱাৰ পিছদিনাই বাতৰি কাকতৰ শিৰোনামা দখল কৰাত ।

বৈঠক আৰম্ভ হয় -১৪ চেপ্তেম্বৰৰ পৰা সোমবাৰ। গান্ধীজীৰ মৌন ব্ৰতৰ দিন। তেওঁ সভাত উপস্থিত আছিল। প্ৰশান্ত ভাবে কথাবোৰ শুনি আছিল , কিন্তু মাত মতা নাছিল। পিছদিনাখন মূল আধিবেশন আৰম্ভ হ'ল । গান্ধীজীয়ে ৪৫ মিনিট ধৰি নিজস্ব অভিমত বৈঠকত ডাঙি ধৰে । তেওঁ কৈছিল –"বহু পাৰ্থক্য থাকিলেও তেওঁ সহযোগত বিশ্বাসী আৰু ভাৰত তথা বৃটেনৰ মাজত সন্মানজনক সমান অংশৰ ভেটীত ঐক্যত উপনীত হবলৈ চেষ্টা কৰিছে । ১৭ চেপ্তেম্বৰৰ দিনা দ্বিতীয়টো বক্তৃতা দিলে -সিদিনা তেওঁ কলে - মই ইয়াঁলৈ চৰকাৰৰ প্ৰতিনিধি হৈহে আহিছোঁ - জন সাধাৰণৰ প্ৰতিনিধি হিচাবে নহয় । সেয়ে অনৰ্থক সময় নষ্ট নকৰি চৰকাৰৰ কি । বক্তব্য সেই কথাকে স্পষ্ট কৰি কোৱা ভাল । ১৯ তাৰিখৰ (নবেম্বৰ) সভাত গান্ধীজীয়ে ধীৰ আৰু শান্ত ভাবে জাতীয় চৰকাৰ হলে ভাৰতে কি কৰিব সেই কথা স্পষ্ট কৰি কলে ।

এই বৈঠকত সপ্তাহৰ পিছত সপ্তাহজুৰি কেৱল আলোচনাহে চলিল । কামৰ ক্ষেত্ৰত চৰকাৰে নানা প্ৰকাৰ কুট কৌশল খটুৱাই তেওঁলোকৰ সেই প্ৰাচীন নীতি নিয়মকেই বাহাল ৰখাৰ ব্যৱস্থা কৰিলে। চোৰে নুশুনে ধৰ্মৰ কথা। শোষকে শোষণৰ লোভে এৰিব পাৰে জনো ? চৰকাৰৰ ছলনা জানিবলৈ পাই গান্ধীজী হতাশ আৰু ক্ষুব্ধ হ'ল । বৈঠকৰ শেষত গান্ধীজীয়ে কলে –"মই শান্তিৰ সন্ধানত আহিছিলোঁ, কিন্তু সংগ্ৰামৰ আশঙ্কা লৈ ঘৰলৈ ওভটিছোঁ ।

লণ্ডণত থকা সময় খিনিত পুৰণি পৰিচিত সকলৰ উপৰিও জৰ্জ বাৰ্ণাডশ্ব, লয়েদ জৰ্জ, চাৰ্লি চেপলিন, মাৰিয়া মন্টেসৰি, অধ্যাপক গিলবাৰ্ট মাৰে, এডৱাৰ্দ টমচন, অধ্যাপক লস্কি আদিৰ সৈতে সাক্ষাৎ হৈছিল। আহিবৰ সময়ত ৰোমা ৰোলা আৰু

মুছলিনীৰ লগতো দেখা হৈছিল।

ম্যানচেষ্টাৰৰ বনুৱা সকলেও গান্ধীজীক যথেষ্ট সমাদৰ দেখুৱালে।

ইংৰাজ সুকলৰ ভবিষ্যত মংগলৰ বাবে তেওঁ ইংৰাজ সকলক সাবধান বাণী শুনালে।

ঘূৰণীয়া মেজৰ বৈঠকৰ ছলনাৰ জাল চিঙি ভাৰতৰ মহান আত্মা গান্ধী তেওঁৰ নিপীড়িত, নিষ্পেষিত, অগ্নিগৰ্ভ ভাৰতলৈ ফিৰি আহিল – ২৮ ডিচেম্বৰ ১৯৩১ৰ দিনা।

অগ্নি পৰীক্ষা

চৰকাৰে বুজিছিল যে–ঘূৰণীয়া মেজ মেল ব্যৰ্থ হৈছে আৰু গান্ধী ফিৰি গৈয়েই পুনৰ আন্দোলন আৰম্ভ কৰিব। সেয়ে গান্ধী ফিৰি অহাৰ আগতেই বিভিন্ন স্থানত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছিল। নেহৰু, আব্দুল গফুৰ খাঁ আদি নেতৃবৃন্দ ইতিমধ্যে জেলত নিক্ষেপ কৰা হৈছে। বিনা আদেশে গ্ৰেপ্তাৰ আৰু সম্পত্তিৰ বাজেয়াপ্তি ব্যাপক হাৰত চলি আছিল। ভাৰত পোৱাৰ ঠিক এসপ্তাহ পাছত মহাত্মাগান্ধীকো গ্ৰেপ্তাৰ কৰা হ'ল। গ্ৰেপ্তাৰৰ আগদিনা পুৱাৰ প্ৰাৰ্থনাত ঘৃণা, বিদ্বেষ আৰু হিংসা বিবৰ্জিত এটা অগ্নিময় পৰীক্ষালৈ সাজু হবলৈ জনসাধাৰণক বাপুৱে আহ্বান জনালে। গ্ৰেপ্তাৰ কৰি গান্ধীক য়াৰবাদা জেললৈ নিয়া হ'ল। যাত্ৰাকালত তেওঁ জনগণক এটা বাণী দিলে –"ঈশ্বৰৰ অনন্ত কৰুণা, সত্য আৰু অহিংসাত অবিচালিত হৈ থাকা। স্বাধীনতাৰ বাবে জীৱন আৰু যাৰ যি আছে উৎসৰ্গ কৰা" বুলিছি চৰকাৰে গান্ধীজীৰ আহ্বানৰ শক্তি জানিছিল। চৰকাৰৰ দমন নীতি বৰ্বৰোচিত ভাবে চলিল। চাৰি মাহৰ ভিতৰত বিনা আদেশে ৮০ হাজাৰ নৰ-নাৰী কাৰাৰুদ্ধ হৈছিল। কংগ্ৰেছৰ অৰ্থ কোষ বাজেয়াপ্ত কৰা হ'ল। বহুতো কংগ্ৰেছ কৰ্মীৰ বেঙ্কৰ ব্যক্তিগত আমানত, ঘৰ-দুৱাৰ, সা-সম্পত্তি, মটৰ গাড়ী নানা চেলু কৰি চৰকাৰৰ হাতলৈ নিলে। বন্দী সকলৰ বেত্ৰাঘাট আদি বৰ্বৰ শাস্তি দি দেশবাসীক ভীত আৰু সন্ত্ৰস্ট কৰিবলৈ চৰকাৰৰ নিৰ্দেশ জাৰী হয়। ইমানবোৰ হোৱা চত্ত্বেও সত্যাগ্ৰহ আন্দোলন দুৰ্বাৰ গতিত বিয়পি পৰে। স্ত্ৰী-পুৰুষ সকলোৱে এই আন্দোলনত যোগ দি ইংৰাজৰ বৰ্বৰতা মূৰ পাতি লয়।

দমন নীতিৰে বিশেষ একো কৰিব নোৱাৰি, স্বাধীনতাকামী ভাৰতবাসীক দুৰ্বল কৰিবৰ বাবে তৎকালীন প্ৰধান মন্ত্ৰী ম্যাকডোণ্ডে এটা নতুন কৌশল উদ্ভাবন কৰিলে। তেওঁ ভাৰতৰ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত হিন্দু আৰু মুছলমানৰ মুঠ সংখ্যা হিচাব

কৰি, হিন্দু কৰ্মচাৰী সকলৰ পদৰ সংখ্যা বেলেগে নিৰ্দিষ্ট কৰিলে আৰু মুছলমানৰ বাবে বেলেগে। হিন্দু মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰিয়ে বৃটিছ ৰাজ ক্ষান্ত নহ'ল, ভাৰতবৰ্ষৰ বিৰাট হিন্দু সমাজক খণ্ড বিখণ্ড কৰিবলৈ তেওঁলোকৰ মাজত উচ্চ বৰ্ণ আৰু নিম্ন বৰ্ণৰ মাজত চৰকাৰী চাকৰিৰ সংখ্যা নিৰ্দিষ্ট কৰি দিলে। চৰকাৰৰ এই ষড়যন্ত্ৰৰ কথা জানিব পাৰি ভাৰতবাসী ভীত আৰু চিন্তিত হ'ল। এই সাম্প্ৰদায়িক ভাগ বটোৱাৰৰ বিৰুদ্ধে ভাৰতবাসীয়ে তীব্ৰ প্ৰতিবাদ কৰিবলৈ ধৰিলে। চৰকাৰে এই প্ৰতিবাদ অগ্ৰাহ্য কৰি ভৰতৰ শাসন ব্যৱস্থা নিজা পৰিকল্পনা মতে কৰি যাবলৈ ধৰিলে।

এই দুঃসংবাদ সকলো বাধা নেওচি মহাত্মা গান্ধীৰ কাণত পৰিল। গান্ধীজী স্তব্ধ হ'ল। ১৭ আগষ্টৰ দিনা প্ৰধান মন্ত্ৰী ম্যাকডোনাল্ডে উচ্চবৰ্ণ হিন্দু আৰু অসবৰ্ণ হিন্দু, মুছলমান , শিখ আৰু এংলো ইণ্ডিয়ানৰ বাবে পৃথক নিৰ্বাচন প্ৰথা সমন্বিতে সাম্প্ৰদায়িক বটোৱাৰাৰ আইন ঘোষণা কৰিলে। দ্বিতীয় দিনাই গান্ধীজীয়ে বৃটিছ প্ৰধান মন্ত্ৰীক এখন চিঠি লিখি জনালে –"দলিত হিন্দু সমাজৰ কাৰণে পৃথক নিৰ্বাচন বাতিল নকৰিলে ২০ চেপ্তেম্বৰ (১৯৩২)ৰ পৰা তেওঁ আমৰণ উপবাস কৰিব।" ইংৰাজ কৰ্মচাৰী সকলে গান্ধীজীৰ বিষয়ে লিখিলে

a crafty, oriental, a clever schemer, a hyperate with a saintly pose exploiting the people of India ইংৰাজী যথাৰীতি ধূৰ্ত্তভাবে উত্তৰ দিলে - "নিজে মিলা -মিছা কৰি একো কৰিব নোৱাৰিলে আমি কি কৰিম।"

অনশনৰ দিন চমু চাপিল । পেটেল গান্ধীজীৰ লগত য়াৰবদা জেলতে। তেওঁ এই অনশনৰ বিৰোধিতা কৰিলে। ভাৰতীয় নেতৃবৃন্দ মিলিত হৈ এটা উপায় উদ্ভাৱন কৰাৰ চেষ্টা কৰিলে। নিৰ্দিষ্ট দিনত অনশন আৰম্ভ কৰিলে। ইয়াৰ আগতে গান্ধীজীয়ে কবি গুৰুৰ আৰ্শীবাদ বিচাৰি লিখিছিল।

I enter the fiery gate at noon. If you can, bless the effort. I want it. উত্তৰত কবিগুৰুৱে এটা তাৰবাৰ্ত্তা পঠিয়াইছিল -"ভাৰতবৰ্ষৰ ঐক্য আৰু সামজিক একতাৰ বাবে কৰা আপোনাৰ জীৱন দান সাৰ্থক হওক। মোৰ হৃদয় দুঃখৰে ভাৰাক্ৰান্ত। তথাপি ভক্তি আৰু প্ৰেমেৰে আপোনাৰ মহিমান্বিত এই প্ৰায়শ্চিত্তৰ আমি অনুসৰণ কৰিম।

আৰম্ভ কৰি দ্ব্যৰ্থহীন ভাষাত গান্ধীজীয়ে কৈছিল – As a man of religion that I hold myself to be I have no other course left open

to me.

দুপৰীয়া বাৰ বজাত (২০.৯.৩২) অনশন আৰম্ভ হ'ল। কাৰাগাৰ মন্দিৰ হৈ পৰিল। জেলত বহি অনশন। গান্ধীজীয়ে তাৰ বাবে কোনো বিশেষ ব্যৱস্থা খোজা নাছিল।

জাতিটোক নতুন প্ৰেৰণাৰে আলোকিত কৰিবলৈ ইংৰাজৰ নিষ্ঠুৰ কাৰাগাৰত বাপুৰ জীৱন বন্তি থিমিক ধামাকৈকে জ্বলিব ধৰিলে। ইয়াৰ প্ৰতিক্ৰিয়া দেশৰ সকলো খণ্ডতে হ'ল। বহু মঠ মন্দিৰ অস্পৃশ্য, সকলৰ বাবে মুকলি হ'ল। সমাজৰ নিম্নশ্ৰেণীৰ হিন্দু, অস্পৃশ্য, হৰিজন ভাই সকলে কাতৰ স্বৰে ভগবানক প্ৰাৰ্থনা কৰিব ধৰিলে। উচ্চশ্ৰেণীৰ হিন্দু সকলে বিক্ষোভ প্ৰকাশ কৰি ভাৰতৰ আকাশ বতাহ নিনাদিত কৰিলে।

ইতিমধ্যে বৃটিছ চৰকাৰে বাপুৰ বাবে কেইটামান সুকীয়া ব্যৱস্থা কৰিলে। সৰোজিনী নাইদু আৰু কস্তুৰবাক গান্ধীজীৰ আলপৈচান ধৰিবলৈ য়াৰবদা জেললৈ অনা হ'ল। চিঠি পত্ৰ লেখা আৰু সাক্ষাৎকাৰৰ নিয়ম শিথিল কৰা হ'ল।

চৰকাৰ কিন্তু অবিচল - চেতনা -বিহীনৰ দৰে। গান্ধীজী ক্ৰমে দুৰ্বল হৈ আহিল। সংবাদ পাই কবি ৰবীন্দ্ৰনাথ লৰৰি আহিল - শান্তি নিকেতনৰ পৰা য়াৰবদা জেললৈ অনশনত ক্ষীন হোৱা, মুমুৰ্ষ মহাত্মাৰ মূৰটো কবিয়ে নিজৰ কোলাত ললে। গুৰুদেব আহিল অনুগত শিষ্যৰ ওচৰলৈ। বিৰাট বিৰাট ওচৰলৈ আহিল।

দীনবন্ধু এনড্ৰুজে চৰকাৰৰ লগত যোগাযোগ কৰি আছিল। এফালে দীনবন্ধু এন্দ্ৰুজৰ প্ৰয়াস আনফালে কবীন্দ্ৰঠাকুৰ লোতকে, ভগবানৰ সিংহাসন কঁপাই তুলিলে।

ইংৰাজ চৰকাৰৰ টেলিগ্ৰাম আহিল - "চৰকাৰে হিন্দুৰ বিভিন্ন বৰ্গৰ মাজত শাসনাধিকাৰৰ বাঁটোৱাৰা বাতিল কৰিলে।" ইংৰাজে এই কথা মানি লোৱাত ২৬ চেপ্তেম্বৰৰ সন্ধিয়া ৫ বজাত গান্ধীজীয়ে অনশন ভঙ্গ কৰিলে। অনশন ভঙ্গৰ সময়ত মহাত্মাৰ অনুৰোধত ৰবীন্দ্ৰ নাথ ঠাকুৰে" " জীৱন যখন শুকায়ে যায় কৰুণা ধাৰায় এস্" গীতটো গাইছিল।

অনশন সমাপ্তিৰ মুহূৰ্ত্তৰ পৰা গান্ধীজীয়ে আৰু এটা মহৎ মানবীয় আন্দোলন আৰম্ভ কৰিলে – যাৰ লক্ষ্য আছিল অস্পৃশ্যতা বৰ্জন আৰু হৰিজন সেৱা।

হৰিজন আন্দোলন

য়াৰবেদা জেলতে এই আন্দোলনৰ জন্ম আৰু জেলৰ পৰাই সমগ্ৰ ভাৰত জুৰি হৰিজন আন্দোলন তেওঁ গঢ়ি তুলিলে। প্ৰখ্যাত উদ্যোগপতি ঘনশ্যামদাস বিড়লাৰ সভাপত্বিত "হৰিজন সেৱক সংঘ" স্থাপিত হ'ল – চেক্ৰেটাৰী হ'ল অমৃতলাল ঠক্কৰ (ঠক্কৰ বাপা)। সাবৰমতী আশ্ৰমখন হৰিজন সেৱক সংঘ দিলে। তাৰ পৰাই প্ৰকাশিত হ'ল 'হৰিজন' পত্ৰিকা পুণাৰ পৰা প্ৰকাশিত হব ধৰিলে।

গান্ধীজীৰ সৰ্ব্বাত্মক প্ৰয়াস আৰু সাধাৰণভাবে জনসাধাৰণৰ আগ্ৰহ থকাতো দুটা কাৰণত হৰিজন আন্দোলনে গা কৰি উঠাত বাধা পালে। এফালে ড° আম্বদকাৰৰ নেতৃত্বত হৰিজন সকলৰ কিছুমানে ৰাজনৈতিক কাৰণত ইয়াৰ বিৰোধিতা কৰে আৰু অন্যফালে অন্ধবিশ্বাসী সনাতনী হিন্দু সকলৰ কিছুমানে ধৰ্ম বিশ্বাসৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বিৰোধিতা কৰে। স্বাধীনতা আন্দোলনৰ এক বিষম পৰিস্থিতিত মূল কথাৰ পৰা ফালৰি কাটি হৰিজন আন্দোলনত গান্ধীজীয়ে শক্তি ক্ষয় কৰাটোও বহুতে ভাল পোৱা নাছিল। সহকৰ্মী সকলৰ কামতো বাপু যেন খুব সন্তুষ্ট নাছিল। সেয়ে আত্মশুদ্ধিৰ বাবে ৮ ৰ পৰা ২১ মৈলে গান্ধীজীয়ে অনশন আৰম্ভ কৰিলে। কাৰাবাসৰ বাবে গান্ধীজীৰ স্বাস্থ্য খুব ভাল নাছিল। বয়সো হৈছে। ফলত এই বাতৰি সদৰি হোৱাৰ লগে সকলোৰে মনত উদ্বেগ আৰু উৎকণ্ঠাই দেখা দিলে। অনশনৰ সংকল্প ত্যাগ কৰিবলৈ দক্ষিণ আফ্ৰিকাৰ জেনেৰেল স্মটস ডা° আন্সাৰী, চক্ৰবৰ্ত্তী ৰাজা গোপালচাৰীয়ে অনুৰোধ জনালে। কনিষ্ঠ পুতেক দেৱদাস, পত্নী কস্তুৰবা, মীৰাবেনৰ আকুল প্ৰাৰ্থনা, কবীন্দ্ৰ ৰবীন্দ্ৰৰ অনুৰোধেও গান্ধীজীক বিচলিত কৰিব নোৱাৰিলে। কাৰাগাৰৰ পৰাই পণ্ডিত নেহেৰু, বিদেশৰ পৰা দীনবন্ধু এন্ড্ৰুজৰ, ৰোমা ৰোলা আদিয়েও উদ্বিগ্নতা প্ৰকাশ কৰিলে।

৮ মেৰ দিনা য়াৰবদা জেলৰ সমুখত আমগছৰ ছাঁত দুপৰীয়া বাৰটাৰ সময়ত প্ৰাৰ্থনা সভা কৰি গান্ধীজীয়ে অনশন আৰম্ভ কৰে। সিদিনা সন্ধিয়াই তেওঁক জেলৰ পৰা মুক্তি দিয়ে। সন্ধিয়া প্ৰাৰ্থনাৰ পাছত গান্ধীজী পুণাৰ লেডী থ্যাকাৰসেৰ "পৰ্ণ কুটীৰলৈ" যায় আৰু তাতে অনশন ব্ৰত যাপন কৰে। ইয়ালৈ ১৪ মেৰ দিনা কস্তুৰবা আৰু ১৯ তাৰিখে মহাদেব দেশাই আহে। ২৯ মেৰ দিনৰ বাৰ বজাত তেওঁ অনশন ভঙ্গ কৰে।

জেলৰ পৰা ওলাই গান্ধীজীয়ে দেশৰ পৰিস্থিতি অনুধাবন কৰি এমাহলৈ সত্যাগ্ৰহ আন্দোলন স্থগিত ৰাখে। এই ম্যাদ পিছত আৰু ছয় সপ্তাহ বঢ়াই দিয়া হয়। কিন্তু কৰ্মী সকলে ইচ্ছা কৰিলে ব্যক্তিগ্ৰহ সত্যাগ্ৰহ কৰিব পাৰে। গান্ধীজী ব্যক্তিগত সত্যাগ্ৰহত ব্ৰতী হ'ল। ইয়াৰ বাবে প্ৰথম বাৰ ৫ দিন আৰু দ্বিতীয় বাৰ ১৯ দিন কাৰাবাস খাটিবলগীয়া হয়।

হৰিজন সেৱাৰ অধিকাৰ সংকুচিত কৰাৰ বিৰুদ্ধে গান্ধীজীয়ে পুনৰ ১৬ ৰ পৰা ২৩ আগষ্টলৈ অনশন আৰম্ভ কৰে। এইবাৰ খুব সোণকালেই স্বাস্থ্যৰ অবনতি ঘটে বাপুৰ। ২১ তাৰিখে তেওঁক হস্পিটাললৈ নিয়া হয়। ২৩ আগষ্টৰ দিন গান্ধীজীৰ অৱস্থা সঙকটজনক হৈ পৰে। সিদিনাই চৰকাৰে তেওঁক বিনাচৰ্ত্তে মুক্তি দিয়ে। এবাৰ তেওঁ মুক্ত। হৰিজন সেৱাকাৰ্যত বাধা দিওঁতা কোনো নাই। বাপু হস্পিটালৰ পৰাই পুণাৰ শ্ৰীমতী থ্যাকৰসেৰ ঘৰলৈ গ'ল।

জেলৰ পৰা মুক্তি লাভ কৰি গান্ধীজী হৰিজন সেৱাৰ বাবে ভ্ৰমণত ওলাল। ৯ মাহৰ ভিতৰত তেওঁ ১২,৫০০ মাইল ভ্ৰমণ কৰি হৰিজন সংঘলৈ ৮ লাখ টকা সংগ্ৰহ কৰে। এই যাত্ৰা কালত দিয়া প্ৰায় সকলো বক্তৃতা হৰিজন পত্ৰিকাত প্ৰকাশিত হৈছিল।

অস্পৃশ্যতা সম্বন্ধে গান্ধীজীয়ে স্পষ্টভাবে কৈছিল –

"অস্পৃশ্যতা হিন্দু ধৰ্মৰ সকলোতকৈ ডাঙৰ অভিশাপ। মোৰ দৃঢ়বিশ্বাস হিন্দু ধৰ্মত অস্পৃশ্যতা বুলি কোনো কথা নাই। ধৰ্মৰ অন্তৰ্নিহিত সত্য মই বুজি পাইছোঁ। অস্পৃশ্যতা স্বীকাৰ কৰি হিন্দু সকলে মহাপাপ কৰিছে। আমাৰ অবনতি ঘটিছে। এই পাপৰ ফলতে সমগ্ৰ বৃটিছ সাম্ৰাজ্যতে আমি অস্পৃশ্য হৈ পৰিছোঁ। .... আমি আমাৰ ভাইহঁতক যি অন্যায় অত্যাচাৰ কৰিছোঁ, সেইবোৰৰ পৰা নিজে মুক্ত হব নোৱাৰিলো। আমি পশুৰ বাদে আন একো নহওঁ।"

এই বিষয়টোক তেওঁ আশ্ৰম জীৱনৰ এটা অংগ কৰি লৈছিল। সেয়ে একাদশ ব্ৰতৰ এটা ব্ৰত হিচাবে গ্ৰহণ কৰিছিল (অহিংসা সত্যম অস্তেয়, ব্ৰহ্মচৰ্য্য, অসংগ্ৰহ শৰীৰ শ্ৰম, অস্বাদ, অভয়, সৰ্বধৰ্ম সমভাব, স্বদেশী, অস্পৃশ্যতা নিবাৰণ)। ইয়াৰ লগতে গান্ধীজীয়ে গ্ৰামোদ্যোগৰ প্ৰচাৰো কৰিছিল। গান্ধীজীৰ মতে খাদী আৰু গ্ৰামোদ্যোগৰ বিকাশ, হৰিজন সেৱা নামত বেলেগ হলেও মূলত ঃ একেটা কামৰেসমন্বিত ৰূপহে।

বিহাৰৰ ভূমিকম্প

হৰিজন যাত্ৰাৰ দুই মাহৰ ভিতৰতে বিহাৰত প্ৰলয়ংকৰী ভূমিকম্প হয় (১৫.১.১৯৩৪)। কুৰি হেজাৰৰো বেছি মানুহৰ এই ঘটনাত মৃত্যু হয়। গান্ধীজীয়ে এই ভূমিকম্পক অস্পৃশ্যতা পাপৰ বাবে ঈশ্বৰ প্ৰদত্ত শাস্তি বুলি অভিহিত কৰে। এই উক্তিৰ সজোৰে প্ৰতিবাদ হৈছিল। যিয়ে হওক। এই সময় চোৰাত অসহযোগ আন্দোলন বন্ধ ৰাখি চৰকাৰৰ লগত সহযোগ কৰি ভূমিকম্প পীড়িত সকলৰ সহায় কৰিবলৈ সংকল্পবদ্ধ হয়। কংগ্ৰেছৰ সকলো নেতৃবৃন্দই এই সহায়তা কাৰ্য্যত দেহে কেহে লাগে। এই বিষয়ত ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ভূমিকা অত্যন্ত স্মৰণীয়।

গান্ধীজীৰ কংগ্ৰেছ ত্যাগ

তুলনামূলক ভাবে শান্ত পৰিবেশত ১৯৩৪ চনৰ অক্টোবৰ (২৬-২৮) মাহত বোম্বাই মহানগৰীয় কংগ্ৰেছৰ অধিবেশন বহে। আইন অমান্য আন্দোলন বন্ধ কৰা আৰু হৰিজন আন্দোলনক কেন্দ্ৰ কৰি গান্ধীজীৰ বিষয়ে নানা বিৰূপ আলোচনা হয়। তথাপি "গান্ধীজীৰ দ্বাৰা দেখুওৱা সত্যাগ্ৰহ আৰু সবিনয় অবজ্ঞা আন্দোলনৰ দ্বাৰা ঐক্যবদ্ধ ভাৰতবৰ্ষৰ আন্দোলন সম্বন্ধীয় সৰোজিনী নাইডুৱে উত্থাপন কৰা প্ৰস্তাৱটো সভাত সৰ্ব্ব সম্মতি ক্ৰমে গৃহীত হয়।

১৭ চেপ্তেম্বৰত এটা দীঘলীয়া বিবৃতিৰে গান্ধীজীয়ে কংগ্ৰেছৰ সৈতে সম্বন্ধ ৰাখি চলাৰ অসুবিধাৰ কথা পোনপটীয়া ভাবে স্বীকাৰ কৰে। কংগ্ৰেছ নেতৃবৃন্দ বেছিভাগেই গান্ধীজীৰ পন্থা এতিয়া আৰু অনুসৰণ কৰিব নোৱাৰি বুলি মত প্ৰকাশ কৰে। সাম্প্ৰদায়িক বিভাজনৰ বিষাক্ত বিষয়ত কংগ্ৰেছৰ বৰ্জনৰ বা গ্ৰহণ কোনো নীতি নোলোৱা সিদ্ধান্তই কংগ্ৰেছক গান্ধীবাদী কাম কাজৰ প্ৰতি কংগ্ৰেছী সকলৰ আন্তৰিকতা নোহোৱা হৈছিল। সেয়ে গান্ধীজীয়ে কংগ্ৰেছ দলৰ পৰা মুক্তি বিচাৰিলে।

এই অধিবেশনতে গান্ধীজীয়ে স্বতন্ত্ৰীয়া ভাবে কাম কাজ কৰাৰ প্ৰতি লক্ষ্য ৰাখি অখিল ভাৰত গ্ৰামোদ্যাগ সংঘ গঠন কৰা হ'ল। সেৱা গ্ৰাম হ'ল তাৰ মূল কেন্দ্ৰ। ১৪ ডিচেম্বৰৰ দিনা এই সংঘৰ প্ৰথম অধিবেশন বহে ৱাৰ্দ্ধাত। ইয়াতে স্থিৰ হ'ল

– এই সংস্থাই গান্ধীজীৰ পৰামৰ্শমতেই কাৰ্য্য নিৰ্বাহ কৰিব। ই আছিল অৰাজনৈতিক আৰু স্বয়ং সেৱী সংস্থা। জে. চি কুমাৰপা (সংগঠক আৰু সম্পাদক) ড° প্ৰফুল্ল চন্দ্ৰ ঘোষ শঙ্কৰলাল বেংকাৰ, ড°খান চাহেব আদিৰে পৰিচালিত সমিতি গঠিত হয়।

গান্ধীজীৰ ইয়াৰ কাৰ্য্যক্ৰমত ভাৰত চৰকাৰ শংকিত হ'ল। ছাঁটোকে ভুত দেখাৰ দৰে গ্ৰামোদ্যোগ আন্দোলনৰ মাজত তেওঁলোকে বিদ্ৰোহী সংগঠনৰ ছবি দেখা পালে। চৰকাৰৰ মতি সলনি কৰিলে। কেন্দ্ৰীয় বাজেটত গ্ৰামোন্নয়ণৰ বাবে ১ কোটি টকা ধৰা হ'ল। চৰকাৰৰ এই প্ৰচেষ্টা সম্পৰ্কে গান্ধীজীয়ে কৈছিল –

চৰকাৰে যি সম্ভৱ তাক কৰক, কিন্তু কোনো কথাই জোৰ জুলুম কৰি গাঁৱবাসীক যেন জপি দিয়া নহয়।"

গ্ৰামাভিমুখী গান্ধীজীৰ পদাণুসৰণ কৰি ১৯৩৬ চনত পোণপ্ৰথম বাৰ ফৈজপুৰ নামৰ গাঁৱত কংগ্ৰেছৰ অধিবেশন হয়। পণ্ডিত নেহেৰু আছিল সভাপতি। ১৯৩৫ ভাৰত সংস্কাৰ আইন অনুসৰি নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যেৰেই এই অধিবেশন পতা হয়। গান্ধীজীয়ে এই অধিবেশনতে কৈছিল – ফৈজপুৰৰ দৰে গাঁৱতেই থাকিব ভাৰতবৰ্ষৰ আচল গণ পৰিষদ।"

ফেব্ৰুৱাৰী ১৯৩৭ চনত নিৰ্বাচন হয়। গান্ধীজীয়ে ইয়াৰ পৰা দূৰৈত আছিল। নিৰ্বাচনত তেওঁ কোনো অংশ গ্ৰহণ কৰা নাছিল।

১৯৩৭ ৰ নিৰ্বাচন

১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত মাদ্ৰাজ, বোম্বাই, যুক্তপ্ৰদেশ মধ্যপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যাৰ বিধান সভাত কংগ্ৰেছে একক সংখ্যা গৰিষ্ঠতা পালে। অসমত ১০৮ তাৰ ভিতৰত ৩৫ খন আসন পাই বৃহত্তম দল হৈছিল। উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ ৩৬ ৰ ভিতৰত ১৫ বংগদেশত ২৫০ ৰ ৬০ পঞ্জাবত ১৭৫ৰ ১৮ আৰু সিন্ধ প্ৰদেশত ৬০ ৰ ভিতৰত ৮ খন আসন লাভ কৰে।

কংগ্ৰেছৰ এই বিস্ময়কৰ সাফল্যৰ মূল ভেটী আছিল গান্ধীজী আৰু তেওঁৰ নিৰ্দেশিত কৰ্মপন্থা। গান্ধীজীৰ পৰামৰ্শ মতে নিৰ্ণয় হ'ল ৰাজাৰ ৰাজ্যপালে মন্ত্ৰীসভাৰ ক্ষমতাত কোনো প্ৰকাৰৰ হস্তক্ষেপ নকৰিলেহে কংগ্ৰেছে মন্ত্ৰী সভা গঠন কৰিব (কাৰণ আইনমতে এই অধিকাৰ তেওঁলোকৰ আছিল।) ১ এপ্ৰিলৰ দিনা মন্ত্ৰী সভা গঠনৰ

দিন আছিল। সিদিনা সমগ্ৰ ভাৰত জুৰি প্ৰতিবাদ দিবস হিচাব ৰূপে হৰতাল পালন কৰা হ'ল।

পাচ মাহ পাছত বৰলাটে গবৰ্ণৰ সকলে হস্তক্ষেপ নকৰাৰ আশ্বাস দিয়াৰ ফলত কংগ্ৰেছে ৭ খন প্ৰদেশত মন্ত্ৰী সভা গঠন কৰে। কংগ্ৰেছৰ প্ৰথম শ্ৰেণীৰ নেতা সকল মন্ত্ৰী পদৰ পৰা বাহিৰত আছিল।

গান্ধীজীয়ে মন্ত্ৰী সকলক খাদী, সাম্প্ৰদায়িক ঐক্য, মাদক বস্তু বৰ্জন, অস্পৃশ্যতা নিবাৰণক প্ৰাথমিকতা দিবলৈ আহ্বান কৰে। লগতে মন্ত্ৰী সকলে ৫০০.০০ টকাৰ বেছি বেতন নলব, তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিব, খেতিয়ক সকলৰ ধাৰ মাফ কৰি দিব, কাৰাগাৰ বোৰৰ সংস্কাৰ কৰিব – এনে ধৰণৰ পৰামৰ্শ গান্ধীজীয়ে মন্ত্ৰীসকলক জনালে। কিন্তু মন্ত্ৰী সকলে গান্ধীজীৰ পৰামৰ্শ লবলৈ টান পোৱা হ'ল। বিলাসী জীৱনৰ প্ৰতি তেওঁলোক আগ্ৰহী হ'ল। তেওঁলোকে বুনিয়াদী শিক্ষাৰ দ্বাৰা জজ হাকিম, আই এ.এচ হব নোৱাৰে বুলি ভাবি তাৰ বিৰোধ কৰা হ'ল। পণ্ডিত নেহেৰু গ্ৰামোদ্যোগৰ সলনি বৃহৎ উদ্যোগৰ সমৰ্থক আছিল।

কংগ্ৰেছ সংসদী ৰাজনীতিৰ নিয়ন্ত্ৰণৰ দায়িত্ব আছিল মৌলানা আজাদ, চৰ্দাৰ পেটেল আৰু বাবু ৰাজেন্দ্ৰ প্ৰসাদৰ হাতত। কিন্তু আচলতে সেৱাগ্ৰামৰ পৰা হৰিজন পত্ৰিকাৰ মাধ্যমেৰে গান্ধীজীয়ে সিবোৰক নিয়ন্ত্ৰিত কৰিছিল।

অক্টোবৰ মাহত গান্ধীজী কলিকতালৈ আহিল আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ অতিথি হৈছিল।

হৰিপুৰা কংগ্ৰেছ

১৯৩৮ৰ ১৯-২১ ফেব্ৰুৱাৰীৰ দিনা নেতাজী সুভাষ বসুৰ অধ্যক্ষতাত বাৰদৌলী সত্যাগ্ৰহৰ ভিতৰুৱা গাঁৱ হৰিপুৰাত কংগ্ৰেছ অধিবেশন বহে। এই অধিবেশনৰ মণ্ডপ সজাৰ দায়িত্ব গ্ৰহণ কৰিছিল মহান শিল্পী নন্দলাল বসুৱে। খাদী আৰু গ্ৰামোদ্যোগ প্ৰদৰ্শনীখনৰ উদ্বোধন কৰিছিল গান্ধীজীয়ে।

কংগ্ৰেছ অধিবেশনৰ পাছত (১ এপ্ৰিল ১৯৩৮) ৰাজনৈতিক বন্দী মুক্তিৰ চেষ্টা কৰিবলৈ গান্ধীজী পুনৰ কলিকতালৈ গৈছিল। ৰাজবন্দীৰ জটিল প্ৰশ্নৰ সমাধান আৰু হিন্দু-মুছলমান তিক্ত সম্বন্ধৰ অবসান ঘটাবৰ বাবে গান্ধীজী বিশেষ উদ্যোগী হৈছিল।

২৮ এপ্ৰিলৰ দিনা বোম্বাইত জিন্নাৰ সৈতে গান্ধীজী আলোচনাত বহিল– কিন্তু ফল একো নহল। যে মাহত পুনৰ আলোচনা হ'ল বোম্বাইত। এইবাৰ সুভাষ চন্দ্ৰ বসুৱেও যোগ দিছিল। প্ৰথমেই জিন্না দাবী কৰিলে যে কংগ্ৰেছ হিন্দুৰ মুখপাত্ৰ আৰু মুছলিম লীগক মুছলমানৰ প্ৰতিনিধি বুলি স্বীকাৰ কৰিব লাগিব। জিন্নাৰ এই অবান্তৰ দাবী কোনোৱে মানি নললে। আলোচনা ব্যৰ্থ হ'ল।

গান্ধীজীয়ে দুঃখী হৈ কৈছিল – "হিন্দু-মুছলমানৰ মাজৰ ঐক্যৰ দৰে বৃহৰ কাৰ্য্য সাধনৰ ক্ষমতা আমাৰ নাই।

ত্ৰিপুৰী কংগ্ৰেছ

১৯৩৯ চনৰ ৩ ৰ পৰা ৬ জানুৱাৰীলৈ ৰাজকোটত দায়িত্বশীল শাসন ব্যৱস্থা প্ৰবৰ্ত্তনৰ বাবে জনসাধাৰণে কৰা দাবীৰ সপক্ষে বাপুৱে অনশন কৰে। তাৰ পাছত মধ্যপ্ৰদেশৰ ত্ৰিপুৰীত (১০-১২ মাৰ্চ) কংগ্ৰেছৰ অধিবেশন বহে। ত্ৰিপুৰী কংগ্ৰেছৰ সভাপতি পদৰ বাবে পট্টভি সীতাৰমায়ক মনোনীত কৰা হৈছিল। কিন্তু নেতাজী সুভাষ চন্দ্ৰ বসুৱেও সভাপতি পদৰ প্ৰতিদ্বন্দ্বী হ'ল আৰু ২০৫ টা ভোটত পট্টভিক পৰাজিত কৰি পুনৰ সভাপতি নিৰ্বাচিত হয়। এই নিৰ্বাচনৰ ক্ষেত্ৰত গান্ধীজী সুখী নাছিল। নিৰ্বাচন সম্পৰ্কে নানা অভিযোগ পোৱা বাবে জানুৱাৰীৰ ২৮ তাৰিখে হৰিজন পত্ৰিকাৰ এটা প্ৰবন্ধত কংগ্ৰেছ দলক সাৱধান কৰি দিছিল।" ৰোমৰ পতনৰ বহু আগৰে পৰা তাৰ পতন আৰম্ভ হৈছিল। কংগ্ৰেছৰো পতন আৰম্ভ হৈছে। এতিয়াতে ইয়াৰ প্ৰতিকাৰ নকৰিলে কংগ্ৰেছ শেষ হৈ যাব।" কিন্তু এই সাৱধানবাণীয়ে কোনো ফল নিদিলে। নিৰ্বাচনৰ শেষত পট্টভিৰ পৰাজয়ক নিজৰ পৰাজয় বুলি মানি ললে। গান্ধীজীয়ে এই বিষয়ে বিবৃতি দিয়াত সুভাষ বসু বিস্মিত হৈ ক'লে –অন্য সকলোৰে সমৰ্থন লাভ কৰিও মই যদি ভাৰতৰ মহত্তম ব্যক্তি জনাৰ আস্থা লাভ কৰিব নোৱাৰোঁ সি মোৰ পক্ষেখে অত্যন্ত দুঃখদায়ক ।"

গোড়া গান্ধীবাদী সকলো নেতাজীৰ লগত সহযোগ নকৰিলে। ফলত শেষ পৰ্য্যন্ত সুভাষ চন্দ্ৰই পদত্যাগ কৰিবলগীয়া হ'ল।

নেতাজীয়ে কংগ্ৰেছৰ ভিতৰতে ফৰৱাৰ্ড ব্লক নামৰ দল এটা গঠন কৰিলে।

ইতিমধ্যে ইউৰোপত যুদ্ধৰ আশংকা প্ৰবল হৈ উঠিছে। ৩ চেপ্তেম্বৰৰ দিনা (১৯৩৯) জাৰ্মাণিৰ বিৰুদ্ধে ইংলণ্ডই যুদ্ধ ঘোষণা কৰে। আৰু ভাৰতৰ গবৰ্ণৰ

জেনেৰেল কাৰো লগত কোনো ধৰণৰ আলোচনা নকৰাকৈয়ে ভাৰতবৰ্ষক যুদ্ধৰ সংগী বুলি ঘোষণা কৰি কেবাখনো অৰ্ডিনান্স উলিয়াই। তাৰ পাছত ভাৰতীয় নেতাসকলৰ এখন সভা আহ্বান কৰে। গান্ধীজীয়ে ৫ চেপ্তেম্বৰৰ দিনা চিমলাত বহা এই বৈঠকত যোগ দিয়ে।

দ্বিতীয় বিশ্ব যুদ্ধ

চিমলা আলোচনা বিশেষ গুৰুত্বপূৰ্ণ নহ'ল। কংগ্ৰেছৰ হৈ কথা কোৱাৰ অধিকাৰ তেওঁৰ নাই বুলি ব্যক্ত কৰিলে। মানবতাৰ খাতিৰত ইংলণ্ডৰ প্ৰতি সহানুভূতি দেখুৱাই তেওঁ ফিৰি আহিল। আনহাতে ইংলণ্ডৰ পৰাজয়েই ভাৰতৰ জয় বুলি ভবা লোকৰ সংখ্যাই আছিল বেছি। বাপুজীৰ এই সহানুভূতিৰো সেয়ে খুব আলোচনা হ'ল।

কংগ্ৰেছ কাৰ্য্যনিৰ্বাহকে সিদ্ধান্ত কৰিলে (১৪ চেপ্তেম্বৰ)ঃ ভাৰতে ফেচীবাদ আৰু নাজীবাদক সমৰ্থন নকৰে। ভাৰতৰ যুদ্ধ আৰু শান্তিৰ কথা নিৰ্ণয় কৰিব ভাৰতবাসীয়েহে। সাম্ৰাজ্যবাদী শক্তিক বাবে ভাৰতৰ ধন বা জন একোৰেই সহায় কৰা নহব।

১০ অক্টোবৰত গান্ধীজীয়ে হৰিজনত লিখিলে –" মই যি বুজিছোঁ কংগ্ৰেছীসকলে অহিংসা পথেৰে শত্ৰুৰ সশস্ত্ৰ আক্ৰমণৰ প্ৰতিৰোধ কৰিবলৈ সাজু নহয়। তেওঁ আৰু লিখিলে যে ভাৰতে যদি অহিংসাৰ পথ ত্যাগ কৰে তেনে পৃথিবীৰ শেষ আশাও বিলুপ্ত হ'ব। সেয়ে অকলে হ'লেও তেওঁ অহিংসাৰ পথেৰেই আগবাঢ়িব।

গান্ধীজীয়ে ইংৰাজক যি সহায় কৰা হয় – তাক বিনাচৰ্ত্তে দিব খুজিছিল। ওৱাৰ্কিং কমিটিয়ে সেই কথা নামানিলে। তথাপি গান্ধীয়ে ওৱৰ্কিং কমিটিৰ প্ৰস্তাৱ সমৰ্থন কৰি ইংৰাজক ভাবিবলৈ কলে – তেওঁলোকে অনিচ্ছুক ভাৰতক যুদ্ধলৈ জোৰ কৰি টানি নিব নে ইচ্ছুক ভাৰতৰ সহযোগ লৈ সঁচা গণতন্ত্ৰ ৰক্ষা কৰিব।

বৰলাটে পুণৰ ২৫ চেপ্তেম্বৰৰ দিনা চিমলাত ভাৰতীয় নেতাসকলোৰ বৈঠক পাতিলে। গান্ধীজীও এই বৈঠকলৈ গৈছিল। এই বৈঠকত হিন্দু-মুছলমানৰ অনৈক্যহে প্ৰকট হ'ল। বৃটিছ ৰাজশক্তিত জিন্নাৰ নিৰ্ভৰশীলতা স্পষ্ট হৈ পৰিল।

গান্ধীজীৰ ৭১ তম জন্ম দিনৰ দিনা সৰ্বপল্লী ৰাধাকৃষ্ণণে বিশ্বৰ বিখ্যাত ব্যক্তিসকলৰ মহাত্মা গান্ধী সম্বন্ধীয় বক্তব্য সংকলন কৰা এখনি গ্ৰন্থ উপহাৰ স্বৰূপে দিছিল। এইটোৱেই আছিল জন্মদিনৰ স্মৰণীয় ঘটনা। এই খন কিতাপৰ সম্পৰ্কত 'ধন্যবাদ' নামৰ এটা লেখাত হৰিজনত লিখিছিল " কোনেৱে সাম্প্ৰদায়িক ঐক্য, অস্পৃশ্যতা

নিবাৰণ, গ্ৰাম সেৱাৰ কাম কৰা দেখিলে মোৰ খুব ভাল লাগে, শান্তি পাওঁ। এই কামবোৰৰ পৰা মোক আঁতৰাই দিলে মই অস্তিত্বহীন হৈ পৰিম।" তথাপি ৰাষ্ট্ৰীয় সংকটৰ সময়ত গান্ধীজীয়ে নিজকে ৰাজনীতিৰ পৰা মুক্ত কৰি ৰাখিব পৰা নাই।

কংগ্ৰেছৰ কোনো কথাই বৃটিছ চৰকাৰে গ্ৰাহ্য নকৰিলে। যুদ্ধৰ পাছত ভাৰত শাসন আইনৰ সংশোধন কৰি ভাৰতক ডমিনিয়ন ষ্টেটাচ দিয়া হব – জাতীয় আন্তৰিকতাহীন আৰু অবাস্তব কথা কংগ্ৰেছে গ্ৰহণ কৰিব নোৱাৰে। এই অৱস্থাত কংগ্ৰেছী মন্ত্ৰীসভাবোৰে পদত্যাগ কৰিলে। কংগ্ৰেছ মন্ত্ৰীসভাই পদত্যাগ কৰাৰ পাছত ভাইচৰয়ে জিন্নাক কোলাত তুলি ললে। ভাৰতায় মুছলমানৰ একমাত্ৰ প্ৰতিনিধিৰূপে তেওঁক স্বীকৃতি দিলে । বৰলাটৰ কাৰ্য্যনিৰ্বাহকখনৰ সম্প্ৰসাৰণ সম্পৰ্কে আলচ কৰিবলৈ ১ নভেম্বৰৰ দিনা পতা সভাখন জিন্নাই সাম্প্ৰায়িকতাৰ প্ৰশ্ন তুলি ব্যৰ্থ কৰি দিলে। কংগ্ৰেছ পক্ষৰ পৰা এই সভালৈ গান্ধীজী আৰু ড° ৰাজেন্দ্ৰ প্ৰসাদ গৈছিল। তেওঁলোকে জিন্নাৰ কথাত প্ৰতিবাদ কৰে। কিন্তু বৰলাট ডাঙৰীয়া আছিল তেওঁৰ সপক্ষে। এইবোৰ দেখি শুনি ৫ নভেম্বৰৰ দিনা গান্ধীজীয়ে ঘোষণা কৰিলে– যুদ্ধৰ উদ্দেশ্যৰ বিষয়ে ভাৰতৰ বাবে গ্ৰহণযোগ্য কোনো স্পষ্ট ঘোষণা নকৰিলে সমাধান হব নোৱাৰে। তেওঁ বটিছ ৰাজক পৰামৰ্শ দিলে " তেওঁলোকে যদি যুদ্ধ সোনকালে শেষ কৰিব খোজে, তেনে ভাৰতৰ দৰে মহান আৰু প্ৰাচীন দেশখনক আগতে মুক্ত কৰি দিয়ক।"

ইংৰাজৰ গা নলৰিল। কেতিয়াবা মুছলমানক লৈ, কেতিয়াবা দেশীয় ৰাজ্যৰ ৰজাবোৰৰ স্বাৰ্থৰ কথা কৈ ভাৰতৰ স্বাধীনতা আৰু গণপৰিষদৰ দাবী অগ্ৰাহ্য কৰিলে। শেষ উপায় হিচাবে আইন অমান্য আন্দোলন কৰাৰ চিন্তা কৰা হ'ল। ১৯৪০ চনৰ ২৬ জানুৱাৰীৰ দিনা স্বাধীনতাৰ বাবে নতুনকৈ শপত গ্ৰহণ কৰা হয়।

আন্দোলন সম্পৰ্কে এটা পৰিবেশ সৃষ্টি কৰাৰ উদ্দেশ্যাৰে ১৮ ফেব্ৰুৱাৰীৰ (১৯৪০) দিনা বাপু দুই দিনৰ বাবে শান্তি নিকেতনত উপস্থিত হ'ল।

২০ ফেব্ৰুৱাৰীৰ দিনা গান্ধীজী ঢাকালৈ (বাংলাদেশ) যায় আৰু মালিকন্দাত গান্ধী সেৱা সংঘৰ এসপ্তাহ জোৰা অধিবেশনত যোগদান কৰে। ইয়াৰ পৰা গান্ধীজী পাটনালৈ যায় আৰু ওৱৰ্কি কমিটিত যোগদান কৰে। ইয়াত তলত দিয়া দৰে এটা প্ৰস্তাৱ গৃহীত হৈছিল "...... বৃটিছে ভাৰতবাসীক নোসোধাকৈ ভাৰতবৰ্ষক যুদ্ধত সম্মিলিত দেশ বুলি ঘোষণা আৰু সামৰিক প্ৰয়োজনত ভাৰতবৰ্ষৰ ধন-জন ব্যৱহাৰ কৰি জাতিৰ প্ৰতি অবমাননা কৰিছে বুলি কংগ্ৰেছে ভাবে। কোনো আত্মসন্মান থকা স্বাধীনতাপ্ৰিয় জাতিয়ে এনেধৰণৰ অপমান সহ্য নকৰে। ......এনে অৱস্থাত

কংগ্ৰেছে প্ৰত্যক্ষ বা পৰোক্ষ ভাবে যুদ্ধ সাহায্য দিব নোৱাৰে। .... কংগ্ৰেছৰ সমৰ্থন প্ৰাপ্ত কোনো সংস্থাই ধন, জন বা বস্তুবাহানি দি বৃটিছ ৰাজক সহায় কৰিব নোৱাৰিব।"

প্ৰস্তাৱটোত আৰু কোৱা হ'ল যে–

পূৰ্ণ স্বাধীনতা বিনে একোৱেই ভাৰতবাসীৰ গ্ৰহণযোগ্য নহয়। সাম্ৰাজ্যবাদৰ কক্ষৰ ভিতৰত ভাৰতবৰ্ষৰ স্বাধীনতা অসম্ভৱ।......... ভাৰতবাসীয়েই ভাৰতৰ শাসন তন্ত্ৰ নিৰূপন কৰা আৰু পৃথিবীৰ অন্যান্য দেশৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ অধিকাৰী। প্ৰত্যেকজন সাবালক ব্যক্তিৰ ভোটৰ দ্বাৰা নিৰ্বাচিত গণপৰিষদেহে এই কাম কৰিবলৈ সমৰ্থ।"

" ....স্বাধীনতা, গণতন্ত্ৰ আৰু ৰাষ্ট্ৰীয় ঐক্যই হ'ব ভাৰতবৰ্ষৰ শাসন তন্ত্ৰৰ বুনিয়াদ। কংগ্ৰেছ ভাৰতবৰ্ষক খণ্ডিত কৰা বা জাতি হিচাবে ভাগ কৰাৰ সম্পূৰ্ণ বিৰোধী।"

দেশীয় ৰাজ্য সমূহ সম্বন্ধে প্ৰস্তাৱটোত কোৱা হ'ল– "ভাৰতৰ স্বাধীনতাৰ পথত দেশীয় ৰাজন্যবৰ্গ বা স্বাৰ্থজৰিত বিদেশী শক্তিৰ বাধা দিবলৈ কোনো অধিকাৰ নাই বুলি কংগ্ৰেছে দৃঢ় ভাবে মত প্ৰকাশ কৰে। দেশীয় ৰজাৰ ৰাজ্যই হওক বা প্ৰদেশেই হওক ভাৰত শাসনৰ কৰ্তৃত্ব জনসাধাৰণৰ হাততহে ন্যস্ত হ'ব আৰু তেওঁলোকৰ স্বাৰ্থৰ তুলনাত অন্যসকলৰ স্বাৰ্থ তলত থাকিব।

"কংগ্ৰেছে মন্ত্ৰীসভা সমূহ আঁতৰাই আনিছে। যুদ্ধত কোনো ধৰণৰ সহযোগিতা নকৰা আৰু বিদেশী শাসনৰ পৰা মুক্ত হ'বলৈ কংগ্ৰেছৰ সংকল্প কাৰ্য্যকৰী কৰিবলৈয়ে এই পন্থা অৱলম্বন কৰা হৈছে। এই প্ৰাৰম্ভিক কাৰ্য্যৰ স্বাভাৱিক পৰিণাম হ'ল – আইন অমান্য আন্দোলন। উপযুক্ত সময়ত কংগ্ৰেছ নিঃসংশয় ভাবে এই আন্দোলনত জপিয়াই পৰিব।"

এনে পৰিস্থিতিত মাৰ্চ মাহত বিহাৰৰ ৰামগড়ত কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশন বহিল। সভাপতি আছিল মৌলানা আব্দুল কালাম আজাদ। ১৪ মাৰ্চৰ দিনা গান্ধীজীয়ে খাদী আৰু গ্ৰামোদ্যোগ প্ৰদৰ্শনীখন উদ্বোধন কৰে।

প্ৰায় ছয় বছৰ কংগ্ৰেছৰ কাম-কাজৰ পৰা আঁতৰি থাকি ৰামগড় অধিৱেশনত বাপুৱে পুনঃ ৰাজনীতিত যোগ দিয়ে। প্ৰস্তাৱিত জন-আন্দোলনৰ পৰিচালক নিযুক্ত হৈছিল গান্ধীজী। বিষয় বাচনি সভাত আৰু প্ৰতিনিধি সভাত তেওঁ বক্তৃতা দিলে।

সভাপতি মৌলানা আজাদে সভাপতিৰ ভাষণত ভাৰতৰ হিন্দু-মুছলমান যে এটা জাতি – এই সম্পৰ্কে তথ্যসমৃদ্ধ কথাই আছিল মূল বস্তু। কিন্তু মাৰ্চৰ শেষত দ্বিজাতি তত্ত্বৰ ভিত্তিত মুছলিম লীগে পাকিস্তানৰ দাবী কৰিলে। লীগৰ এই প্ৰস্তাৱক গান্ধীজীয়ে

পৰিহ্ৰণা দিলে ।

ইতিমধ্যে জয়প্ৰকাশ নাৰায়ণক চৰকাৰে বন্দী কৰিছে । ডা' লোহিয়া আৰু সমাজবাদী নেতৃবৃন্দই আন্দোলন তৰকালেই আৰম্ভ কৰিবলৈ গান্ধীজীক হেচা দিলে । গান্ধীৰ উত্তৰ "সময় হোৱা নাই।" ১৭ জুনত বহা কংগ্ৰেছ ওৱাৰ্কিং কমিটি গান্ধীজীৰ সৈতে একমত হ'ব নোৱাৰিলে । গান্ধীজীয়ে ক'লে – " মোৰ মতে নচলিলে আপোনালোকে মোক বাদ দি চলিব লাগিব ।"

কংগ্ৰেছে দেশ ৰক্ষাৰ বাবে সশস্ত্ৰ বাহিনীৰ আৱশ্যকতা স্বীকাৰ কৰিলে । সহজ ভাষাত ওৱাৰ্কিং কমিটিয়ে গান্ধীজীৰ বিৰোধিতা কৰি স্বাধীনতাৰ বিনিময়ত সশস্ত্ৰ যুদ্ধ প্ৰচেষ্টাক ইংৰাজক সহায় কৰিব খুজিলে । কংগ্ৰেছৰ এই প্ৰস্তাৱত বৃটিছ চৰকাৰৰ মন সলনি নহ'ল । ৮ আগষ্টৰ দিনা বৰলাটে এটা প্ৰস্তাৱ ডাঙি ধৰিলে । তাত নতুনত্ব একো নাছিল । শেষত ওৱাৰ্কিং কমিটি পুণৰ গান্ধীৰ শৰণাপন্ন হ'ল ।

কংগ্ৰেছৰ বৈঠকত নিৰ্ণয় কৰা হ'ল যে ভাৰতৰ স্বাধীনতাৰ কাৰণে গান্ধীজীৰ নেতৃত্বত অহিংসা আন্দোলন চলাবলৈ কংগ্ৰেছ প্ৰতিশ্ৰুতিবদ্ধ । সেয়ে অখিল ভাৰত কংগ্ৰেছ কমিটিৰ দ্বাৰা গৃহীত যি কাৰ্য্যক্ৰম গ্ৰহণ কৰা হ'ব তাৰ পৰিচালনাৰ বাবে তেওঁক (মহাত্মা গান্ধীক) অনুৰোধ কৰা হৈছে । "এই প্ৰস্তাৱ কংগ্ৰেছৰহে – কিন্তু কথা আৰু মত আছিল গান্ধীজীৰ । প্ৰকৃতপক্ষে কংগ্ৰেছে গান্ধীজীৰ ওচৰত আত্মসমৰ্পণ কৰিলে ।

১১ অক্টোবৰৰ পৰা গান্ধীজীয়ে ব্যক্তিগত সত্যাগ্ৰহৰ কথা ঘোষণা কৰে । আচাৰ্য্য বিনোবা ভাবেক প্ৰথম সত্যাগ্ৰহী আৰু দ্বিতীয় জন পণ্ডিত নেহেৰু সত্যাগ্ৰহী হয় । মাজত ২৬ ডিচেম্বৰৰ পৰা ৪ জানুৱাৰী লৈ এই সত্যাগ্ৰহ বন্ধ ৰাখি পুনৰ ৫ জানুৱাৰীত এই আন্দোলন আৰম্ভ কৰে । কুৰি হেজাৰৰো বেছি পুৰুষ-মহিলা এই আন্দোলনত বন্দী হৈছিল ।

২৩ ডিচেম্বৰত বৰদৌলিত বহা ওৱাৰ্কিং কমিটিৰ সভাত কংগ্ৰেছ পুনৰ চৰকাৰক সহায় কৰাৰ প্ৰস্তাৱলৈ ঘূৰি গ'ল। সত্যাগ্ৰহ বন্ধ হ'ল । গান্ধীজী নেতৃত্বত নাথাকিল ।

এই বিষয়ে বিশেষ ভাবে আগবঢ়াৰ আগতেই ক্ৰিপচ মিচন ভাৰতলৈ আহিল ভাৰতৰ স্বাধীনতাৰ বিষয়ে আলোচনা কৰিবলৈ ।

ক্রিপচৰ প্ৰস্তাৱ

১৯৪২ চনলৈ বিশ্বযুদ্ধৰ অৱস্থা ভীষণ আৰু চিন্তাজনক হৈ পৰে। এছিয়া, ইউৰোপ সকলো পিনেই মিত্ৰ শক্তি পৰাজয়ৰ সম্মুখীন হৈছে। যুদ্ধ ভাৰতৰ দুৱাৰ দলিত উপস্থিত। কিন্তু গান্ধীজীৰ মনত কোনো উত্তেজনা নাই। ৭ মাৰ্চৰ দিনা ৰেঙ্গুনৰ পতন ঘটে। বিভ্ৰান্ত বৃটিছ চৰকাৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে পৰামৰ্শ কৰি এটা বুজাপৰা কৰিবলৈ চাৰ ষ্টাফোৰ্ড ক্ৰিপচক ভাৰতলৈ পঠিয়াই। ২২ মাৰ্চৰ দিনা তেওঁ দিল্লী পায়হি। তেওঁৰ প্ৰস্তাৱৰ সাৰাংশ ঃ

১। ভাৰতক ঔপনিবেশিক স্বয়ত্ত শাসন দিবলৈ বৃটিছ চৰকাৰে ব্যৱস্থা কৰিব। ইচ্ছা কৰিলে ভাৰতবৰ্ষৰ কমনওৱেলথৰ পৰা ওলাই যোৱাৰ স্বাধীনতা থাকিব।

২। যুদ্ধৰ পাছত এখন নিৰ্বাচিত গণপৰিষদে ভাৰত আৰু দেশীয় ৰাজ্য সমূহৰ বাবে সংবিধান ৰচনা কৰিব। বৃটিছ চৰকাৰে সেই বিধান স্বীকাৰ কৰিব। বৃটিছ ভাৰতৰ যি কোনো ৰাজ্য এনে শাসনৰ অন্তৰ্ভুক্ত হোৱা বা নোহোৱাৰ অধিকাৰ থাকিব। অসন্মত ৰাজ্যবোৰক বৃটিছ চৰকাৰে ভাৰত ইউনিয়নৰ মৰ্য্যাদাৰ সমান শাসনতন্ত্ৰ প্ৰদান কৰিবলৈ বাধ্য থাকিব। জাতিগত আৰু ধৰ্মগত সংখ্যালঘু সকলৰ সুৰক্ষাৰ বাবে বৃটিছ চৰকাৰৰ পূৰ্ব প্ৰতিশ্ৰুতি মতে ব্যৱস্থা থাকিব।

যুদ্ধ বিৰতিৰ আগতে মুখ্য মুখ্য সম্প্ৰদায়ৰ নেতৃবৃন্দই এই ব্যৱস্থাত সন্মত নহলে তলত দিয়া ধৰণে গণপৰিষদ গঠিত হব। যুদ্ধৰ পাছত সাধাৰণ নিৰ্বাচনৰ ফল প্ৰকাশিত হলেই প্ৰাদেশিক বিধান সভাৰ নিম্ন পৰিষদৰ সদস্যৰে এটা স্বতন্ত্ৰ ইলেক্টৰেল কলেজ বা নিৰ্বাচক মণ্ডলী গঠিত হব আৰু আনুপাতিক প্ৰতিনিধি নিৰ্বাচন ব্যৱস্থা অনুসৰি গণ পৰিষদ গঠিত হব। এই পৰিষদ হব নিৰ্বাচক মণ্ডলীৰ দহ ভাগৰ এভাগ।

বৃটিছ চৰকাৰে সমগ্ৰ যুদ্ধ প্ৰয়াসৰ অংগ হিচাবে ভাৰতবৰ্ষৰ সুৰক্ষাৰ সকলো প্ৰকাৰৰ ব্যৱস্থা আৰু দায়িত্ব নিজৰ হাততে ৰাখিব। ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান সম্প্ৰদায়ৰ নেতৃবৃন্দই স্বদেশ, কমনওৱেল্থ আৰু মিত্ৰ শক্তিকৰি পৰামৰ্শ সভাত যোগদান কৰাৰ ইচ্ছা প্ৰকট কৰিলে বৃটিছ চৰকাৰে এইবোৰ ব্যৱস্থা লৈ তেওঁলোকক আহ্বান জনাব।

গান্ধীজীয়ে এই প্ৰস্তাৱ গ্ৰহণযোগ্য নহয় বুলি ঘোষণা কৰিলে। তেওঁৰ বিৰোধিতাৰ কাৰণবোৰ আছিল –

(১) ওলাই অহাৰ স্বাধীনতা থাকিলেও ঔপনিবেশিক স্বাধীনতা গ্ৰহণযোগ্য নহয়- লাগে পূৰ্ণ স্বাধীনতা (২) প্ৰস্তাৱটোত ভাৰতক ৩ খণ্ডত ভাগ কৰাৰ পৰিকল্পনা কৰা হৈছে (৩) দেশ ৰক্ষাৰ দায়িত্ব মন্ত্ৰীসকলৰ হাতত নাথাকিব ।

ভাৰত ত্যাগ আন্দোলন

ক্ৰিপচ প্ৰস্তাৱ বাতিল কৰি কংগ্ৰেছ গান্ধীৰ নেতৃত্বত শেষ স্বাধীনতা সংগ্ৰামৰ (ভাৰত ত্যাগ) পিনে আগবাঢ়িল ।

১৯৪২ চনৰ ৬ জুলাই তাৰিখে কংগ্ৰেছৰ কাৰ্য্যনিৰ্বাহকৰ অধিবেশন বহিল ৱাৰ্দ্ধাত । কমিটিয়ে মত প্ৰকাশ কৰিলে বৰ্ত্তমানৰ যুদ্ধৰ বিভিষীকাৰ পৰা উদ্ধাৰ পাবলৈ বৃটিছ ৰাজত্বৰ অবসান আৰু ভাৰতৰ স্বাধীনতা অত্যন্ত আৱশ্যক । সেয়ে প্ৰস্তাৱ কৰা হ'ল "অনতিপলমে ভাৰতত বৃটিছ ৰাজত্বৰ অবসান ঘটোৱা হওক ।" ইংৰাজ – তোমালোকে ভাৰত এৰি যোৱা ।" সেয়ে যদি নহয় তেনে মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস সত্যাগ্ৰহৰ বাহিৰে অন্য উপায় নথাকিব । গান্ধীজীৰ লিখিত ভাষণত জনালে যে স্বাধীনতা আৰু গণতন্ত্ৰৰ কাৰণে আন্দোলন কৰিলে ইংৰাজ আৰু মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টা বাধা প্ৰাপ্ত হব । সেয়ে ভাৰতবৰ্ষৰ স্বাধীনতা কেবল ভাৰতবাসীৰ স্বাৰ্থৰ বাবেই নহয়, বিশ্বৰ নিৰাপত্তা, ফেচীবাদ, নাজীবাদ, সামৰিকতন্ত্ৰ, সাম্ৰাজ্যবাদ আৰু এটা জাতিয়ে অন্য এটা জাতিক আক্ৰমণ বন্ধ কৰিবলৈও প্ৰয়োজন ।

গান্ধীজীৰ এই প্ৰস্তাৱৰ বিৰুদ্ধে ৰেডিও যোগে দিয়া ভাষণত গান্ধীজীক আক্ৰমণ কৰি ক'লে— ভাৰতৰ ৮ কোটি মুছলমান আৰু বহুলাখ অনুসূচিত হিন্দুৱে গান্ধীৰ বৰ্ণ হিন্দুৰ প্ৰাধান্য স্বীকাৰ নকৰে । ফলত গান্ধীৰ দাবী মানি ললে দেশখনত অৰাজকতা আৰু বিশৃংখলতাৰ সৃষ্টি হব । যুদ্ধত জয় লাভ কৰাৰ পিছত ভাৰতক স্বাধীনতা দিয়া হব বুলিও বেতাৰ ভাষণত কৈছিল— অৱশ্যে চৰ্ত সাপেক্ষেহে ।

ভাৰত সচিব আমেৰি চাহাবে আকৌ কলে— বিদ্ৰোহী সকলৰ সৈতে কোনো আপোচ হব নোৱাৰে । ইয়াৰ উত্তৰত ২ আগষ্টৰ দিনা গান্ধীজীয়ে হৰিজনত লিখিলে —"মিত্ৰ শক্তিৰ জয়ৰ কাৰণেই ভাৰতৰ স্বাধীনতা আৱশ্যক । ইতিমধ্যে গান্ধীজীৰ "খোলা বিদ্ৰোহ "ক দমন কৰিবলৈ আৱশ্যকীয় নিৰ্দেশ সম্বলিত পাৰ্কুলে চাৰ্কুলাৰ নামৰ এখন গোপন চাৰ্কুলাৰ ওলাল । কিন্তু একোতেই একো নহ'ল । ভাৰতত

বহি গান্ধীজীয়ে কলে – ইংৰাজ তুমি ভাৰত এৰি যোৱা । বাহিৰৰপৰা নেতাজীয়ে ভাৰতীয় সকলক আহ্বান জনাই কলে– "দিল্লী চলো", স্বাধীনতাৰ এই দুয়োটা পন্থাৰ সমন্বয় ঘটিছিল আগষ্ট '৪২ ৰ কুৰুক্ষেত্ৰত ।

এই বিষয়ে চূড়ান্ত সিদ্ধান্ত লবলৈ ৭ আগষ্টত কংগ্ৰেছ অধিবেশন বহে বোম্বাইত । ৮ আগষ্টৰ দিনা গান্ধীজীয়ে ৰচনা কৰা ঐতিহাসিক 'কুইত ইণ্ডিয়া " প্ৰস্তাৱ ডাঙি ধৰে জৱাহৰলাল নেহেৰুৱে আৰু সমৰ্থন কৰে চৰ্দাৰ পেটেলে ।

গান্ধীজীয়ে নিজৰ ভাষণৰ শেষত কৈছিল –"আমাৰ জীৱনৰ বৃহত্তম আন্দোলন আৰম্ভ কৰিবলৈ যোৱাৰ সময়ত আমি যাতে ঘৃণা ভাব কাৰো প্ৰতি নাৰাখোঁ" ।

ভাৰত ত্যাগ প্ৰস্তাৱৰ বিৰুদ্ধে ১৩ টা ভোট দিছিল । তাৰে ১২ টা আছিল বামপন্থী দলৰ । তেওঁলোকে এই বিশ্ব যুদ্ধক গণযুদ্ধৰ আখ্যা দি মিত্ৰশক্তিক সমৰ্থন আৰু সহায় কৰিছিল ।

প্ৰস্তাবটো গৃহীত হোৱাৰ পাছত গান্ধীজীয়ে প্ৰায় দুঘণ্টা ধৰি বক্তৃতা দিয়ে । তেওঁ শেষত কৈছিল – "এই মুহূৰ্ত্তৰ পৰা আপোনালোকে নিজে স্বাধীন নৰ-নাৰী বুলি ভাবিব ।...... মনত ৰাখিব কাপুৰুষ হৈ জীয়াই থকাৰ অধিকাৰ আমাৰ নাই । স্বাধীনতাই হওক আমাৰ বীজমন্ত্ৰ সকলোৱে ইয়াকে জপ কৰক ।"

গান্ধীজীৰ আহ্বান "কৰা অথবা মৰা " "নিজকে স্বাধীন বুলি ভাবিবা " কথাবোৰ নতুন । কিন্তু এই বাক্যবোৰত নিহিত আছিল অনন্ত শক্তি । এই বিষয়ে গৃহ বিভাগৰ মেম্বৰ মি' ম্যাকডোলাণ্ডলৈ ২১ আগষ্টৰ চিঠিত তেওঁ স্পষ্ট কৰি দিছিল –" কৰা বা মৰাৰ স্পষ্ট অৰ্থ হ'ল– নিৰ্দ্দেশ পালন কৰি তুমি তোমাৰ কৰ্ত্তব্য সম্পাদন কৰা আৰু প্ৰয়োজন হলে তাৰ বাবে জীৱন বিসৰ্জন দিয়া । নিজকে স্বাধীন ব্যক্তি বুলি ভাবিলেই ক্ৰীতদাসৰ শিকলি খহি পৰে । তেতিয়া সি তাৰ মালিকক কব পাৰে যে ইমান দিনে মই তোমাৰ দাস আছিলোঁ – এতিয়া আৰু নহওঁ । তুমি মোক হত্যা কৰিব পাৰা, তুমি মোক মুক্তি দিবও পাৰা, মুক্তি দিলে তোমাক আৰু মই একো নোখোজোঁ । ভাত কাপোৰৰ বাবে মই তেতিয়া ঈশ্বৰকে ভৰষা কৰিম । ঈশ্বৰে মোক স্বাধীনতাৰ প্ৰেৰণা দিছে । সেয়ে মই নিজকে স্বাধীন বুলি ভাবোঁ ।"

স্বাধীনতাৰ প্ৰস্তাব দিলেই স্বাধীন হোৱা নাযায় – সেই কথা ৯ আগষ্টৰ দিনা ৰাতিপুৱাতেই বুজাই দিলে কুচক্ৰী ইংৰাজে । গোটেই দেশতে যাক য'তে পালে গ্ৰেপ্তাৰ কৰা হল । সিদিনাই গান্ধীজী, মীৰা বেন, মহাদেব দেশাইক একেলগে গ্ৰেপ্তাৰ কৰিলে । গান্ধীজীয়ে লগত ললে গীতা, আশ্ৰম ভজনাৱলী, কোৰাণ, এটা টাকুৰী

আৰু অলপ ব্যক্তিগত বস্তু-বাহানি। যাত্ৰাৰ আগতে দেশবাসীৰ উদ্দেশ্যে কলে—

"স্বাধীনতাৰ অহিংস সৈনিক সকলে এটুকুৰা কাগজ বা কাপোৰত "কৰা বা মৰা" ধ্বনি লিখি গাৰ পিন্ধা কাপোৰৰ লগত গাঠি দিব যাতে সত্যাগ্ৰহ কৰি মৃত্যু হলে অন্যালোকৰ মাজৰ পৰা তেওঁলোকক চিনাক্ত কৰিব পাৰি।"

বন্দী গান্ধীজীক নিয়া হ'ল— পুনাৰ আগাখাঁ প্ৰসাদলৈ। আৰম্ভণিতে জেললৈ অহা সময়ত কংগ্ৰেছী লোক সকলোৰে ওপৰত পুলিচে কৰা বৰ্বৰ অত্যাচাৰৰ বিৰুদ্ধে গান্ধীজীয়ে কৰ্তৃপক্ষলৈ লিখিত ভাবে জনালে।

ৰাষ্ট্ৰমাতা কস্তুৰবাৰ মৃত্যু

৯ আগষ্টৰ দিনা আবেলি বে-আইনি বুলি ঘোষিত ৰাজহুৱা সভাত বক্তৃতা দিয়াৰ অপৰাধত কস্তুৰবাক গ্ৰেপ্তাৰ কৰা হ'ল আৰু তেওঁকো আগাখাঁ প্ৰাসাদলৈ আনিলে। ইয়াতেই ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰী মহাশিৱৰাত্ৰিৰ দিনা গান্ধীজীৰ কোলাত মূৰ থৈ ৰাষ্ট্ৰমাতাই অনন্ত ধামলৈ গতি কৰিলে। ৬২ বছৰ ধৰি ছায়াৰ দৰে গান্ধীজীক অনুসৰণ কৰিছিল বাই— বুজিয়েই বওক বা নাজানিয়ে হওক স্বামীৰ সকলো কামৰ সমভাগী হৈছে। গান্ধীজীয়ে নিজ হাতে কটা সূতাৰে বোৱা শাৰী এখনেৰে কস্তুৰবাৰ মৃত দেহ ঢাকি দিলে। আগাখাঁ প্ৰাসাদৰ সমুখতে বাৰ শেষাকৃত্য সমাপন কৰা হ'ল।

সম্পূৰ্ণ সময় বাপু চিতাৰ সুমুখত ঠিয় দি ৰ'ল। কস্তুৰবাৰ মৃত্যুত স্থিতপ্ৰজ্ঞ গান্ধীজী বিচলিত হৈ পৰিছিল। তেওঁলোকৰ দাম্পত্য জীৱন আছিল প্ৰায় ৬০ বছৰৰ। গান্ধীজীয়ে তেওঁৰ অন্তৰংগ সকলৰ আগত কৈছিল – "কস্তুৰবা বিহীন জীৱনৰ কথা মই ভাবিব নোৱাৰো, তেওঁ মোৰ জীৱনৰ অপৰিহাৰ্য্য অংগ।"

কস্তুৰবা কৰ্ত্তব্যৰত অৱস্থাতে মৃত্যু বৰণ কৰি শ্বহীদ হ'ল। সমগ্ৰ ভাৰতে হৰতাল পালন কৰি এই স্নেহশীলা, পতিপ্ৰাণা বীৰাংগনা ৰাষ্ট্ৰ মাতাৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা জ্ঞাপন কৰিলে। ভাৰতৰ নতুন বৰলাট ওৱাভেলে পঠিওৱা শোকবাৰ্ত্তাৰ উত্তৰত গান্ধীজীয়ে লিখিছিল –"মই যিমান ভাবিছিলোঁ তাতোকৈ শোকৰ তীব্ৰতা বহুত বেছি অনুভূত হৈছে।"

মহাদেৱ দেশাইৰ মৃত্যু

এই কাৰাগৃহতে গান্ধীজীৰ প্ৰিয় সংগী আৰু সেৱক মহাদেৱ দেশাইৰো মৃত্যু ঘটে। আগাখাঁক বন্দী গৃহত প্ৰৱেশ কৰাৰ সাত দিনৰ পাছতেই হঠাতে মহাদেৱ দেশাই মৃত্যু মুখত পতিত হয়। তেওঁৰ অন্ত্যেষ্টিও শিবিৰৰ ভিতৰতে কৰা হৈছিল। মৃতদেহটোও বাহিৰলৈ নিবলৈ চৰকাৰে অনুমতি নিদিলে। গান্ধীজীয়ে নিজে দেশাইৰ মুখাগ্নি কৰিছিল।

জন জাগৰণ

গান্ধীজী, নেতৃবৃন্দ আৰু হেজাৰ হেজাৰ সত্যাগ্ৰহীক বন্দী কৰি আৰু সংবাদ মাধ্যমক নিযন্ত্ৰিত কৰিও “ ভাৰত ত্যাগ” বৃটিছ চৰকাৰে বন্ধ কৰিব নোৱাৰিলে। ৮ আগষ্টৰ পৰা ৩০ নৱেম্বৰলৈ চৰকাৰী তথ্য মতেই ১০০৮ জন সত্যাগ্ৰহী নিহত হয়, ৩২৭৫ জন আহত, লক্ষাধিক ব্যক্তিক বিনা বিচাৰে বন্দী কৰে। আচলতে এই সংখ্যাবোৰ চৰকাৰে কমকৈ দেখুৱাইছে। প্ৰকৃততে বহু বেছি মানুহ নিহত হৈছিল। উৎপীড়ন, অত্যাচাৰক কেৰেপ নকৰি দেশভক্ত জনগণ সংগ্ৰাম পথত ধাবমান হৈছিল – প্ৰেৰণাৰ উৎস আছিল গান্ধীজী।

ভাৰতীয় জনগণে চৰকাৰী তথ্য মতেই ২৫০ টা ৰেল ষ্টেচন, ৫০০ ডাকঘৰ, ১৫০ খন থানা আক্ৰমণ কৰি ধ্বংস কৰে। বহুত ঠাইত স্বাধীন চৰকাৰ প্ৰতিষ্ঠা কৰিছিল সত্যাগ্ৰহী আৰু আন্দোলনকাৰীসকলে। আন্দোলনৰ তীব্ৰতা আৰু বিস্তৃতি দেখি চাৰ্চিল ক্ৰোধান্বিত হৈ উঠিছিল। তেওঁ ঘোষণা কৰিলে – বজ্ৰহাতেৰে গান্ধীবাদ আৰু তাৰে সম্বন্ধিত সকলোকে ভাঙি ছিঙি চূৰমাৰ কৰি দিব লাগে।” ফলত পুলিচৰ আতিশয্য বাঢ়িল। চাৰ্চিলে সভাত ঘোষণা কৰিলে – বিদ্ৰোহ ঠাণ্ডা কৰি দিয়া হৈছে।” এই আন্দোলনৰ বিৰুদ্ধে তেওঁলোকে কি পথ লৈছিল সেই বিষয়ে অৱশ্যে একো কোৱা নাই।

আন্দোলনৰ কাৰণেই টাটা কোম্পানী, বোম্বাইৰ কাপোৰৰ মিল, আৰু সকলো

স্কুল কলেজত হৰতাল পালন কৰা হয়। বাৰানসী বিদ্যালয়ত সৈন্যৰ চাউনি বহে।লাঠি গুলিৰ কথাই নাই।

আকাশৰ পৰা বিমান যোগে বোমা বৰ্ষণ, মেচিন গানেৰে গুলি বৰ্ষণ কৰে। বহু ঠাইত এইবোৰৰ তীব্ৰ প্ৰতিবাদ হৈছিল কিন্তু চৰকাৰ নিৰ্বিকাৰ।

গান্ধীজীৰ অনশন

চিমুৰত পুলিচে আৰু সৈন্যবাহিনীৰ অকথ্য নিৰ্মম অত্যাচাৰৰ কথা সমগ্ৰ দেশতে প্ৰচাৰিত হ'ল। ইয়াৰ প্ৰতিবাদকল্পে সেৱাগ্ৰাম আশ্ৰমৰ অধ্যাপক ভান্সলিজীয়ে আমৰণ অনশন আৰম্ভ কৰে। সহকৰ্মীৰ অনশনৰ এই খবৰে গান্ধীজীক উদ্বিগ্ন কৰি তোলে। ইয়াৰ বাবে বাপুৱে অধ্যাপক ভান্সিলীলৈ চিঠি এখন লিখিবলৈ অনুমতি বিচাৰিলে। মৃত্যুপথ যাত্ৰী এজনৰ প্ৰাণ ৰক্ষাৰ বাবে কৰা এই প্ৰচেষ্টা চলোৱাৰ অনুমতি চৰকাৰে নিদিলে। ৩১-১২-৪২ ৰ দিনা বৰলাট লিনলিথগোক বাপুৱে জনালে যে– সত্যাগ্ৰহৰ নিয়মমতে বিপদৰ সমাধানৰ বাবে অনশন কৰাতো ন্যায়পূৰ্ণ।"

এই চিঠিৰ উত্তৰত লিনলিথগোৱে দেশজোৰা বিদ্ৰোহ আৰু গণ্ডগোলৰ বাবে ব্যক্তিগত ভাবে গান্ধীক আৰু অনুষ্ঠান হিচাবে কংগ্ৰেছক জগৰীয়া কৰিলে। কটা ঘাত নিমখ চটিওৱাৰ দৰে ইয়াৰ লগত যোগ কৰিলে যে গান্ধীজী আৰু তেওঁৰ কংগ্ৰেছে সকলোকে বঞ্চিত কৰি নিজেই ক্ষমতা দখল কৰিব খুজিছে। মিছা প্ৰচাৰেৰে কংগ্ৰেছ আৰু স্বাধীনতা সংগ্ৰামী সকলক জন মানসত হেয় প্ৰতিপন্ন কৰিবলৈ কৰা চক্ৰান্তৰ প্ৰতিবাদত জেলতেই ১০।২।৪৩ ৰ পৰা ৩-৩-৪৩ লৈ তিনি সপ্তাহৰ বাবে বাপুৱে অনশন আৰম্ভ কৰে। চৰকাৰৰ অতিৰিক্ত স্বৰাষ্ট্ৰ সচিবে অনশনৰ আগদিনা গান্ধীজীক মুক্তি দিবলৈ প্ৰস্তাৱ আগবঢ়ায়। গান্ধীজীয়ে সেই প্ৰস্তাব প্ৰত্যাখ্যান কৰে।

অনশনৰ দ্বিতীয় দিনা চৰকাৰে **Congress Responsibility for the disturbance** নামৰ ৮৬ পৃষ্ঠাৰ কিতাপ এখন প্ৰকাশ কৰে। পুস্তিকা খনিত সকলো ঘটনাৰ মূল দায়িত্ব কংগ্ৰেছ আৰু গান্ধীজীক জাপি দিয়া হৈছিল। ইয়াৰ বিৰুদ্ধে গান্ধীজীয়ে স্বৰাষ্ট্ৰ বিভাগলৈ লিখি পঠিয়াইছিল– "এই সকলো গোলমালৰ মূল দায়িত্ব চৰকাৰৰ। তেওঁলোকে বিনা বিচাৰে গ্ৰেপ্তাৰ কৰি অকথ্য নিৰ্য্যাতনৰ দ্বাৰা ভাৰতবাসীৰ মন বিষাক্ত কৰি তুলিছে। তাৰ ফলতেই দুৰ্ঘটনাবোৰ সংগঠিত হৈছে। বিনা কাৰণে

নেতৃবৃন্দক গ্ৰেপ্তাৰ নকৰা হলে এইবোৰ নঘটিলেহেতেন ।"

গান্ধীজীয়ে আৰু লিখিছিল "মোৰ মৃত্যুৰ আশংকা কৰিয়েই এই কিতাপখন লিখা হৈছিল । মোৰ মৃত্যু প্ৰায় অবধাৰিত বুলি চিকিৎসক সকলে মত প্ৰকাশ কৰিছিল । শেষত গান্ধীজীয়ে লিখিছিল –

"I wish to state if I have anywhere erred in analysing the indictment, and if my error is pointed out to me, I shall gladly correct myself. I have simply written as I have felt."

ৰেজিল্যাণ্ড (স্বৰাষ্ট্ৰ দপ্তৰ) এ গান্ধীজীৰ এই প্ৰস্তাৱক কটাক্ষ কৰি কলে – It is like asking the United Nations to appoint Hitler to adjudge the responsibility of war.

ভাৰতৰ কমিউনিষ্ট সকলেও বৃটিছৰ লগতে হাত উজান দিছিল ।

অনশন আৰম্ভ হ'ল । গান্ধীজীৰ স্বাস্থ্যৰ অবনতিত দেশবাসী বিচলিত হল । অনশনৰ অষ্টম দিনা বৰলাটৰ শাসন পৰিষদৰ সদস্য নলিনী ৰঞ্জন সৰকাৰ, এইচ. পী. মোদী আৰু অ্যানেই পদত্যাগ কৰে । চৰকাৰ কিন্তু অবিচলিত । ৰুচভেল্টৰ ব্যক্তিগত দূত ফিলিপকো গান্ধীক দেখা কৰিবলৈ অনুমতি নিদিলে । চৰকাৰ সাজু হল গান্ধীৰ মৃত্যুৰ পিছত কৰণীয় কৰ্ত্তব্যলৈ । আইন শৃংখলা ৰক্ষাৰ লগতে অগ্নি সংস্কাৰৰ বাবে চন্দন কাঠো অনা হল। কিন্তু ড° বিধান চন্দ্ৰ ৰায়ৰ মতে .....Gandhiji has fooled fthe Government and death itself". ৩ মাৰ্চৰ দিনা তেওঁ অনশন ভংগ কৰে ।

দেশৰ কেইবাজনো অকংগ্ৰেছী নেতাই চৰকাৰক গান্ধীজীক মুক্তি দি অচলাৱস্থাৰ অবসান ঘটাবলৈ অনুৰোধ জনালে । ফল একো নহল । ইতিমধ্যে গান্ধীজী আৰু কংগ্ৰেছৰ বিৰুদ্ধে নানা কথা প্ৰচাৰ কৰা হ'ল । এইখিনিতে এই কথা উল্লেখ কৰা ভাল যে ভাৰত চৰকাৰে ইয়াৰ বাবে প্ৰত্যেক বছৰে খৰছ কৰিছিল ২৫ লাখ আৰু বৃটিছ চৰকাৰে কৰিছিল এক কৌটি টকা । এই প্ৰচুৰ পৰিমাণৰ টকাৰে সাংবাদিক, সাহিত্যিক আৰু বক্তাক নিযুক্তি দিয়া হৈছিল ।

গান্ধীজীয়ে এটা সময়ত বোধ হয় ভাবিছিল যে জীৱনৰ বাকী কেইটা দিন কাৰাগাৰতে কটাব লাগিব । সেই কাৰণে সাংসাৰিক কামকাজৰ মাজতে তেওঁ আধ্যাত্মিক সাধনা আৰু তপস্যাত আত্মমগ্ন হৈ পৰিছিল । এই বিষয়ে প্যাৰেলালে

সুন্দৰীকৈ লিখিছে –

He (Gandhi) craved only to find 'heaven's success on earth's failure; his penance deepend ....There was not a soul engaged lin ndia's struggle for Independece, whether inside or outside prision those days but felt strengthened and uplifted by it.

অনশনৰ পাছত গান্ধীজীৰ স্বাস্থ্যৰ উন্নতি নৌহওঁতেই তেওঁক আক্ৰমণ কৰিলে মেলেৰিয়া, হাকোটা পেলু আৰু উচ্চ ৰক্তচাপে। শৰীৰ ভাগি পৰিছিল । মৃত্যু আসন্ন বুলি সকলোৰে চিন্তা হ'ল। চৰকাৰে তেওঁক মুক্তি দিবলৈ উদ্যোগ কৰে। সেই অবস্থাতে তেওঁৰ মৃত্যু ঘটিলে প্ৰশাসনিক আৰু সংবাদ প্ৰচাৰৰ কি ব্যৱস্থা কৰিব লাগিব তাৰ গোপন নিৰ্দেশ ওলাল। সেই সময়ত চুকিঙত থকা ড' ৰাধাকৃষ্ণণে তাৰ এটা কপি পালে। তাত কোৱা হৈছিল "গান্ধীজীৰ মৃত্যু হলে তেওঁৰ শ্ৰেষ্ঠ নৈতিক ৰূপ যেন কোনো প্ৰকাৰে খৰ্ব কৰা নহয়। অপাৰ্থিব আদৰ্শৰ বাবে তেওঁৰ আপোচহীন আনুগত্য স্বীকাৰ কৰিব। মিত্ৰশক্তি, বিশেষকৈ চীন আৰু ভাৰতৰ সেৱাত তেওঁৰ অপ্ৰতিদ্বন্দ্বী প্ৰভাব নপৰা বাবে দুঃখ প্ৰকাশ কৰিব।"

১৯৪৪ চনৰ ৫ মেৰ দিনা বিচনাতে তেওঁক মুক্তি দিয়া হ'ল। লগতে ড' গিল্ডাৰ, মীৰা বেন, ড' সুশীলা নাযাৰ, মুনু গান্ধী আৰু প্যাৰেলালক। জেলৰ পৰা ওলাই পুনাৰ পৰ্ণকুঠিলৈ গ'ল। ৬৩৭ দিনৰ ঘটনা বহুল বন্দী জীৱন কটাই গান্ধীজী পুনৰ মুক্ত মানব হ'ল।

মুক্ত হোৱাৰ পাছত ৪২ ৰ আন্দোলন সম্পৰ্কে বাপুৱে কৈছিল – "১৯৪২ চনৰ বিৰাট ঘটনাবোৰৰ লগত ১৮৫৭ চনৰ গণ অভ্যুত্থানৰহে তুলনা কৰিব পাৰি। ১৯৪২ চনৰ ঘটনাৱলীৰ বাবে মই গৌৰৱ কৰোঁ। জন গণে যদি বিনা প্ৰতিবাদে বৃটিছ চৰকাৰক মূৰ দোৱালেহেতেন তেনে মই সচাঁকৈয়ে দুঃখী হলোহেতেঁ। তাৰ দ্বাৰা কাপুৰুষালীৰ পৰিচয় দিয়া হলহেতেন আৰু আমাৰ যুগ যুগান্তৰৰ সাধনা ব্যৰ্থ হলহেতেন। নেতা নাই, সংগঠন নাই, উদ্যোগ আয়োজক নাই, নাই কোনো মন্ত্ৰশক্তি – অথচ এটা অসহায় জাতি স্বতঃস্ফুৰ্ত্ত ভাবে বিদ্ৰোহ কৰিলে – সেই দৃশ্য সঁচাকৈয়ে অত্যন্ত বিস্ময়কৰ। বীৰৰ দৰে তেওঁলোকে নিৰ্য্যাতন সহ্য কৰিছে আৰু বিপুল আত্মত্যাগেৰে মহান হৈছে।" হিন্দু মছুলমানৰ মাজত ঐক্য স্থাপন কৰিব নোৱাৰিলে এই আত্মত্যাগক স্বধীনতালৈ পৰিবৰ্ত্তিত কৰিব পৰা নাযাব বুলি গান্ধীজীয়ে নিশ্চয়কৈ বুজি পাইছিল। সেয়ে তেওঁ জিন্না চাহাবৰ লগত আলোচনা ককিবলৈ সিদ্ধান্ত কৰিলে।

গান্ধী-জিন্না আলোচনা

হিন্দু-মুছলমানৰ মাজত ঐক্যৰ সমাধান সূত্ৰ উলিওৱাৰ উদ্দেশ্যেই চেপ্তেম্বৰৰ মাহৰ শেষত প্ৰায় তিনি সপ্তাহ ধৰি জিন্নাৰ ঘৰতে (বোম্বাইত) গান্ধী- জিন্না আলোচনা হয়। সমাধানৰ কোনো সূত্ৰ নোলাল কিন্তু জিন্নাই বিচাৰে স্বাধীনতা লাভৰ আগতে ভাৰত বিভাজন মানি লব লাগিব। গান্ধীজীয়ে ক'লে – আগতে আমি স্বাধীন হৈ লওঁ। তাৰ পিছত আমি নিজে ঠিক কৰিম – একেলগে থাকিম নে বিভাজিত হম। জিন্নাৰ লগত আলোচনা কৰাতো বহুতে ভাল পোৱা নাছিল। সেৱাগ্ৰামতেই গান্ধীজীৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শিত হ'ল। আনফালে ২ অক্টোবৰৰ দিনা নেতাজী সুভাষ চন্দ্ৰ বসুৱে গান্ধীজীক "জাতিৰ জনক " বুলি ঘোষণা কৰে।

৭৫ তম গান্ধীজীৰ জন্ম দিন খুব ধুমধামেৰে পতা হ'ল। সিদিনা গান্ধীজীয়ে ১২৫ বছৰলৈ জীয়াই থকাৰ ইচ্ছা প্ৰকাশ কৰে। সিদিনাই ৰেংগুণত বাপুক 'জতিৰ জনক ' আখ্যা দি নেতাজীয়ে কয় –"ভাৰতবৰ্ষৰ স্বাধীনতাৰ এই পবিত্ৰ সংগ্ৰামত আমি আপোনাৰ আশীৰ্ব্বাদ কামনা কৰিছোঁ।"

সিদিনাই সেৱাগ্ৰামত কস্তুৰবা ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ বাবে ট্ৰাষ্টী সকলে ৮৫ লাখৰ এখন চেক গান্ধীজীৰ হাতত অৰ্পণ কৰে। এই টকাৰে নাৰী সংগঠনৰ দ্বাৰা নগৰৰ পৰা দূৰৈত থাকি দৰিদ্ৰতম গ্ৰাম সমাজৰ সেৱা কৰাৰ কথা ব্যক্ত কৰে।

দ্ৰুত পৰিবৰ্ত্তনশীল পৰিস্থিতিৰ মাজত ভাৰততো নানা গুৰুত্বপূৰ্ণ ঘটনা ঘটিছিল। নেতা সকলে তেতিয়াও জেলত। গৃহযুদ্ধৰ পিনে অগ্ৰসৰ ভাৰতৰ সকলো কথা গান্ধীজীয়ে অকলে চাব লগাত পৰিছে। ৭ মেৰ দিনা হিটলাৰে আত্ম সমৰ্পণ কৰে। লগে লগে ইউৰোপত যুদ্ধৰ পৰিসমাপ্তি ঘটে। স্বস্তিৰ নিশ্বাস ওলাল। গান্ধীজীয়ে সাৱধান কৰি দি কলে – হিংসাৰে হিংসাক জয় কৰি অহিংসা বিশ্ব ৰচনা কৰিব নোৱাৰি। হিংসাৰ পথেৰে শান্তি নাহে। ভাৰতৰ জুন মাহত এটা ডাঙৰ ঘটনা ঘটে। বৃটিছ চৰকাৰে ওৱাভেল প্লান ঘোষণা কৰিলে।

ওৱাভেল আঁচনি

বিশ্ব যুদ্ধ শেষ হোৱাৰ পাছত ভাৰতক যে পৰাধীন কৰি ৰাখিব নোৱাৰিব সেই কথা সুস্পষ্ট হৈ পৰিছিল। বৃটেইনত সাধাৰণ নির্বাচন আসন্ন। সেয়ে ভাৰতত ইংৰাজৰ স্বার্থ ৰক্ষা কৰিবলৈ হিন্দু মুছলমানৰ বিভেদ স্থায়ী ৰূপ দি এটা প্ৰস্তাৱ দি তৎকালীন বৰলাট লৰ্ড ওৱাভেলক নির্দেশ দিলে। ১৪ জুনৰ দিনা এই ওৱাভেল প্লান ঘোষিত হ'ল।

এই আঁচনি অনুসৰি কেন্দ্ৰীয় আইন সভাৰ উভয় পক্ষৰ দলপতি সকল, প্ৰাক্তন আৰু বৰ্ত্তমানৰ প্ৰাদেশিক মন্ত্ৰীসকল, মহাত্মা গান্ধী আৰু মহম্মদ আলী জিন্নাৰ সৈতে ২৫ জুনত চিমলাত এখন বৈঠক হব। উদ্দেশ্য হ'ল—বৰলাট আৰু লেফ্‌টেনেণ্ট গৱৰ্ণৰ বাদে ৫ জন বৰ্ণ হিন্দু, ৫ জন মুছলমান আৰু অন্যান্য ৫ জন মুঠ ১৫ জন সদস্যকে লৈ এখন অস্থায়ী শাসন পৰিষদ গঠিত হব। এই পৰিষদৰ কাম হব — (১) জাপানীক খেদি পঠিওৱাত ভাৰতবাসীৰ সকলো প্ৰকাৰৰ সহায়-সহযোগ আৰু (২) ভাবী শাসনতন্ত্ৰ ৰচনাৰ ব্যৱস্থা কৰা।

চিমলা বৈঠকলৈ ১১ খন প্ৰদেশৰ মুখ্যমন্ত্ৰী (তেতিয়া প্ৰধান মন্ত্ৰী), কেন্দ্ৰীয় আইন সভা আৰু ৰাজ্য সভাৰ কংগ্ৰেছ নেতৃদ্বয়, মুছলিম লীগৰ দুই নেতা, জাতীয় দলৰ নেতা, ইউৰোপীয় গোষ্ঠীৰ নেতা, অসবৰ্ণ হিন্দু আৰু শিখ সকলৰ একোজন প্ৰতিনিধি, মহাত্মা গান্ধী আৰু জিন্নাক লৈ মুঠ ২১ জন ব্যক্তি আমন্ত্ৰিত হৈছিল।

ওৱাভেল প্লানত স্বাধীনতাৰ কথাৰ উল্লেখ নাছিল। বৰ্ণ হিন্দু আৰু মুছলমানৰ সমান প্ৰতিনিধিত্ব দিয়া হৈছিল। আনপিনে মুছলমান বুলি মৌলানা আজাদক কংগ্ৰেছ সভাপতি হোৱা স্বত্বেও মতা হোৱা নাছিল। আজাদক নামাতিলে গান্ধীজীয়ে নাযাব বুলি কোৱাতহে নিমন্ত্ৰণ কৰে। গান্ধীজীয়ে বৈঠকত যোগ দিয়া নাছিল, কিন্তু আলোচনাৰ বাবে চিমলাতে আছিল।

২৫ জুনৰ পৰা ১৫ জুলাইলৈ এই বৈঠক বহে। জিন্নাৰ অনমনীয় দাবী আছিল বৰলাটৰ পৰিষদলৈ মুছলিম লীগৰ মনোনীত প্ৰাৰ্থী বাদে অন্য কোনো মুছলমান সদস্য হব নোৱাৰিব। কংগ্ৰেছে জিন্নাৰ অযুক্তিকৰ কথাৰ তথ্য প্ৰমাণেৰে বিৰোধ কৰিলেও বৰলাট আছিল তেওঁৰ পক্ষত। বৰলাটে শেষত কোনো সিদ্ধান্ত নকৰাকৈয়ে মিটিংখন

সমাপ্ত কৰিলে ।

চিমলা বৈঠক ব্যৰ্থ হোৱাৰ দৰে ইংলণ্ডৰ সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দল পৰাজিত হৈছিল। ২৬ জুলাইত শ্ৰমিক দলৰ নেতা ক্লীমেণ্ট এটলীয়ে শাসনভাৰ গ্ৰহণ কৰে। ভাৰতৰ পক্ষে ই আছিল এক আশীৰ্ব্বাদ ।

ইতিমধ্যে জাপানৰ হিৰোচিমা আৰু নাগাচাকিত আনবিক বোমা পৰিল । যুদ্ধ সমাপ্তিৰ বাবে ইয়াৰ কোনো আৱশ্যকতা নাছিল । বিজ্ঞানৰ এই নৃশংস ব্যৱহাৰে মানব জাতিক ত্ৰস্ত্ৰ-সন্ত্ৰস্ত আৰু ব্যাকুল কৰিলে। বিশ্বযুদ্ধ তৎকালে সমাপ্ত হ'ল। গান্ধীজীয়ে অনুদ্বিগ্ন চিত্তেৰে ১৯৪৬ চনৰ ১০ ফেব্ৰুৱাৰীৰ দিনা হৰিজনত লিখিলে :

" সত্য আৰু অহিংসাৰ নৈতিক আৰু আধ্যাত্মিক শক্তিৰ তুলনাত আনবিক বোমাৰ ভৌতিক আৰু আধিভৌতিক (Physical and material) শক্তি নগন্য ।

গান্ধীজীয়ে এই সময়তে প্ৰাকৃতিক চিকিৎসাৰে শৰীৰটো টনকিয়াল কৰিবলৈ ধৰিলে । প্ৰাকৃতিক চিকিৎসা সম্বন্ধে লিখি উলিয়ালে এখন কিতাপ Key to Health অলপ সুস্থ হৈয়েই গান্ধীজী বংগ দেশ ভ্ৰমণ কৰে ।

গান্ধীজী প্ৰথমে সোদপুৰ খাদী প্ৰতিষ্ঠানলৈ যায় আৰু তাতে কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ বৈঠকত যোগ দিয়ে। ১৮ ফেব্ৰুৱাৰীত শান্তি নিকেতনলৈ গৈ দীনবন্ধু এন্দ্ৰুজ হস্পিটাল শিলান্যাস কৰে । তাৰ পৰা তেওঁ মহিষাদললৈ যায়। বাটত তেওঁ কাথিৰ এখন ৰাজহুৱা সভাত বক্তৃতাত নেতাজীৰ বিষয়ে গান্ধীজীয়ে কৈছিল – সুভাষ বসুৰ মৃত্যু হোৱা নাই । সময়ত তেওঁ আহিব । ২০ ফেব্ৰুৱাৰী (১৯৪৬) নৌ বিদ্ৰোহৰ প্ৰসংগত আই এন এ আৰু নেতাজীৰ কথা কওঁতে তেওঁ কয় যে তেওঁ শৃংখলা পৰায়ণ, শৌৰ্য্য-বীৰ্য্য ঐক্য আৰু আত্মত্যাগৰ মহিমাৰে মহিমান্বিত । তেওঁ আৰু কৈছিল নেতাজীৰ স্বদেশ ভক্তি আৰু বীৰত্ব কাতোকৈ কম নহয়। পাছত আই এন এৰ সদস্য সকলৰ এখন প্ৰাৰ্থনা সভাত (এপ্ৰিল'৪৬, দিল্লীত) গান্ধীজীয়ে নেতাজীক নিজৰ পুতেকৰ দৰে বুলি কৈছিল ।

সোদপুৰৰ এসপ্তাহ পাছত অসমত কটাই। এই সময়তে শৰণীয়া আশ্ৰমত কস্তুৰবা ট্ৰাষ্টৰ অধীনত **গ্ৰাম সেৱিকা প্ৰশিক্ষণ বিদ্যালয়** উদ্বোধন কৰে। এই যাত্ৰাত গান্ধীজী যোৰহাট আৰু গুৱালকুচিলৈও গৈছিল। অসমৰ পৰা তেওঁ মাদ্ৰাজলৈ গৈ ফেব্ৰুৱাৰী মাহতেই আশ্ৰমলৈ ঘূৰি আহে ।

নিৰ্বাচন

১৯৪৫ ৰ ডিচেম্বৰত ভাৰতৰ সাধাৰণ নিৰ্বাচন হ'ল। গান্ধীজী ইয়াৰ লগত জৰিত হোৱা নাছিল। মুছলমান আসনবোৰত লীগৰ প্ৰতিনিধিয়ে জয়যুক্ত হ'ল। অৰ্থাৎ এনেকা কিছুমানে জিন্নাৰ ভাৰত বিভাজন আৰু পাকিস্তান গঠনৰ সিদ্ধান্ত স্বীকাৰ কৰিলে। ১৯৪৬ ৰ জানুৱাৰীত অনুষ্ঠিত প্ৰাদেশিক বিধান সভাৰ নিৰ্বাচনতো একেই ফল হ'ল। ব্যতিক্ৰম ঘটিছিল মাত্ৰ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত। পৃথক নিৰ্বাচন প্ৰক্ৰিয়া আৰু জিন্নাৰ আন্তৰিক চেষ্টাৰ বাবে হিন্দু-মুছলমানৰ ঐক্যৰ পথত অলংঘ্য প্ৰাচীৰ গঢ়ি উঠিল। গান্ধীজীৰ কথালৈ কাণ নিদিলে। সেয়ে অনতিপলমে ভাৰতবৰ্ষৰ বুকুত অগ্নিক্ষেত্ৰ ৰচিত হ'ল। ইয়াৰ প্ৰকৃত উৎস আছিল কেবিনেত মিচন।

কেবিনেত মিচন

ভাৰতবৰ্ষৰ শাসনভাৰ ভাৰতবাসীক সমৰ্পণ কৰাৰ উপায় আৰু পদ্ধতি নিৰ্দ্ধাৰণৰ বাবে ইংলণ্ডৰ নব নিৰ্বাচিত শ্ৰমিক দলৰ মন্ত্ৰীসভাৰ তিনিজন সদস্য লৰ্ড পেথিক লৰেন্স, চাৰ ষ্টাফোৰ্ড ক্ৰিপচ্ আৰু এ. ভি. আলেকজেণ্ডাৰক লৈ গঠিত মিচন ২৪ মাৰ্চ (১৯৪৬)ত ভাৰত পায়হি। নানা পক্ষৰ লগত আলোচনা কৰি ১৬ মেৰ দিনা ক্ষমতা হস্তান্তৰৰ পৰিকল্পনা ডাঙি ধৰে। সেই প্ৰস্তাবত আছিল (১) বৃটিছ ভাৰত আৰু দেশীয় ৰাজ্যবোৰক লৈ এখন যুক্তৰাষ্ট্ৰ গঠিত হব। (২) কেন্দ্ৰীয় চৰকাৰৰ হাতত পৰৰাষ্ট্ৰ, প্ৰতিৰক্ষা আৰু যোগাযোগ হে থাকিব। অন্য বিষয় বোৰৰ ক্ষেত্ৰত প্ৰদেশবোৰ আত্মকৰ্ত্তৃত্ব সম্পন্ন হব। (৩) বৃটিছ ভাৰতৰ প্ৰদেশবোৰক তিনি ভাগত ভাগ কৰা হব।

(ক) মাদ্ৰাজ, বোম্বাই, যুক্তপ্ৰদেশ (উত্তৰ প্ৰদেশ), বিহাৰ, মধ্যপ্ৰদেশ আৰু উৰিষ্যা।

(খ) পঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধু।

(গ) বংগ আৰু অসম।

এই ক্ষেত্ৰত অসমৰ লোকপ্ৰিয় নেতাই অকলে, কেৱল গান্ধীজীৰ আশীৰ্বাদ লৈ এই গ্ৰুপিঙৰ বিৰোধিতা কৰে। সিদিনা সেই বিৰোধ নকৰা হেতেন হয়তো ভাৰতৰ ইতিহাস বেলেগ ধৰণে লিখিব লগা হ'লহেতেন।

গান্ধীজীয়ে এই মিচনৰ সাফল্য কামনা কৰিছিল গ্ৰুপিঙ বাদ দি। কিন্তু আলোচনা চলি থকা অৱস্থাতে ১৬ জুনৰ দিনা ৱেৱলাটে ভাৰতবৰ্ষৰ শাসনত সহায় কৰিবলৈ ১৪ জন ভাৰতীয় জননেতাক আমন্ত্ৰণ কৰিলে। গান্ধীজীয়ে এই কাৰ্য্যক ভাল চকুৰে চাব নোৱাৰিলে। দলবোৰক তেওঁলোকৰ প্ৰতিনিধি বাচনি কৰিবলৈ নিদি চৰকাৰে পোনপটীয়াকৈ প্ৰতিনিধি নিৰ্বাচন কৰাতো সমিচীন নহয় বুলি মত প্ৰকাশ কৰিলে। সেয়ে আন্তৰিক চৰকাৰত যোগ দিবলৈ অসন্মত হয়। অৱশ্যে গণ পৰিষদত যোগ দিব খোজে। জিন্নাই কংগ্ৰেছক বাদ দি আন্তৰিক চৰকাৰ গঠন কৰিব খোজে। মিচন তাত সন্মত নহ'ল। ক্ৰুদ্ধ জিন্নাই ইয়াৰ প্ৰতিবাদ কৰি ১৬ আগষ্টৰ দিনা প্ৰত্যক্ষ সংগ্ৰাম(Direct action) ঘোষণা কৰে।

প্ৰত্যক্ষ সংগ্ৰাম

প্ৰত্যক্ষ সংগ্ৰামৰ সকলোতকৈ বেছি প্ৰভাৱ পৰিল বংগ দেশত। তেতিয়া তাত লীগ চৰকাৰ। গতিকে চৰকাৰী সাহায্যতে তিনি দিন তিনি ৰাতি কলিকতাত হিন্দু হত্যা কাৰ্য্য চলে। অসমৰ উদীয়মান কবি অমূল্য বৰুৱাই ইয়াৰ ফলতে মৃত্যু বৰণ কৰিবলগীয়াত পৰে। এই সময়ত ৫০০০ তকৈ বেছি হিন্দু কলিকতাত নিহত হয়। ১৯৪৬ ৰ লক্ষ্মী পূজাৰ দিনা নোৱাখালীত মৃত্যুৰ তাণ্ডৱ চলে। এই হিন্দু হত্যা যজ্ঞ সাতদিন ধৰি চলে। ইয়াত নিহত হল চৰকাৰী তথ্য মতে ২৮৫, ঘৰ পুৰিছিল ৯১১৯ টা। ৪৪৩৬ টা ঘৰত লুটপাট হৈছিল। অগণন নাৰী অপহৃত হয়। হেজাৰ হেজাৰ হিন্দুক মুছলমান কৰে।

এই নৰমেধ যজ্ঞ বিয়পি পৰিল বিহাৰতো। গান্ধীজীয়ে পুণৰ অনশন সংকল্প ললে। চৰকাৰে সৰ্ব শক্তি প্ৰয়োগ কৰি এই হত্যাকাণ্ড শাম কটালে। ফলত গান্ধীজীয়ে অনশনৰ সংকল্প ত্যাগ কৰে।

২০ অক্টোবৰৰ দিনা প্ৰাৰ্থনা সভাত গান্ধীজীয়ে ঘোষণা কৰিলে "মই কাইলৈ

কলিকতালৈ যাম ” তেওঁ আন এখন প্ৰাৰ্থনা সভাত কৈছিল –“যি সকলে অহিংস উপায়ে আত্মৰক্ষা কৰিব নোৱাৰে, তেওঁলোকৰ পক্ষে কাপুৰুষতা আকোৱালী লোৱাতকৈ হিংসাৰেই আত্মৰক্ষা কৰা উচিত ।”

গান্ধীৰ নোৱাখালী যাত্ৰাৰ আগতে ভাৰতত অন্তৰ্বৰ্ত্তী চৰকাৰ (Interim Govt.) গঠিত হ’ল ।

অন্তবৰ্ত্তী চৰকাৰ

কলিকতাৰ উপদ্ৰবৰ মাজতে মহাত্মা গান্ধীৰ পৰামৰ্শ উপেক্ষা কৰি, কংগ্ৰেছৰ সম্মতি লৈ জৱাহৰলাল নেহেৰুৱে অন্তৰ্বৰ্ত্তী চৰকাৰ গঠন কৰিলে (২ চেপ্তেম্বৰ, ১৯৪৬) দিল্লীৰ হৰিজন কলোনীৰ বাহৰলৈ আহি মন্ত্ৰীসকলে গান্ধীজীৰ আশীৰ্বাদ খোজে । সিদিনা গান্ধীজীৰ মৌন ব্ৰত থকা বাবে তেওঁ লিখি দিয়ে “নিমখৰ কৰ তুলি দিয়া । ডাণ্ডী যাত্ৰা স্মৰণ কৰা, অস্পৃশ্যতা দূৰ কৰা । হিন্দু মুছলমানৰ মাজত ঐক্য স্থাপন কৰা । খাদী গ্ৰহণ কৰা ।” ইয়াৰ প্ৰায় দুমাহ পাছত গান্ধীজী নোৱাখালীলৈ যাত্ৰা কৰে । প্ৰত্যক্ষ ভাবে নোৱাখালীৰ উৎপীড়িত মানবৰ সেৱা আৰু পৰোক্ষভাবে সেয়াই আছিল বিশ্ব মানবৰ সেৱা । গান্ধীজীয়ে কৈছিল – মানৱ সেৱাৰ মাজতেই মই ঈশ্বৰক পাবলৈ চেষ্টা কৰিছোঁ ।

নোৱাখালীত চাৰিমাহ

৬ নভেম্বৰৰ দিনা সোদপুৰৰ পৰা ৰেলেৰে গান্ধীজী নোৱাখালীলৈ যাত্ৰা কৰে । ৭. ১১. ৪৬. ৰ পৰা ২. ৩. ৪৭ পৰ্যন্ত হিন্দু-মুছলমান তথা মানব ঐক্য আৰু সম্প্ৰীতি স্থাপনৰ বাবে নোৱাখালী ত্ৰিপুৰাৰ গাঁৱে গাঁৱে গান্ধীজী খালী ভৰিৰে ঘূৰি ফুৰিছিল ।

গান্ধীজী নোৱাখালীলৈ অহাৰ আগতেই শ্ৰীসতীশ চন্দ্ৰ দাসগুপ্তক পঠিয়াইছিল । এওঁ গাঁৱে গাঁৱে শান্তি আৰু কৰ্মকেন্দ্ৰ স্থাপন কৰিছিল । নোৱাখালীলৈ আহি গান্ধীজীয়ে

কৈছিল –“প্ৰয়োজন হলে বংগৰ মাটিতেই মই প্ৰাণত্যাগ কৰিম।” আৰু “যিমান দিনে সাধাৰণ কিশোৰী এজনীও দুৰ্বৃত্তক ভয় কৰিব সিমান দিনলৈ বংগ দেশ নেৰোঁ।”

ফেব্ৰুৱাৰী ১৯৪৭ ত বৃটিছ চৰকাৰে ঘোষণা কৰিলে যে ১৯৪৮ চনৰ জুনৰ আগতে বৃটিছে ভাৰত ত্যাগ কৰিব। গান্ধীজী তথাপি দিল্লীলৈ নগল। ৭৭ বছৰীয়া বৃদ্ধ গান্ধীজীয়ে শান্তি প্ৰতিস্থাৰ বাবে দৈনিক ১৮ ঘণ্টাকৈ কাম কৰি গল।

নোৱাখালীত মুঠতে ১১ টা কেন্দ্ৰ স্থাপন কৰি এক স্থায়ী শান্তিৰ ব্যৱস্থা কৰিলে নোৱাখালীত।

নোৱাখালীৰ মানুহৰ লগত তেওঁলোকৰ ভাষাতেই কথা কব পৰা শক্তি আহৰণৰ বাবে অধ্যাপক নিৰ্মল কুমাৰ বসুৰ পৰা বঙলা শিকিবলৈ লৈছিল বাপুৱে। আমৰণ এই অভ্যাস তেওঁ কৰি গৈছিল।

নোৱাখালীৰ কথা গান্ধী জীৱনৰ ইতিহাসতেই নহয় বিশ্ব মানবৰ ইতিহাসতো এটা উজ্বল অধ্যায় হিচাবে চিৰদিন থাকিব। মানুহৰ কিমান ওপৰলৈ উত্তৰণ হয় তাৰ জীৱন্ত দৃষ্টান্ত থৈ ২ মাৰ্চ (১৯৪৭)ৰ দিনা বিহাৰ অভিমুখে কলিকতালৈ যাত্ৰা কৰিলে।

বিহাৰত গান্ধীজী উপদ্ৰুত অঞ্চলত ১৫ দিন আছিল। বিহাৰত বাপুৰ লগত আছিল সীমান্ত গান্ধী। বিহাৰৰ মন্ত্ৰীসকলে বাপুক কলেহি –নোৱাখালীৰ ঘটনাৰ কাৰণে বিহাৰৰ হিন্দুসকল পাগল হৈ উঠিছিল। ধৈৰ্য্যৰ সীমা তেওঁলোকৰ পাৰ হৈ গৈছিল। তাৰ উত্তৰত গান্ধীজীয়ে কৈছিল –“এনে অৱস্থাত তেওঁলোক মন্ত্ৰী পদত থকাতো অনুচিত। হিন্দু সকলো উন্মত্ততাৰ জুইত পুৰি মৰাই ভাল।”

১ এপ্ৰিলৰ দিনা দিল্লীত দক্ষিণ পূব এচিয়া সন্মিলনৰ বৈঠক বহে। গান্ধীজীয়ে কৈছিল –“আপোনালোকে পশ্চিমৰ মহাদেশবোৰক কিবা যদি বাণী দিব খোজে সি হব সত্য আৰু প্ৰেমৰ বাণী।”

দিল্লীত বহা কংগ্ৰেছ কমিটিৰ অধিবেশনত গান্ধীজীৰ বিৰোধিতা স্বত্বেও বিভাজন সূত্ৰ মানি ললে। বংগ আৰু পঞ্জাবৰ বিভাজনো স্বীকাৰ কৰি ললে। গান্ধীজীৰ উপেক্ষাত, বিশেষকৈ অখণ্ড ভাৰতক খণ্ডিত কৰাত গান্ধীজী অত্যন্ত ব্যথিত হ'ল। উপেক্ষিত গান্ধী নোৱাখালীলৈ ফিৰি যোৱাৰ উদ্দেশ্যে ৭ মেৰ দিনা কলিকতালৈ যাত্ৰা কৰিলে। সীমান্ত গান্ধী আহিল বাপুক ৰেলত তুলি দিবলৈ। বিদায় বেলাত সীমান্ত গান্ধীয়ে মৰ্মান্তিক ভাষাত বাপুক ক'লে –“মই আপোনাৰ সৈনিক। মোৰ বাবে আপোনাৰ কথাই আইন। আপোনাত মোৰ পূৰ্ণ আস্থা আছে। মই কোনো অন্য সমৰ্থন বিচাৰি নাযাওঁ।” কিন্তু ইতিহাস তেতিয়া বাপুৰ বিপক্ষে।

কংগ্ৰেছে গান্ধীৰ কথা নামানিলে। অধিকাৰৰ মোহত পৰি, বা ব্যৱহাৰিক দিশলৈ চাই তেওঁলোকে নৈতিক শক্তিৰ ওপৰত বিশ্বাস ৰাখিব নোৱাৰা হ'ল। কিন্তু বাপুতো সত্যবাদী। সঁচা কথা কবই লাগিব। সেয়ে কলিকতালৈ এখন চিঠি লিখে। তাত লিখিছিল –

১। যিয়ে নহওক ভাৰতক বিভাজিত কৰাতো বৃটিছ ৰাজৰ পক্ষে মহাভুল(Blunder) হব। বিভাজন হবলগীয়া হলেও ইংৰাজে ভাৰত ত্যাগ কৰাৰ পাছতহে হব। সংখ্যালঘুৰ স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰয়োজন হলে চালিচা আদালত গঠন কৰিব পাৰি।

২। অন্তৰ্বৰ্ত্তী চৰকাৰৰ দায়িত্ব কংগ্ৰেছ বা লীগ এটা পক্ষক দিয়া হওক – যুটীয়া ভাবে নহয়।

৩। সীমান্ত প্ৰদেশ বা অন্য কোনো ৰাজ্যতে এই সময়ত গণভোট লোৱাতো বিপদ হব।

৪। পঞ্জাব আৰু বংগদেশক খণ্ডিত কৰাতো অন্যায়।

৫। বৃটিছ গুছি যোৱাৰ লগে লগে সকলো দেশীয় ৰাজ্য ভাৰতৰ অংশ হব।

৬। চৰকাৰী কৰ্মচাৰী সকলক নতুন পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ শিক্ষা দিব লাগিব।

কিন্তু গান্ধীজীৰ কোনো প্ৰস্তাবেই গাহ্য নহল।

কলিকতাত …াহ সোদপুৰ খাদী প্ৰতিষ্ঠানত বাহৰ পাতিলে। ১২ মেৰ তৎকালীন বংগৰ প্ৰধানমন্ত্ৰী (এতিয়াৰ মুখ্যমন্ত্ৰী) সুৰাবৰ্দী চাহাবে গান্ধীজীক দেখা কৰে আৰু সংযুক্ত বংগ দেশৰ প্ৰস্তাব লৈ আলোচনা কৰে। বিভাজনতকৈ এই প্ৰস্তাব গান্ধীৰ মনঃপুত হৈছিল। কিন্তু শেষ পৰ্য্যন্ত প্ৰস্তাবটি পৰিত্যক্ত হয়। এই যাত্ৰাত গান্ধীজীৰ নোৱাখালী যোৱা নহল। পণ্ডিত নেহেৰুৰ জৰুৰী বাৰ্তা পাই ২৫ মে তাৰিখে তেওঁ দিল্লীলৈ ফিৰি আহে।

দেশ বিভাজনৰ প্ৰশ্নত গান্ধীজীয়ে বেকা হৈ বহিলে ক'ৰ পানী কলৈ গলহেতেন তাৰ ঠিকনা নাছিল। সেয়ে ঘটনাৱলীৰ কেন্দ্ৰস্থল দিল্লীত তেওঁৰ উপস্থিতি বাঞ্ছনীয় আছিল। কিন্তু গান্ধীৰ কথা আজি কোনে শুনিব ? সকলোৱে আজি নেহেৰু আৰু লৰ্ড মাউণ্ট বেটেনৰ দলত। গান্ধী এতিয়া নিতান্তই অকলশৰীয়া।

ভাৰত বিভাজিত হব, বংগ ভংগ হব, নোৱাখালী পাকিস্তানলৈ যাব ১৪ আগষ্টত —এই সকলো কথা জানিও গান্ধীজী ৮ আগষ্ট তাৰিখে নোৱাখালীলৈ যাবলৈ আহি

সোদপুৰ খাদী প্ৰতিষ্ঠান পালেহি। এইবাৰ কলিকতাৰ মুছলমান সকলে তেওঁক বেঢ়ি ধৰিলে। তেওঁলোকৰ অনুৰোধত তেওঁলোকৰ সুৰক্ষাৰ বাবে ১৩ আগষ্টৰ দিনা মুছলমান ঘনবসতিৰ বেলঘাটা এলেকাৰ গান্ধী মেনচনত গান্ধীজীয়ে বাহৰ পাতিলে। প্ৰত্যক্ষ সংগ্ৰামৰ বলি হোৱা হিন্দুসকল ক্ৰোধান্বিত বাপুৰ এই কাৰ্য্যৰ প্ৰতিবাদ কৰিলে। প্ৰত্যক্ষ সংগ্ৰামৰ নেতা চুৰাবৰ্দী চাহাব লগত থকাত তেওঁলোকৰ খং আৰু বেছি বাঢ়ে।

স্বাধীনতাৰ প্ৰভাত কালত

প্ৰায় ২০০ বছৰীয়া গোলামীৰ অন্ত পেলাই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ইংৰাজ চৰকাৰে স্বাধীন ভাৰত আৰু স্বাধীন পাকিস্তানৰ হাতত ভাৰতবৰ্ষৰ শাসনভাৰ গটাই দিলে। ভাৰতৰ বিদেশী প্ৰভুৱে দেশখনক টুকুৰা টুকুৰ কৰি ভবিষ্যতলৈ অসন্তোষৰ এটা বিষবৃক্ষ ৰোপন কৰি গ'ল। গান্ধীজী সিদিনা কলিকতাত। আনন্দ উৎসবৰ পৰা বহু দূৰৈত। অকলশৰীয়া গান্ধীয়ে গোটেই দিনটো উপবাসে থাকিল। তেওঁ আনন্দিত হ'ল হিন্দু মুছলমানৰ বৈৰী ভাব এৰি সম্মিলিত শোভা যাত্ৰা কৰা দেখি। সিদিনাই তেওঁ লিখিছিল –Miracle or Accident.তাত তেওঁ লিখিছিল– I only ask whether the dream of my youth is to be realised in the evening of my life.

স্বাধীনতাৰ পক্ষতেই ৩১ আগষ্ট তাৰিখে বিক্ষুব্ধ জনতাই গান্ধী ভবন আক্ৰমণ কৰে। গান্ধীজী ভাগ্যে ৰক্ষা পৰে। কলিকতাৰ বুকুত পুনৰ ৰায়টিং আৰম্ভ হয়। গান্ধীজীয়ে অন্য উপায় নেদেখি অনশন কৰিবলৈ সিদ্ধান্ত কৰে।

স্বাধীনতাৰ দিনাৰ দৃশ্য দেখি গান্ধীজীয়ে স্থিৰ কৰিছিল ১ চেপ্তেম্বৰৰ দিনা নোৱাখালীলৈ যাবৰ বাবে। সেই যাত্ৰা স্থগিত কৰি সিদিনাৰ পৰাই তেওঁ অনশন কৰে। ৭৩ ঘণ্টাৰ ভিতৰতে কলিকতাত শান্তি স্থাপন হয়। বহুতেই বহু অস্ত্ৰ-শস্ত্ৰ গান্ধীৰ ওচৰত সমৰ্পণ কৰে। ৪ চেপ্তেম্বৰৰ দিনা ৰাতি ৯ বজাত তেওঁ অনশন ভঙ্গ কৰে। সদায় বাপুৰ বিৰুদ্ধে লিখা মুছলিম লীগৰ বাতৰি কাকত Morning news ত লিখিলে –He (Gandhi) was ready to die so that they (Muslim) might live peacefully.

কলিকতালৈ শান্তি ফিৰি আহিল, কিন্তু পঞ্জাব অগ্নিগৰ্ভা হ'ল। ভাই-ভাইৰ তেজেৰে

তুমবালি পথেৰে লোক বিনিময় আৰম্ভ হৈছে। দিল্লীত তাৰ প্ৰবল প্ৰতিক্ৰিয়া। সেয়ে তেওঁ কলিকতা এৰি পঞ্জাবলৈ যোৱাৰ সিদ্ধান্ত কৰি ৭ চেপ্তেম্বৰৰ দিনা কলিকতা এৰে। যাত্ৰাৰ আগমুহূৰ্ত্তত তেওঁ বঙলা আখৰেৰেই বাণী দিলে– "আমার জীবনেই আমার বাণী" (মোৰ জীৱনেই মোৰ বাণী)। গান্ধীজীৰ জীৱনৰ দ্বাৰা প্ৰভাবিত হৈ ভাৰতৰ অন্তিম ইংৰাজ বৰলাট লৰ্ড মাউণ্টবেটনে গান্ধীৰ বিষয়ে লিখিছিল –In the Punjab we have 55,000 soldiers and large scale of rioting on our heads. In Bengal our forces consist of one man and there is no rioting. As a serving officer, as well as an administrator my I be allow to pay my tribute to the one man boundary force.

দিল্লীত গান্ধী

৯ চেপ্তেম্বৰৰ (১৯৪৭)ৰ দিনা বাপু দিল্লী মহানগৰীত পদাৰ্পণ কৰে। দিল্লী তেতিয়া দাঙ্গা কবলিত আৰু সান্ধ্য আইনৰ গৰাহত। হৰিজন কলোনী এতিয়া অগম্য স্থান য'ত গান্ধীজীয়ে সচৰাচৰ বাহৰ পাতে। গৃহমন্ত্ৰী চৰ্দাৰ পেটেলে দিল্লীৰ কেন্দ্ৰস্থলত থকা বিৰলাৰ এটা ঘৰত গান্ধীজীৰ থকাৰ ব্যৱস্থা কৰে। পলম নকৰি দিল্লীলৈ শান্তি ফিৰাই অনাৰ উদ্যমত তেওঁ ব্ৰতী হ'ল।

গান্ধীজীয়ে ১০ তাৰিখৰ পৰা আৰম্ভ কৰিলে শৰণাৰ্থী শিবিৰ আৰু হস্পিতাল পৰিদৰ্শন। লাখ লাখ শৰাণাৰ্থী আহি আছে নৱগঠিত পাকিস্তানৰ পৰা। পৰিস্থিতি চম্ভালিবৰ বাবে শৰণাৰ্থী সকলৰ বাবে গৰম কাপোৰ, খাদ্য আৰু নিৰাপদ আশ্ৰয়ৰ প্ৰয়োজন। গান্ধীজীৰ অনুৰোধত প্ৰচুৰ বেচৰকাৰী সাহায্য আৰু কৰ্মী পোৱা গ'ল। আচাৰ্য্য ৱিনোবা ভাবেকে ধৰি সকলো কৰ্মীয়ে লাঞ্ছিত, পীড়িত শৰণাৰ্থী সকলৰ মাজত কাম কৰিবলৈ যেন নতুন ব্ৰত গ্ৰহণ কৰিলে।

দিল্লীৰ আশা ভৰষা তেতিয়া চৰকাৰৰ নহয় কেৱল গান্ধীহে। সকলোৱে দুঃখ বেদনা নিবেদিত হয় – বিড়লা গৃহৰ গান্ধীৰ দৰবাৰত। মৃত্যুৰ পিছত নেহেৰুৱে কৈছিল –"তেওঁ যতেই বহে সেয়েই মন্দিৰ হৈ পৰে।" গান্ধী মন্দিৰত কেৱল সাম্প্ৰদায়িক তিক্ততা বা কটাকটিৰ সমস্যাই নহয়, শৰণাৰ্থী সমস্যাৰ উপৰিও চৰ্দাৰ পেটেল আৰু নেহেৰুৰ মতভেদ, মন্ত্ৰী সভাৰ লগত কংগ্ৰেছ সভাপতি (আচাৰ্য্য

কৃপলানি)ৰ মত বিৰোধ, নেতৃবৃন্দৰ মাজত অধিকাৰ লৈ খোৱা কামৰা, কংগ্ৰেছৰ আভ্যন্তৰীণ দুৰ্নীতি আদি হেগজাৰ বিজাৰ সমস্যা উত্থাপিত হয়। নীলকণ্ঠৰ দৰে সেই বিষ তেওঁ নীৰবে পান কৰে।

দেশৰ অৱস্থা ক্ৰমে বেয়াৰ পিনে ঢাল খালে। পাকিস্তানৰ ব্যৱহাৰত ভাৰতৰ হিন্দুসকল ক্ষিপ্ত হৈ পৰে। মছজিদ আক্ৰমণ কৰিবলৈ ও তেওঁলোক উদ্যত হয়। গান্ধীজীক মুছলমানৰ পৃষ্ঠপোষক আৰু হিন্দু বিৰোধী বুলি উগ্ৰবাদী হিন্দুসকলে কৰ্বলৈ পৰাংমুখ নহয়। এই প্ৰতিকূল পৰিস্থিতিত গান্ধীজীয়ে প্ৰাৰ্থনা জনালে।

" ভ্ৰাতৃ বিৰোধৰ বাবে ভাৰতবৰ্ষ ধ্বংস হ্ব তাকে চাবলৈ মই জীয়াই থাকিব নোখোজোঁ। ভগবানৰ চৰণত মোৰ এই অবিৰত প্ৰাৰ্থনা যে আমাৰ সুন্দৰ দেশ খনলৈ মহা সৰ্বনাশ অহাৰ আগতে যেন তেওঁ মোক পৃথিবীৰ পৰা আঁতৰ কৰি দিয়ে।"

১৯৪৭ চনৰ ২ অক্টোবৰ। বাপুৰ ৭৮ তম জন্মদিন। জন্ম দিনৰ অসংখ্য অভিন্দন বাপুৰ অজি শোকবাৰ্তা যেনহে অনুমান হৈছে। তেওঁ দুঃখ কৰি কৈছিল – "এটা সময় আছিল তেওঁ যি কৈছিল জনতাই তাকে শুনিছিল। আজি তেওঁ সম্পূৰ্ণ অকলশৰীয়া।"

দিল্লীততো আছিলেই ভাৰতৰ অন্যান্য ঠাইৰ পৰাও মুছলমানৰ ওপৰত অত্যাচাৰৰ ঘটনাৰ কথা বাপুলৈ আহি থাকে। আচলতে ইয়াৰ উৎস আছিল পাকিস্তান। পাকিস্তানত যি ঘটিছে তাক নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ ভাৰত চৰকাৰৰ নাই, গান্ধীজীৰো নাই। সেয়ে হেজাৰ চেষ্টা কৰিলেও এটা সুস্থ পৰিবেশ ঘূৰাই অনাতো অসম্ভৱ যেন লাগিল বাপুৰ। বিচলিত, বিক্ষুব্ধ গান্ধীজীয়ে অন্তঃপ্ৰেৰণাৰে প্ৰেৰিত হৈ ১২ জানুৱাৰীৰ প্ৰাৰ্থনা সভাত হঠাতে ঘোষণা কৰিলে –দিল্লীৰ উন্মত্ততা বন্ধ কৰাৰ উদ্দেশ্যেই কাইলৈৰ পৰা আমৰণ তেওঁ অনশন কৰিব।

অন্তিম অনশন

গান্ধীজীৰ জীৱনৰ অন্তিম অনশন আৰম্ভ হ'ল ১৩ জানুৱাৰীৰ দুপৰীয়া খোৱাৰ পাছত। ঘোষণা কৰা হ'ল– অনশন সমাপ্ত হ্ব মৃত্যুত অথবা বাহিৰৰ হেচা নোহোৱাকৈ আন্তৰিক অভিপ্ৰায়ৰে দিল্লীৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত মিলন হলে। এই ঘোষণাত চৰকাৰৰ প্ৰশাসনিক ব্যৰ্থতাৰ কথা ভাবি বিব্ৰত বোধ কৰিলে। অনশনৰ

ফলত মৃত্যু হ'লে দেশৰ আইন শৃংখলা আয়ত্তৰ বাহিৰ হোৱাৰ সম্ভাবনাও প্ৰবল।

এই অনশনৰ সংবাদ ভাৰতৰ জনসাধাৰণে পালে। ভাৰত আৰু ভাৰতৰ বাহিৰৰ পৰাও নানা বাৰ্ত্তা আহিব ধৰিলে। "হে শান্তিৰ প্ৰদীপ, বিশ্বজুৰি ব্যাপ্ত হিংসা আৰু অশান্তিৰ অন্ধকাৰত আপোনাৰ উজ্বল আলোক চিৰদিনলৈ বিকিৰণ কৰক। জীৱনটো ৰক্ষা কৰি বিশ্ববাসীক আলোকিত কৰক। গান্ধীজীক অকলে লগ ধৰাৰ সুযোগ নাপাই নুমলীয়া পুতেক দেবদাসে লিখিলে – By your death you will not be able to accomplish what you can by living . কথাষাৰ খুব সঁচা। গান্ধীজীৰ যেন জীয়াই থকাৰ ইচ্ছাই শেষ হৈ গৈছিল। পুতেকলৈ তেওঁ উত্তৰ দিছিল।

It was only when in terms of human effort I have exhausted all resources and realised my utter helplessness that I laid my head on God's lap That is the inner meaning and significance of my fast

কি পৰিস্থিতিত তেওঁ অনশন ভঙ্গ কৰিব তাৰ ৰূপৰেখা এটা অনশনৰ প্ৰথম দিনৰ প্ৰাৰ্থনা সভাতে তেওঁ কৈছিল।

পুলিচ আৰু মিলিটাৰী আঁতৰাই নিয়াৰ পাছতো যেতিয়াই শান্তি প্ৰতিস্থা হ'ব তেতিয়াহে তেওঁ অনশন ভঙ্গ কৰিব।

কাশ্মীৰ আক্ৰমণ কৰাৰ অপৰাধত পাকিস্তানৰ প্ৰাপ্য ৫৫ কৌটি টকা ভাৰত চৰকাৰে বন্ধ কৰি ৰাখিছিল। গান্ধীজীৰ অনশনক ভয় কৰি ভাৰত চৰকাৰে পাকিস্তানক সেই টকা আদায় দিয়ে। এই কাৰ্যত কেৱল শৰণাৰ্থীয়েই নহয়, ভাৰতৰ বহু লোক বিক্ষুব্ধ হয়। বিৰলা হাউচলৈ আহি তেওঁলোকে বিক্ষোভ প্ৰদৰ্শন কৰে।

অনশনৰ তৃতীয় দিনা বাপু খুব দুৰ্বল হৈ পৰিল। ডাক্তৰগণ শংকিত হ'ল। সিদিনা তেওঁ প্ৰাৰ্থনা সভালৈও যাব নোৱাৰিলে। ঘৰৰ পৰা মাইক যোগে সমবেত জনতালৈ দুই একাষাৰ কথা কলে। আনহাতে লাল কিল্লাৰ ময়দানত প্ৰায় দহ হেজাৰ শৰণাৰ্থীৰ সমুখত নেহেৰুৱে কলে – "এনে ভাবে গান্ধীজীৰ জীৱন অবসান হবলৈ হলে ভাৰত আত্মাৰে মৃত্যু হব।"

গান্ধীজীক কোনো কোনো মুছলমান নেতাই স্বৰাষ্ট্ৰ মন্ত্ৰী চৰ্দাৰ পেটেলৰ আগ্ৰহ নথকা বাবেহে দিল্লীৰ ৰায়টিং হৈছে বুলি আভিযোগ কৰিলে। হয়তো এই অভিযোগ পেটেলৰ কাণতো পৰিল। পেটেলে বাপুলৈ লিখি পঠিয়ালে – It will perhaps

be good for me and for the country ıf (you) now let me go (from the cabınet) I am not do otherwıse tham I am doıng ”

পেটেল অলপ অন্য ধৰণৰ নেতা আছিল। পাকিস্তানে কাশ্মীৰ আক্ৰমণ কৰাত ভাৰতৰ প্ৰাক্তন লীগ নেতৃবৃন্দই প্ৰতিবাদ কৰা নাছিল। চৰ্দাৰ পেটেলে এই নীৰৱতাক বাধা দিছিল । পেটেলেই পাকিস্তানৰ প্ৰাপ্য আদায়ত বাধা দিছিল। সেয়ে তেওঁক মুছলমান বিৰোধী বুলি কোৱা হ'ল। আচলতে তেওঁ নীতিক সৰ্বোপৰি মানিছিল।

দিল্লীত থকা যিবিলাক মুছলমানে কৰাচীলৈ গুছি গৈছিল — তেওঁলোকে তাঁৰ দি জানিব খুজিলে দিল্লীলৈ ঘূৰি আহিলে তেওঁলোকৰ নিজৰ ঘৰ দুৱাৰৰ দখল পাবনে।' গান্ধীজীয়ে তাঁৰ পৰাই কৈ উঠিল – এয়া হ'ল পৰীক্ষা। সেই ৰাতিযেই এক হেজাৰ হিন্দু আৰু শিখ শৰণাৰ্থীয়ে মুছলমান খিনি ফিৰি আহিলে তেওঁলোকৰ ঘৰ-দুৱাৰ ফিৰাই দিয়া হব বুলি এক ঘোষণা পত্ৰত চহী কৰি বাপুজীক দিলে।

গান্ধীজীৰ অনশনে বহুতৰে হৃদয় পৰিবৰ্ত্তন কৰিলে। গান্ধীজীৰ সাত দফা দাবী নেতৃবৃন্দই মানি লৈ ১৭ জানুৱাৰীৰ দিনা জনালে – “আমি আন্তৰিকভাবে ঘোষণা কৰিব খুজিছোঁ যে – দিল্লীত হিন্দু-মুছলমান-শিখ আৰু আন্যান্য সম্প্ৰদায়ৰ অধিবাসীগনে পূৰ্ণ শান্তিত আগৰ দৰেই বাস কৰিব। আমি মুছলমান সকলক সুৰক্ষা দিম আৰু দিল্লীত যি অঘটন ঘটি গ'ল তাৰ পুণৰাবৃত্তি হবলৈ নিদিম।”

(ক) তদুপৰি খাজা কুতুবউদ্দীনৰ মজাৰত উৎসব পালন কৰা হব।

(খ) সব্জীমণ্ডী, কেৰলবাগ, পাহাৰগঞ্জ বিনা বাধায় মুছলমান সকলে চলা-ফিৰা কৰিব পাৰিব।

(গ) পৰিত্যক্ত মচজিদবোৰ মুছলমানক ফিৰাই দিয়া হব।

(ঘ) যি সকল মুছলমান দেশ এৰি পাকিস্তানলৈ গৈছিল তেওঁলোক ঘূৰি আহিব খুজিলে আমি আপত্তি নকৰোঁ।

(ঙ) এইবোৰ কাম আমি নিজে কৰিম-পুলিচ বা সৈন্য সহায়তাৰে নহয়।

মহাত্মাজী, আমাক বিশ্বাস কৰি আপুনি অনশন ত্যাগ কৰক আৰু আগৰ দৰেই আমাৰ পথ নিৰ্দেশ দিয়ক।”

এই প্ৰতিজ্ঞা পত্ৰ গান্ধীজীৰ ইচ্ছা অনুসৰি হিন্দী আৰু উৰ্দু দুয়ো ভাষাতে লিখা হ'ল।

গান্ধীজীয়ে বিচৰা মতে কাম হোৱাত ১৮ জানুৱাৰীৰ দিনা দিনৰ পোনে এক বজাত

তেওঁ অনশন ভঙ্গ কৰে। সিদিনাৰ প্ৰাৰ্থনা সভাৰ প্ৰথম বাক্যটো আছিল – সত্যৰ নামতে মই অনশন কৰিছোঁ- সত্যৰ পৰিচিত নামেই হ'ল ঈশ্বৰ।" শেষ বাক্যটো আছিল –"সত্যই ঈশ্বৰ। তেৱেঁই আমাক পৰিচালিত কৰক।"

গান্ধীজীয়ে হিন্দু মুছলমানৰ ঐক্যৰ বাবে পাকিস্তানলৈ যাব খুজিছিল। কিন্তু পাকিস্তান চৰকাৰৰ পৰা অনুমতি নোপোৱাত যোৱাতো হৈ নুঠিল।

গান্ধীজীৰ অনশনৰ নিন্দা আৰু প্ৰশংসা দুয়োটাই হৈছিল। 'Let Gandhi die' কোৱা মানুহো আছিল। তেওঁলোকৰে কোনোবাই ২০ জানুৱাৰীৰ প্ৰাৰ্থনা সভাত গান্ধীজীক হত্যা কৰিবলৈ হাতবোমা নিক্ষেপ কৰিছিল। পিছদিনা এই বোমাৰ বিষয়ে প্ৰাৰ্থনা সভাত কলে – যোৱা কালি বোমা ফাটাৰ সময়ত মই শান্ত ভাবে বহি থকা কাৰণে বহুতে মোক প্ৰশংসা কৰিছে আৰু অভিনন্দনো জনাইছে। তাত মোক প্ৰশংসা কৰাৰ কোনো কাৰণ নাই। কাৰণ মোক মাৰিবৰ বাবেই যে বোমাটো নিক্ষেপ কৰা হৈছিল সেই কথা মই জনাই নাছিলোঁ। জনা হলে মই কি কৰিলোহেঁতেন সেঁই কথা ভগবানেহে জানে। ....বোমা নিক্ষেপ কৰা যুবকজনক যাতে কোনোৱে ঘৃণাৰ দৃষ্টিৰে নাচায়। যুবকজনে হয়তো মোক হিন্দু ধৰ্মৰ শত্ৰু বুলি ভাবিছে। .... মই গোটেই জীৱন হিন্দু ধৰ্ম অনুসৰিয়ে আচৰণ কৰি আহিছোঁ। মোৰ বিশ্বাস মই যি ভাবে কাম কৰিছোঁ। তাতেই হিন্দু ধৰ্ম ৰক্ষা পৰিব। ... যিমানে বোমা ফটক বা গুলী চলক, আপোলোকে যেন নিশ্চিত ভাবে প্ৰাৰ্থনা চলাই যাব পাৰে - এয়ে প্ৰাৰ্থনা।"

ইয়াৰ পাছতো বাপুৱে পুলিচৰ নিৰাপত্তা প্ৰত্যাখান কৰে। ২৫ জানুৱাৰী দিনাৰ প্ৰাৰ্থনা সভাত তেওঁ ৱাৰ্দ্ধালৈ ফিৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। ২৭ তাৰিখে তেওঁ কৈছিল – "লোক সেৱক সংঘ" নামৰ এটা প্ৰতিষ্ঠানৰ গঠনৰ খচৰা তেওঁ ৰচনা কৰে।

মৰণ ৰে তুহু মম শ্যাম সমান

১৯৪৮ চনৰ ৩০ জানুৱাৰী শুক্ৰবাৰ। গোটেই দিন ধৰি গান্ধীজীয়ে দলীয় কৰ্মী সকলক ভাৰত মাতৃৰ সেৱা কৰিবলৈ উপদেশ দিলে, ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছক নতুন আদৰ্শৰে জাগ্ৰত হৈ ভাৰতৰ লক্ষ লক্ষ গাঁৱৰ কৌটি কৌটি গাঁৱবাসীৰ সংগঠন আৰু মংগলৰ বাবে চেষ্টা কৰিবলৈ নিৰ্দেশ দিলে।

সূৰ্য্য অস্তমিত হোৱাৰ আগে আগে লাল হৈ পৰে। কিন্তু ক্ষন্তেক পিছতেই অজান অন্ধকাৰত বিলীন হয়। প্ৰাৰ্থনা সভালৈ যাওঁতে আজি গান্ধীজীৰ কেইমিনিটমান পলম হৈছে। তথাপি প্ৰাৰ্থনা সভালৈ যোৱাৰ পথত হাঁহি মাতি প্ৰসন্ন চিত্তেৰে গ'ল।

বিৰলা হাউচৰ প্ৰাঙ্গনতেই প্ৰাৰ্থনা স্থলী। লগত আছে মনু আৰু আভা গান্ধী। গান্ধীজীয়ে জনতাক হাতজোৰ কৰি নমস্কাৰ জনাই লাহে লাহে আগবাঢ়িছে।

মঞ্চৰ ওচৰ পোৱাৰ লগে লগে অকস্মাৎ এজন যুবকে ভিৰৰ মাজৰ পৰা আহি নতজানু হৈ গান্ধীজীক ৰিভলভাৰৰ পৰা তিনি জাঁই গুলী কৰে। তিনিওটা গুলী পেট, বুক, আৰু কলিজা ভেদ কৰি যায়। দুটা গুলী শৰীৰ ভেদ কৰি ওলাই যায় -তৃতীয়টো হাওঁফাওত সোমাই ৰয়।. গান্ধীজী মাটিত পৰি হা ৰাম, হা ৰাম বুলি কৈ উঠে। ঘটনাটো ইমান আকস্মিক ভাবে ঘটে যে– আভা বা মনুৱে বাপুক সহায় কৰাৰ সুযোগ নাপালে।

দাবানলৰ দৰে গান্ধী হত্যাৰ খবৰ বিশ্বত বিয়পি পৰিল। ৩০ জানুৱাৰীৰ ৰাতি দেৱদাস, আভা, মনু আৰু আত্মীয় আৰু সহকৰ্মী সকলে গান্ধীজীৰ মৃত দেহক আগুৰি থাকিল। পাছত জনতাৰ দৰ্শন আৰু শেষ শ্ৰদ্ধা জনাবলৈ বিৰলা হাউচৰ প্ৰাঙ্গনত ৰখা হয়। মৃত গান্ধীৰ চেহেৰাৰ এটা অপূৰ্ব বৰ্ণনা কৰিছে দেবদাস গান্ধীয়ে। তেওঁ লিখিছিল – "মুখখন ইমান প্ৰশান্ত আৰু গোটেই শৰীৰটোত এনে মধুৰ দিব্য–জ্যোতি মণ্ডল বিৰাজ কৰিছিল যে আমি যদি তাত শোক কৰোঁ তেনে সেই লোকান্তৰিত মহান আত্মাৰ প্ৰতি অসন্মান কৰা হ'ব।"

৩০ জানুৱাৰীৰ দিনা ৰাতি ভাৰতৰ প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে মহামানৱ মহাত্মা গান্ধীক শ্ৰদ্ধাঞ্জলী জনাই কৈছিল –"আমাৰ জীৱনৰ জ্যোতি নুমাই গ'ল। নহয় – মোৰ ভুল হৈছে। কাৰণ যি জ্যোতি আমাৰ দেশত জ্বলিছিল সিতো সামান্য জ্যোতি নাছিল। আজিৰ পৰা এহেজাৰ বছৰ পাছতো সেই জ্যোতিয়ে এই দেশত জ্বলি থকা দেখা যাবই আৰু সমগ্ৰ বিশ্বই তাক দেখা পাব কাৰণ সেই জ্যোতিয়ে আছিল জীৱন্ত সত্যৰ প্ৰতিনিধি।

পিছদিনা যমুনাৰ পাৰত সম্পূৰ্ণ ৰাজকীয় সন্মানেৰে গান্ধীজীৰ নৰদেহৰ শেষ কৃত্য সমাপন কৰা হয়। এই সমাধি ক্ষেত্ৰক নাম দিয়া হয় –"ৰাজঘাট"।

আজি গান্ধীজী আমাৰ মাজত নাই। কিন্তু আমি মহান জাতিৰ মহান পিতাৰ কাৰ্য্যবোৰ স্মৰণ কৰি ভবিষ্যতৰ সত্য প্ৰতিষ্ঠাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব আৰু বিশ্বাস আৰু দৃঢ়তাৰে আমি যেন গাম –

বিশ্বাস আৰু দৃঢ়তাৰে আমি যেন গাম –
উদয়েৰ পথে শুনি কাৰ বাণী
ভয় নাই ওৰে ভয় নাই,
নিঃশেষে প্ৰাণ যে কৰিল দান,
ক্ষয় নাই তাৰ ক্ষয় নাই ।
বায়ুৰনিলয়মৃতমিদং ভস্মান্তং শৰীৰং ।
ওঁ ক্ৰতো স্মৰ, কৃতংস্মৰ, ক্ৰতোস্মৰ, কৃতংস্মৰ ।

* * * * *